
# সূত্রধাৰ

১৬-৩১ জানুৱাৰী ১৯৯২ □ সাত টকা




OKDISCD

# সূত্রধাৰ

চতুৰ্থ বছৰ, দ্বিতীয় সংখ্যা
১৬-৩১ জানুৱাৰী, ১৯৯২
Vol. IV, No. 2
16-31 January, 1992

## বিষয়-সূচী

প্রচ্ছদ নিবন্ধ

### ভোজন বিলাসঃ জীৱনৰ ভোগালী উৎসৱ □ ৩১

খাদ্যই জীৱনত ক্ষুধা নিবাৰণেই নহয়, মানৱ জীৱনে খাদ্যক অকল ক্ষুধা নিবাৰণতেই আবদ্ধ নাৰাখি ইয়াক এক কলাত্মক ৰূপত উন্নিত কৰিলে। ফলত ই লাভ কৰিলে আনন্দ দিব পৰা এক অসীম ক্ষমতা। মানুহ মাত্রেই সুস্বাদু খাদ্য খোৱাৰ প্রতি এক স্পৃহা থাকে। তাৰ কোনোবাটো হয়তো হয় ব্যয়বহুল আৰু কোনোবাটো হয় খৰচতে অতি জুতি লগা। লেখক ডা ঃ মুক্তি প্ৰসাদ গগৈয়ে তেওঁৰ প্রচ্ছদ নিবন্ধ– 'ভোজন বিলাস'ত চীনা, ভাৰতীয়, ইটালীয়, ফ্রান্স, ইংলণ্ড আদিকে ধৰি পৃথিৱীৰ বিভিন্ন দেশৰ খাদ্যৰ বিবৰণ দিয়াৰ লগতে ভাৰতীয় তথা অসমৰ বিভিন্ন প্রকাৰৰ খাদ্যৰ সুস্বাদু জুতি সূত্রধাৰৰ পাঠকলৈ আগবঢ়াইছে।

ৰাজনীতি

### আল্‌ফা-চৰকাৰ আলোচনা আৰু সম্ভাৱ্য বিপদৰ বীজ ৮

চৰকাৰ আৰু আল্‌ফাৰ মাজত আলোচনাৰ বাবে উখনা-উখনি চলি থকাৰ সময়তে আল্‌ফাৰ সভাপতিজনৰ ১২ জানুৱাৰীত প্রকাশ পোৱা বিবৃতি, আলোচনাৰ মধ্যস্থতাকাৰীজননো কোন, তাৰেই ভিত্তিত দুলাল বৰাৰ প্রবন্ধ আল্‌ফা-চৰকাৰ আলোচনা আৰু সম্ভাৱ্য বিপদৰ বীজ

### আছুৰ দীৰ্ঘম্যাদী পৰিকল্পনা আৰু আল্‌ফাৰ বৰ্তমান স্থিতি ১৫

শেহতীয়া ভাবে আল্‌ফাৰ শীৰ্ষস্থানীয় কেইবাজনো নেতা মহানগৰীতে সেনা বাহিনীৰ হাতত ধৰা পৰা ঘটনাই বহু জনৰ মনত সন্দেহৰ ভাব জগাই তুলিছে। এয়া এক প্রকাৰৰ আত্ম-সমৰ্পণৰ কৌশল নেকি ? যদি সেয়ে হয় তেন্তে অসমৰ সমস্যা সমূহ সমাধানৰ একমাত্র পথ অহিংস একত্রিত প্রচেষ্টা। এই পদ্ধতিৰে সদৌ অসম ছাত্র সংস্থাই এক দীৰ্ঘম্যাদী প্রচেষ্টা হাতত লৈছে। আছুৰ এই প্রচেষ্টা আৰু আল্‌ফাৰ বৰ্তমান স্থিতি সম্পৰ্কে স্বপ্না বেজবৰুৱাৰ এক প্রবন্ধ।

ৰাজনীতি
ক্ষমতা সৰ্বস্ব ৰাজনীতিত ব্যক্তিগত স্বাৰ্থৰ প্রাধান্য □ হিতেন মহন্ত ১০

বিশ্ববিদ্যালয়ৰ বাতৰি
ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনিয়ম আৰু অনীতিৰ ৰাজত্ব চলিছে
□ স্বপ্না বেজবৰুৱা ৪২

মতামত
সন্ত্রাসবাদ আৰু সংবাদ পত্র
□ পদ্মলোচন নাথ ৫

দৃষ্টিকোণ
দানৱ অধিকাৰৰ বিৰুদ্ধে □ গীতাৰ্থ পাঠক

বিশেষ নিবন্ধ
অসম ঃ বৰ্তমান আৰু ভৱিষ্যত
□ সুজিৎ চৌধুৰী ১২

দৃষ্টিকোণ
বহিৰাগতৰ সমস্যা □ হোমেন বৰগোহাঞি

সাময়িকী
কমিউনিজমৰ বিপৰ্যয়ৰ প্রেক্ষাপটত ভাৰতৰ কমিউনিষ্ট দল □ সবিতা লহকৰ

বিশেষ নিবন্ধ
স্বাধীনতা আন্দোলনৰ ইতিহাস
□ ৰমেশ কলিতা ২৪

সাময়িক প্রসংগ
পেট্ৰোলৰ অবিহনে ▫ ডিম্বেশ্বৰ চলিহা ৫৭

বিচিত্রা
হাজোৰ বুলবুলি চৰাইৰ যুঁজ
□ ড° প্রবীণ চন্দ্র দাস ২৮

গ্রন্থ জগত
সুমিত্রা– বেদনাৰ কথা
□ জ্ঞানানন্দ শৰ্মা পাঠক ৫৩

শব্দ চিত্র ক্রমশ ঃ
পাত্র পুখুৰীৰ আইতা আৰু আমাৰ বাবে ৰহনীয়া লোককলা □ হেমন্ত বৰ্মন ৪৮

সম্পাদকীয় ৪
কবিতা ৪৭
চিনেমা ৬০
খেল-ধেমালি ৫৯
উপন্যাস ৪৯
গ্রন্থবাৰ্তা
এক পৃষ্ঠা ৬২

এই সংখ্যাৰ পৰা আৰম্ভ হ'ল নতুন বিধৰ এলানি নতুন ৰচনা

একেবাৰে শেষ পৃষ্ঠাত ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্যৰ 'এক পৃষ্ঠা'

এই সংখ্যাৰ বিষয় ঃ এজন সম্পাদকৰ লগত দুটা স্মৰণীয় মুহূৰ্ত

বেটুপাত □ চম্পক বৰবৰা

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি

সম্পাদনা সহকাৰী
মালবিকা পাঠক

মুখ্য প্রতিবেদক
হৰেন বুঢ়াগোহাঞি

কলা নিৰ্দেশক
চম্পক বৰবৰা

কাৰ্যধাক্ষ-
অনিল কুমাৰ গগৈ

পৃথিৱী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্রেছ এণ্ড পাব্লিকেশ্যনচ প্রা: লি:-ত মুদ্রিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী - ১-ৰ পৰা প্ৰকাশিত: □ ফোন- ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

**Calcutta:-**
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 241221, 248571

**Delhi:-**
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608

**Bombay:-**
Mr. Subhajit Mitra
12, Shankar Jyoti 10th Road.
Chembur
Bombay-400071
Ph. 555, 4491

# ভৱিষ্যতে যেন এনে ভুলৰ পুনৰাবৃত্তি নহয়

আল্‌ফাৰ সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদে সৃষ্টি কৰা জটিল সমস্যাটো অৱশেষত সমাধানৰ পথত আগবাঢ়িছে বুলি শেহতীয়া ঘটনা-প্ৰবাহে এটা ইংগিত দিছে। ঠিক এই সময়তে আল্‌ফাৰ ব্যৰ্থতাৰ কাৰণবোৰ বিশ্লেষণ কৰি চাবলৈ আমি চেষ্টা কৰা উচিত। কাৰণ তেতিয়াহে আমি অভিজ্ঞতাৰ পৰা শিক্ষা লৈ ইতিমধ্যে কৰি অহা ভুলবোৰ ভৱিষ্যতে পৰিহাৰ কৰি চলিবলৈ সক্ষম হম।

আল্‌ফাই যেতিয়া সশস্ত্ৰ বিপ্লৱ কৰি অসমক স্বাধীন কৰাৰ স্বপ্ন দেখিছিল, তেতিয়া তেওঁলোকে নিশ্চয় তলত উল্লেখ কৰা তিনিটা কথাৰ যি কোনো এটা অথবা আটাইকেইটাৰ ওপৰতে ভৰসা কৰি এনে এটা অসম্ভৱ স্বপ্ন দেখিছিল। সেইকেইটা হ'লঃ (১) আল্‌ফাৰ দুহেজাৰ ডেকা ল'ৰাই কেৱল ৰিভলভাৰ আৰু ৰাইফলেৰে যুদ্ধ কৰি পৃথিৱীৰ মজলীয়া সামৰিক শক্তিবোৰৰ ভিতৰত প্ৰথম স্থান দখল কৰা ভাৰতৰ বিৰাট সামৰিক বাহিনীক পৰাস্ত কৰিব পাৰিব; অৰ্থাৎ পাকিস্তানৰ শক্তিশালী সামৰিক বাহিনীয়ে যি কাম কৰিব নোৱাৰিলে, আল্‌ফাই সেই কাম কৰি দেখুৱাব। (২) বাংলাদেশৰ স্বাধীনতা অৰ্জনত ভাৰতে যি ভূমিকা লৈছিল, অসমৰ স্বাধীনতা অৰ্জনত ঠিক তেনে এটা ভূমিকা লব যি কোনো এখন বিদেশী ৰাষ্ট্ৰই। (৩) আল্‌ফাৰ স্বাধীনতাৰ দাবীক সমৰ্থন কৰি অসমৰ জনসাধাৰণে এনে এটা প্ৰবল আৰু দীৰ্ঘস্থায়ী গণ-আন্দোলন গঢ়ি তুলিব যে তাৰ সমুখত ভাৰত চৰকাৰ পিছ হোঁহকিবলৈ বাধ্য হ'ব।

সামান্য বুদ্ধি-বৃত্তি থকা যি কোনো মানুহে অলপ চিন্তা কৰি চালেই বুজিব পাৰে যে এই তিনিটা সম্ভাৱনাৰ কোনো এটাই বাস্তৱত কাৰ্যকৰী হোৱা সম্ভৱ নাছিল। কিন্তু আল্‌ফাই এনে অসম্ভৱৰ স্বপ্ন দেখি নিজৰ বুদ্ধি-বৃত্তিৰ অভাৱৰ কথা প্ৰমাণ কৰিলে। মানুহে সদায় জ্ঞানীকহে অনুসৰণ কৰা উচিত; অজ্ঞানীক নহয়। গতিকে অসমৰ মানুহে এতিয়াৰ পৰা সদায় এই কথা মনত ৰাখি চলা উচিত যে আগ-পিছ গুণি কাম কৰিব নজনা উতনুৱা মানুহক তেওঁলোকে কেতিয়াও প্ৰশ্ৰয় দিয়া উচিত নহয়। অসমীয়া মানুহে কথাতে কয় – 'মৰে উৰুলি-পুঙা, মৰে পদুলি-শুঙা।' যোৱা দহটা বছৰ অসমীয়া সকলে অশেষ দুঃখ-দুৰ্গতি ভুগিব লগা হ'ল। তাৰ ঘাই কাৰণ হ'ল আমাৰ মানুহৰ উৰুলি-পুঙা স্বভাৱ। জুইৰ অলপ তাপতে গাখীৰ উতলি চচপেনৰ কাণে-বেৰে বাগৰি যোৱাৰ দৰে অসমীয়াসকলৰ আবেগবোৰো অলপ তাপতে উতলি উঠে। যোৱা দহ বছৰৰ অভিজ্ঞতাৰ শিক্ষা লৈ অসমীয়াসকলে এতিয়া এই স্বভাৱ এৰিবৰ হ'ল।

আল্‌ফাৰ ব্যৰ্থতাৰ কাৰণে বাস্তৱ পৰিস্থিতিৰ প্ৰতিকূলতা যিমান দায়ী তাতোকৈ বহুগুণে বেছি দায়ী তেওঁলোকৰ নৈতিক শক্তিৰ অভাৱ। ৰান্ধনীক উচটাই জোল খাব খোজা একাংশ প্ৰচাৰ-মাধ্যমে আল্‌ফাৰ নায়কসকলক বীৰৰ ৰূপত গৰিমা-মণ্ডিত কৰি চিত্ৰিত কৰিব খুজিলেও এতিয়া নিশ্চিতভাৱে প্ৰমাণিত হৈছে যে আল্‌ফাৰ বেছিভাগ সদস্যই আছিল কাপুৰুষ। আন্ধাৰৰ আঁৰ লৈ নিৰস্ত্ৰ মানুহক হত্যা কৰি তেওঁলোকেতো চৰম কাপুৰুষতাৰ পৰিচয় দিছিলেই; কিন্তু পুলিচ-মিলিটাৰীৰ হাতত ধৰা পৰা মাত্ৰকতে তেওঁলোকে যিভাৱে ইজনে সিজনৰ বিষয়ে গুপ্ত তথ্য প্ৰকাশ কৰি কাপুৰুষতাৰ পৰিচয় দিলে তাৰ তুলনা সশস্ত্ৰ বিদ্ৰোহৰ ইতিহাসত বিচাৰি পাবলৈ নাই। অথচ তেওঁলোকৰ প্ৰত্যেকেই নিজৰ তেজেৰে এই বুলি শপত খাইছিল যে প্ৰাণ গলেও তেওঁলোকে সংগঠনৰ কোনো গোপন তথ্য প্ৰকাশ নকৰে! কোনোবাই সপোনতো ভাবিব পাৰেনে যে এনেবোৰ মানুহেই ভাৰতৰ বিৰাট সামৰিক বাহিনীৰ বিৰুদ্ধে দীঘলীয়া যুদ্ধ কৰি অসমক স্বাধীন কৰিব পাৰিব?

কিন্তু আল্‌ফাৰ জঘন্যতম অপৰাধ হ'ল তেওঁলোকে অসমৰ মানুহক কৰা প্ৰতাৰণা। যুদ্ধ-কোষ গঢ়ি তোলাৰ নামত তেওঁলোকে ডকাইতি কৰি আৰু ভীতি-প্ৰদৰ্শন কৰি কোটি কোটি টকা সংগ্ৰহ কৰিছিল। কিন্তু এতিয়া তেওঁলোকৰ বহুতৰ স্বীকাৰোক্তিৰ পৰা এই কথা ওলাই পৰিছে যে আল্‌ফাৰ কেইবাজনো শীৰ্ষ নেতাই তাৰে এক বিপুল পৰিমাণৰ ধন বিনিয়োগ কৰিছিল নিজৰ ব্যক্তিগত ব্যৱসায়ত – বেংগালোৰত, দিল্লীত, কলিকতাত।

মুঠতে সংক্ষেপে কবলৈ গলে অসমৰ সমসাময়িক বুৰঞ্জীত যোৱা দহটা বছৰৰ অধ্যায়টো হ'ল চৰম বিশ্বাসঘাতকতাৰ অধ্যায়। আমি যেন সেই অধ্যায়টোৰ কথা দুঃস্বপ্নৰ বিভীষিকাৰ দৰে পাহৰি গৈ এই বছৰৰ ভোগালী বিহুৰ দিনাৰ পৰাই এটা নতুন অধ্যায় মুকলি কৰিব পাৰো – এয়ে হওক আমাৰ সকলোৰে সংকল্প।





# সন্ত্ৰাসবাদ আৰু সংবাদপত্ৰ

সূত্ৰধাৰৰ সম্পাদকৰ শেহতীয়া সম্পাদকীয় সমূহ পঢ়ি মনত পৰিছে অধুনালুপ্ত 'লোকায়ত' নামৰ পষেকীয়াখনৰ এটি সম্পাদকীয়লৈ। হোমেন বৰগোহাঞিৰ সম্পাদিত উক্ত পষেকীয়া-খনৰ সেই বিশেষ সম্পাদকীয়টিৰ শিৰোনামা আছিল – 'অসমত এখনো বাতৰি কাকত নাই।' সেই সম্পাদকীয়টিত বৰগোহাঞিয়ে আধুনিক জীৱন যাত্ৰাত বাতৰি কাকত এখনে পালন কৰিবলগীয়া ভূমিকাৰ বিষয়ে আলোচনা কৰি কৈছিল, 'সেই অৰ্থত পাঠকৰ মনত খোৰাক যোগাব পৰা এখনো বাতৰি কাকত অসমত নাই।' কথাষাৰ আজিও যে কম বেছি পৰিমাণে প্ৰাসঙ্গিক শেহতীয়া ঘটনাৱলীয়েই তাৰ প্ৰমাণ। যোৱা এটা দশকৰ ভিতৰত অসমত সংবাদপত্ৰৰ সংখ্যা বহুত বাঢ়িল। কিন্তু সাংবাদিকতাৰ ক্ষেত্ৰত গুণগত উৎকৰ্ষ চকুত পৰা ধৰণে হোৱা নাই। সুখৰ বিষয় যে এচাম নিষ্ঠাবান সাংবাদিকে অসমৰ সাংবাদিকতাৰ জগতখন কিছু পৰিমাণে সজীৱ কৰি তুলিছিল। কিন্তু শেহতীয়াকৈ তেওঁলোকৰ একাংশৰো আচৰণ দেখি আমাৰ দৰে নিঃকিন পাঠক বিবুধিত পৰিছে। আল্‌ফা সম্পৰ্কত অধিকাংশ সংবাদপত্ৰৰে স্পষ্ট মতামতৰ অভাৱ। কোনোবা সংবাদপত্ৰৰ সম্পাদকে আল্‌ফাক সমৰ্থন কৰা বা আল্‌ফাৰ সমৰ্থনত যুক্তি আগবঢ়োৱাত কোনো আপত্তি থাকিব নোৱাৰে। কিন্তু সেই সংবাদপত্ৰত প্ৰকাশিত লেখা সমূহৰ বিষয়ে আলোচনা পৰ্যালোচনা প্ৰকাশ কৰাটোও তেওঁৰ নৈতিক দায়িত্ব। দুৰ্ভাগ্যৰ কথা যে, বৰ্তমান এখন সাপ্তাহিকৰ স্বনামধন্য সম্পাদকজনে তেওঁৰ কাকতত প্ৰকাশিত নিবন্ধ সমূহৰ ওপৰত কোনো আলোচনা আগবঢ়ালে এনে ধৰণে 'সম্পাদনা' কৰে যে, সেই লেখাৰ মূল বক্তব্যই কৰবাত উফৰি পৰে। কাকতখনে কিন্তু নিজকে 'ৰাইজৰ কাকত' বুলি দাবী কৰি ফুৰিছে। কেতিয়াবা কোনো অখ্যাত লোকে তেনে সমালোচনামূলক লেখা পঠালে তাত মানদণ্ড বিচাৰি নেপাই পেলনীয়া কাগজৰ খৰাহিত থৈ দিয়ে।

নিৰ্ভীক আৰু নিৰ্মোহ ভাৱে, নিৰপেক্ষতা বজাই ৰাখি, তথ্য সমূহৰ পৰ্যালোচনা কৰাই সাংবাদিকতাৰ ঘাই ভেটি। কিন্তু অলপতে 'সৎ সুস্থ আৰু সৃজনীমূলক' সাংবাদিকতাৰ পোহাৰ মেলা এখন কাকতে কি কৰিলে, সচেতন পাঠকে নিশ্চয় মন কৰিছে। যোৱা সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত হিতেশ্বৰ শইকীয়াই কাৰ্যভাৰ নৌ লওঁতেই উক্ত সাপ্তাহিকখনৰ মাননীয় সম্পাদক

> বৰ্তমান অসমৰ সংবাদপত্ৰ সমূহৰ সুলভ শিৰোনামা হ'ল ৰাষ্ট্ৰীয় সন্ত্ৰাস। ইয়াকে লৈ কেইবাখনো অভিবৰ্তন, সন্মিলন হৈ গৈছে। বৰ্তমান সংবাদপত্ৰ আৰু সাংবাদিক সকল প্ৰায় দুটা শিবিৰত বিভক্ত হৈ পৰিছে। এটা পক্ষই কেৱল ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ হে বিৰোধিতা কৰিছে। আনটোৱে ৰাষ্ট্ৰীয় আৰু ব্যক্তি সন্ত্ৰাস উভয়ৰে বিৰোধিতা কৰিছে। আকৌ সতীৰ্থ গ্ৰেপ্তাৰৰ বিৰুদ্ধে সকলোৱেই সমবেত হৈ ৰাজপথলৈ ওলাই আহিছে; সম্পাদকীয় উকা ৰাখিছে। এই সকলোবোৰৰ ফলস্বৰূপে এটা অচলাৱস্থাৰ সৃষ্টি হৈছে।

গৰাকীয়ে ঘোষণা কৰিলে, তেওঁ বোলে হিতেশ্বৰ শইকীয়াৰ আগমনক 'প্ৰত্যাহ্বান' হিচাপে গ্ৰহণ কৰিছে। কোনোবা ৰাজনৈতিক দল বা গোষ্ঠীৰ নেতাই তেনেদৰে মন্তব্য কৰিলে আপত্তি কৰাৰ থল নেথাকে, কিন্তু এখন সাপ্তাহিকৰ সম্পাদক এগৰাকীৰ মুখত তেনে মন্তব্য অশোভনীয়। কাৰণ তেনে কৰিলে তেওঁ নিজে দাবী কৰা দৰেই তেওঁৰ সংবাদ পৰিবেশনা 'সৎ সুস্থ আৰু সৃজনীমূলক' হৈ নাথাকে। বৰঞ্চ পক্ষপাতদুষ্ট হোৱাৰ সম্ভাৱনাই অধিক। অৱশ্যে ব্যক্তিগতভাৱে হিতেশ্বৰ শইকীয়াৰ প্ৰতি আমাৰ কোনো অনুকম্পা নাই। বা তেওঁক অসমৰ ত্ৰাণকৰ্তা বুলিও নাভাবো। সেইবুলি হিতেশ্বৰ শইকীয়াৰ নাম শুনিলেই মাটিতে তিনিভুকু মৰাৰ মনোভাবো নিন্দনীয়।

এতিয়া আল্‌ফাৰ বিৰুদ্ধে তালফাল লগাই থকা অনেকে এসময়ত আল্‌ফাক ওপৰলৈ তুলি দিছিল, তেওঁলোকৰ সমাজ সেৱামূলক কামৰ আলোকচিত্ৰসহ বিৱৰণ, প্ৰশংসামূলক নানা লেখাৰে এসময়ত এচাম সাংবাদিকে কাকতৰ পৃষ্ঠা ভৰাই তুলিছিল। ফলস্বৰূপে উঠি অহা তৰুণ চামৰ মাজত আল্‌ফাৰ এটা 'ৰবিনহুদ' সুলভ ভাবমূৰ্তি গঢ় লৈ উঠিছিল আৰু এই ল'ৰাহঁতৰ মনত আত্মসমালোচনামূলক মনোভাবৰ পৰিবৰ্তে গঢ় লৈ উঠিছিল আত্মবিধ্বংসী পৰমত অসহিষ্ণুতা। সেই সময়ত যদি যথোচিত সমালোচনা হ'লহেঁতেন তেন্তে আজিৰ এই দুৰৱস্থা হয়তো নহ'লহেঁতেন। এই দোষে কমবেছি পৰিমাণে সূত্ৰধাৰৰ সম্পাদককো স্পৰ্শ কৰে। আজি প্ৰায় দুবছৰমান আগতে সূত্ৰধাৰৰ এটা সম্পাদকীয়ৰ শিৰোনামা আছিল 'উগ্ৰপন্থীৰ দেশপ্ৰেম'! তাত মাননীয় বৰগোহাঞিদেৱে আল্‌ফাৰ দেশপ্ৰেমৰ ভূয়সী প্ৰশংসা কৰিছিল। কোনোবা চোৰাংচোৱা সূত্ৰৰ পৰা তেখেতে গম পাইছিল যে, 'কাচিন'ৰ কোনো বিদ্ৰোহী গোটে আল্‌ফালৈ ড্ৰাগছ সৰবৰাহ কৰি অৰ্থ উপাৰ্জনৰ যি প্ৰস্তাৱ দিছিল, সেই প্ৰস্তাৱ হেনো আল্‌ফাই বিতৃষ্ণাৰে প্ৰত্যাখ্যান কৰিছিল। কথাটো নিশ্চয় আদৰণীয়েই আছিল। তাকে pluspoint হিচাপে লৈ আল্‌ফাৰ নঞাৰ্থক দিশ সমূহক আঙুলিয়াই দিব পৰা গ'লহেঁতেন। কাৰণ সেই সময়ত আল্‌ফাৰ হিংসাত্মক কাৰ্যকলাপ লাহে লাহে বৃদ্ধি পাই আহিছিল।

বৰ্তমান অসমৰ সংবাদপত্ৰ সমূহৰ সুলভ শিৰোনামা হ'ল ৰাষ্ট্ৰীয় সন্ত্ৰাস। ইয়াকে লৈ কেইবাখনো অভিবৰ্তন, সন্মিলন হৈ গৈছে।



OKDISCD

বৰ্তমান সংবাদপত্ৰ আৰু সাংবাদিক সকল, প্ৰায় দুটা শিবিৰত বিভক্ত হৈ পৰিছে। এটা পক্ষই কেৱল ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ হে বিৰোধিতা কৰিছে। আনটোৱে ৰাষ্ট্ৰীয় আৰু ব্যক্তি সন্ত্ৰাস উভয়ৰে বিৰোধিতা কৰিছে। আকৌ সতীৰ্থ গ্ৰেপ্তাৰৰ বিৰুদ্ধে সকলোৱেই সমবেত হৈ ৰাজপথলৈ ওলাই আহিছে; সম্পাদকীয় উকা ৰাখিছে। এই সকলোবোৰৰ ফলস্বৰূপে এটা অচলাৱস্থাৰ সৃষ্টি হৈছে। যিবোৰ কাৰ্য অমানৱীয় আৰু অগণতান্ত্ৰিক সেইবোৰক সকলোৱে বিনাদ্বিধাৰে গৰিহণা দিব পাৰিব লাগে, সেই কাৰ্য লাগে যিয়েই নকৰক। চিন্তা আৰু দৃষ্টিভংগীৰ স্পষ্টতাইহে সাংবাদিকক তেনে দৃঢ়তা দিব পাৰে। অন্যথা সাংবাদিক সকলৰ দুৰ্যোগৰ অন্ত নপৰিব। বিগত অগপ চৰকাৰৰ দিনতো সাংবাদিক সকলক নানা নিগ্ৰহ কৰা হৈছিল। লাজ্জনা মুখ্য মন্ত্ৰীয়েতো সাংবাদিকক সাংবাদিকতা শিকিবলৈ কিতাপকেই দিব খুজিছিল।

'আপুনি সন্ত্ৰাসবাদৰ পক্ষে নে বিপক্ষে?' এই প্ৰশ্নৰ উত্তৰত প্ৰতিজন গণতান্ত্ৰিক আৰু সচেতন মানুহেই ক'ব লাগিব যে তেওঁ সন্ত্ৰাসবাদৰ বিপক্ষে। কিন্তু কেৱল নিৰ্লিপ্ততাৰে কিম্বা মৌনতাৰে সন্ত্ৰাসবাদৰ বিৰোধিতা কৰা নাযায়। ৰাইজৰ নিৰ্লিপ্ততা আৰু মৌনতাইহে সন্ত্ৰাসবাদক সজাঁল ধৰায়। সৈন্যবাহিনীৰ প্ৰতি সন্ত্ৰাসতো ইয়াৰ সমাধান নাই। 'মানৱ অধিকাৰ' আৰু 'সন্ত্ৰাসবাদ' দুটা পৰস্পৰ বিৰোধী বস্তু। এটা থাকিলে আনটো থাকিব নোৱাৰে। এখন সমাজত বা দেশত সন্ত্ৰাসবাদ (ৰাষ্ট্ৰীয়, ব্যক্তি উভয়) চলি থকা মানে তাত মানৱ অধিকাৰ নথকাটোকে বুজায়। গতিকে মানৱ অধিকাৰৰ দাবীত ৰাজপথলৈ ওলাই অহা সকলে মনত ৰখা উচিত যে, উভয়বিধ সন্ত্ৰাসৰ বিৰোধিতা নকৰাকৈ 'মানৱ অধিকাৰৰ' দাবী কৰাটো এটা অবাস্তৱ কথা। আল্‌ফা আজি কেৱল এটা সমস্যা হৈ থকা নাই। এতিয়া ই এটা বাস্তৱতা। এই বাস্তৱতাৰ লগত কম-বেছি পৰিমাণে আমি সকলোৱেই জড়িত। যি বিশেষ পৰিস্থিতি বা পৰিবেশৰ প্ৰভাৱত বা অভাৱত আল্‌ফাৰ জন্ম হৈছে; তাৰ পৰিবৰ্তন অবিহনে এই সমস্যাৰ আশু নিৰাময় সম্ভৱ হ'ব নোৱাৰে।

শ্ৰীপদ্মলোচন নাথ
প্ৰৱক্তা, কমাৰগাঁও কলেজ
গোলাঘাট

দৃষ্টিকোণ

# দানৱ অধিকাৰৰ বিৰুদ্ধে

গীতাৰ্থ পাঠক

প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওৱে অলপতে অনুষ্ঠিত জাতীয় সংহতি পৰিষদৰ সভাত অতি প্ৰাসংগিকভাবে কৈছে যে আমাৰ দেশত কেৱল হত্যাকাৰী সকলৰহে মানৱ অধিকাৰ আছে। পাঞ্জাব, কাশ্মীৰ আৰু অসমৰ সন্ত্ৰাসবাদী সকলে তেওঁলোকক গ্ৰেপ্তাৰ কৰা, অত্যাচাৰ কৰা অথবা হত্যা কৰা ইত্যাদি অভিযোগ চৰকাৰৰ বিৰুদ্ধে সততে তোলে আৰু চৰকাৰে যাতে পুলিচ মিলিটাৰী লগাই সন্ত্ৰাসবাদী সকলক অত্যাচাৰ কৰিব নোৱাৰে তাৰ বাবে সন্ত্ৰাসবাদী সকলে মানৱ অধিকাৰৰ ঢাল ব্যৱহাৰ কৰে। ভাৰতবৰ্ষত কেতবোৰ মানৱ অধিকাৰ সম্পৰ্কীয় সমিতি আৰু গোষ্ঠীয়ে এনে সন্ত্ৰাসবাদী সকলক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে সদায়েই চৰকাৰে মানৱ অধিকাৰৰ আন্তৰ্জাতিক অনুচ্ছেদসমূহ লংঘন কৰা বুলি অভিযোগ তোলে। প্ৰধান মন্ত্ৰী গৰাকীয়ে সিদিনা আক্ষেপেৰে কৈছে যে যিসকলক সন্ত্ৰাসবাদী সকলে হত্যা কৰে তেওঁলোকৰ কি জীয়াই থকাৰ অধিকাৰ, তথা মানৱ অধিকাৰ নাছিল! তেওঁ এই প্ৰসংগতে কয় যে সিদিনা লুধিয়ানাত সন্ত্ৰাসবাদীহঁতে নিৰীহ ৰাইজৰ ওপৰত গুলি চলাই কৰা গণহত্যাৰ ক্ষেত্ৰত মানৱ অধিকাৰ সমিতি সমূহ নীৰৱ কিয়?

প্ৰধান মন্ত্ৰীৰ এই প্ৰশ্নৰ উত্তৰ আমাৰ দেশৰ মানৱ অধিকাৰৰ হৈ চিঞৰি থকা সকলৰ বহুতেই দিব নোৱাৰে। আমাৰ অসমৰ ক্ষেত্ৰতো মানৱ অধিকাৰৰ প্ৰশ্নটো সকলো সময়তে একপক্ষীয় হৈ উত্থাপিত হোৱা পৰিলক্ষিত হৈছে। আজি যিসকলে কথাই কথাই ৰাষ্ট্ৰসন্ত্ৰাস, শ্বেতসন্ত্ৰাস তথা চৰকাৰী সন্ত্ৰাস আদি আখ্যা দি সামান্যতম চৰকাৰী নিৰ্যাতনৰো উচ্চকণ্ঠে প্ৰতিবাদ কৰিছে তেওঁলোকেতো কাহানিও সন্ত্ৰাসবাদী সকলৰ হাতত নিহত লোকসকলৰ হত্যাৰ ক্ষেত্ৰত এষাৰো প্ৰতিবাদ কৰা নাই। ভূমকাত যেতিয়া শাৰী পাতি বড়ো গাভৰুক পুলিচে ধৰ্ষণ কৰিছিল তেতিয়া মানৱ অধিকাৰ লংঘন হোৱা নাছিল নে? অগপ চৰকাৰৰ দিনত যেতিয়া আবছু আন্দোলন দমন কৰিবলৈ গৈ অসম চৰকাৰে পুলিচ মিলিটাৰী লগাই অশান্ত অঞ্চল আইন, টাডা আইন প্ৰয়োগ কৰি হাজাৰ হাজাৰ নিৰীহ বড়ো জনজাতীয় লোকক পুৰুষ মহিলা নিৰ্বিচাৰে হত্যা কৰিছিল, পংগু কৰিছিল আৰু ঘৰবাৰী জ্বলাই দিছিল তেতিয়া বৰ্তমানৰ মানৱ অধিকাৰৰ হোতা সকলে 'ৰাষ্ট্ৰসন্ত্ৰাস' শব্দটো এবাৰো ব্যৱহাৰ কৰিছিলনে? তেওঁলোকে কৰা নাছিল। অকল সেইটোৱেই নহয় বৰ্তমানৰ মানৱ অধিকাৰৰ হোতা সকলে সেই ৰাষ্ট্ৰসন্ত্ৰাসৰ কথা কাকতত প্ৰকাশ পাবলৈকো দিয়া নাছিল। আন কথাহে নালাগে ভূমকাৰ নাৰী ধৰ্ষণৰ দৰে জঘন্যতম অপৰাধৰ খবৰ পোনতে প্ৰকাশ পাইছিল অসমৰ বাহিৰৰ কাকতত। অসমৰ প্ৰায়ভাগ স্থানীয় কাকতে এই বাতৰি পোৱা নাছিল বা পাবলৈ দিয়া হোৱা নাছিল অথবা পায়ো কোনো কোনোৱে প্ৰকাশ কৰা নাছিল।

আজি অপাৰেশ্যন ৰাইনোৰ সময়ত অসমত আল্‌ফা ধৰিবলৈ যাওঁতে পুলিচ বা সেনাবাহিনীয়ে বহু সাধাৰণ মানুহক হাৰাশাস্তি কৰিবলগীয়া হৈছে, বহু লোক অত্যাচাৰ উৎপীড়নৰ বলি হৈছে। এঠাইত যদি কোনো সন্ত্ৰাসবাদীয়ে সেনাবাহিনীৰ সৈতে গুলিয়াগুলী কৰি পলাই গৈছে তেনেহলে পিছ মুহূৰ্ততে সেই অঞ্চলৰ সকলো নিৰীহ মানুহৰ ঘৰত সেনাই সন্ত্ৰাসবাদীক বিচাৰি অত্যাচাৰ কৰিছে। ইয়াৰ বাবে সেনা বাহিনী বা পুলিচ দায়ী হয়, কিন্তু মূলতঃ ৰাইজক এনেদৰে অত্যাচাৰৰ মুখলৈ ঠেলি দিয়াৰ বাবে দায়ী এই সন্ত্ৰাসবাদীসকলহে।

অপাৰেশ্যন বজৰঙৰ সময়তো আনকি মানৱ অধিকাৰৰ হোতাসকলে ইমান সঘনাই ৰাষ্ট্ৰসন্ত্ৰাস শব্দটো ব্যৱহাৰ কৰা নাছিল যদিও অপাৰেশ্যন বজৰঙ অপাৰেশ্যন ৰাইনোতকৈ অধিক শক্তিশালী আছিল। এতিয়া সন্ত্ৰাসবাদী সকলে কৰা সন্ত্ৰাসৰ কোনো নাম গোন্ধেই এই মানৱ দৰদী সকলৰ মুখত নাই। আল্‌ফাৰ উপসেনাধ্যক্ষ হীৰকজ্যোতি মহন্তৰ মৃত্যু সক্ৰান্তত আমি চৰকাৰে দিয়া ভাষ্য একপক্ষীয়ভাবে বিশ্বাস কৰিব খোজা নাই। সন্দেহৰ থল আমাৰো আছে। যদি এইটো হত্যাকান্ড হয় তেনেহলে আমিও ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰিছোঁ। কিন্তু সেই বুলি হীৰকজ্যোতিৰ হাতত কালীপদ সেনৰ পৰা আৰম্ভ কৰি যিসকল ব্যক্তি নিহত হৈছিল সেই সকলৰ হত্যাও সমানে নিন্দনীয়। কিন্তু মানৱ অধিকাৰৰ হোতাসকলে সেই নিন্দা কৰা নাছিল। মানৱ অধিকাৰৰ হোতাসকল হীৰকজ্যোতিৰ মৃত্যুত বাউলী মাতৃৰ ক্ৰন্দনত আবেগ জৰ্জৰ হৈ পৰিছে, কিন্তু ডিব্ৰুগড়ৰ তেতিয়াৰ পুলিচ অধীক্ষক মল্লিকৰ অন্তঃসত্তা স্ত্ৰীক গুলিয়াই হত্যা কৰা ঘটনাৰ নিন্দা কৰা নাছিল অথবা ছয় বছৰীয়া চবনম কলিতাৰ মাকৰ বুকুভগা ক্ৰন্দনৰ সময়ত তেওঁলোক গভীৰ নিদ্ৰাত আছিল।

মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণাৰ ২নং অনুচ্ছেদত উল্লেখ কৰা হৈছে যে প্ৰত্যেক মানুহৰে জাতি, বৰ্ণ, ভাষা, লিংগ, ধৰ্ম, ৰাজনৈতিক দৃষ্টিভংগী ইত্যাদি নিৰ্বিশেষে মানৱ অধিকাৰ ঘোষণা পত্ৰত উল্লেখ কৰা অধিকাৰ সমূহ ভোগ কৰাৰ অধিকাৰ আছে। যদি সেয়ে হয় তেনেহলে অসমত আল্‌ফাই বাছি বাছি কংগ্ৰেছ (ই) কৰ্মী বা নেতা সকলক কেৱল কংগ্ৰেছ (ই) দল কৰাৰ বাবে হত্যা কৰাটো মানৱ অধিকাৰ উলংঘন হয় নে নহয়? কংগ্ৰেছ (ই) নেতা ৰঞ্জিত দাস বা মুকুট দাসৰ কি জগৰ আছিল?



এওঁলোকৰো জীয়াই থকাৰ অধিকাৰ আছিল

মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণা চনদত বহু অনুচ্ছেদ যিবোৰ চৰকাৰতকৈ উগ্ৰপন্থীসকলে বহু বেছি পৰিমাণে লংঘন কৰিছে। আজি সেনা বা পুলিচৰ নিৰ্যাতনৰ বিৰুদ্ধে কোৱাৰ এশ এবুৰি ৰাস্তা আছে, প্ৰতিবাদ কৰাৰো পথ আছে – অসমত এনে প্ৰতিবাদ হৈয়েই আছে, কামকতে পত্ৰই প্ৰচাৰ হৈয়েই আছে। কিন্তু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে লিখিব, প্ৰতিবাদ কৰিব কোনে পাৰে? যিয়ে কৰিব তাৰ দশা সাংবাদিক কমলা শইকীয়া অথবা কুন্দনমল আগৰৱালাৰ দৰে হ'ব – হত্যা কৰা হ'ব। আনৰ কথা বাদেই অসমৰ প্ৰবল প্ৰতাপী সাংবাদিকসকলে তেওঁলোকৰেই প্ৰৌঢ় সহকৰ্মী কমলা শইকীয়াৰ হত্যাৰ সৰব প্ৰতিবাদ কৰিব নোৱাৰিলে; এটা মৌন সমদলতেই প্ৰতিবাদৰ ইতি পৰিল। কুন্দনমল আগৰৱালাৰ হত্যাৰ প্ৰতিবাদ এটা প্ৰস্তাৱতে শেষ হ'ল। গতিকেই উগ্ৰপন্থীৰ সন্ত্ৰাসৰ প্ৰতিবাদ কৰোতা নাই – এই কথা মানৱ অধিকাৰৰ হোতা সকলে স্বীকাৰ কৰি লবনে?

আনৰ কথা বাদেই দিলো অসমত এমনেষ্টি ইন্টাৰনেশ্যনৰ শাখা খোলা বুলি মিছাকৈয়ে দাবী কৰা বুলি ধৰিলেও বিপুল মহন্তইতো মানৱ অধিকাৰৰ প্ৰশ্নটোকে আগভাগ দি আল্‌ফা আৰু চৰকাৰৰ মাজত আলোচনা পতাৰ বাবে মধ্যস্থতাৰ ভূমিকা লৈছিল। তেওঁক কিয় হত্যা কৰা হ'ল? স্বয়ং মানৱ অধিকাৰৰ হৈ কাম কৰা নেতা এজনক অনাহকতে হত্যা কৰা হ'ল– আমাৰ মানৱ অধিকাৰৰ এই হোতাসকলে দেশজোৰা প্ৰতিবাদ কৰিব লাগিছিল। কৰিলেনে?

মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণাৰ ১১(১) নং অনুচ্ছেদত আছে যে যি কোনো আইন ভংগৰ অভিযোগ থকা ব্যক্তিক ৰাজহুৱা বিচাৰৰ জৰিয়তে অভিযুক্ত নকৰালৈকে নিৰপৰাধী হিচাপে গণ্য কৰা হ'ব আৰু বিচাৰৰ ক্ষেত্ৰত নিজৰ প্ৰতিৰক্ষাৰ বাবে তেওঁ সকলো ধৰণৰ সা-সুবিধা পাব। আল্‌ফাই বাৰু ক'ত কেনেকৈ বিচাৰ কৰি মানবেন্দ্ৰ শৰ্মা, টংকেশ্বৰ দিহিঙিয়া, লেখন লাহন ইত্যাদি লোকক হত্যা কৰিছিল –দুজনমান ট্ৰিগাৰহেপী হত্যা প্ৰেমী যুৱকে জংগলৰ মাজত লোৱা সিদ্ধান্তৰ দ্বাৰা ইচ্ছামতে যাকে তাকে আত্মপক্ষ সমৰ্থনৰ সুযোগ নিদি হত্যা কৰাটো মানৱ অধিকাৰ লংঘন হয় নে নহয়। মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণাত হত্যা কৰাৰ অধিকাৰ কাৰোবাক দিয়া হৈছে নেকি? এনেবোৰ প্ৰশ্নৰ উত্তৰ মানৱ অধিকাৰৰ বৰ্তমানৰ হোতা সকলৰ হাতত জানো আছে!!

যদিহে মানৱ অধিকাৰ ৰক্ষা কৰাৰ নামত এচাম দুৰ্ধৰ্ষ মানৱ অধিকাৰ হৰণকাৰীক ৰক্ষণাবেক্ষণ আৰু ৰাজনৈতিক প্ৰশ্ৰয় দিয়াটোৱেই কোনো তথাকথিত মানৱ অধিকাৰ ৰক্ষা সমিতিৰ উদ্দেশ্য হয় তেনেহলে তেওঁলোক মানৱৰ মুখাপিন্ধা দানৱহে। আৰু তেওঁলোকৰ সেয়া দানৱ অধিকাৰ ৰক্ষাৰ ছলহে মাথোন।

প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওৱে দানৱ সকলক ঠিকেই চিহ্নিত কৰিছে।

# আল্‌ফা-চৰকাৰ আলোচনা আৰু সম্ভাব্য বিপদৰ বীজ

দুলাল বৰা

সংযুক্ত মুক্তি বাহিনী অৰ্থাৎ আল্‌ফা আৰু চৰকাৰৰ মাজত অনানুষ্ঠানিক-ভাৱে হলেও আলোচনা আৰম্ভ হৈছে। আলোচনাৰ মজিয়া হৈছে নতুন দিল্লী। সম্ভৱতঃ তাত কেন্দ্ৰীয় চৰকাৰটো থকাৰ বাবে আৰু সবাৰ উপৰি অসমৰ উচটাই জোল খোৱা সকলৰ পৰা আঁতৰত থাকি চিন্তা-চৰ্চা কৰাৰ বাবেই আলোচনাৰ স্থান নতুন দিল্লী হৈছে। যি কি নহওক অসম তথা ভাৰতৰ যিসকল লোকে সঁচা অৰ্থত কিঞ্চিত শান্তি বিচাৰে, যিসকলৰ শান্তিৰ প্ৰতি থকা আকুলতা নিৰ্মল, কোনোধৰণৰ স্বাৰ্থ তাত নাই সেই সকলৰ বাবে নিশ্চয় ই অত্যন্ত সুখবৰ।

কিন্তু এই কথা সঁচা যে চৰকাৰ আৰু আল্‌ফাৰ মাজত হোৱা প্ৰাৰম্ভিক পৰ্যায়ৰ অনানুষ্ঠানিক আলোচনাক কেন্দ্ৰ কৰি ৰাজ্যখনত বিস্তৰ বিভ্ৰান্তিও চলিছে। আলোচনা হৈছে বুলি অসমৰ মুখ্য মন্ত্ৰী গৰাকীয়ে কৰা দাবীবোৰ দৰাচলতে সঁচা নহয়, ফাকতিহে বুলি পতিয়ন নিয়াবৰ বাবে এচাম বুদ্ধিজীৱীয়ে দিনে-নিশাই চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। এই শিবিৰটোৰ সংগী হিচাপে আল্‌ফাৰেই ক্ষুদ্ৰ এটা অংশক ওলাই অহা দেখা গৈছে যদিও, সংগঠনটোৰ মূল নেতৃত্ব কিন্তু ইসবৰ পৰা আঁতৰিহে আছে। কোনোধৰণৰ অনানুষ্ঠানিক আলোচনা হোৱা নাই বুলি কোনো আল্‌ফা নেতায়েই স্পষ্ট বিবৃতিও দিয়া নাই।

সন্দেহ নাই যে আলোচনা সম্পৰ্কে বিভ্ৰান্তি সৃষ্টি কৰাৰ ক্ষেত্ৰত নতুন দিল্লীৰ চৰকাৰৰ এটা অংশৰো ভূমিকা কম নহয়। মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াই আলোচনা আৰম্ভ হোৱাৰ কথা কৈ থকাৰ মাজতে কেন্দ্ৰীয় গৃহ মন্ত্ৰী শংকৰ ৰাও বি চৱন আৰু একেটা দপ্তৰৰে ৰাজ্য মন্ত্ৰী এম এন জেকৱে, আল্‌ফাই মুকলিভাৱে অস্ত্ৰ-সম্বৰণ কৰি সংবিধান স্বীকাৰ কৰি নোলোৱা পৰ্যন্ত কোনোধৰণৰ আলোচনা সম্ভৱ নহয় বুলি বাৰম্বাৰ কৈ থকাৰ ফলতেই বিভ্ৰান্তিবোৰৰ জন্ম হৈছে। অৱশ্যে এটা কথা ঠিক যে কেন্দ্ৰীয় মন্ত্ৰী দুগৰাকীয়ে অহৰহ তেনেদৰে কৈ থকাৰ ফলস্বৰূপে অসমত আলোচনাৰ বাবে তৎ হেতুৱাই থকা মুখ্য মন্ত্ৰী গৰাকীৰ ভাবমূৰ্তি শক্তিশালী হৈছে। কিয়নো অসমৰ সৰ্বসাধাৰণ ৰাইজে মনেপ্ৰাণে আলোচনা বিচাৰে, সংঘাতৰ অৱসান কামনা কৰে। আনহাতে নিৰপেক্ষভাৱে চালে দেখা যায় যে কেন্দ্ৰীয় গৃহ মন্ত্ৰী দুগৰাকীৰ সৈতে অসমৰ যিসকলে আলোচনাৰ কথা অস্বীকাৰ কৰি ফুৰিছে সেই সকলৰ অৱস্থান সম্পূৰ্ণ একে হৈ পৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী দপ্তৰ আৰু অসমৰ হুল চঁচা শিবিৰ উভয়ে একেটা কামকেই কৰিছে। কেন্দ্ৰীয় শিবিৰটোৱে এনে অৱস্থান অৱশ্যে কৌশলগত কাৰণতেই লৈছে বুলি অনুমান কৰিব পাৰি। কিয়নো আল্‌ফাই অস্ত্ৰ পৰিহাৰ কৰি সংবিধান মানি ললেহে হয়তো কেন্দ্ৰীয় চৰকাৰে মুকলি আৰু আনুষ্ঠানিকভাৱে আলোচনাত বহিব। আনকি অসমৰ মুখ্য মন্ত্ৰী গৰাকীয়েও উক্ত চৰ্তসমূহ উলাই কৰা নহয় বুলি কৈ আছে আৰু সেই চৰ্তসমূহ পূৰণৰ বাবে অৰ্থাৎ আনুষ্ঠানিক আলোচনাৰ বাবে অনুকূল পৰিবেশ এটাৰ জন্ম দিয়াৰ উদ্দেশ্যেহে অনানুষ্ঠানিক আলোচনা গোপনে আৰম্ভ কৰা হৈছে বুলি দাবী কৰা হৈছে। সেয়ে কেন্দ্ৰীয় গৃহ দপ্তৰৰ আৰু ৰাজ্য চৰকাৰৰ মাজত হোৱা ব্যৱধান তেনেই তৰল বুলি ঠাৱৰ কৰিব পাৰি। কিন্তু অসমৰ যিসকলে আল্‌ফা সমস্যা সমাধানৰ বাবে আলোচনা অনুষ্ঠিত কৰিব লাগে বুলি দাবী কৰি আছিল, সেই সকলেই এতিয়া আলোচনাৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়াটোত বিঘিনি পথালি দিবৰ বাবে তৎপৰ হৈ উঠা দেখা গৈছে। পণবন্দীৰ মুক্তি, যুদ্ধবিৰতি আৰু আলোচনাৰ বাবে আগ্ৰহ – এই তিনিটা বিষয়ক কেন্দ্ৰ কৰি গ্ৰহণ কৰা সিদ্ধান্তৰ ক্ষেত্ৰত আল্‌ফাৰ নেতৃবৰ্গৰ মাজত বিন্দুমাত্ৰও বিৰোধ নাই বুলি প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনে স্পষ্টভাৱে বিবৃতি দিয়াৰ পিছতো আল্‌ফাৰ নেতৃত্বৰ মাজত গুৰুতৰ মতবিৰোধৰ মনে সজা কাহিনী প্ৰচাৰ হৈয়েই আছে। মানৱ অধিকাৰ সংগ্ৰাম সমিতি (MASS) নামৰ সংগঠনটোৱে সমগ্ৰ অসম বাসীৰ অভিভাৱকত্বৰ সুৰত কৈছে যে এনে অৱস্থাত আল্‌ফাই আলোচনা কৰিবলৈ সন্মত হলে সমগ্ৰ অসমবাসীক বিশ্বাসঘাতকতা কৰা হ'ব। চি পি আই-ৰ দৰে ৰাজনৈতিক দলেও কৈছে যে কোনো আত্মসন্মান থকা সংগঠনে এনে অৱস্থাত আলোচনাত বহিব নোৱাৰে। জনতা দলৰ নেতা এগৰাকীয়ে আকৌ আল্‌ফাৰ মাজত বিভাজন ঘটোৱাৰ (?) বাবে মুখ্য মন্ত্ৰী গৰাকীকহে দোষাৰোপ কৰিছে। এনে দৃষ্টিভংগীবোৰে এই অৱস্থাত কেনেধৰণৰ শক্তিক সঞ্জীৱিত কৰিবগৈ সেই কথা সহজেই অনুমেয়। মূঠৰ ওপৰত, ইমান দিনে ওপৰলৈ থুৱাই থকাৰ পিছত এতিয়া নিজৰ নিজৰ মূৰৰ ওপৰতে থু-বোৰ উভতি আহি পৰা বাবে সম্পূৰ্ণ সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থ আৰু জিঘাংসাৰ দ্বাৰাই যে তেওঁলোকৰ ৰাজনৈতিক অৱস্থান নিৰ্ণীত হৈছে সেই বিষয়ে সন্দেহ নাই।

আলোচনাৰ এনে উখনা-উখনি চলি থকাৰ মাজতে আল্‌ফাৰ সভাপতি অৰবিন্দ ৰাজখোৱাৰ এটি বিবৃতি ১২ জানুৱাৰীৰ কাকত সমূহত প্ৰকাশ পাইছে। বিবৃতিটোত, আল্‌ফা সংগঠনৰ মাজত ভাঙোন সৃষ্টি কৰিবৰ বাবে কিছুমান চৰকাৰী বেচৰকাৰী প্ৰচাৰ মাধ্যমে 'অতি নিৰ্লজ্জভাৱে অবিৰত অপপ্ৰচাৰ' চলাই থকাৰ অভিযোগ তোলা হৈছে। আনকি 'কু-অভিসন্ধিমূলক বাতৰি পৰিবেশনেৰে চৰকাৰক আমাৰ (আল্‌ফাৰ) উপমুখ্য সেনাধিনায়ক হীৰকজ্যোতি মহন্তকো হত্যা কৰিবলৈ পৰোক্ষ উচটনি দিছিল' বুলি অভিযোগ কৰা হৈছে। আলোচনা সন্দৰ্ভত শ্ৰীৰাজখোৱাৰ বক্তব্য এনেধৰণৰ – 'অসমৰ জনগণৰ ওপৰত সামৰিক বাহিনীৰ হত্যা, ধৰ্ষণ গ্ৰেপ্তাৰ চলি থকালৈকে আমি কোনোধৰণৰ আলোচনাৰ পোষকতা নকৰিম। জনগণৰ ওপৰত অচিৰেই সামৰিক অত্যাচাৰ বন্ধ কৰি সামৰিক বাহিনী অসমৰ পৰা অপসাৰণ নকৰিলে আমিও বৰ্তমান আমাৰ ফালৰ পৰা অব্যাহত থকা যুদ্ধ বিৰতিৰ কথা তৎকালেই পৰ্যালোচনা কৰিবলৈ বাধ্য হম।' ধমকিৰ সুৰত এই কথা কলেও সভাপতি গৰাকীয়ে এই বুলিও স্পষ্টভাষাত অভিমত দিছে যে 'আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ প্ৰশ্নটো সম্পূৰ্ণভাৱে ৰাজনৈতিক আৰু গণতান্ত্ৰিক অধিকাৰৰ' প্ৰশ্নহে। 'ৰাজনৈতিক ভাৱে অসমৰ মৌলিক সমস্যাসমূহ স্থায়ীভাৱে সমাধান কৰাৰ অৰ্থে আমি আলোচনাত বহাটো আমাৰ দায়িত্ব আৰু সেই বাবেই পণবন্দী মুক্তিৰ লগতে যুদ্ধবিৰতি ঘোষণা কৰি এটা সুস্থ বাতাবৰণ গঢ়ি তোলাৰ দায়িত্ব ইতিমধ্যে আমি পালন কৰিছো। এতিয়া সামৰিক অভিযান বন্ধ ৰাখি মুক্ত বাতাবৰণ সৃষ্টিৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰৰ' বুলিও শ্ৰীৰাজখোৱাই মন্তব্য কৰিছে।

শ্ৰীৰাজখোৱাৰ এই বিবৃতিটোৰ আলম লৈয়েই এচামে ততালিকে মন্তব্য দিছে যে চৰকাৰ আৰু আল্‌ফাৰ মাজৰ আলোচনা অনিশ্চিত হ'ল আৰু যথেষ্ট জটিলতা নামিল। কিন্তু মনকৰিবলগীয়া কথাটো হৈছে যে বিবৃতিটো ১২ জানুৱাৰীৰ কাকতত প্ৰকাশিত হলেও শ্ৰীৰাজখোৱাই তাত স্বাক্ষৰ কৰিছিল ৩ জানুৱাৰী তাৰিখেই। অৰ্থাৎ গোপন, অনানুষ্ঠানিক আৰু প্ৰাৰম্ভিক পৰ্যায়ৰ আলোচনা হোৱাৰ আগতেই সেই বিবৃতি স্বাক্ষৰিত হৈছিল। আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ আগতেই আল্‌ফাৰ আন পাঁচ গৰাকী শীৰ্ষস্থানীয় নেতাই 'অসম বাসীৰ ওপৰত সামৰিক সন্ত্ৰাস চলি থকা অৱস্থাত, গ্ৰেপ্তাৰ হোৱা আল্‌ফা নেতাৰ মূৰত বন্দুক থৈ কৰা আলোচনাৰ প্ৰতি আমি আগ্ৰহী নহয়' বুলি এটা বিবৃতি দিছিল, নেতা কেইজন আছিল কমল বৰা ওৰফে কল্পজ্যোতি নেওক, অনিৰুদ্ধ চৌধুৰী, সূৰ্য বৰা, হৰেন বৰা আৰু ৰাজীৱ শৰ্মা। কেইদিনমানৰ পিছতে পুনৰ কমল বৰা; মুনীন নৱীশ আৰু ব্ৰজেন ডেকা নামৰ নেতা কেইজনে দিয়া বিবৃতি এটাত সন্ত্ৰাসবাদক প্ৰথমবাৰৰ বাবে তীব্ৰ ভাষাত গৰিহণা দিয়া হৈছিল আৰু সন্ত্ৰাসবাদে যে কোনো সমস্যাৰ সমাধান নকৰে সেই কথাও কোৱা হৈছিল। লগতে আল্‌ফাৰ বিগত কালছোৱাৰ কামকাজৰ মাজত যে কিছু সন্ত্ৰাসবাদী কাৰ্যকলাপো ঘটিছিল সেই কথা প্ৰকাৰান্তৰে নেতা কেইজনে স্বীকাৰ কৰাৰ লগতে সন্ত্ৰাসবাদ বিপ্লৱ হ'ব নোৱাৰে বুলি মন্তব্য দিয়া দেখা গৈছিল। আনকি বৰ্তমান সময়ত অসমৰ স্বাৰ্থতেই আল্‌ফাৰ সেনানীসকলে যুদ্ধবিৰতি মানি চলাটো যে অতীব প্ৰয়োজনীয় সেই কথাও দোহৰা হৈছিল। এই সকলো বিলাকৰ পৰা এটা কথাই প্ৰতীয়মান হয় যে আল্‌ফাৰ উচ্চ পৰ্যায়ৰ নেতা সকলে সম্প্ৰতি সশস্ত্ৰ সংগ্ৰাম চলাই যোৱাতকৈ আলোচনাৰ মেজত অসমৰ 'স্বাধীকাৰ'ৰ (স্বাধীনতা নহয়?) প্ৰশ্নটোৰ স্থায়ী সুমীমাংসা বিচাৰে। কিন্তু তাৰ বাবে সামৰিক বাহিনীৰ অপাৰেচন অব্যাহত ৰাখিব নেলাগিব। এয়াই হৈছে তেখেত সকলৰ মনোভাব।

মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ মতে আল্‌ফাৰ সৈতে অনানুষ্ঠানিক আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল ৫ জানুৱাৰী তাৰিখে। জনামতে সেইদিনাই শইকীয়া আৰু আল্‌ফাৰ জনদিয়েক নেতা আৰু মধ্যস্থতাকাৰীৰ প্ৰথমবাৰৰ বাবে মুখামুখি আলোচনা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগৰ উচ্চ পদস্থ বিষয়া পি পি শ্ৰীবাস্তৱো উপস্থিত আছিল। শইকীয়াৰ মতে বেছ কিছুদিনৰ পৰা মধ্যস্থতাকাৰীৰ যোগেদি চলাই অহা নিৰবচ্ছিন্ন যোগাযোগৰ ফলস্বৰূপেই আলোচনাৰ বাবে বহাৰ এক পৰিবেশ তৈয়াৰ হৈছিল আৰু ৭ জানুৱাৰী তাৰিখে নতুন দিল্লীত প্ৰধান মন্ত্ৰী নৰসিংহ ৰাওৰ সমুখত আল্‌ফা মধ্যস্থতাকাৰীজনক হাজিৰ কৰোৱাই আলোচনাৰ সূত্ৰপাত ঘটোৱাটো সম্ভৱপৰ হৈ উঠে। সম্প্ৰতি জনা গৈছে যে আল্‌ফাৰ কেইগৰাকীমান বিষয়ববীয়া নতুন দিল্লীত আছে আৰু মধ্যস্থতাকাৰীৰ যোগেদি তেখেত সকলে চৰকাৰৰ লগত যোগাযোগ ৰাখি আছে। অনানুষ্ঠানিকভাৱে হোৱা এনে আলোচনাত ঘাইকৈ আনুষ্ঠানিক আলোচনাৰ পৰিবেশ সৃষ্টি কৰাৰ কৌশলেই ঠাই পাইছে বুলি জনা গৈছে।

প্ৰশ্ন স্বাভাৱিকতেই উঠে যে আল্‌ফা-চৰকাৰ আলোচনাৰ মধ্যস্থতাকাৰীজন কোন? গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকত দুখনৰ দিল্লীস্থ সংবাদদাতাজনৰ মতে কেন্দ্ৰীয় চৰকাৰৰ চোৰাংচোৱা বিভাগৰ এগৰাকী বিষয়াই মধ্যস্থতাৰ কাম কৰিছে। কিন্তু মুখ্য মন্ত্ৰী শইকীয়াই যেতিয়া 'মধ্যস্থতাকাৰীজন আল্‌ফাই নিযুক্ত কৰা আৰু আল্‌ফাৰেই আস্থাভাজন' লোক বুলি কলে, তেতিয়া আৰু মধ্যস্থতাকাৰীজন কেন্দ্ৰীয় চোৰাংচোৱা বুলি ভবাটো কঠিন হ'ল। আন এক মহলৰ খবৰ মতে মধ্যস্থতাকাৰীজন অসমৰেই একালৰ এজন সুদক্ষ ফুটবল খেলুৱৈ। খেলুৱৈজন শ্ৰীৰাজখোৱা আৰু আল্‌ফাৰ মুখ্য সেনাধিনায়ক পৰেশ বৰুৱাৰ অন্তৰংগ বন্ধু। আল্‌ফা কৰ্মী এজনৰ হাতৰ পৰা পুলিচে উদ্ধাৰ কৰা ৰাজখোৱাৰ ব্যক্তিগত ডায়েৰীখনতো উক্ত খেলুৱৈগৰাকীৰ কথা কেইবাবাৰো উল্লেখ আছে। বিগত নিৰ্বাচনৰ আগে আগে খেলুৱৈজনে লৰাঢপৰাকৈ এটি আঞ্চলিক ৰাজনৈতিক মঞ্চ গঠন কৰিছিল আৰু ভালেকেইখন আসনত মঞ্চটোৰ তৰফৰ পৰা প্ৰাৰ্থিত্ব দিয়া হৈছিল। জনামতে পণবন্দী অপহৰণৰ সময়তো, প্ৰথমছোৱাত উক্ত ব্যক্তিজনেই আল্‌ফা আৰু চৰকাৰৰ মাজত মধ্যস্থতা কৰিছিল আৰু সেই মৰ্মে কিছু বন্দী বিনিময়ো হৈছিল।

মধ্যস্থতাকাৰী যেয়েই নহওক, আলোচনাৰ প্ৰক্ৰিয়াটো আৰম্ভ হোৱাত অসমৰ গৰিষ্ঠ অংশৰ জনসাধাৰণ সুখী। ইয়াৰ বাবে আল্‌ফাৰ মানহানি হোৱা নাই বৰং ৰাইজৰ সদিচ্ছা আৰু সহানুভূতিহে পাইছে। একেদৰে আল্‌ফাই যদি অস্ত্ৰ সমৰ্পণ কৰি ৰাজ্যখনৰ সামৰিক অভিযান স্থগিত ৰখাতো চৰকাৰক সহায় কৰে তেতিয়া হলেও আল্‌ফাৰ সন্মান বাঢ়িবহে, নকমে। 'অসমৰ মৌলিক সমস্যাসমূহ স্থায়ীভাৱে সমাধান' কৰাৰ অৰ্থে আল্‌ফাই নিজৰ আগ্ৰহৰ কথা ৰাইজক কৈছে। মুখ্য মন্ত্ৰী শইকীয়াইও অসমৰ সমস্যা সমূহৰ স্থায়ী মীমাংসাৰ বাবেহে আলোচনা কৰাৰ কথা কৈছে। এতিয়া আল্‌ফা আৰু অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ হাতৰ পৰা অসমৰ প্ৰাপ্য মৰ্যাদা, অসমবাসীৰ স্বকীয়তা আৰু অধিকাৰবোৰ আদায় কৰিব পাৰিবনে নোৱাৰে তাৰ প্ৰতিহে সৰ্বসাধাৰণ অসমীয়া ৰাইজৰ চকু। ১৯৮৫ চনৰ ১৪ আগষ্টৰ মাজনিশা ততাতৈয়াকৈ চুক্তি এখন কৰি সমগ্ৰ অসমবাসীকে তেতিয়াৰ ছাত্ৰ সংস্থা আৰু গণ সংগ্ৰাম পৰিষদে (পিছলৈ অসম গণ পৰিষদ) ঠগোৱাৰ দৰে এইবাৰ আল্‌ফা আৰু অসম চৰকাৰেও একে কাণ্ড ঘটালে অসমৰ ৰাইজে নিঃসন্দেহে ক্ষমা নকৰিব। নতুন দিল্লীৰ চৰকাৰটো কথাই নাই। ■

# ক্ষমতা সৰ্বস্ব ৰাজনীতিত ব্যক্তিগত স্বাৰ্থৰ প্ৰাধান্য

হিতেন মহন্ত

দল বিৰোধী কাম-কাজৰ বাবে অৱশেষত প্ৰাক্তন কেন্দ্ৰীয় উদ্যোগমন্ত্ৰী অজিত সিঙক জনতা দলৰ পৰা বহিষ্কাৰ কৰা হ'ল। ৰাজনৈতিক মহলত অজিত সিঙৰ বহিষ্কাৰ অপ্ৰত্যাশিত নাছিল। বৰং তেওঁক বহিষ্কাৰ কৰা সিদ্ধান্ত কিছু পলমকৈহে লোৱা হ'ল। ৰাষ্ট্ৰীয় মৰ্চা শাসন ক্ষমতাৰ পৰা অপসাৰিত হোৱাৰ পিছৰেই পৰা প্ৰাক্তন প্ৰধান মন্ত্ৰী তথা জনতা দলৰ জ্যেষ্ঠ নেতা বিশ্বনাথ প্ৰতাপ সিং আৰু অজিত সিঙৰ মাজত মনোমালিন্য আৰম্ভ হৈছিল। ক্ষমতাচ্যুত হোৱাৰ কিছুদিনৰ পিছতেই অজিত সিঙে ৰাজহুৱা ভাবে অভিযোগ উত্থাপন কৰি কৈছিল যে বিশ্বনাথ প্ৰতাপ সিঙে গ্ৰহণ কৰা ভুল নীতিৰ বাবেই কেন্দ্ৰত ৰাষ্ট্ৰীয় মৰ্চাৰ শাসন টিকি থাকিব নোৱাৰিলে। এই ক্ষেত্ৰত তেওঁ বিশেষকৈ মণ্ডল আয়োগৰ পৰামৰ্শৱলী কাৰ্যকৰী কৰিবলৈ গৈ প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে মাৰাত্মক ভুল কৰা বুলি অভিহিত কৰিছিল। এটা সময়ত আনকি অজিত সিঙে বিশ্বনাথ প্ৰতাপ সিঙৰ বিৰুদ্ধে দলীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছিল।

কিন্তু জনতা দলৰ সভাপতি এছ আৰ বোমাইকে ধৰি জ্যেষ্ঠ নেতা সকলে অজিত সিঙে প্ৰাক্তন প্ৰধান মন্ত্ৰীজনক এনেদৰে ৰাজহুৱাভাবে আক্ৰমণ কৰা কাৰ্যক সমৰ্থন কৰিব পৰা নাছিল। অজিত সিঙৰ এই নীতি দলৰ বাবে ক্ষতিকাৰক বুলি জনতা দলৰ জ্যেষ্ঠ নেতা সকলে তেওঁক সোঁৱৰাই দিছিল আৰু এনে কামৰ পৰা বিৰত থাকিবলৈ সতৰ্ক কৰি দিছিল। তাৰ উপৰি জনতা দলৰ জ্যেষ্ঠ নেতা সকলে সোঁৱৰাই দিছিল যে প্ৰাক্তন প্ৰধান মন্ত্ৰীজনে যি কাৰ্যপন্থা গ্ৰহণ কৰিছিল, সেয়া জনতা দলৰ সৰ্বসন্মত সিদ্ধান্তৰ উপৰিও ৰাষ্ট্ৰীয় মচাই গ্ৰহণ কৰা নীতিহে আছিল। বিশ্বনাথ প্ৰতাপ সিঙে নিজাববীয়াকৈ সেই নীতি গ্ৰহণ কৰা নাছিল। কিন্তু অজিত সিঙে এনে কামৰ পৰা বিৰত থকা দূৰৈৰেই কথা, বৰং প্ৰাক্তন প্ৰধান মন্ত্ৰীজনৰ বিৰুদ্ধে তেওঁৰ আক্ৰমণ বেছিহে হবলৈ ধৰিলে। ফলস্বৰূপে দলীয় অনুশাসন মানি নচলাৰ বাবে তেওঁক দলৰ পৰা বহিষ্কাৰ কৰা হ'ল।

দলৰ পৰা বহিষ্কৃত হোৱাৰ পিছতেই অজিত সিঙে প্ৰাক্তন প্ৰধান মন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছে যে তেওঁ মুছলমান বিৰোধী আৰু হিন্দু সকলৰ প্ৰতি সহানুভূতিশীল। অৰ্থাৎ বিশ্বনাথ প্ৰতাপ সিং আৰু আৰ এছ এছৰ নীতিৰ মাজত কোনো পাৰ্থক্য নাই। কিন্তু অজিত সিঙৰ এই অভিযোগ কেইবাটাও কাৰণত হাস্যকৰ। প্ৰথমতে ৰাষ্ট্ৰীয় মৰ্চা শাসন ক্ষমতাত থকাৰ সময়ত অজিত সিঙে প্ৰাক্তন প্ৰধান মন্ত্ৰীৰ বিৰুদ্ধে কেতিয়াও এই অভিযোগ উত্থাপন কৰা নাছিল। আনকি ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰে মণ্ডল আয়োগৰ পৰামৰ্শৱলী কাৰ্যকৰী কৰিব বুলি ঘোষণা কৰাৰ সময়ত দেশজুৰি যেতিয়া অশান্তি বিয়পি পৰিছিল, তেতিয়াও অজিত সিঙে মৌনতা অবলম্বন কৰিছিল। দ্বিতীয়তে প্ৰাক্তন প্ৰধান মন্ত্ৰীজনে মণ্ডল আয়োগৰ পৰামৰ্শৱলী কাৰ্যকৰী কৰিব বুলি ঘোষণা কৰাৰ সময়ত হিন্দু প্ৰাধান্য বা হিন্দু ৰাষ্ট্ৰত বিশ্বাসী সংগঠন সকলে সেই ঘোষণাৰ তীব্ৰ বিৰোধিতা কৰিছিল। এই সংগঠন কেইটাই উক্ত ঘোষণাৰ বিৰুদ্ধে তীব্ৰ আন্দোলনৰ জন্ম দিছিল। আবেগৰ বশবৰ্তী হৈ বহু সংখ্যক যুৱকে প্ৰাণ দিছিল। তথাপি বিশ্বনাথ প্ৰতাপ সিঙে তেওঁৰ নীতিত অবিচল আছিল। আনকি অজিত সিঙেও ৰাজহুৱাভাবে অভিযোগ কৰি কৈছিল যে বিশ্বনাথ প্ৰতাপ সিঙৰ উক্ত নীতিৰ বাবেই ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰ ক্ষমতাচ্যুত হয়। অজিত সিঙৰ পূৰ্বৰ অভিযোগ আৰু এতিয়াৰ অভিযোগ পৰস্পৰ বিৰোধী নহয়নে? তৃতীয়তে ৰাম জনমভূমি বাবৰি মছজিদ বিবাদৰ সন্দৰ্ভত বিশ্বনাথ প্ৰতাপ সিঙে যি নীতি গ্ৰহণ কৰিছিল, তাৰ দ্বাৰা প্ৰভাবান্বিত হৈয়েই বিগত নিৰ্বাচনত দিল্লীৰ শাহী ইমামে ৰাষ্ট্ৰীয় মৰ্চাৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। তেনেস্থলত বিশ্বনাথ প্ৰতাপ সিঙক মুছলমান বিৰোধী বুলি কোৱাৰ যুক্তি ক'ত? বৰং অজিত সিঙৰ বৰ্ণ-হিন্দু নেতা সকলকহে এই দোষেৰে দোষী কৰিব পাৰি।

আচলতে ক্ষমতাচ্যুত হোৱাৰ পিছতেই ভাৰতীয় ৰাজনীতিত সোঁ-পন্থী ৰাজনৈতিক দলবোৰৰ নেতাসকলৰ মাজত দ্বন্দ্ব, মনোমালিন্যই দেখা দিয়াটো নতুন কথা নহয়। ১৯৭৭ চনৰ নিৰ্বাচনত পোনপ্ৰথমবাৰৰ বাবে কংগ্ৰেছ দল ক্ষমতাচ্যুত হোৱাৰ পিছত সেই দলত ভাঙোন আহি পৰিছিল। এক কথাত কবলৈ গলে কংগ্ৰেছ দল ভাঙি টুকুৰা টুকুৰ হৈ গৈছিল। জগজীৱন ৰাম প্ৰমুখ্যে নেতাসকলে প্ৰত্যেকেই নিজাববীয়াকৈ একোটা কংগ্ৰেছ দল গঠন কৰিছিল। জৰুৰীকালীন সময়ত প্ৰয়াত ইন্দিৰা গান্ধীৰ ছাঁৰ দৰে হৈ থকা জনো ক্ষমতাচ্যুত হোৱাৰ লগে লগে তেওঁক এৰি সুবিধাজনক স্থিতি গ্ৰহণ কৰিছিল। কেৱল কেন্দ্ৰতেই নহয়, বিভিন্ন ৰাজ্যতো সেই একেই ঘটনা ঘটিছিল। কোনে কেতিয়া কোন দলত যোগদান কৰে, তাৰ হিচাপ ৰখাৰ বাবে বেলেগে কাগজ কলমৰ প্ৰয়োজন হৈছিল। কিন্তু মাত্ৰ তিনি বছৰৰ ভিতৰত অৰ্থাৎ ১৯৮০ চনত ইন্দিৰা গান্ধীৰ নেতৃত্বত যেতিয়া কংগ্ৰেছ দল পুনৰ শাসন ক্ষমতালৈ ঘূৰি আহিছিল, তেতিয়াও তেওঁক এৰি থৈ যোৱা নেতা সকলে হাত মোহাৰি মোহাৰি সুৰ সুৰকৈ পুনৰ ইন্দিৰা কংগ্ৰেছত যোগদান কৰিছিল। তেওঁলোকৰ একমাত্ৰ লক্ষ্য আছিল ক্ষমতা লাভ। অৰ্থাৎ ক্ষমতাত থাকিলে ভাল, ক্ষমতাত নাথাকিলে কাল।

পূৰ্বৰ জনতা পাৰ্টি আৰু এতিয়াৰ জনতা দলৰ ক্ষেত্ৰতো সেই একেই নীতি প্ৰযোজ্য। জৰুৰীকালীন সময়ত প্ৰয়াত ইন্দিৰা গান্ধীৰ স্বৈৰাচাৰী শাসনৰ অন্ত পেলোৱাৰ উদ্দেশ্যেই কেইবাটাও সোঁ-পন্থী ৰাজনৈতিক দল এক গোট হৈ জনতা পাৰ্টি গঠন কৰিছিল আৰু ১৯৭৭ চনত জনতা পাৰ্টিয়ে কেন্দ্ৰৰ শাসন ক্ষমতা দখল কৰিছিল। কিন্তু মূলতঃ ক্ষমতাৰ বাবেই অতি কম দিনৰ ভিতৰত দলৰ নেতা সকলৰ মাজত অৰিয়াঅৰি লাগিছিল। এই অৰিয়া-অৰিয়েই জনতা পাৰ্টিৰত ভাঙোনৰ সৃষ্টি কৰে। কেৱল ক্ষমতা লাভৰ বাবেই অজিত সিঙৰ পিতৃ প্ৰয়াত চৰণ সিঙে কিদৰে সকলো উচ্চাৰিত নীতি বিসৰ্জন দি ইন্দিৰা গান্ধীৰ সমৰ্থনেৰে প্ৰধান মন্ত্ৰীৰ আসনত বহিছিল তাৰ বহল ব্যাখ্যা নিষ্প্ৰয়োজন। চৰণ সিঙ সেই সময়ত লোকদলৰ নেতৃত্বত আছিল। মন কৰিবলগীয়া কথাটো হ'ল এয়ে যে লোকদল গঠন কৰাৰ আগেয়ে চৰণ সিং কংগ্ৰেছ দলতেই আছিল। মূলতঃ উত্তৰ প্ৰদেশৰ মুখ্য মন্ত্ৰীৰ আসনত বহিব নোৱৰাৰ বাবেই তেওঁ ভাৰতীয় লোকদল গঠন কৰিছিল। ১৯৮০ চনত জনতা পাৰ্টি ক্ষমতাচ্যুত হোৱাৰ পিছতেই পূৰ্বে উল্লেখ কৰি অহাৰ দৰে দলত ভাঙোনৰ সৃষ্টি হয়। জনতা পাৰ্টিৰ জনসংঘ গোটটোৱে ভাৰতীয় জনতা পাৰ্টি গঠন কৰে। চৰণ সিঙৰ নেতৃত্বত এটা গোটে পুনৰ লোকদল গঠন কৰে। আনহাতে প্ৰাক্তন প্ৰধান মন্ত্ৰী চন্দ্ৰশেখৰৰ নেতৃত্বত এটা গোটে জনতা পাৰ্টি ধৰি ৰাখে। এই জনতা পাৰ্টিয়ে পিছত গৈ জনতা দলত পৰিণত হয়। বিশ্বনাথ প্ৰতাপ সিং, অজিত সিং প্ৰমুখ্যে এই নেতা সকল জনতা দলত প্ৰবেশ কৰে।

ৰাষ্ট্ৰীয় মৰ্চা গঠন কৰি এই জনতা দলেই পুনৰ ১৯৮৯ চনত কেন্দ্ৰৰ শাসন ক্ষমতা দখল কৰে। ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ প্ৰধান মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰে বিশ্বনাথ প্ৰতাপ সিঙে। কিন্তু এটা দশকতকৈ অধিককাল জনতা পাৰ্টিৰ নেতৃত্ব দি অহা চন্দ্ৰশেখৰে বিশ্বনাথ প্ৰতাপ সিং প্ৰধান মন্ত্ৰীৰ পদত অধিষ্ঠিত হোৱাটো সমূলি ভাল পোৱা নাছিল। মণ্ডল আয়োগক কেন্দ্ৰ কৰি যেতিয়া দেশত বিশেষকৈ উত্তৰ ভাৰতত অশান্তিৰ জুই জ্বলিছিল, তাৰেই সুযোগ গ্ৰহণ কৰি চন্দ্ৰশেখৰে বিশ্বনাথ প্ৰতাপ সিঙৰ বিৰুদ্ধে পোতক তুলিছিল। চন্দ্ৰশেখৰে এই সুযোগতে জনতাদলত ভাঙোনৰ সৃষ্টি কৰি প্ৰয়াত ৰাজীৱ গান্ধীৰ সমৰ্থনেৰে প্ৰধান মন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ সপোন বাস্তৱত পৰিণত কৰিছিল। কিন্তু অতি কম দিনৰ ভিতৰতে গুপ্তচৰ বিষয়ক কেন্দ্ৰ কৰি চন্দ্ৰশেখৰ আৰু ৰাজীৱ গান্ধীৰ মাজত মনোমালিন্য হয়। ইয়াৰ পৰিণতি স্বৰূপে চন্দ্ৰশেখৰ ক্ষমতাচ্যুত হয়।

কংগ্ৰেছ দলত থকাৰ সময়ত বিশ্বনাথ প্ৰতাপ সিং আৰু ৰাজীৱ গান্ধীৰ মাজত বফৰ্ছ কেলেংকাৰি ঘটনাক কেন্দ্ৰ কৰি মনোমালিন্য তীব্ৰ হৈছিল যদিও ৰাজীৱ গান্ধীৰ মন্ত্ৰীসভাত বিত্ত মন্ত্ৰী হৈ থকা কালত ফেয়াৰফেক্স বিষয়লৈ দুয়োৰে মাজত ব্যক্তিগত পৰ্যায়ত অৰিয়অৰি গা কৰি উঠিছিল। ৰাজীৱ গান্ধীয়ে কব নোৱৰাকৈয়ে সিঙে তদন্ত কৰিবলৈ দিছিল। ফলস্বৰূপে ৰাজীৱ গান্ধীয়ে তেওঁক বিত্ত মন্ত্ৰী দপ্তৰৰ পৰা প্ৰতিৰক্ষা দপ্তৰলৈ লৈ আহিছিল। যিটো সিঙে ভিতৰি ভিতৰি সহ্য কৰিব পৰা নাছিল। অৱশেষত বফৰ্ছ কেলেংকাৰিৰ সুযোগ গ্ৰহণ কৰি ভি পি সিঙে ৰাজীৱ গান্ধীৰ সমুখত তীব্ৰ প্ৰত্যাহ্বান ৰূপে দেখা দিছিল। কিন্তু ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ শাসনকালতেই বফৰ্ছ ফুটুকাৰ ফেনত পৰিণত হয়।

ৰাজনৈতিক দলবোৰত ভাঙোনৰ সৃষ্টি নতুন বা অস্বাভাৱিক ঘটনা নহয়। সোঁপন্থী আৰু বাওঁপন্থী উভয় দলতেই ভাঙোনৰ সৃষ্টি হয়। কিন্তু ভাৰতীয় ৰাজনীতিৰ ইতিহাসৰ পৰা এটা কথা ক'ব পাৰি যে বেছিভাগ সময়তে সোঁপন্থী ৰাজনৈতিক দলবোৰত ভাঙোনৰ সৃষ্টি হয় ব্যক্তিগত কাৰণত আৰু বাওঁপন্থী ৰাজনৈতিক দলবোৰত ভাঙোনৰ সৃষ্টি হয় নীতিগত কাৰণত। কিন্তু যেতিয়াই ব্যক্তিগত কাৰণত ৰাজনৈতিক দলবোৰত ভাঙোনৰ সৃষ্টি হয় তেতিয়া সেই ভাঙোনে জনসাধাৰণৰ তিলমাত্ৰও উপকাৰ সাধন নকৰে। বৰং এই ভাঙোনৰ ফলত জনসাধাৰণ ক্ষতিগ্ৰস্ত হোৱাৰ উপৰিও বিভ্ৰান্ত হয়। অৱশ্যে কংগ্ৰেছ দল আৰু অন্যান্য সোঁ-পন্থী দলত ভাঙোনৰ সৃষ্টিৰ মাজত কিছু প্ৰভেদ আছে। কংগ্ৰেছ দল এৰি কিছু সংখ্যকে গুচি গলেও দলটো কেতিয়াও ভীষণভাবে ক্ষতিগ্ৰস্ত নহয়। কিন্তু অন্যান্য সোঁপন্থী দলত ভাঙোনৰ সৃষ্টি হ'লে সেই দল ভীষণভাবে ক্ষতিগ্ৰস্ত হয়। ইয়াৰ মূল কাৰণ হ'ল কংগ্ৰেছ দলৰ তৃণমূল পৰ্যায়ত সংগঠন আছে। তুলনামূলকভাবে জনতা দলকে ধৰি অন্যান্য সোঁ-পন্থী দলৰ তৃণমূল পৰ্যায়ৰ সংগঠন দুৰ্বল। আনহাতে এইটো অপ্ৰিয় হলেও সত্য যে ভাৰতৰ বেছিভাগ সোঁপন্থী দলেই কংগ্ৰেছ দলৰ ঠাল-ঠেঙুলি। চন্দ্ৰশেখৰ, ভি পি সিঙ, এই আটাইবোৰ নেতা এটা সময়ত কংগ্ৰেছ [illegible]ষ্কাৰৰ দ্বাৰা প্ৰভাৱান্বিত।

অজিত সিঙৰ বহিষ্কাৰে জনতা দলত নিঃসন্দেহে ক্ষতি সাধন কৰিব। অজিত সিঙে এতিয়া নতুন ৰাজনৈতিক দল গঠন কৰাৰ বাবে প্ৰস্তুতি চলাইছে। ক্ষমতা সৰ্বস্ব ৰাজনীতিৰ এইটো অন্যতম জ্বলন্ত উদাহৰণ। কিয়নো ভি পি সিঙৰ উপস্থিতিত নিজৰ ৰাজনৈতিক জীৱন অন্ধকাৰ দেখিয়েই অজিত সিঙে জনতা দলত ভাঙোনৰ সৃষ্টি কৰিলে। অজিত সিঙৰ নতুন দলে জনসাধাৰণৰ উপকাৰ সাধন নকৰাটোৱে স্বাভাৱিক। সূ

সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব
বছৰেকীয়া বৰঙণি: ১৪৪ টকা
ছমহীয়া বৰঙণি: ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰবী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
মনজেৰা হাউছ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১

বিশেষ নিবন্ধ

# অসম ঃ বৰ্তমান আৰু ভৱিষ্যত (৪)

সুজিৎ চৌধুৰী

যি কোনো ভাষা আৰু সংস্কৃতিৰ এটা স্বাভাৱিক বিচৰণ আৰু সম্প্ৰসাৰণ ক্ষেত্ৰ থাকে ; ইতিহাস আৰু ভূগোল উভয়ে মিলি তাৰ সীমা নিৰূপণ কৰে। যিকোনো এটাৰ অনুপস্থিতি বা বিপৰীত পৰিস্থিতি য'তেই থাকে সম্প্ৰসাৰণৰ প্ৰয়াসে নানা ধৰণৰ বিপত্তিৰ সৃষ্টি কৰে

অসমৰ ক্ষেত্ৰতো দেখা যায় যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম গোৱালপাৰাত অসমীয়া ভাষাৰ প্ৰতিষ্ঠা স্বাধীনতাৰ প্ৰথম দশকতেই সম্ভৱ হৈছিল। সমসাময়িক ঘটনা প্ৰবাহো ইয়াৰ অনুকূলে আছিল। ভূগোলেতো এই ক্ষেত্ৰত সহায় কৰিছিলেই ; লগতে ইতিহাসৰ আনুকূল্যও পোৱা গৈছিল। এই ক্ষেত্ৰত ৰাষ্ট্ৰশক্তিয়ে যি উৎসাহ যোগাইছিল সি কোনো কোনো ক্ষেত্ৰত জাপি দিয়া বিধৰ আছিল। গোৱালপাৰাত ইয়াক বেছি সক্ৰিয় ৰূপত দেখা গৈছিল আৰু ইয়াকে লৈ বঙ্গভাষী সমাজত অভিযোগ উঠাও দেখা যায়। আমাৰ যুক্তি অনুযায়ী ৰাষ্ট্ৰশক্তি ইতিহাসৰেই প্ৰতিনিধি। বিশ্বৰ সকলো সীমামুৰীয়া অঞ্চলৰ ভাষিক আত্মী কৰণত (assimilation) ৰাষ্ট্ৰশক্তিৰ ভূমিকা স্বাভাৱিকতে পৰিলক্ষিত হোৱা দেখা যায়। এই বিষয়ত অসম যে কোনো ব্যতিক্ৰম নহয় তাৰ সপক্ষে আমি অবিভক্ত বঙ্গৰ এক দৃষ্টান্ত উল্লেখ কৰিব পাৰো। বঙ্গ, বিহাৰ, উৰিষ্য যেতিয়া সন্মিলিত প্ৰদেশ আছিল তেতিয়া ১৮৯১ চনত উৰিষ্যা সংলগ্ন মেদিনীপুৰ জিলাত উড়িয়া ভাষীৰ সংখ্যা আছিল ৫৭২,৭৮৯। ১৯০১ চনত এই সংখ্যা কমি হয়গৈ ২৭০,৪৯৫ আৰু বঙ্গদেশ যেতিয়া স্বতন্ত্ৰভাৱে সংগঠিত হ'ল, তাৰ পিছত ১৯১১ চনত তেওঁলোকৰ সংখ্যা মাথো ৰ'লগৈ ১৮১,৪০১। এফ জি বেইলিয়ে তেখেতৰ Politics and Social Change নামৰ গ্ৰন্থত এই বিষয়ে উড়িয়াসকলৰ বেদনাক লৈ আলোচনা কৰিছে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনজাতীয় অঞ্চল সমূহত অসমীয়া ভাষা গ্ৰহণ কৰাৰ প্ৰৱণতা আছিল বেছি। ১৯৫১ চনৰ জনগণনাত এই প্ৰৱণতা আৰু বেছি স্পষ্ট হৈ পৰে। ১৯৩১ চনত অসমত বড়োভাষী সকলৰ সংখ্যা আছিল চাৰি লাখ চৌষষ্ঠী হাজাৰ। ১৯৫১ চনত তেওঁলোকৰ সংখ্যা কমি চাৰি লাখ ওঠৰ হাজাৰ হ'ল। বিশ বছৰৰ ব্যৱধানত এই সংখ্যা স্বাভাৱিক বৃদ্ধিৰ হাৰত ধৰিলে হব লাগিছিল অন্ততঃ ছয় লাখ। ১৯৩১ চনত মিচিংসকলৰ সংখ্যা আছিল এসত্তৰ হাজাৰ ; ১৯৫১ চনত কমি হ'লগৈ তেপন্ন হাজাৰ। কাৰ্বিসকলৰ সংখ্যা আছিল একলাখ এঘাৰ হাজাৰ। বাঢ়ি গৈ হ'ল একলাখ বিশ হাজাৰ। এই বৃদ্ধি স্বাভাৱিক বৃদ্ধিতকৈ কিন্তু যথেষ্ট কম। জনজাতি সকলৰ এটা অংশ অসমীয়া-ভাষী বুলি গণ্য হোৱাৰ ফলতেই এনে ঘটিবলৈ পালে। পৰবৰ্তী কালত জনজাতীয় লোকসকলে অসমীয়াকৰণ প্ৰয়াসৰ বিৰোধিতা কৰিছে ; কিন্তু এই পৰ্যায়টোত কোনো সক্ৰিয় প্ৰতিবাদ হোৱা নাছিল। ইয়াৰ পাছত লাহে লাহে যি প্ৰতিৰোধ গঢ়ি উঠিল তাৰ কাৰণ আছিল আত্মীকৰণৰ সহযোগী উপাদানসম্বলিত অনুকূল বাতাবৰণ সৃষ্টিৰ ক্ষেত্ৰত পৰ্বত প্ৰমাণ ব্যৰ্থতা। 'বহিৰাগত সমস্যা' নামৰ সুদীৰ্ঘ প্ৰবন্ধত হোমেন বৰগোহাঞিয়ে এই ব্যৰ্থতা সম্পৰ্কত সতৰ্কবাণী শুনাইছিল।

এই সময়ছোৱাৰ আটাইতকৈ উল্লেখনীয় কথাটো হ'ল ব্ৰহ্মপুত্ৰ উপত্যকাৰ অভিবাসী মুছলমানসকলৰ অসমীয়া গ্ৰহণ। বস্তুতঃ আহোমসকলৰ অসমীয়া ভাষা গ্ৰহণৰ পাছত সাংস্কৃতিক ক্ষেত্ৰত ইমান ডাঙৰ পৰিবৰ্তন অসমত আৰু কেতিয়াও ঘটা নাছিল। অভিবাসী মুছলমান সকলে যে সমূহীয়া ভাৱে এনে এটা সিদ্ধান্ত লৈছিল তাৰ একাধিক কাৰণ আছিল।

যিদুটা কাৰণ আটাইতকৈ বেছি প্ৰাসংগিক আছিল সেই দুটা হ'ল ঃ এক ১৯৫০ চনত অসমত ব্যাপক সাম্প্ৰদায়িক সংঘৰ্ষ। ইয়াৰ পৰিপ্ৰেক্ষিতত অভিবাসীসকলৰ নেতৃত্বই এই সিদ্ধান্তত উপনীত হয় যে ভাষা আৰু ধৰ্ম এই দুই ক্ষেত্ৰতেই সংখ্যালঘুৰ পৰিচয় বহণ কৰাটো নিৰাপত্তাৰ দিশত সমীচীন নহয়। দুই ঃ সেই সময়তেই ৰাজ্য চৰকাৰে মাটিৰ পট্টা আৰু মালিকানা প্ৰাপ্তিৰ লগত ভাষিক পৰিচয় সংশ্ৰৱ ঘটায় ("Indigenons of Assam means a person belonging to the state of Assam and speaking the Assamese language or any Aribal dialect of Assam on, in case of cachar the languae of the region" —Assam Gazette Sept. 5, 1950)।

উল্লেখনীয় যে, অভিবাসী এই সমস্ত মুছলমান কৃষকসকলৰ শতকৰা নব্বৈজনেই আছিল নিৰক্ষৰ। ভাষাকেন্দ্ৰিক সংস্কৃতিবোধ মূলতঃ মধ্যবিত্ত শ্ৰেণীৰ মাজতেই গঢ়ি উঠে আৰু এই শ্ৰেণীৰ দ্বাৰাই সি লালিত হয়। আনহাতে বংশানুক্ৰমিক ভাৱে কৃষিয়েই যিসকলৰ জীৱিকা, মাটিৰ গৰাকী হোৱাৰ প্ৰতি তেওঁলোকৰ সীমাহীন অনুৰক্তিৰ পৰিমাপ কৰাই সম্ভৱ নহয়।

অভিবাসী মুছলমানসকলে যেতিয়া অসমীয়াকে নিজৰ মাতৃভাষা হিচাপে ঘোষণা কৰিলে তেতিয়া তেওঁলোকৰ মাজতেই তেওঁলোকৰ জীৱন আৰু জীৱিকাৰ প্ৰশ্নৰ সৈতে জড়িত জৰুৰী সমস্যা সমূহৰ এটা সৰল সমাধানো দেখা পাইছিল। পৰবৰ্তী কালত বঙালী হিন্দু ভগনীয়াসকলৰ যিটো অংশই ব্ৰহ্মপুত্ৰ উপত্যকাৰ গাঁও অঞ্চলত বসবাস কৰিছিল তেওঁলোকেও ঠিক তাকেই কৰিছিল। অসম আন্দোলনৰ প্ৰথম পৰ্যায়ত উত্তৰ কামৰূপত দেবনাথ পদবীধাৰী যিসকল লোক নিহত হৈছিল তেওঁলোকে কিন্তু নিজেই অসমীয়া স্কুল সাজিছিল। সন্ধ্যা কৈপ্য নামেৰে নিহত হোৱা ছোৱালীজনীৰ প্ৰকৃত উপাধি আছিল বিশ্বাস। কিন্তু সম্পূৰ্ণৰূপে অসমীয়া হবলৈ গৈ তাইৰ পৰিয়ালৰ লোকসকলে নিজৰ উপাধি সলনি কৰিছিল। এই হিন্দু ভগনীয়াসকলৰ মাজত শিক্ষিত মধ্যবিত্ত লোকো আছিল আৰু তেওঁলোকেও ভাষিক পৰিচয়ৰ বিষয়টোত কোনো গুৰুত্ব আৰোপ কৰা নাছিল। আচলতে আত্মীকৰণ প্ৰক্ৰিয়া (assimilation) সফল কৰাৰ মূলতে আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে অৰ্থনৈতিক তাগিদাই। সাংস্কৃতিক কাৰণবোৰে এই ক্ষেত্ৰত সহযোগী উপাদান মাথোন যোগাব পাৰে।

প্ৰখ্যাত বুদ্ধিজীৱী অধ্যাপক উদয়ন মিশ্ৰই অসম আন্দোলনৰ সময়ত





Economic and Political Weekly-ত এলানি প্ৰবন্ধ লিখিছিল। অসমীয়া সকলৰ প্ৰকৃত আশংকাৰ কাৰণ প্ৰতিপন্ন কৰিবলৈ গৈ তেওঁ অসমত আত্মীকৰণ প্ৰক্ৰিয়াৰ সম্ভাব্যতাৰ কথাই বাৰে বাৰে অস্বীকাৰ কৰিছে। তেওঁৰ মতে হিন্দুৱেই হওক বা মুছলমানেই হওক বাঙালীসকল হৈছে এটা পৰিণত আৰু সংগঠিত জাতি আৰু তেওঁলোকৰ অভিবাসী অংশটোৰ পক্ষে বেলেগ জাতি সত্তাৰ মাজত বিলীন হৈ যোৱাটো অসম্ভৱ। কথাটো কিন্তু সম্পূৰ্ণ সত্য বা স্বতঃসিদ্ধ নহয়। এটা নিৰ্দ্দিষ্ট ভূখণ্ডত জন্ম গ্ৰহণৰ ফলস্বৰূপে মানুহে স্বাভাৱিকতেই এটা মাতৃভাষা অৰ্জন কৰে। কিন্তু সংস্কৃতি চেতনাৰ অলপ উন্নত স্তৰত আৰোহণ নকৰিলে মাতৃভাষাৰ প্ৰতি আবেগ-মিশ্ৰিত মমত্ব-বোধ নজন্মে। ভাষা ভিত্তিক জাতি চেতনাৰ অংশীদাৰ হবলৈ হ'লে মানুহে প্ৰথমে সেই সমত্ব-বোধ অৰ্জন কৰিব লাগিব। অভিবাসী মুছলমানসকলৰ ক্ষেত্ৰত এই প্ৰশ্নটোক সেই দৃষ্টিকোণৰ পৰা বিবেচনা কৰি চাব পাৰি। স্বাধীনতাৰ আগেয়ে গাঁও অঞ্চলৰ বঙালী মুছলমানসকলৰ সকলোৱেই আৰু নগৰীয়া বঙালী মুছলমানসকলৰো সৰহ ভাগেই কোনো প্ৰকাৰেই বঙালী চেতনাৰ অংশীদাৰ নাছিল। তেওঁলোকৰ মনত ইছলামী চেতনাৰ বাহিৰে অন্য চেতনাৰ যাতে জন্ম নহয় তাৰ প্ৰতিও মুছলমান নেতাসকল সচেতন আছিল। হিন্দু নেতৃত্বৰ নেতিবাচক মনোভাৱেও এই ক্ষেত্ৰত ইন্ধন যোগাইছিল। ফলত অসমলৈ যিসকল বঙালী মুছলমান আহিছিল, তেওঁলোকৰ বঙালী মানসিকতা আছিল জন্মসূত্ৰে আৰ্জিত ; ই উপলব্ধিৰ মাধ্যমেৰে লালিত নাছিল। নিৰক্ষৰতাৰ কাৰণে ভাষা সংক্ৰান্ত আবেগৰ কথাটোও যে তেওঁলোকৰ বাবে অবান্তৰ আছিল সেই কথা পূৰ্বে উল্লেখ কৰিছো। অৰ্থনৈতিক ক্ষেত্ৰত অনুকূল পৰিবেশ পালে এওঁলোকৰ কথাটো বাদেই, এওঁলোকতকৈও আগবঢ়া সংস্কৃতিবান মধ্যবিত্ত বঙালী হিন্দু সকলেও যে অসমীয়া সকলৰ লগত জাহ যোৱা প্ৰতিক্ৰিয়াটোত যোগ দিবৰ বাবে যে আগ্ৰহী আছিল তাৰ এটা দৃষ্টান্ত ওপৰত দিয়া হৈছে। অভিবাসী মুছলমান সকলৰ ক্ষেত্ৰত অন্ততঃ দেখা গৈছে যে তেওঁলোকে যি কাৰণতেই অন্য এটা ভাষা গ্ৰহণ নকৰক কিয়, কিন্তু এবাৰ ন-অসমীয়া হিচাপে পৰিচয় লাভ কৰাৰ পাছত সেই পৰিচয়কেই সাৰ্থক কৰি তোলাত তেওঁলোকৰ আন্তৰিকতাৰ অভাৱ ঘটা নাছিল। ১৯৬০ চনৰ ৰাজ্য ভাষা আন্দোলন আৰু ১৯৭১ চনৰ শিক্ষাৰ মাধ্যম আন্দোলনত এওঁলোকে যে কোনো কোনো ক্ষেত্ৰত কিঞ্চিত পৰিমাণে আক্ৰমণাত্মক ভূমিকা লৈছিল তাৰ কাৰণ আছিল অসমীয়া সকলৰ প্ৰতি নিজৰ সদিচ্ছা প্ৰমাণৰ আগ্ৰহাতিশয্য।

একে আষাৰে ক'বলৈ গ'লে স্বাধীনতাৰ পৰবৰ্তী দুটা যুগত আত্মীয়কৰণ প্ৰক্ৰিয়াটো এক বেগবান ধাৰাত প্ৰবাহিত হৈছিল। ১৯৫১ চন আৰু ১৯৬১ চনৰ লোকপিয়লত এই প্ৰক্ৰিয়াৰ প্ৰতিফলন স্পষ্টভাৱে চকুত পৰে। ১৯৫১ চনত অসমীয়া ভাষীৰ সংখ্যা আছিল মুঠ জনসংখ্যাৰ ৫৬ শতাংশ। ১৯৬১ চনত সেই সংখ্যা বাঢ়ি হ'লগৈ ৬২.৩৬ শতাংশ। ১৯৭১ চনত সেই সংখ্যা সামান্য (১.৪৭) কমিল। এইটো হবলৈ পালে ঘাইকৈ জনজাতীয় লোকসকলৰ বিপৰীত প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ কাৰণে। তথাপি অসমীয়া ভাষীৰ সংখ্যাবৃদ্ধিৰ স্বাভাৱিক হাৰ কিন্তু একেই থাকিল। দেখা যায় যে ব্ৰহ্মপুত্ৰ উপত্যকাক যদি অসমীয়া ভাষাৰ সম্প্ৰসাৰণৰ স্বাভাৱিক ক্ষেত্ৰ হিচাপে ধৰি লোৱা হয়, তেন্তে তাত অসমীয়াসকলে নিজৰ ভাষাৰ সম্প্ৰসাৰণৰ আকাংক্ষাক বাস্তৱত ৰূপ দিয়াত সফল হোৱা বুলিয়ে ক'ব পাৰি।

উল্লেখনীয় যে অসমীয়া ভাষাৰ সম্প্ৰসাৰণৰ বিৰুদ্ধে সংঘবদ্ধ প্ৰতিবাদ গোৱালপাৰাকে ধৰি 'সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত ক'তো গঢ়ি উঠা নাই। ধুবুৰী চহৰত হিন্দু নাগৰিক সমাজে কিছু প্ৰতিবাদ তুলিলেও তাক সংঘবদ্ধ গণ প্ৰতিবাদ বুলি ক'ব নোৱাৰি। গৌৰীপুৰত এটা গণ শোভাযাত্ৰাৰ ওপৰত তেতিয়াৰ জিলা কংগ্ৰেছৰ সভাপতি শৰৎ চন্দ্ৰ সিংহই আক্ৰমণ চলাইছিল বুলি অভিযোগ উঠিছিল যদিও সিও সিমানতে শাম কাটিলে। ধুবুৰীৰ দুৰ্বল প্ৰতিৰোধ পঞ্চাছৰ দশকতেই ভাঙি পৰে। তাৰ বাহিৰে আন কোনো ঠাইতে প্ৰতিৰোধৰ কোনো প্ৰয়াস পৰ্যন্ত নাছিল। ব্যক্তিগত বা সীমাবদ্ধ ক্ষোভৰ প্ৰকাশ অ'ত ত'ত ঘটিলেও ই কোনো সংহত ৰূপ লাভ কৰিব পৰা নাছিল। এই কথাবোৰ কোৱাৰ প্ৰয়োজন এই কাৰণেই হৈছে যে শ্ৰীমিশ্ৰই যিসকল লোকক এটা সংগঠিত পৰিণত জাতিৰ অংশ বুলি কৈছে তেওঁলোক প্ৰকৃতপক্ষে সেয়েই হোৱা হ'লে অসমীয়া ভাষাৰ সম্প্ৰসাৰণৰ বিৰুদ্ধে প্ৰতিৰোধৰ প্ৰয়াস বহুগুণে বেছি ব্যাপক আৰু দুৰ্বাৰ হৈ উঠিলহেতেঁন। অনিচ্ছুক আত্মসমৰ্পণৰ বেদনাও হ'লহেতেন অধিক তীব্ৰ। স্বাভাৱিক বিচৰণ ক্ষেত্ৰত আৰু অনুকূল আৰ্থ-ৰাজনৈতিক পৰিবেশত আত্মীকৰণ যে সম্ভৱপৰ স্বাধীনতাৰ পৰবৰ্তী দুই তিনি দশকত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাষিক মানচিত্ৰৰ ৰং পৰিবৰ্তনৰ মাজতেই ইয়াৰ ইতিবাচক সাক্ষ্য পৰ্যাপ্ত পৰিমাণে পাব পাৰি। এই সাক্ষ্য যিসকলৰ চকুত নপৰে তেওঁলোকৰ আশংকাৰ কোনো যুক্তি আছে বুলি ক'ব নোৱাৰি। তেওঁলোকে মনৰ মাজত পুঁহি ৰাখে অযৌক্তিক আতংক-ব্যাধি।

ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ভাষাৰ সম্প্ৰসাৰণে সফলতা লাভ কৰিলেও অসমৰ অন্য দুটা সাংস্কৃতিক মণ্ডলত ই কাৰ্যকৰি হোৱাৰ কথাটোতো বাদেই, বৰঞ্চ ই এক বিভ্ৰান্তিৰহে সৃষ্টি কৰিলে। বিস্তৃত আলোচনাৰ মাজলৈ নগৈ কেৱল ইয়াকে ক'লেই যথেষ্ট হব যে ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইনখন প্ৰয়োগ হোৱাৰ লগে লগেই পাৰ্বত্য জিলাকেইখনে অসমৰ পৰা পৃথক হোৱা দাবীৰ উত্থাপন কৰিলে। তেতিয়াৰ কাছাৰ জিলা অৰ্থাৎ বৰ্তমানৰ বৰাক উপত্যকাতো আন্দোলন আৰম্ভ হ'ল। এঘাৰজনৰ মৃত্যু হ'ল পুলিচৰ গুলিত। ইয়াৰ ফলত ভাষা আইনখন সামান্য সংশোধন কৰিব লগা হ'ল। ইয়াৰ পাছত ১৯৭১ চনত একমাত্ৰ অসমীয়াক শিক্ষাৰ মাধ্যম কৰাৰ দাবীত যি আন্দোলন হ'ল সিও বৰাক উপত্যকাত নতুন উত্তেজনা সৃষ্টি কৰিলে। শেষ পৰ্যন্ত শিক্ষাৰ মাধ্যম হিচাপে অসমীয়াৰ লগতে ইংৰাজীকো ৰখা হব বুলি সিদ্ধান্ত লৈ তাৰ এটা আপোচ কৰা হ'ল। পৰ্বতীয়া অঞ্চলবোৰৰ বেছি ভাগেই তেতিয়া অসমৰ পৰা ওলাই গৈছে। দেখা গৈছে যে ব্ৰহ্মপুত্ৰ উপত্যকাত যি সম্প্ৰসাৰণ সম্ভৱ হ'ল সেই সম্প্ৰসাৰণ বৰাক উপত্যকা বা পাৰ্বত্য জিলা সমূহত সম্ভৱ নহ'ল। ইয়াৰ কাৰণ যে ইতিহাস আৰু ভূগোলৰ যৌথ প্ৰতিবন্ধকতা তাক মই আগেয়েই নিৰ্ণয় কৰিছো।

অসুবিধাৰ কথা হ'ল এইটো যে ইমান দিনৰ সংৰক্ষণ আৰু সম্প্ৰসাৰণ সম্পূৰ্ণ একাকাৰ হৈ সি অসমীয়াৰ অভীপ্সাৰ অংগ হৈ গৈছে আৰু ইয়াৰ সতে এনে কিছুমান আবেগ জড়িত হৈ পৰিছে যে সম্প্ৰসাৰণৰ স্বাভাৱিক ক্ষেত্ৰ সীমা সম্পৰ্কে যি সচেতনতাৰ প্ৰয়োজন আছিল সি একেবাৰে নোহোৱা হৈ পৰিল। সেই সীমা লঙ্ঘনৰ ফলস্বৰূপে পাৰ্বত্য অঞ্চলসমূহ পৃথক হৈ যোৱা সত্বেও তাৰ কাৰণবোৰ বিশ্লেষণ কৰি চাবলৈ একো প্ৰয়াস কৰা নহ'ল। স্বতন্ত্ৰ পাৰ্বত্য ৰাজ্যসমূহৰ উত্তৱক বৰঞ্চ অসমীয়া ভাষাৰ বিস্তাৰক্ষেত্ৰ সংকুচিত কৰাৰ ষড়যন্ত্ৰ হিচাপেহে বিবেচনা কৰা হ'ল।

লোকায়ত মানসিকতাৰ মাজতে হয়তো এনে ধাৰণাৰ জন্ম। কিন্তু বুদ্ধিজীৱী মহলতো ইয়াৰ বিৰুদ্ধে কোনো ধৰণৰ বক্তব্য উচ্ছাৰিত নহ'ল। এনে অৱস্থাত অসমৰ বাকী অনা-অসমীয়া ভাষী অঞ্চলসমূহৰ প্ৰতিৰোধকো যে শত্ৰুতামূলক আচৰণ হিচাপে চিহ্নিত কৰা হ'ব তাত কোনো সন্দেহ নাই। জনজাতীয় অঞ্চলসমূহৰ অসমীয়াকৰণ প্ৰক্ৰিয়াৰ স্বাভাৱিক গতিবেগ একে কাৰণতেই মন্থৰ হোৱা বুলি ধাৰণা কৰি ততাতৈয়াকৈ সেই কাম সমাধা কৰাৰ বাসনাই প্ৰবল ৰূপ ল'লে। অস্বাভাৱিক এই ব্যস্ততা অনিবাৰ্যভাবে প্ৰতিৰোধৰ সমুখীন হ'ব লগা হ'ল। ১৯৭১ চনত জনজাতীয় সকলৰ যি প্ৰতিবাদ ভ্ৰূণাৱস্থাত আছিল সি আশীৰ দশকত সংগঠিত ৰূপ ল'লে। সংৰক্ষণৰ লগত সম্প্ৰসাৰণ যদি বাস্তৱ ভিত্তিক বিবেচনাৰ সংমিশ্ৰিত হ'লহেঁতেন, তেতিয়াহ'লে তাত যে ক্ষতিৰ কোনো কাৰণেই নাথাকিলহেঁতেন সেই কথা খালি চকুৰেই দেখা যায়। ক্ষতিটো হ'ল বিস্তাৰ-কামনাৰ ব্যগ্ৰতাৰ ফলত আৰু বিস্তাৰ-সীমনাৰ ক্ষেত্ৰ নিৰূপণৰ ব্যৰ্থতাৰ কাৰণে। ইতিহাসৰ হিচাপত এই ক্ষতিৰ পৰিমাপ আজি পৰ্যন্ত কৰা হোৱা নাই। কৰা হ'লে দেখি গ'লহেঁতেন যে ১৯৬০, ১৯৭১ চনত অসমীয়া ভাষাক যথাযোগ্য স্থানত প্ৰবৰ্তন কৰাৰ দাবীত যি দুটা আন্দোলন হৈছিল সি ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰতেই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অসমীয়া ভাষাৰ অবাধ সঞ্চৰণৰ পথতেই সি বাধাৰ সৃষ্টি কৰিছে।

বিষয়টোক দৃষ্টান্ত সহকাৰে স্পষ্ট কৰা প্ৰয়োজন। ১৯৬০ চনত ৰাজ্য ভাষা আন্দোলন আৰম্ভ হোৱাৰ লগে লগে বড়ো সাহিত্য সভাৰ তৰফৰ পৰা দাবী কৰা হ'ল যে হিন্দীভাষাক সমগ্ৰ অসমৰেই ৰাজ্য ভাষা কৰা হওক। (Souvenir, Bodo Sahitya Sabha, 1984)। ১৯৬৩ চনত বড়ো ভাষাক প্ৰাথমিক স্তৰত শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি দিয়া হ'ল। এইটো হ'ল ৰাজ্য ভাষা আন্দোলনৰ দুবছৰ পাছত। তাৰ পাছৰ উত্তৰণটো ঘটিল ১৯৭১ চনৰ শিক্ষাৰ মাধ্যমৰ দাবীত কৰা আন্দোলনৰ দুবছৰ পাছত। ১৯৭৩ চনত বড়ো ভাষাক শিক্ষাৰ মাধ্যম কৰিব লগীয়া হ'ল। বৰ্তমানে বড়ো ভাষাই জিলা পৰ্যায়ত চৰকাৰী ভাষা হিচাপেও স্বীকৃতি পাইছে। এইটো হৈছে অসম আন্দোলনৰ প্ৰাথমিক ফচল। পৰিণত ফচল হ'ল পৃথক বড়োলেণ্ড বিচাৰি কৰা আন্দোলন। অসমীয়া ভাষাৰ প্ৰতিষ্ঠাৰ প্ৰয়াসক যিমানেই ত্বৰান্বিত কৰাৰ চেষ্টা কৰা হৈছে, ঠিক সিমান গতিৰেই আনুপাতিক ভাবে বড়োভাষাৰ দাবীয়ে স্বীকৃতি লাভ কৰিছে। অথচ এই বড়োসকলেইযে এসময়ত অসমীয়া-কৰণ প্ৰক্ৰিয়াত সম্পূৰ্ণ সহযোগিতা কৰিছিল সেই কথাতো আগতেই দেখুওৱা হৈছে। অতিৰিক্ত ব্যগ্ৰতাই আজি ব্ৰহ্মপুত্ৰ উপত্যকাকেই দ্বিভাষিক অঞ্চলত পৰিণত কৰিছে। অলপ ধৈৰ্য, অলপ সৌৰ্য, অলপ দূৰদৃষ্টি থাকিলে এনে ঘটনা নঘটিলহেঁতেন

১৯৬০ চনত সেই সময়ৰ অসমৰ মুখ্য মন্ত্ৰী বিমলা প্ৰসাদ চলিহাই কৈছিল যে অনা-অসমীয়া সকলে যিদিনাই অসমীয়া ভাষাক ৰাজ্যভাষা হিচাপে বিচাৰিব সেই দিনাই অসমীয়া ভাষাক ৰাজ্যভাষা হিচাপে স্বীকৃতি দিয়া হ'ব। তেওঁৰ এই কথাষাৰৰ মাজত যি প্ৰত্যয় আৰু প্ৰত্যাশা আছিল তাৰ মূল্যায়ণ কোনেও নকৰিলে। অথচ আত্মীকৰণৰ এইটোৱেই আছিল সঠিক পদ্ধতি। চৰকাৰী স্তৰত অসমীয়া ভাষাৰ যিখিনি ব্যৱহাৰ কৰা হয় তাৰ কাৰণে ভাষা আইন প্ৰণয়নৰ কোনো প্ৰয়োজন নাছিল। আৰু বিশ্ববিদ্যালয় স্তৰত শিক্ষাৰ মাধ্যম? বিশ্ববিদ্যালয়ত অসমীয়াক শিক্ষাৰ একমাত্ৰ মাধ্যম কৰিলে আজি উচ্চ-মধ্যবিত্ত সকলৰ ফালৰ পৰাই প্ৰতিবাদ কৰা হ'ব। কটন কলেজত ইংৰাজী মাধ্যম বিভাগত বা ডনবস্কো বা চেন্ট মেৰীজ আদি ইংৰাজী মাধ্যমৰ স্কুলবোৰত কোনে পঢ়ে? তেওঁলোকৰ কিমানেইবা অসমীয়া বুজি পায়? মন কৰিব লগীয়া কথা যে চেন্ট মেৰীজ স্কুলৰ শাখা গুৱাহাটীত খোলাৰ পাছতহে চিলঙৰ পৰা দিছপুৰলৈ অসমৰ ৰাজধানী স্থানান্তৰ কৰা সম্ভৱ হৈছিল। অৰ্থাৎ দুয়োটা ভাষা ভিত্তিক আন্দোলনেই আচলতে অহেতুক আছিল আৰু তাৰ পৰা যি ফচল পোৱা গৈছে সি সম্পূৰ্ণভাবেই নেতিবাচক।

উল্লেখনীয় যে এই সময়সীমাৰ ভিতৰত ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ভাষা আৰু সংস্কৃতিৰ চৰ্চা আৰু বিকাশত কোনেও কোনো ধৰণৰ প্ৰতিবন্ধকৰ সৃষ্টি কৰা নাই। ১৯৫০ চনৰ পাছৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত বাংলা মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠা কৰা কাম কাৰ্যতঃ বন্ধ হৈ যায়। শ্ৰীমন্ত শংকৰদেৱৰ জন্ম তিথি, বিহু উৎসৱ বা অসম সাহিত্য সভাৰ কৰ্মসূচী পালনৰ ক্ষেত্ৰত ক'ৰবাত যে সমান্যতম বাধাৰ সৃষ্টি হৈছিল এনে উদাহৰণো এটাও নাই, তেতিয়াহ'লে অসমীয়া ভাষা-সংস্কৃতিৰ বিপন্নতাবোধ ক'ৰ পৰা হ'ল? এই যুক্তিহীন বিপন্নতাবোধে অসমীয়া জনমানসত ইমান সঁহৰিয়েইবা কিয় জগায়?

আগেয়ে কোৱা হৈছে যে স্বাভাৱিক বিস্তাৰিত ক্ষেত্ৰৰ বাহিৰত অসমীয়াকৰণৰ যি প্ৰয়াস চলোৱা হৈছিল সেই প্ৰয়াসক পাৰ্বত্য জিলা আৰু বৰাক উপত্যকাত বাধা দিয়া হয়। এইটো হ'ল প্ৰথম পৰ্যায়। দ্বিতীয় পৰ্যায়ত বড়ো আৰু অন্য জনজাতীয় লোকসকলে এই প্ৰক্ৰিয়াৰ পৰা আঁতৰি যাবলৈ আৰম্ভ কৰে। এই ঘটনা ঘটিল ব্ৰহ্মপুত্ৰ উপত্যকাতেই। সিমান দিনে সম্প্ৰসাৰণৰ কামনা এনেভাবে অসমীয়া অভীপ্সাৰ অঙ্গীভূত হৈ পৰিছে যে প্ৰতিৰোধ কিয় আহিছে, ক'ৰপৰা আহিছে সকলোবোৰ প্ৰতিৰোধ একে ধৰণৰ হয় নে নহয় ইত্যাদি কথাৰ বিচাৰ-বিবেচনা একেবাৰেই কৰা নহ'ল। অসম নামৰ ৰাজনৈতিক ভূখণ্ড যে বৃটিছসকলৰ দ্বাৰা কৃত্ৰিমভাবে সৃষ্ট, অসমীয়া ভাষাৰ বিচৰণসীমা আৰু অসম প্ৰদেশৰ ভৌগোলিক সীমাৰ মাজত যে কিঞ্চিত প্ৰভেদ ৰৈ গৈছে এই সত্যটোক প্ৰচাৰ কৰাৰ দায়িত্ব লবলৈ কোনেও আগবাঢ়ি নাহিল। আগ্ৰাসনৰ ব্যৰ্থতাক প্ৰকাশ কৰা হ'ল আক্ৰমণ ৰূপে, আৰু এই অসত্যটোকেই একমাত্ৰ সত্য ৰূপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে সীমাহীন উদ্যোগ আয়োজন কৰা হ'ল। সমূহীয়া ভাবে কৰা একতৰফা প্ৰচাৰৰ ফলত বিপন্নতাৰ ভাবটো অসমীয়া সকলৰ মনত দকৈ শিপালে। সেই কাৰণে অসমীয়াসকলৰ সাংস্কৃতিক বিপন্নতাৰ বোধটো সজীৱ বাস্তৱ; কেৱল তাৰ কাৰণটোহে অলীক। মাৰ্ক্সে কৈছে– Idea itself can become a material force of propogated vigorously। আজি দেখাত প্ৰত্যাখ্যাত যেন হোৱা মাৰ্ক্সে অন্ততঃ এটা ক্ষেত্ৰত এই বক্তব্য সত্য বুলি প্ৰমাণ হোৱা দেখি সুখী হ'লহেঁতেন।

আমাৰ বক্তব্যৰ সাৰমৰ্ম হ'ল তেওঁৰ যে প্ৰাক্-স্বাধীনতা যুগত হয়তো অসমীয়া জাতি সত্বাৰ অস্তিত্বক লৈ কিছু পৰিমাণে শংকাৰ কাৰণ আছিল; কিন্তু স্বাধীনতাৰ পিছত সেই কাৰণ সমুলি নোহোৱা হয়। বিপন্নতাৰ যি ধাৰণাটো অসমীয়া সকলৰ মনত দকৈ শিপাই আছে সি এটা কৃত্ৰিম ভাবে গঢ়ি তোলা বস্তু। ভাষা-সংস্কৃতিৰ প্ৰয়োজনত নহয়, আন কিবা প্ৰয়োজনতহে ইয়াক সাৰ-পানী দি জীয়াই ৰখা হৈছে– প্ৰয়োজন অনুযায়ী ব্যৱহাৰ কৰাৰ উদ্দেশ্যে। সেই কাৰণে সাংস্কৃতিক বিপন্নতাৰ দোহাই দি অসমক স্বাধীন কৰাৰ প্ৰয়াস যুক্তিযুক্ত নহয়। যেতিয়া এটা অলীক বোধে এটা অলীক স্বপ্নৰ জন্ম দিয়ে, তেতিয়া দুয়োটাৰে যোগফল শূন্য হ'বলৈ বাধ্য। ((ক্ৰমশঃ)






# আছুৰ দীৰ্ঘম্যাদী পৰিকল্পনা আৰু আল্‌ফাৰ বৰ্তমান স্হিতি

স্বপ্না বেজবৰুৱা

দুটা বিপৰীত ধৰ্মী নীতিত বিশ্বাসী অসমৰ দুটা সমকক্ষ শক্তিশালী সংগঠনৰ কাৰ্যকলাপে অসমৰ ৰাজনৈতিক আৰু অৰাজনৈতিক দুয়োটা দিশতেই বাৰুকৈয়ে প্ৰভাব বিস্তাৰ কৰি আহিছে। অসমৰ উন্নয়নৰ বাবে স্বাধীন অসমৰ দাবী তুলি অহা হিংসা নীতিত বিশ্বাসী সশস্ত্ৰ সংগঠন আল্‌ফাই এটা সময়ত চৰকাৰখনকেই বিকল কৰি পেলাইছিল। তাৰেই পোতক তুলিবলৈ চৰকাৰে লোৱা শেহতীয়া কৌশলে আল্‌ফা সংগঠনটোক একেবাৰে পংগু কৰি পেলালে। শেহতীয়াকৈ মহানগৰীত আল্‌ফাৰ শীৰ্ষ স্হানীয় নেতাসকলক গ্ৰেপ্তাৰ কৰা আৰু হীৰকজ্যোতি মহন্ত নিহত হোৱা ঘটনাই সংগঠনটোলৈ এক দুৰ্যোগ নমাই আনিছে। কেৱল এয়ে নহয় সংগঠনটোৱে অনিৰ্দিষ্টকাললৈ অস্ত্ৰ সম্বৰণ কৰি পণবন্দী সকলক মুকলি কৰি দিয়াৰ পাছত এজন এজনকৈ সকলো শীৰ্ষ স্হানীয় নেতা সামৰিক বাহিনীৰ হাতত ধৰা পৰাৰ ঘটনাত মানুহৰ সন্দেহৰ ভাব জাগি উঠিছে যে এয়া আত্মসমৰ্পণৰ অন্য এক কৌশল নেকি? যি সংগঠনৰ গোপন কক্ষৰ পৰা ৫ মাহেও একলাখ ভাৰতীয় দক্ষ সৈনিকে পণবন্দীক বিচাৰি উলিয়াব নোৱাৰিলে তেনে স্হলত সেই সংগঠনৰ আটাইকেইজন শীৰ্ষস্হানীয় নেতা মহানগৰীলৈ অহা আৰু সৈন্য বাহিনীৰ হাতত ধৰা পৰা ঘটনাত কিছু সন্দেহৰ ভাব থাকি যোৱাটো স্বাভাৱিক। আনহাতে যিসময়ত এজন শীৰ্ষস্হানীয় নেতাক সৈন্য বাহিনীয়ে অভিনৱ কৌশলেৰে হত্যা কৰিছে তেনে সময়ত অন্য এজন নেতা প্ৰদীপ গগৈক সম্পূৰ্ণ অতিথি মৰ্য্যদাৰে ৰাখি মুকলি কৰি দিয়াৰ ঘটনাও সন্দেহৰ বাহিৰত নহয়। আৰু এটা মন কৰিবলগীয়া দিশ হ'ল যে প্ৰচাৰ মাধ্যমত যি সংগঠনে জাউৰিয়ে জাউৰিয়ে বিবৃতি প্ৰকাশ কৰিছিল সেই সংগঠনে এই দুৰ্যোগৰ সময়ত প্ৰতিক্ৰিয়াতো বাদেই তেওঁলোকৰ স্হিতি সম্পৰ্কেও কোনো কথা প্ৰকাশ কৰা নাই। প্ৰতিদিনে বাতৰিৰ শিৰোনামাত মুখ্য মন্ত্ৰীৰ ফালৰ পৰা আলোচনা সম্পৰ্কে কৰি থকা ঘোষণা সম্পৰ্কেও তেওঁলোকে কোনো মন্তব্য দিয়া নাই। গতিকে স্বাভাৱিকতেই প্ৰশ্ন হয় আল্‌ফা শেষ হৈ গ'ল নেকি?

হিংসাৰ এই চৰম পৰাজয়ৰ মুহূৰ্তত অহিংস নীতিত বিশ্বাসী অন্য এটা শক্তিশালী সংগঠন সদৌ অসম ছাত্ৰ সংস্হাৰ ভূমিকা তথা কাৰ্যপন্হা বিশেষ ভাবে গুৰুত্বপূৰ্ণ। আছুৱে আল্‌ফাৰ অস্ত্ৰ সম্বৰণক আদৰণি জনোৱা আৰু হীৰক জ্যোতি মহন্ত সেনাৰ গুলিত নিহত হোৱা ঘটনাৰ গৰিহণা দিয়া আদি বিবৃতি প্ৰকাশ কৰি আহিছে। অসমত শান্তি স্হাপনৰ বাবে সন্মিলিত সংগ্ৰাম সমিতিৰ জৰিয়তে অসমৰ পৰা সেনাবাহিনী প্ৰত্যাহাৰ, ক'লা আইন প্ৰত্যাহাৰ, আল্‌ফাৰ লগত কেন্দ্ৰৰ পোনপটীয়া আলোচনা আদিৰ দাবীত সম্পূৰ্ণ অহিংস পদ্ধতিৰে আন্দোলন কৰি আহিছে। আছুৰ সভাপতি গ্ৰাকীয়ে কয় যে – চৰকাৰী দমনে এটা বিপ্লৱক মষিমূৰ কৰিব পাৰিব কিন্তু মানুহৰ বিপ্লৱী সত্তাটোক ধ্বংস কৰিব নোৱাৰে।'



আলোচনা সভাত সাংবাদিক নিখিল চক্ৰৱৰ্তী

আছুৱে অসমৰ সমস্যা সমূহ সমাধানৰ বাবে শেহতীয়া ভাবে নিজাববীয়াকৈ দীৰ্ঘম্যাদী প্ৰচেষ্টা হাতত লৈছে। অসমকে ধৰি ভাৰতৰ বিভিন্ন ৰাজ্যত গঢ়ি উঠা বিচ্ছিন্নতাবাদী মনোভাবৰ অন্ত পেলাবলৈ আছুৱে ভাৰতীয় সংবিধানৰ বিস্তৃত সংশোধনৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে। অলপতে গুৱাহাটী বিশ্ববিদ্যালয়ত সংবিধান সংশোধনৰ প্ৰয়োজনীয়তা সম্পৰ্কে যি আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিল তাৰ ভিত্তিতেই আছুৱে সংবিধান সংশোধনৰ দাবীত দৃঢ় পদক্ষেপ ল'ব। ইতিমধ্যে তেওঁলোকে সংশোধনীৰ এটি খচৰাও প্ৰস্তুত কৰি উলিয়াইছে। এই আলোচনা চক্ৰত অসমৰ উপৰিও ওচৰচুবুৰীয়া ৰাজ্যৰ বিভিন্ন চিন্তাবিদ, শিক্ষাবিদ, ৰাজনীতিজ্ঞ, আইনবিদ, বুদ্ধিজীৱীৰ পৰা এই দিশত সমৰ্থন আদায় কৰিছে। এই ক্ষেত্ৰত আছুৱে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰাও সমৰ্থন বিচাৰিব যদিও তেওঁলোকে কালৈকো বাট নাচাই নিজস্বভাবে আগবাঢ়ি যাব। ইয়াৰ উপৰিও আছুৱে অসমৰ উদ্যোগীকৰণৰ দিশতো এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰিছিল। এই দিশত বলিষ্ঠ কাৰ্যপন্হাৰ বাবে আলোচনা চক্ৰত সৰ্বসন্মতিক্ৰমে আছুকেই এখন কমিটি গঠন কৰাৰ দায়িত্ব অৰ্পণ কৰিছে। এই আলোচনা চক্ৰত চৰকাৰৰ উদ্যোগ বিভাগেও যোগদান কৰিছিল। এতিয়া আছুৰ আগন্তুক আৰু নতুন কমিটিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হ'ব। অধিবেশনখন অহা ২২/২৩ জানুৱাৰীত হোৱাৰ সম্ভাৱনা অধিক।

অসমত গঢ়ি উঠা বিচ্ছিন্নতাবাদী মনোভাব আৰু বিদ্ৰোহৰ জুই নুমুৱাবলৈ সদৌ অসম ছাত্ৰ সংস্হাই অহিংস আৰু গণতান্ত্ৰিক উপায়ে যি দীৰ্ঘম্যাদী প্ৰচেষ্টা হাতত লৈছে সেয়া যদি ভাৰতৰ অহিংস স্বাধীনতা আন্দোলনৰ দীঘলীয়া বাটৰ দৰে ভবা হয় তেন্তে আল্‌ফাৰ সশস্ত্ৰ সংগ্ৰাম চিপাহী বিদ্ৰোহ।

# বহিৰাগতৰ সমস্যা

হোমেন বৰগোহাঞি

[৬]

অসমৰ জনসংখ্যা ১৯৬১ চনৰ পৰা ১৯৭১ চনলৈকে যি হাৰত বাঢ়িল, ১৯৭১ চনৰ পৰা ১৯৮১ চনলৈকে সেই হাৰৰ পৰিবৰ্তন হোৱাৰ কোনো সম্ভাৱনা নাই। এই কথাও স্বীকৃত হৈছে যে জন্ম-মৃত্যুৰ স্বাভাৱিক জৈৱ প্ৰক্ৰিয়াৰ ফলত অসমত মানুহৰ এনে অভূতপূৰ্ব সংখ্যাবৃদ্ধি হোৱা নাই ; সি হৈছে লাখ লাখ বহিৰাগতৰ প্ৰব্ৰজনৰ ফলত। অতএৱ, এই বিষয়ে বিন্দুমাত্ৰ সন্দেহ নাই যে এই গতিৰে বাহিৰৰ মানুহ অসমলৈ আহি থাকিবলৈ হ'লে এই শতাব্দীৰ ভিতৰতে অসমীয়া-ভাষী লোকসকল অসমতে ভাষিক সংখ্যালঘু সম্প্ৰদায়ত পৰিণত হব আৰু মিল চাহাবে ১৯৩১ চনতে কৰি থৈ যোৱা ভৱিষ্যদ্বাণী সঁচা বুলি প্ৰমাণিত হব।

ভাষাৰ ভিত্তিত ভাৰতৰ ৰাজ্যবোৰৰ পুনৰ্গঠন কৰা উচিত হ'লনে নাই সেইটো এটা তৰ্কৰ বিষয় হব পাৰে ; কোনো কোনোৱে এই বিষয়ে এতিয়াও প্ৰশ্ন তোলে ; কিন্তু এটা বিষয়ে কোনো সন্দেহ নাই যে হৈ যোৱা কামটো এতিয়া আৰু নোহোৱা কৰিব নোৱাৰি। ভাৰতৰ সংবিধান স্বীকৃত প্ৰত্যেকটো প্ৰধান ভাষাৰ কাৰণে একোখন গৃহ-ভূমি নিৰ্দ্ধাৰণ কৰি দিয়া হ'ল। 'ৰাজ্য পুনৰ্গঠন কমিটীয়ে' (State Reorganisation Committee) যি কেইটা ভাষাক সুকীয়া ৰাজ্য দিয়া নাছিল, তেওঁলোকেও বহুত যুঁজ-বাগৰ কৰি পিছলৈ ভাষা-ভিত্তিক ৰাজ্য আদায় কৰিলে (মহাৰাষ্ট্ৰ+গুজৰাট ; হাৰিয়ানা+পাঞ্জাব)। এতেকে ৰাষ্ট্ৰীয় নীতি হিচাপে এইটো চিৰকাললৈ গৃহীত হ'ল যে প্ৰত্যেকটো প্ৰধান ভাষাই নিজাকৈ একোখন গৃহ-ভূমি পাব। লগতে এইটোও ঠিক হ'ল যে সংখ্যাগৰিষ্ঠ লোকৰ ভাষা হিচাপে সেই সেই ভাষাবোৰ নিজ গৃহ-ভূমিত ৰাজ্য ভাষা আৰু শিক্ষাৰ মাধ্যম ৰূপে ব্যৱহৃত হব।

বহিৰাগতৰ অবাধ প্ৰব্ৰজনৰ ফলত অহা বিশ, চল্লিশ বা পঞ্চাশ বছৰৰ ভিতৰতে যদি অসমত অসমীয়া ভাষা সংখ্যালঘুৰ ভাষাত পৰিণত হয়, অৰ্থাৎ অসমীয়া ভাষী লোকৰ সংখ্যা বৰ্তমানৰ শতকৰা ৬০ ভাগৰ পৰা শতকৰা ৫০ ভাগ বা তাতোকৈ কমলৈ নামি যায়, তেতিয়া কেনে পৰিস্থিতিৰ উদ্ভৱ হব ? আজিৰ পৰা এশ বছৰৰ পিছত যদি অসমত অসমীয়া ভাষী মানুহৰ সংখ্যা মাত্ৰ শতকৰা ৪০ জনহে হয়গৈ, তেতিয়া কি হব ?

তেতিয়া অসমীয়া ভাষা গৃহহীন হৈ নিঠৰুৱা হব। তেতিয়া অসমীয়া ভাষাক অসমৰ ৰাজ্য ভাষাৰ মৰ্যাদাৰ পৰা বঞ্চিত কৰা হব। তেতিয়া ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত একমাত্ৰ অসমকেই দ্বিভাষিক বা বহুভাষিক ৰাজ্য বুলি ঘোষণা কৰিবলৈ চেষ্টা কৰা হব। আৰু গোটেইখিনি ঘটনা হব কেৱল বহিৰাগতৰ অবাধ প্ৰব্ৰজনৰ ফলত। তৰোৱাল বা বন্দুকেৰে নহয়– কেৱল আধুনিক ভাৰতৰ সংবিধানৰ সহায়েৰেই লাখ লাখ বহিৰাগতই অহিংস আক্ৰমণ কৰি অসম অধিকাৰ কৰিব, আৰু অসমীয়া মানুহক তেওঁলোকৰ হাজাৰ হাজাৰ বছৰৰ আপোন গৃহ-ভূমিতেই প্ৰবাসীত পৰিণত কৰিব !

বহিৰাগতৰ অবাধ প্ৰব্ৰজনে সৃষ্টি কৰিব পৰা এইটো হ'ল প্ৰধান সাংস্কৃতিক সমস্যা। এই সমস্যা হ'ল ঘাটকৈ অসমৰ অসমীয়া-ভাষী মানুহখিনিৰ সমস্যা। তেওঁলোকৰ সাংস্কৃতিক আত্মৰক্ষাৰ সমস্যা।

বহিৰাগতৰ প্ৰব্ৰজনে অসমৰ সীমিত সম্পদ, অৰ্থনৈতিক সুযোগ আৰু ব্যৱহাৰ যোগ্য মাটিৰ ওপৰত প্ৰচণ্ড হেঁচাৰ সৃষ্টি কৰি ইতিমধ্যেই যি অৰ্থনৈতিক সমস্যাৰ সৃষ্টি কৰিছে ; তাৰ ভয়াবহ কুফল কেৱল অসমীয়া-ভাষী মানুহখিনিয়েই ভোগ কৰা নাই, সেইটো ভোগ কৰিব লগা হৈছে জাতি-ধৰ্ম-ভাষা-নিৰ্বিশেষে অসমৰ সকলো স্থায়ী আৰু থলুৱা বাসিন্দাই। বাহিৰৰ পৰা যিমানেই মানুহ বেছিকৈ আহিব, সিমানেই এই সমস্যা তীব্ৰতৰ হৈ গৈ থাকিব। যিসকল নেপালী বা ন-অসমীয়া মুছলমানে অসমত পুৰুষানুক্ৰমে বাস কৰি থলুৱা হৈ গৈছে, তেওঁলোকে এই কথা চিন্তা কৰি চোৱা উচিত যে অসমত এডৰা হাবি বা এখন পথাৰ যদি খালি পৰি থাকে, তেন্তে ভৱিষ্যতে হয়তো তেওঁলোকৰ পো-পোৱালিয়েই তাক ভোগ কৰিবলৈ পাব। কিন্তু অন্ধ আৰু নিৰ্বোধ tribal loyalty-ৰ বশীভূত হৈ তেওঁলোকে যদি বিদেশী নেপালী বা বাংলাদেশীক গোপনে অসমলৈ অহাত সহায় কৰি থাকে, তেন্তে ভৱিষ্যতে তাৰ ফলত সৃষ্টি হোৱা ভয়ংকৰ অৰ্থনৈতিক সংকটৰ বলি হব লাগিব তেওঁলোকৰ নিজৰেই সন্তান-সন্ততি। সেইদৰে, অসমত চিৰকালৰ কাৰণে আশ্ৰয় লোৱা হিন্দু বাঙালী বা অন্যান্য ভাষিক সম্প্ৰদায়ৰ লোক সকলেও এনে কথা ভাবিলে চৰম মূৰ্খামি কৰা হব যে প্ৰব্ৰজনৰ দ্বাৰা অসমত তেওঁলোকৰ নিজৰ নিজৰ ভাষা গোষ্ঠীৰ মানুহৰ সংখ্যা বৃদ্ধি হ'লে তেওঁলোকৰ বিশেষ কিবা লাভ হব ; বৰং তেওঁলোকে এই কথাহে উপলব্ধি কৰা উচিত হব যে অসমলৈ আৰু এজনো বহিৰাগত বেছিকৈ অহাৰ অৰ্থ হব তেওঁলোকৰ প্ৰত্যেকৰে পাতত এগৰাহ ভাত কমকৈ পৰা, ক্ৰমক্ষীয়মান অৰ্থনৈতিক সুযোগ-সুবিধা তেওঁলোকৰ কাৰণেও অধিক ক্ষয়প্ৰাপ্ত হোৱা।

মুঠতে এইটোৱেই হ'ল সমস্যাৰ স্বৰূপ। কিন্তু তাৰ সমাধান কি ?

যিহেতু এই বিষয়ে বিন্দুমাত্ৰ সন্দেহ নাই যে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা অসমলৈ মানুহৰ সোঁত বয়েই থাকিব আৰু ক্ৰমে ক্ৰমে সেই সোঁত বেছি প্ৰবলহে হব ; আৰু যিহেতু এই বিষয়েও কোনো সন্দেহ নাই যে তাৰ ফলত অচিৰেই অসম দ্বিতীয় এখন ত্ৰিপুৰাত পৰিণত হোৱাৰ নিশ্চিত সম্ভাৱনাই দেখা দিছে, গতিকে এই সমস্যাৰ সমাধানৰ একমাত্ৰ উপায় হ'ল সংবিধানৰ প্ৰয়োজনীয় সংশোধন ঘটাই কাশ্মীৰ আৰু পাৰ্বত্য ৰাজ্যকেইখনৰ দৰেই অসমৰ কাৰণেও কেতবোৰ বিশেষ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰা। এই ব্যৱস্থা এনে হব লাগিব– যাৰ ফলত এটা নিৰ্দ্দিষ্ট সময়ৰ





যিহেতু এই বিষয়ে বিন্দুমাত্ৰ সন্দেহ নাই যে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা অসমলৈ মানুহৰ সোঁত বয়েই থাকিব আৰু ক্ৰমে ক্ৰমে সেই সোঁত বেছি প্ৰবলহে হব ; আৰু যিহেতু এই বিষয়েও কোনো সন্দেহ নাই যে তাৰ ফলত অচিৰেই অসম দ্বিতীয় এখন ত্ৰিপুৰাত পৰিণত হোৱাৰ নিশ্চিত সম্ভাৱনাই দেখা দিছে, গতিকে এই সমস্যাৰ সমাধানৰ একমাত্ৰ উপায় হ'ল সংবিধানৰ প্ৰয়োজনীয় সংশোধন ঘটাই কাশ্মীৰ আৰু পাৰ্বত্য ৰাজ্যকেইখনৰ দৰেই অসমৰ কাৰণেও কেতবোৰ বিশেষ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰা। এই ব্যৱস্থা এনে হব লাগিব– যাৰ ফলত এটা নিৰ্দ্দিষ্ট সময়ৰ পিছত বাহিৰৰ পৰা কোনো মানুহেই অসমত মাটি-বাৰী কৰি স্থায়ীভাৱে বসবাস কৰাৰ অধিকাৰ নাপাব।

পিছত বাহিৰৰ পৰা কোনো মানুহেই অসমত মাটি-বাৰী কৰি স্থায়ীভাৱে বসবাস কৰাৰ অধিকাৰ নাপাব।

অসমৰ কাৰণে আকৌ কাশ্মীৰ বা পাৰ্বত্য ৰাজ্যকেইখনৰ দৰে বিশেষ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা ! অসম্ভৱ ! প্ৰস্তাৱটো শুনিয়েই দিল্লীৰ বহুতে কাণত ঠিলা দিব। উত্তৰ ভাৰতৰ যিকেইখন জনাকীৰ্ণ ৰাজ্যৰ পৰা প্ৰতি দিনে হাজাৰে হাজাৰে মানুহ অসমলৈ আহে, অৰ্থাৎ যিকেইখন ৰাজ্যৰ বাবে অসম উপনিবেশত পৰিণত হৈছে, সেই ৰাজ্যকেইখনৰ প্ৰতিনিধিয়েইতো দিল্লীৰ সংসদত সংখ্যাগৰিষ্ঠ– সেই ৰাজ্যকেইখনৰ নেতাসকলেইতো ভাৰতৰ হৰ্তা-কৰ্তা-বিধাতা। অসমৰ কাৰণে সুকীয়া ৰক্ষণাবেক্ষণৰ প্ৰস্তাৱ তেওঁলোকে এক কথাত নাকচ কৰি দিব– কাৰণ তেওঁলোক অজ্ঞ আৰু অদূৰদৰ্শী। এই অজ্ঞতা আৰু অদূৰদৰ্শিতাৰ কাৰণেই ভাৰত এদিন দ্বিখণ্ডিত হ'ল। এই অজ্ঞতা আৰু অদূৰদৰ্শিতাৰ কাৰণে পাকিস্তানে এদিন বাংলাদেশক হেৰুৱালে। But like Bourbons, they have learned nothing and forgotten nothing.

যিহওক, এই প্ৰস্তাৱটোৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিবোৰ অতি নিৰ্লিপ্তভাৱে বিচাৰ কৰি চোৱা যাওক।

বিহাৰ, পশ্চিমবঙ্গ বা মধ্যভাৰত যেনেকৈ ভাৰতৰ প্ৰধান ৰাজ্য, অসমো তেনে এখন ৰাজ্য। অসমে যদি ওপৰত প্ৰস্তাৱিত বিশেষ ৰক্ষণাবেক্ষণ পাব লাগে, তেন্তে আনবোৰ ৰাজ্যই– দেশৰ প্ৰত্যেকখন ৰাজ্যই– সেই সুবিধা কিয় নাপাব ? ভাৰতৰ মানচিত্ৰখন এবাৰ চকু ফুৰাই চাওক। বিশাল ভাৰতবৰ্ষৰ নেজৰ ফালে সূতা এডালত ওলমি থকাৰ নিচিনাকৈ অসমখন কোনো মতে ওলমি আছে ; হাঙৰৰ মেলা মুখখনৰ নিচিনাকৈ অসমৰ এফালে বাংলাদেশ, আনফালে ব্ৰহ্মদেশ। প্ৰসাৰিত ডেউকাৰ বিশাল ছায়া বিস্তাৰ কৰি চিকাৰী-চকুৱা ঈগলৰ নিচিনাকৈ ওপৰত, উত্তৰত বহি আছে চীন।

১৯৪৭ চনৰ পূৰ্ব-পাকিস্তানে যে ১৯৭১ চনত বাংলাদেশ হব সেই কথা আপুনি কল্পনা কৰিব পাৰিছিলনে ? ১৯৭১ চনৰ ১৬ ডিছেম্বৰত বিশ্ব-বিজয়ী সম্ৰাটৰ নিচিনাকৈ ঢাকাত প্ৰবেশ কৰা শ্বেখ মুজিবৰ ৰহমান যে মাত্ৰ চাৰি বছৰৰ পিছতে আপোন দেশবাসীৰ হাততে সবংশে কচু-কটা যাব, সেই কথা আপুনি স্বপ্নতো ভাবিব পাৰিছিলনে ? পৰা নাছিল। অথচ চিনেমাৰ পৰ্দাত ঘটাৰ নিচিনাকৈ আপোনাৰ চকুৰ আগতে সেইবোৰ ঘটনা ঘটি আছে।

আৰু দহ বছৰৰ পিছত, ত্ৰিশ বছৰৰ পিছত, পঞ্চাশ বছৰৰ পিছত বাংলাদেশৰ পৰিস্থিতিয়ে কি ৰূপ লব সেই কথা আজি কল্পনা কৰা অসম্ভৱ। কিন্তু যিটো কথা কল্পনা কৰা সম্ভৱ, ভৱিষ্যদ্বাণী কৰাও সম্ভৱ, সেইটো হৈছে এই যে এই শতাব্দীৰ ভিতৰতে বাংলাদেশত আৰু নানা ধৰণৰ পৰিবৰ্তন ঘটিব।

সমগ্ৰ দক্ষিণ এচিয়াত ধীৰে ধীৰে যি পৰিবৰ্তন হব ধৰিছে, তাৰ পৰা ব্ৰহ্মদেশো বেছিদিন মুক্ত হৈ থকা অসম্ভৱ। এই দেশত দুৰ্গম অৰণ্য আৰু দুস্তৰ পৰ্বতত বহু বছৰ ধৰি মনুষ্য-ৰক্তৰ আহুতিৰে পৰিবৰ্তনৰ দেৱীৰ পূজা চলিয়েই আছে।

জিঅ'পলিটিক্সৰ (geopolitics) বিষয়ে আপোনাৰ যদি তিলমাত্ৰও জ্ঞান আছে, তেতিয়াহ'লে এই কথা উপলব্ধি কৰিবলৈ আপোনাৰ খুব বেছি সময় লগা উচিত নহয় যে তিনিখনকৈ বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা পৰিবেষ্টিত অসম তথা উত্তৰ পূব ভাৰতক একমাত্ৰ কাশ্মীৰৰ বাহিৰে ভাৰতৰ আন কোনো ৰাজ্যৰ লগতেই তুলনা কৰিব নোৱাৰি। যিহেতু ভাৰতৰ বাকী অংশৰ লগত উত্তৰ-পূব ভাৰতৰ ভৌগোলিক সংযোগ সূত্ৰ নিচেই ক্ষীণ, এতেকে এই অঞ্চলটোৱে কাশ্মীৰতকৈয়ো বেছি পৰিমাণেহে বিশেষ মনোযোগ আৰু বিবেচনা পোৱা উচিত।

বিহাৰ, মহাৰাষ্ট্ৰ বা কেৰালাতকৈ অসম কিহত বেলেগ, কিয় অসমৰ ৰক্ষণাবেক্ষণৰ কাৰণে সুকীয়া সংবিধানৰ ব্যৱস্থা থাকিব লাগে, তাৰ প্ৰধানতম যুক্তি হ'ল এইটোৱেই ঃ জিঅ'পলিটিক্স। অসমৰ সংকীৰ্ণ স্বাৰ্থত নহয়, ভাৰতৰ বৃহত্তম স্বাৰ্থতেই অতি সোনকালে এই ব্যৱস্থা কৰাৰ প্ৰয়োজন।

সংবিধানৰ সংশোধন ঘটাই আইনৰ দ্বাৰা যদি অসমলৈ ভাৰতীয় বহিৰাগতৰ সোঁত বন্ধ কৰা নহয়, অৰ্থাৎ অন্যান্য ৰাজ্যৰ পৰা মানুহ আহি অসমত স্থায়ীভাৱে বসবাস কৰিব নোৱৰাৰ ব্যৱস্থা কৰা নহয়, তেন্তে তাৰ পৰিণাম কি হব ?

চিকিৎসা শাস্ত্ৰত কোৱা হয় যে Prevention is better than cure— "আৰোগ্যতকৈ প্ৰতিকাৰ বেছি ভাল।" জ্ঞানীয়ে সদায় ভৱিষ্যতৰ কথা চিন্তা কৰি কাম কৰে। কিন্তু মূৰ্খই তাৰ বিপৰীতটো কৰে ! ইতিহাসৰ লগত পৰিচয় থকা সকলো মানুহেই জানে যে বিশ্বধ্বংসী দ্বিতীয় মহাযুদ্ধৰ বীজ ৰোপণ কৰা হৈছিল প্ৰথম যুদ্ধ শেষ হবৰ দিনাই, ১৯১৮ চনৰ ভেছহি চুক্তি ৰচনা কৰিবৰ সময়ত। ভাৰত বিভাজনৰ সূচনা হৈছিল ১৯০৬ চনতে। বাংলাদেশৰ গৰ্ভসঞ্চাৰ হৈছিল ১৯৪৮ চনৰ ২১ ফেব্ৰুৱাৰীত। ঠিক তেনেকৈ, আমি এতিয়া কৰা ভুলৰ ফলতো বা কৰিব লগীয়া কাম যথা সময়ত নকৰাৰ ফলত ভাৰতৰ দেহৰ এই অংগটোত অৰ্থাৎ অসমত ভৱিষ্যতে দুৰাৰোগ্য দুষ্ট-ক্ষতে দেখা দিব পাৰে।

ধৰি লোৱা হওক– অসমলৈ বহিৰাগতৰ সোঁত বন্ধ কৰিবলৈ কোনো ব্যৱস্থা লোৱা নহ'ল আৰু তাৰ ফলত ভাৰতৰ সকলো ৰাজ্যৰ পৰা অসমলৈ হো-হোকৈ মানুহ আহিয়েই থাকিল। অসমত এতিয়া খিলঞ্জীয়া অসমীয়া ভাষী মানুহৰ সংখ্যা মোটামুটি ভাবে শতকৰা ৬০ ভাগ হব বুলি ধৰি লৈছো। ১৯৮১ চনৰ লোকপিয়লত সেই সংখ্যা হ্রাস পোৱাৰ সম্ভাৱনা আছে। কেৱল বহিৰাগতৰ সংখ্যা বৃদ্ধিয়েই তাৰ একমাত্ৰ কাৰণ নহব ; ভাষাক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব খোজা কোনো কোনো স্থানীয় জনগোষ্ঠীয়েও (যিসকলে আগৰ পিয়লবোৰত নিজৰ মাতৃভাষা বা দ্বিতীয় ভাষা বুলি ঘোষণা কৰিছিল) আগন্তুক লোকপিয়লত অসমীয়া ভাষাৰ লগত সকলো সম্পৰ্ক অস্বীকাৰ কৰাৰ আশংকাই দেখা দিছে। যেনেকৈয়ে নহওক, ১৯৮১ চনৰ পিয়লত অসমীয়া ভাষী মানুহৰ শতকৰা হাৰ সামান্য পৰিমাণে হ'লেও কমিব পাৰে। এনে পৰিস্থিতিত যদি বহিৰাগত সকলো অবাধে অসমলৈ আহি থাকে, আৰু তাৰ ফলত ১৯৯১ চনত নহ'লেও ২০০১ চন বা আনকি ২০২১ চনতো অসমত অসমীয়া ভাষী মানুহৰ সংখ্যা শতকৰা ৪০ ভাগলৈ হ্রাস পায়, তেতিয়া কি হব ?

তেতিয়া অসমত ত্রিপুৰাৰ নিচিনা পৰিস্থিতি হব, কিন্তু সেই পৰিস্থিতিৰ প্ৰতি থলুৱা অসমীয়া সকলৰ প্ৰতিক্ৰিয়া ত্রিপুৰাৰ থলুৱা উপজাতি সকলৰ নিচিনা ভাগ্যৰ ওচৰত অসহায় আত্মসমৰ্পণ নহব ? ব্যক্তিৰ দৰে সমাজ বা জাতিৰো একোটা নিজস্ব মানসিকতা গঢ়ি উঠে। সি ভালো হব পাৰে, বেয়াও হব পাৰে ; সেইটো সুকীয়া কথা। 'পাণ্ডৱ-বৰ্জিত' অসম যুগ যুগ ধৰি ৰাজনৈতিক ভাৰতৰ মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন হৈ থকাৰ ফলত অসমীয়া সকলৰ মানসিকতাও কিছু সুকীয়া ৰূপত গঢ় লৈ উঠিছে। আনকি এটা বিচ্ছিন্নতাবাদী বাসনা বা মনোভাবো অসমীয়া সকলৰ চেতনাত অন্তঃস্ৰোতা ফল্গুধাৰাৰ দৰে বৈ আছে। তাৰ এটা প্ৰধান কাৰণ এই হব পাৰে যে অসমীয়া জাতিৰ শৰীৰত আৰ্যেতৰ ৰক্ত বা উপাদানেই বেছি আৰু এই উপাদান সমূহে ভাৰতীয় সংস্কৃতি গ্ৰহণ কৰিও ভাৰতীয় ৰাষ্ট্ৰীয় সত্তাৰ লগত কেতিয়াও সম্পূৰ্ণ একাত্মতা অনুভৱ কৰা নাই। দ্বিতীয়তে, ভাষাক অৱলম্বন কৰি গঢ়ি উঠা অসমীয়া উপজাতীয়তাবাদৰ আবেগিক শক্তি অতি প্ৰবল। যোৱা ডেৰশ বছৰে তাৰ বহু প্ৰমাণ পোৱা গৈছে। মাইল্‌চ ব্ৰনছনে ১৮৬৭ চনতে তেওঁৰ 'ইংৰাজী আৰু অসমীয়া অভিধান'ৰ পাতনিত লেখিছিল ঃ "অসমীয়া ভাষা ব্ৰহ্মপুত্ৰ নদীৰ সোঁতৰ নিচিনাকৈ ৰাজ্যৰ মাজত একেদৰে চলি আছে আৰু আগলৈকো চলিব।"

বস্তুতঃ অসমীয়া মানুহৰ কল্পনা আৰু চেতনাৰ ওপৰত চিৰপ্ৰবাহিনী ব্ৰহ্মপুত্ৰ আৰু অসমীয়া ভাষাৰ প্ৰভাবেই সৰ্বাধিক। গতিকে যেতিয়া ১৯৯১ বা ২০০১ বা ২০২১ চনত বহিৰাগতৰ অবাধ প্ৰব্ৰজনৰ ফলত অসমীয়া ভাষী লোকসকল সেই ভাষাৰ একমাত্ৰ গৃহভূমি অসমতে সংখ্যালঘুত পৰিণত হব আৰু তাৰ ফলত অসমীয়া ভাষাই নিজৰ বিশেষ মৰ্যাদা হেৰুৱাব, তেতিয়া অন্ততঃ একাংশ অসমীয়া মানুহে ইয়াত নিশ্চয় বিদ্ৰোহৰ জুই জ্বলাব। আৰু এটা খুব ডাঙৰ কথা পাহৰিলে নচলিব যে মাত্ৰ সৌ সিদিনালৈকে অসমৰে অংশ হৈ থকা নাগালেণ্ড আৰু মিজোৰামত দীৰ্ঘকাল ধৰি যি বিদ্ৰোহৰ জুই জ্বলি আছে, তাৰ ৰোমান্টিক আবেদন আৰু প্ৰভাৱ বহুতো ভাবপ্ৰৱণ অসমীয়া ডেকাৰ মনৰ ওপৰত কাৰ্যকৰী নোহোৱাকৈ থকা নাই। আনকি সশস্ত্ৰ নাগা বিদ্ৰোহ প্ৰথম আৰম্ভ হবৰ সময়ত কেইজনমান অসমীয়া ডেকায়ো তাত যোগ দিছিল বুলি শুনা যায়। গতিকে বহিৰাগতৰ অবাধ প্ৰব্ৰজনে আজিৰ পৰা বিশ বা চল্লিশ বছৰৰ পিছত অসমত অসমীয়া ভাষাক সংখ্যালঘুৰ ভাষাত পৰিণত কৰিলে এই অঞ্চলত ব্যাপক

বাংলাদেশৰ মুক্তি সংগ্ৰামে এই অঞ্চলত উগ্ৰভাষিক জাতীয়তাবাদৰ এটা ঐতিহ্যও সৃষ্টি কৰি থৈছে। অসমক ভাৰতৰ পৰা বিচ্ছিন্ন কৰাটো সম্ভৱতো নহয়েই, সি কোনোপধ্যে বাঞ্ছনীয়ও নহয়। কিন্তু আন কোনো কাৰণে নহয়, কেৱল বহিৰাগতৰ প্ৰব্ৰজনৰ ফলত অসমত অসমীয়া সকল সংখ্যালঘুত পৰিণত হব লগা হ'লে এই অঞ্চলত ব্যাপক আৰু দীৰ্ঘস্থায়ী অশান্তি অনিবাৰ্য বুলি মোৰ দৃঢ় বিশ্বাস। সেয়ে হবলৈ হ'লে সি সমগ্ৰ ভাৰতৰ কাৰণে ক্ষতিকাৰক হব আৰু অসমত থলুৱা হৈ পৰা অনা-অসমীয়াভাষী লোকসকলৰ কাৰণেও ক্ষতিকাৰক হব। সেই সম্ভাৱনা ৰোধ কৰাৰ একমাত্ৰ উপায় হ'ল এতিয়াই সুবুদ্ধি আৰু দূৰদৰ্শিতাৰ পৰিচয় দি অসমৰ বৰ্তমানৰ জনবিন্যাস অক্ষুণ্ণ ৰখাৰ ব্যৱস্থা কৰা।

বিদ্ৰোহ আৰু অশান্তি হোৱাটো অনিবাৰ্য। যোৱা ডেৰশ বছৰৰ অসমীয়া মানসিকতাৰ গতি প্ৰকৃতি অনুধাৱন কৰিলেই এই ভৱিষ্যদ্বাণী সহজ বোধগম্য হব। তদুপৰি বাংলাদেশৰ মুক্তি সংগ্ৰামে এই অঞ্চলত উগ্ৰভাষিক জাতীয়তাবাদৰ এটা ঐতিহ্যও সৃষ্টি কৰি থৈছে। অসমক ভাৰতৰ পৰা বিচ্ছিন্ন কৰাটো সম্ভৱতো নহয়েই, সি কোনোপধ্যে বাঞ্ছনীয়ও নহয়। কিন্তু আন কোনো কাৰণে নহয়, কেৱল বহিৰাগতৰ প্ৰব্ৰজনৰ ফলত অসমত অসমীয়া সকল সংখ্যালঘুত পৰিণত হব লগা হ'লে এই অঞ্চলত ব্যাপক আৰু দীৰ্ঘস্থায়ী অশান্তি অনিবাৰ্য বুলি মোৰ দৃঢ় বিশ্বাস। সেয়ে হবলৈ হ'লে সি সমগ্ৰ ভাৰতৰ কাৰণে ক্ষতিকাৰক হব আৰু অসমত থলুৱা হৈ পৰা অনা-অসমীয়াভাষী লোকসকলৰ কাৰণেও ক্ষতিকাৰক হব। সেই সম্ভাৱনা ৰোধ কৰাৰ একমাত্ৰ উপায় হ'ল এতিয়াই সুবুদ্ধি আৰু দূৰদৰ্শিতাৰ পৰিচয় দি অসমৰ বৰ্তমানৰ জনবিন্যাস অক্ষুণ্ণ ৰখাৰ ব্যৱস্থা কৰা। আজিৰ পৰা বিশ-ত্ৰিশ বছৰৰ পিছত যি অশান্তিৰ জুই নুমুৱাবলৈ ভাৰত চৰকাৰে কোটি কোটি টকা আৰু অশেষ ৰক্ত ক্ষয় কৰিব লাগিব, সেই অশান্তিৰ বীজ এতিয়াই নিৰ্মূল কৰিব পাৰি দেশৰ সংবিধানত মাত্ৰ কেইটামান শব্দ নতুনকৈ যোগ দি। *(আগলৈ)*





# অগপ-ৰ অধিবেশনৰ আগেয়ে ন-অগপ-ই চামিলকৰণৰ কথা পাতিবলৈ কিয় নাহিল ?

অসম গণ পৰিষদ আৰু নতুন অসম গণ পৰিষদৰ চামিলকৰণৰ বাবে অগপ-ৰ অধিবেশনৰ আগেয়ে বিশেষভাবে চেষ্টা চলোৱা হৈছিল। অগপ-ৰ নেতৃবৃন্দই এই চামিলকৰণৰ বাবে আগ-ভাগ লৈছিল। মূলতঃ যোৱা ছয় জানুৱাৰীত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা অগপ-ৰ দ্বিতীয় বাৰ্ষিক অধিবেশন সাফল্যমণ্ডিত কৰাৰ উদ্দেশ্যেই চামিলকৰণৰ বাবে খৰখেদা কৰা হৈছিল। এই উদ্দেশ্যেই প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ৰাজহুৱাভাবে ঘোষণা কৰিছিল যে আঞ্চলিক দলৰ একত্ৰীকৰণৰ স্বাৰ্থত তেওঁ সকলো ত্যাগ স্বীকাৰ কৰিবলৈ প্ৰস্তুত আছে। ইয়াৰ পিছতেই অগপ-ৰ অধিবেশনৰ আগেয়ে ন-অগপ-ৰ নেতৃবৃন্দলৈ চামিলকৰণৰ হৈ আলোচনা-বিলোচনা কৰাৰ বাবে অগপ-ই এখন চিঠি প্ৰেৰণ কৰে। চিঠিখনত ছয় জানুৱাৰীত আলোচনা অনুষ্ঠিত কৰাৰ বাবেও অনুৰোধ জনোৱা হৈছিল। জানিব পৰা মতে অগপ-ৰ প্ৰাক্তন সভাপতি মহন্তই ইয়াৰ বাবে বিশেষভাবে উদ্যোগ লৈছিল। কিন্তু মহন্তৰ এই দৰবে কাম নিদিলে। মহন্তই ৰাজহুৱাভাবে দিয়া বিবৃতি ন-অগপ-ৰ নেতৃবৃন্দই বিশেষকৈ ভৃগু কুমাৰ ফুকন আৰু পুলকেশ বৰুৱাই বিশ্বাসত ল'ব নোৱাৰিলে। পূৰ্বৰ অভিজ্ঞতাৰ পৰাই তেওঁলোকে ভোল্ নগ'ল। তেওঁলোকৰ মতে মহন্তৰ এয়া এক নতুন ৰাজনৈতিক চাতুৰী। অধিবেশনৰ আগেয়ে চামিলকৰণৰ সপক্ষে সিদ্ধান্ত ললে নতুন কাৰ্যনিৰ্বাহিকত পুনৰ কৌশলেৰে বেছি সংখ্যক নিজৰ লোক সোমোৱাই মহন্তই পূৰ্বৰ দৰে দলত একছত্ৰী শাসন চলাব। মহন্তই সন্ন্যাসী হোৱাৰ ভাওহে জুৰিছে। সেয়ে ন-অগপ-ৰ নেতৃবৃন্দই অগপ-ৰ অধিবেশনৰ আগেয়ে চামিলকৰণৰ বাবে কথা পাতিবলৈ আগবাঢ়ি নাহিল। অগপ-ৰ নতুন কাৰ্যনিৰ্বাহিক কিদৰে গঠন কৰা হয়, তাৰ বাবে তেওঁলোকে আগ্ৰহেৰে অপেক্ষা কৰিলে। কিয়নো এই কাৰ্যনিৰ্বাহিকৰ পৰাই তেওঁলোকে মহন্তৰ প্ৰকৃত সদিচ্ছা সম্পৰ্কে জানিব পাৰিব। ফলস্বৰূপে অগপ-ৰ অধিবেশনৰ আগেয়ে চামিলকৰণৰ প্ৰচেষ্টা ব্যৰ্থ হ'ল।

কিন্তু যি সময়ত আঞ্চলিক দলৰ একত্ৰীকৰণৰ বাবে প্ৰফুল্ল মহন্ত, থানেশ্বৰ বড়ো, পৰাগধৰ চলিহাকে ধৰি অগপ-ৰ জ্যেষ্ঠ নেতা সকলে বিশেষভাবে জোৰ দিছে, ঠিক সেই সময়ত আন এজন জ্যেষ্ঠ নেতা জয়নাথ শৰ্মাই এই চামিলকৰণৰ হেনো বিৰোধিতা কৰিছে। শৰ্মাই হেনো ভিতৰি ভিতৰি প্ৰাক্তন বিধায়ক ময়িদুল ইছলাম বৰাক দলীয় কাম-কাজত গুৰু দায়িত্ব দিয়াৰ বাবে ভাল পোৱা নাই। বৰাক এইবাৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ দায়িত্ব দিয়া হৈছিল। অধিবেশনৰ আগেয়ে চামিল কৰণৰ বাবে বৰাই বিভিন্ন আঞ্চলিক দলৰ সৈতে যোগাযোগ কৰিছিল। আনহাতে অসম জাতীয়তাবাদী দলে অধিবেশন চলি থকাৰ সময়তে চামিলকৰণৰ প্ৰশ্নত অগপ দলৰ সৈতে কথা পাতিবলৈ আগবাঢ়ি আহিছিল। কিন্তু প্ৰথমলানি আলোচনাৰ পিছতেই শৰ্মাই হেনো জাতীয়তাবাদী দলৰ কৰ্মকৰ্তাকি টেলিফোনেৰে ঠট্টাৰ ভাবেৰে অগপ-ৰ সৈতে চামিল হোৱা বুলি কৈ পেলালে। এই কথাত জাতীয়তাবাদী দলৰ কৰ্মকৰ্তা সকল ক্ষুব্ধ হ'ল। ইয়াৰ পিছতেই তেওঁলোকে বাতৰি কাকতত বিবৃতি দিলে যে জাতীয়তাবাদী দলে অগপ-ৰ সৈতে চামিলকৰণৰ সন্দৰ্ভত কোনো কথা পতা নাই।

আনহাতে এইবাৰ অতুল বৰাই অধিবেশনৰ সময়ছোৱাত সম্পূৰ্ণ গা এৰা দি চলিলে। মহন্তৰ বিৰুদ্ধে থকা তেওঁৰ বিযোদ্‌গাৰেই হ'ল ইয়াৰ কাৰণ। ৰাজ্যখনৰ জটিল পৰিস্থিতিৰ সময়ত প্ৰাক্তন মুখ্য মন্ত্ৰীজনে বিদেশ ভ্ৰমণলৈ যোৱাৰ বাবে তেওঁক কৈফিয়ৎ তলব কৰা হ'ব বুলি অগপ দলে সিদ্ধান্ত গ্ৰহণ কৰিছিল। সিদ্ধান্ত লোৱাৰ সময়ত অগপ-ৰ ভাৰপ্ৰাপ্ত সভাপতি থানেশ্বৰ বড়ো, জ্যেষ্ঠ নেতা নগেন শৰ্মা, বীৰেন বৈশ্য আদিও উপস্থিত আছিল। জানিব পৰা মতে মহন্তক কৈফিয়ৎ তলবৰ বাবে সাধাৰণ সম্পাদক অতুল বৰাই হেনো উদ্যোগ লৈছিল। কিন্তু মহন্ত বিদেশৰ পৰা ঘূৰি অহাৰ পিছতেই সকলো ওলট-পালট হৈ গ'ল। হিতে বিপৰীত হোৱাৰ দৰে মহন্তই ঘূৰি অহাৰ পিছত দল বিৰোধী কাম কাজৰ বাবে ওলোটাই বৰাকহে কৈফিয়ৎ তলব কৰা হ'ল। আনহাতে মহন্তক কৈফিয়ৎ তলব কৰাৰ সিদ্ধান্ত ক'ৰবাত পৰি থাকিল। ইয়াৰ পৰাই প্ৰমাণ হ'ল যে নামত বিষয়বাব নাথাকিলেও কামত মহন্তই এতিয়াও দলৰ সৰ্বেসৰ্বা। ন-অগপ-ৰ নেতৃবৃন্দই এইকাৰণে এতিয়াও চামিলকৰণৰ বাবে আগবাঢ়ি অহা নাই।

আনহাতে পূৰ্বৰ দৰে এইবাৰ অগপ-ৰ অধিবেশনত কোনো উৎসাহ উদ্দীপনা নাছিল। অধিবেশনৰ আলোচনা-বিলোচনা চলি থকাৰ সময়তো বেছি সংখ্যক জ্যেষ্ঠ নেতাই ইফালে সিফালে ঘূৰি ফুৰাহে দেখা গৈছিল।

## চৰকাৰী বিষয়াৰ অখণ্ড প্ৰতাপ

অসম চৰকাৰৰ বিভিন্ন বিভাগত এনে কিছুমান বিষয়া আছে যাৰ হাতত ইমানেই ক্ষমতা যে বিভাগীয় ঊৰ্ধ্বতম বিষয়াক কেৰেপেই নকৰে। যিসকল বিষয়াৰ হাতত অসম মুলুকেই নহয়, দিল্লীৰ দৰবাৰৰ মন্ত্ৰী আদিয়ো হাতৰ পুতলা। জানিব পৰা মতে তেনে এজন মহাপ্ৰতাপী বিষয়াই শিলচৰ চহৰত ১৯৭৩ চনৰ পৰাই নিজৰ অখণ্ড প্ৰতাপেৰে নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ বিভাগৰ উপসঞ্চালক পদত থাকি বিভাগীয় সঞ্চালকৰ বদলিৰ আদেশকো কেৰেপ নকৰি প্ৰায় দুটা দশককাল চাকৰি কৰিছে। জনৈক মনিভূষণ দত্ত নামৰ এই বিষয়াজনৰ হাত ইমানেই দীঘল যে দিছপুৰৰ তথা বিভাগীয় কোনো বদলিৰ আদেশে এই বিষয়া গৰাকীক চুকি নাপায়। বিষয়াজনৰ এই প্ৰতাপ দেখি আনকি প্ৰাক্তন মন্ত্ৰী আলতাফ হুছেইন মজুমদাৰে বিভাগীয় আয়ুক্তক এদিন কথা প্ৰসংগত প্ৰশ্ন কৰিছিল –আপোনালোকে চাকৰিয়াল সকলক পাৰ্মানেন্ট ঠাইত পষ্টিং কৰেনে কি? জানিব পৰামতে কেন্দ্ৰীয় মন্ত্ৰী এজনৰ ওচৰ সম্পৰ্কৰ গইনালৈ এগৰাকী বিষয়াই বিভাগীয় সঞ্চালকৰ কথা বাদেই, আয়ুক্তৰ আদেশকো কেৰেপ নকৰে। দুবছৰমান আগেয়ে বিষয়াজনক তেজপুৰলৈ বদলি কৰা হৈছিল। আনহাতে তেজপুৰৰ সমপৰ্যায়ৰ বিষয়াজনে শিলচৰত কামত যোগদান কৰিবলৈ গৈ হেনো প্ৰাণৰ

ভাবুকিৰ সমুখীন হ'ব লগা হৈছিল আৰু ঠোঁট মুখ চেলেকি পুনৰ তেজপুৰলৈ ঘূৰি আহিব লগা হৈছিল। অলপতে এই বিষয়াজনক আন এখন ঠাইলৈ বদলি কৰা হয়। কিন্তু বিষয়াজনে পুনৰ পোনে পোনে দিল্লীলৈ গৈ কেন্দ্ৰীয় মন্ত্ৰীজনৰ ওচৰ চাপি তেওঁৰ বদলি স্থগিত কৰণৰ বাবে চিঠি লৈ আহে। এই চিঠিৰ পিছত এতিয়া বিষয়াৰ বদলি হয় নে আয়ুক্ত বদলি হয় তাৰ বাবেহে বিভাগীয় কৰ্মচাৰী বিষয়া সকলে উৎকন্ঠাৰে বাট চাই আছে।

## অটোগ্ৰাফ

অলপতে অনুষ্ঠিত হৈ যোৱা গুৱাহাটীৰ গ্ৰন্থমেলাত 'লেখকৰ সৈতে এখন্তেক' এই কাৰ্যসূচীৰো আয়োজন কৰা হৈছিল। অনুষ্ঠানত প্ৰখ্যাত সাহিত্যিক নৱকান্ত বৰুৱা, চৈয়দ আব্দুল মালিক, ডঃ মামনি ৰয়চম গোস্বামী আদি উপস্থিত আছিল। প্ৰথমে ডঃ মামনি ৰয়চম গোস্বামীয়ে লেখিকা হিচাপে নিজৰ অভিজ্ঞতাৰ বিষয়ে বক্তৃতা দাঙি ধৰে। ইয়াৰ পিছতেই নৱকান্ত বৰুৱাই ভাষণ দিয়ে। কিন্তু নৱকান্ত বৰুৱাই ভাষণ দি থকা সময়তে তিনিজন যুৱকে ডঃ গোস্বামীৰ অটোগ্ৰাফ লোৱাৰ বাবে মঞ্চলৈ উঠি যায়। যুৱক তিনিজনে অটোগ্ৰাফ লোৱাৰ বাবে হেতাওপৰা লগোৱাৰ বাবে মৃদু হুলস্থূলৰ সৃষ্টি হয়। বৰুৱাৰ এই কথাত খং উঠে। তেওঁ লগে লগে অলপ কৰ্কশ মাতেৰে সভা ভংগৰ পিছত অটোগ্ৰাফ লবলৈ অনুৰোধ কৰে। ডঃ গোস্বামীকো সভা চলি থকাৰ সময়ত অটোগ্ৰাফ দিয়াৰ পৰা বিৰত থাকিবলৈ অনুৰোধ কৰে। ডঃ গোস্বামীয়ে লৰালৰিকৈ যুৱক কেইজনক অটোগ্ৰাফ দি বিদায় দিয়ে।

## গ্ৰন্থমেলাত অনিয়ম

এইবাৰ গুৱাহাটী গ্ৰন্থমেলাত একেখন কিতাপ বিভিন্ন বুকষ্টলত বিভিন্ন দামত বিক্ৰী হয়। অৰ্থাৎ একেখন কিতাপ যদিহে কোনোবাখন বুকষ্টলত ৭০ টকাত বিক্ৰী হৈছে, তেনেহলে আন এখনত ৯০ টকাত বিক্ৰী কৰা হৈছে। বিশেষকৈ শিশুৰ কিতাপ এনেদৰে বিক্ৰী কৰা হৈছে। গ্ৰন্থমেলাত শিশুৰ কিতাপেই আটাইতকৈ বেছি বিক্ৰী হয়। শিশুৰ কিতাপৰ নাটনিৰ সুযোগ লৈয়েই কিছু সংখ্যক বিক্ৰেতাই এনেদৰে বেছি দামত কিতাপ বিক্ৰী কৰে। তাৰ উপৰি কিছু সংখ্যক বিক্ৰেতাই কিতাপখনৰ প্ৰকৃত দামৰ ওপৰত নতুন দামৰ এটা ষ্টীকাৰ সংযোজন কৰি দহ শতাংশ ৰেহাই দিয়া দেখুৱাই প্ৰকৃত দামতকৈ বেছি দামত কিতাপখন বিক্ৰী কৰে। ইয়াৰ বাবেই বিশ্ববিদ্যালয়ৰ ছাত্ৰী এজনীৰ সৈতে কিতাপ বিক্ৰেতা এজনৰ বাক্‌বিতন্ডা হয়। কিয়নো প্ৰাণ বিদ্যা বিষয়ৰ এখন কিতাপৰ প্ৰকৃত দাম আছিল ১৬০ টকা। বিক্ৰেতাজনে সেই কিতাপখনত ষ্টীকাৰ এটা সংযোজন কৰি কিতাপখনৰ দাম ২০০ টকা কৰে আৰু দহ শতাংশ ৰেহাই দি ১৮০ টকাত বিক্ৰী কৰিবলৈ লয়। ছাত্ৰী গৰাকীয়ে বিক্ৰেতাজনৰ এই চাতুৰিৰ বিষয়ে জানিব পাৰে। কিয়নো কিতাপখনৰ প্ৰকৃত মূল্য তেওঁ পূৰ্বতে জানিছিল। গুৱাহাটীৰ পাণ বজাৰৰ পৰা কিতাপখন ক্ৰয় কৰি তেওঁ প্ৰমাণ কৰি দিয়ে যে কিতাপখনৰ মূল্য প্ৰকৃততে ১৬০ টকাহে।

ত্ৰিনয়ন

## গ্ৰন্থবাৰ্তা

যোৱাবাৰৰ গ্ৰন্থবাৰ্তাতে হোমেন বৰগোহাঞিৰ নিৰ্বাচিত গল্প সংকলন "অস্তিত্বৰ জ্যোতিৰ্ময় চেতনা"ৰ কথা জনাইছিলো। "নতুন অসম" নামৰ নতুনকৈ কিতাপ প্ৰকাশ কৰিবলৈ লোৱা প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা এই সংকলনটোত পাঠকসকলে এটা নতুন বস্তু পাব বুলি প্ৰতিষ্ঠানটোৰ স্বত্তা-ধিকাৰী শ্ৰীজ্যোতিপদ চৌধুৰীয়ে জনাইছে। সেয়া হ'ল– গল্পকাৰজনেই লিখা প্ৰত্যেকটো গল্পৰে অন্তৰালৰ কাহিনী।

এই প্ৰতিষ্ঠানটোৱে কিছুদিনৰ আগতে নৱকান্ত বৰুৱাৰ নিৰ্বাচিত কবিতাৰ সংকলন "সূৰ্যমুখীৰ অংগীকাৰ" নিবেদন কৰিছিল। এইবাৰ আগবঢ়াইছে ছেক্সপীয়েৰ চনেটৰ অসমীয়া অনুবাদৰ এটি সংকলন। অনুবাদক প্ৰফুল্ল প্ৰসাদ শইকীয়া। নৱকান্ত বৰুৱাৰ ছেক্সপীয়েৰৰ চনেটতত আলচ এটি সংকলনটোৰ অন্যতম আকৰ্ষণ হব। গল্পকাৰ হিচাপে ইতিমধ্যে আমাৰ মাজত পৰিচিত হৈ উঠা দিনেপ শৰ্মাৰ "গল্পৰ গাছপেৰা" নামৰ গল্প-সংকলন এটাও এই প্ৰতিষ্ঠানে গ্ৰন্থমেলাৰ সময়ত ৰাইজৰ হাতত তুলি দিছে।

এল, বি, এছ তথা লয়াৰ্ছ বুকষ্টল অসমৰ অন্যতম প্ৰধান প্ৰকাশন প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানে অলপতে ডঃ হীৰেন গোহাঁইৰ "অসমীয়া জাতীয়া জীৱনৰ মহাপুৰুষীয়া পৰম্পৰা" শীৰ্ষক গ্ৰন্থখনৰ দ্বিতীয় খণ্ডটো প্ৰকাশ কৰিছে। ডঃ শিৱনাথ বৰ্মনৰ "নমনুষ্যৎ" গ্ৰন্থখনৰ দ্বিতীয় সংস্কৰণো এল, বি, এছে প্ৰকাশ কৰাটো আমাৰ বাবে উৎসাহজনক কথা। এই প্ৰতিষ্ঠানৰ দ্বাৰা অলপতে প্ৰকাশিত কেইখনমান উল্লেখযোগ্য কিতাম হ'ল– ভবানন্দ দত্তৰ "দৃষ্টি আৰু দৰ্শন", শীলভদ্ৰৰ "আকৌ মধুপুৰ", ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ "ৰম্যভূমি", লক্ষ্মীনন্দন বৰাৰ "পশ্চিমৰ পম খেদি", চেনেহী বেগমৰ অসমীয়ালৈ অনূদিত গেইটৰ "হিষ্টৰী অব আচাম" আৰু প্ৰতিষ্ঠানটোৰ স্বত্তাধিকাৰী খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱাই অনুবাদ কৰা সমৰেশ বসুৰ "তিন ভুবনেৰ পাৰে"।

ষ্টুডেন্টছ ষ্ট'ৰ্ছ নামৰ প্ৰতিষ্ঠানটোৱে কিছু বছৰৰ পৰা ভালেকেইখন উল্লেখযোগ্য কিতাপ প্ৰকাশ কৰিছে। এই প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰকাশ পাব লগা হোমেন বৰগোহাঞিৰ "কিতাপ পঢ়াৰ আনন্দ"খনৰ কথা যোৱাবাৰেই কোৱা হৈছে। প্ৰতিষ্ঠানটোৱে নিবেদন কৰা আৰু খনছেৰেক উল্লেখযোগ্য কিতাম হৈছে– হৰেকৃষ্ণ ডেকাই অনুবাদ কৰা কিছু বিদেশী কবিতাৰ সংকলন, ডঃ কৰবী ডেকা হাজৰিকাৰ "অসমীয়া কবিতা", বাপচন্দ্ৰ মহন্তৰ "বৰগীত"। তদুপৰি হীৰেন ভট্টাচাৰ্যই "ল'ৰা-ধেমালি" নামৰ শিশুৰ বাবে লেখা কিতাপ এখনিও এই প্ৰতিষ্ঠানে এইবাৰ আগবঢ়াইছে। শক্তিনাথ বৰুৱাই অনুবাদ কৰা "ৰাহুল সংস্কৃতায়নৰ ভলগাৰ পৰা গঙ্গা", ডঃ কেশৱনন্দ গোস্বামীৰ সম্পাদিত "নাম-ঘোষা" আৰু ডঃ দিলীপ বৰুৱাৰ "কবিতাৰ ভৱিষ্যত" নামৰ গ্ৰন্থও এই প্ৰতিষ্ঠানে অলপতে প্ৰকাশ কৰিছে।

সাহিত্যদূত





# কমিউনিজমৰ বিপৰ্যয়ৰ প্ৰেক্ষাপটত ভাৰতৰ কমিউনিষ্ট দল

সবিতা লহকৰ

পূব-ইউৰোপ আৰু ৰাছিয়াত কমিউনিজমৰ বিপৰ্যয় সম্পৰ্কে ইতিমধ্যে যথেষ্ট আলোচনা-বিলোচনা হৈ গৈছে। কিছু মহলে এই বিপৰ্যয়ক সমাজতন্ত্ৰৰ'পতন'আখ্যাও দিছে। কিন্তু এটা সমাজ ব্যৱস্হা হিচাপে সমাজতন্ত্ৰই এতিয়াও তাৰ কৈশোৰ অতিক্ৰম কৰা নাই। কালৰ হিচাপত ৭৪ বছৰ বৰ দীৰ্ঘ সময় হলেও এটা নতুন সমাজ ব্যৱস্হাই পৰিণত ৰূপ পাবৰ বাবে ই তেনেই চমু সময়। সমাজবাদৰ আগতেও বিভিন্ন সমাজ ব্যৱস্হাই শ শ বছৰৰ পৰীক্ষা-নিৰীক্ষাৰ অন্ততহে পৰিণত ৰূপ গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছিল। সাফল্য আৰু ব্যৰ্থতাৰ মুখামুখি হৈ, পৰিস্হিতি বিশেষে কেতিয়াবা দুখোজ আগুৱাই, কেতিয়াবা চাৰিখোজ পিছুৱাই সমাজ তাৰ নিজৰ গতিত আগবাঢ়ি যায়। সমাজ আৰু সভ্যতাৰ ক্ৰমবিকাশৰ স্বৰূপ এয়েই। শ শ বছৰ ধৰি আদিম সাম্যবাদী সমাজ ব্যৱস্হা বৰ্তি থকাৰ পিছতহে ই এটা সংহত ৰূপ লৈছিল। একেদৰে দাস ব্যৱস্হা বা সামন্ততন্ত্ৰও এদিনতে পৰীক্ষিত আৰু স্বীকৃত হোৱা নাছিল। ধনতন্ত্ৰৰতো বৰ্তমানো বিকাশশীল অৱস্হা। ইতিমধ্যেই তিনিশ বছৰ পাৰ হৈ যোৱা ধনতন্ত্ৰই এতিয়াও সকলো দেশতে সমানভাবে বিকাশ লাভ কৰা নাই। গতিকে সমাজ ব্যৱস্হা হিচাপে কৈশোৰ-অনুত্তীৰ্ণ সমাজতন্ত্ৰৰ সাময়িক এই বিপৰ্যয় একেবাৰে অস্বাভাৱিক নহয়।

ৰাছিয়াত সমাজতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠাৰ বহু আগেয়েই মানুহে সমাজতন্ত্ৰৰ সপোন দেখিছিল। কাল্পনিক আৰু অবৈজ্ঞানিক হলেও প্লেটো, চেইন্ট চাইমন, ফুৰিয়াৰ বা আৱেনৰ সমাজতত্ত্বই সমাজতন্ত্ৰৰে পোষকতা কৰিছিল। এওঁলোকৰ চিন্তাৰ উত্তম দিশটো গ্ৰহণ কৰি কাৰ্লমাৰ্ক্সে সমাজতন্ত্ৰক বৈজ্ঞানিক দৃষ্টিভংগী দান কৰিছিল। আজি সমাজতন্ত্ৰৰ বিপৰ্যয় সত্ত্বেও কোনেও, আনকি ইয়াক 'পতন' বুলি অভিহিত কৰা সকলেও নিশ্চয় খোলাখুলিকৈ ক'ব নোৱাৰে যে শোষণ বা বৈষম্য ভাল অথবা শোষণহীন, বৈষম্যহীন ভৱিষ্যত বিচৰাটো এক অপৰাধ।

মাৰ্ক্সবাদ এক বিজ্ঞান আৰু ই পৰীক্ষিত। সমগ্ৰ পৃথিৱীৰে লেখক, ঐতিহাসিক আৰু চিন্তাবিদ সকলে আজি যিকোনো বিষয়ৰে ব্যাখ্যা কৰোতে জ্ঞাতে-অজ্ঞাতে মাৰ্ক্সবাদৰে সহায় লয়। মাৰ্ক্সবাদৰ মূলভিত্তি শ্ৰেণী বিশ্লেষণ, শ্ৰেণী চেতনা বা শ্ৰেণী সংগ্ৰাম অথবা ঐতিহাসিক বস্তুবাদে সমগ্ৰ পৃথিৱীৰে চিন্তাবিদ সকলৰ স্বীকৃতি লাভ কৰাটো সত্য। সমাজ বিজ্ঞানৰ ছাত্ৰই, লাগে তেওঁ সাম্ৰাজ্যবাদী আমেৰিকাতে শিক্ষা গ্ৰহণ কৰক – মাৰ্ক্সবাদ পঢ়িবই লাগিব। ইতিহাস, দৰ্শন, ৰাজনীতি, অৰ্থনীতি, সমাজতত্ত্ব; সংস্কৃতি –এই সকলো ক্ষেত্ৰতে মাৰ্ক্সবাদৰ স্হান আজি সৰ্বজন স্বীকৃত আৰু মৰ্যাদাপূৰ্ণ।

## 'পতন' কিয়?

মাৰ্ক্সবাদৰ এই ইতিবাচক দিশসমূহ সত্ত্বেও পূব-ইউৰোপ আৰু ৰাছিয়াত সমাজ ব্যৱস্হা হিচাপে ইয়াৰ 'পতন' ঘটিল কিয়? ইয়াৰ কাৰণ বিশ্লেষণ কৰিবলৈ হলে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ পৰিস্হিতি মনত পেলাব লাগিব। হিটলাৰ অধিকৃত পূব-ইউৰোপৰ দেশ সমূহ যেতিয়া ষ্টেলিনৰ লাল ফৌজে মুক্ত কৰে তেতিয়া সেই দেশৰ জনসাধাৰণে স্বতঃস্ফূৰ্ত ভাবেই কমিউনিষ্ট দলৰ প্ৰতি আকৰ্ষিত হয়। কিন্তু সেই সমৰ্থনৰ আঁৰত যুক্তিতকৈ আবেগৰহে প্ৰাধান্য আছিল। সেয়ে প্ৰথম অৱস্হাত কমিউনিষ্ট শাসনৰ কঠোৰতাবোৰ মানি ললেও পিছলৈ অসন্তুষ্টিয়ে দেখা দিবলৈ ধৰে। আনহাতে ৰাছিয়াৰ ক্ষেত্ৰত সমাজতন্ত্ৰৰ বিপৰ্যয়ৰ কাল ক্ৰুশ্চেভৰ সময়ৰ পৰাই আৰম্ভ হৈছিল বুলিব পাৰি। ১৯৫৬ চনৰ পৰা ষ্টেলিন বিৰোধিতাৰ নামত পাৰ্টিৰ ভিতৰত যি মতাদৰ্শগত পাৰ্থক্যৰ সৃষ্টি কৰা হৈছিল ইয়েই পিছলৈ সংশোধনবাদৰ ৰূপ লৈছিল। ক্ৰুশ্চেভে গ্ৰহণ কৰা শান্তিপূৰ্ণ সহাৱস্হান, শান্তিপূৰ্ণ সহযোগিতা আৰু শান্তিপূৰ্ণ উত্তৰণৰ নীতিয়ে ৰাছিয়াৰ কমিউনিষ্ট পাৰ্টিক শ্ৰেণী সংগ্ৰামৰ পথৰ পৰা বিচ্যুত কৰিছিল। তাৰ উপৰি পাৰ্টি আৰু জনসাধাৰণৰ যি নিবিড় সম্পৰ্কৰ কথা লেনিনে বাৰে বাৰে দোহাৰিছিল, সেই অত্যন্ত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ ক্ষেত্ৰত পাৰ্টিয়ে উপযুক্ত গুৰুত্ব দিয়া নাছিল। সেয়ে হয়তো জনসাধাৰণে সমাজবাদ নিৰ্মূল কৰাৰ দৰে কঠোৰ সিদ্ধান্ত লবলৈ বাধ্য হ'ল। যি জনগণ অক্টোবৰ বিপ্লৱৰ উত্তাল দহটা দিনৰ সাক্ষী আৰু অংশীদাৰ, যি জনসাধাৰণে হিটলাৰৰ দুৰ্ধৰ্ষ অভিযান বিফল কৰিবলৈ পৰম বিক্ৰমে যুঁজিছিল, মহা-উৎসাহে যি জনসাধাৰণে সমাজ-তান্ত্ৰিক নিৰ্মাণত অংশগ্ৰহণ কৰিছিল, তেওঁলোকেই আজি ৰাছিয়াৰ পৰা সমাজতন্ত্ৰক কিয় বিদায় দিলে বা দিবলৈ বাধ্য হ'ল তাৰ বিশ্লেষণমূলক আলাপ-আলোচনা কৰাৰ থল নিশ্চয় আছে।

## বেছি বিপদ কাৰ?

'সমাজতন্ত্ৰৰ এই বিপৰ্যয়ে সকলোতকৈ বেছি বিপদত পেলাইছে লেটিন আমেৰিকা আৰু তৃতীয় বিশ্বৰ দেশসমূহৰ মুক্তিকামী জনগণক। ভাৰত মহাসাগৰৰ দিয়েগো-গাৰ্চিয়া দ্বীপকে ধৰি বিশ্বৰ বিভিন্ন দেশত মাৰ্কিন সামৰিক ঘাটি পূৰ্বৰ পৰাই আছে। আমেৰিকান সাম্ৰাজ্যবাদী সকলৰ হাতত আছে ক্ষেপণাস্ত্ৰ আৰু পাৰমাণৱিক নানা অস্ত্ৰৰ মজুত ভাণ্ডাৰ। নিজ দেশৰ অৰ্থনৈতিক সংকটক জোৰা-তাপলি দিবলৈ

আৰু অস্ত্ৰৰ ব্যৱসায় সুচাৰুৰূপে চলোৱাৰ প্ৰয়োজনতেই সময়ে সময়ে আমেৰিকান সাম্ৰাজ্যবাদী সকলে নানা ছল-চাতুৰিৰ আশ্ৰয় লৈ লেটিন আমেৰিকা আৰু তৃতীয় বিশ্বৰ দেশ সমূহৰ বিৰুদ্ধে আক্ৰমণ সংগঠিত কৰি আহিছে। আৰু এতিয়া, 'ছোভিয়েত ইউনিয়ন'ত সমাজতন্ত্ৰৰ বিপৰ্যয়ৰ সুযোগ লৈ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নেতৃত্বত সাত ৰাষ্ট্ৰৰ নেতৃবৃন্দই সমগ্ৰ পৃথিৱী শাসন কৰিবলৈ আৰু ভাৰতকে ধৰি সকলো অনুন্নত আৰু উন্নয়নশীল দেশৰ অৰ্থনৈতিক ব্যৱস্থাও নিয়ন্ত্ৰণ কৰিবলৈ স্পৰ্দ্ধা দেখুৱাইছে। মাৰ্কিন চৰকাৰৰ এই আস্ফালনৰ যোগ্য প্ৰত্যুত্তৰ দিব পাৰিলেহেঁতেন 'ছোভিয়েত ইউনিয়ন'ৰ নেতৃত্বত বিশ্বৰ সমাজতান্ত্ৰিক শিবিৰৰ অস্তিত্ব আৰু গোষ্ঠী নিৰপেক্ষ দেশবোৰে সাম্ৰাজ্যবাদ বিৰোধী আৰু শান্তিৰ সপক্ষে লোৱা ভূমিকাই। কিন্তু পূব-ইউৰোপ আৰু ৰাছিয়াত সমাজবাদৰ বিপৰ্যয়ৰ পিছত তাৰ বৰ্তমানৰ নেতৃত্বই দেশৰ ভাগি পৰা অৰ্থনৈতিক ব্যৱস্থা পুনৰুদ্ধাৰৰ বাবে আমেৰিকাকে ধৰি সাম্ৰাজ্যবাদী আৰু ধনতান্ত্ৰিক দেশবোৰৰে অনুগ্ৰহ প্ৰাৰ্থনা কৰিছে। এনেক্ষেত্ৰত সাম্ৰাজ্যবাদী আগ্ৰাসী নীতিৰ বিৰুদ্ধাচৰণ কৰাৰ কোনো ক্ষমতা এই দেশবোৰৰ নাই। চীন, কিউবা, কোৰিয়া আদি সমাজতান্ত্ৰিক দেশসমূহ আজি গভীৰ সংকটৰ সমুখীন হৈছে। এনেক্ষেত্ৰত তৃতীয় বিশ্বৰ দেশসমূহৰ সাম্ৰাজ্যবাদ বিৰোধী ঐক্যবদ্ধ গণতান্ত্ৰিক আন্দোলনেহে শান্তি আৰু স্বাধীনতাকামী মানুহৰ আস্থা জগাই তুলিব পাৰে।

ভাৰতৰ ওপৰত মাৰ্কিন নেতৃত্বাধীন সাম্ৰাজ্যবাদী দেশসমূহৰ ক্ৰমবৰ্দ্ধমান অৰ্থনৈতিক হস্তক্ষেপৰ পৰিপ্ৰেক্ষিতত ভাবি লব পাৰি যে অতি সোনকালে ভাৰতৰ স্বাধীনতাও বিপদাপন্ন হৈ পৰিব পাৰে। এইক্ষেত্ৰত বিশাল ভাৰতবৰ্ষৰ নানা ৰাজনৈতিক দল আৰু সংগঠন বিশেষকৈ শ্ৰমজীৱী জনগণৰ সংগঠন বুলি দাবী কৰা ভাৰতৰ দুই বৃহৎ কমিউনিষ্ট দলৰ স্পষ্ট দায়িত্ব আছে। অথচ এওঁলোকৰ নিজৰ মাজৰ বিভেদেই আঁতৰা নাই। কি সেই বিভেদ?

চি পি আই আৰু চি পি আই (এম) পাৰ্টি কৰ্মসূচী অধ্যয়ন কৰিলে তেওঁলোকৰ মাজত থকা মূলগত বিৰোধ চকুত পৰে। ভাৰত ৰাষ্ট্ৰৰ শ্ৰেণী চৰিত্ৰ প্ৰসংগতে উভয় দলৰ মাজত মতদ্বৈধতা আছে।

চি পি আইৰ মতে (অষ্টম পাৰ্টি কংগ্ৰেছত গৃহীত কৰ্মসূচীমতে) 'ভাৰত ৰাষ্ট্ৰ হৈছে সমগ্ৰ জাতীয় বুৰ্জোৱাৰ শ্ৰেণী শাসনৰ যন্ত্ৰ য'ত বৃহৎ বুৰ্জোৱাৰ শক্তিশালী প্ৰভাব আছে। জমিদাৰ সকলৰ সৈতেও এই শ্ৰেণী শাসনৰ সুদৃঢ় যোগসূত্ৰ আছে। এইবিলাক উপাদানৰ ফলত ৰাষ্ট্ৰ ক্ষমতাৰ প্ৰতি প্ৰতিক্ৰিয়াশীল সকলৰ টান (পুল) দেখা গৈছে।'

আনহাতে, চি পি আই (এম)ৰ কৰ্মসূচী মতে, 'বৰ্তমান ভাৰত ৰাষ্ট্ৰ বুৰ্জোৱা আৰু জমিদাৰ সকলৰ শ্ৰেণীগত শাসনৰ যন্ত্ৰ; ইয়াৰ নেতৃত্বত আছে – বৃহৎ বুৰ্জোৱা – ধনতান্ত্ৰিক বিকাশ সাধনৰ উদ্দেশ্যেৰে যিয়ে ক্ৰমে বেছিকৈ বিদেশী একচেটিয়া পুঁজিৰ সৈতে সহযোগিতাত লিপ্ত হৈছে। দেশৰ জীৱনত ৰাষ্ট্ৰৰ ভূমিকা আৰু কাৰ্যাৱলী এই শ্ৰেণী চৰিত্ৰৰ দ্বাৰাই মূলতঃ নিৰ্ধাৰিত হয়।'

ৰাষ্ট্ৰ চৰিত্ৰ সম্পৰ্কে এই মতভিন্নতাৰ উপৰিও আন আন কেতবোৰ বিষয়তো দুই কমিউনিষ্ট দলৰ বিৰোধ আছে। চি পি আইয়ে বিশ্বাস কৰে যে ভাৰতবৰ্ষৰ বৰ্তমানৰ ৰাষ্ট্ৰ ব্যৱস্থাত 'সৰ্বহাৰাৰ একনায়কত্ববাদ'ৰ আৰু প্ৰয়োজন নাই, নতুন কোনো বিপ্লৱৰো প্ৰয়োজন নাই। শ্ৰেণী সহযোগিতাৰ পথ অনুসৰণ কৰিও ৰাষ্ট্ৰই প্ৰত্যাশিত উন্নতি কৰিবলৈ সক্ষম হ'ব পাৰে; সংসদীয় গণতন্ত্ৰৰ পথেৰেই সমাজতন্ত্ৰলৈ উত্তৰণ সম্ভৱ বুলি চি পি আয়ে ভাবে। আনহাতে চি পি আই (এম) দলে মাৰ্ক্সবাদী দৰ্শনৰ মূল ভেটি 'শ্ৰেণী সংগ্ৰাম'ৰ ওপৰত এতিয়াও বিশ্বাস আৰু আস্থা বতাই ৰাখিছে। সংসদীয় গণতন্ত্ৰত অংশগ্ৰহণক এওঁলোকে এক ৰণকৌশল বুলিহে ব্যাখ্যা কৰে। চি পি আই (এম)য়ে বিশ্বাস কৰে যে 'সৰ্বহাৰাৰ একনায়কত্ব' প্ৰতিষ্ঠাৰ বাবে জনগণতান্ত্ৰিক বিপ্লৱৰ প্ৰয়োজন প্ৰশ্নাতীত।

এই মূল প্ৰশ্ন সমূহক লৈ বিভাজন হোৱা দুই কমিউনিষ্ট দলে নিজ নিজ স্থিতিৰ কিছু পৰিবৰ্তন ঘটাই হলেও এক ঐক্যবদ্ধ মঞ্চত মিলিত হোৱাৰ ঐতিহাসিক ক্ষণ সমুপস্থিত। কাৰণ সমাজতন্ত্ৰৰ বিপৰ্যয়ৰ পিছত স্বাধীনতাৰ শত্ৰু, মানৱতাৰ শত্ৰুসকল এতিয়া বেছি শক্তিশালী, আৰু শক্তিশালী শত্ৰুৰ বিৰুদ্ধে যুঁজ কৰিবলৈ প্ৰয়োজন জনসাধাৰণে বিশ্বাস আৰু আস্থা স্থাপন কৰিব পৰা বিপ্লৱৰ এক অগ্ৰবাহিনী, এক বিপ্লৱী জনগণতান্ত্ৰিক দল। □ □ □

**প্ৰশ্নসমূহঃ**

*১। পূব-ইউৰোপ আৰু ৰাছিয়াত কমিউনিজমৰ বিপৰ্যয়ৰ পিছত ভাৰতত কমিউনিষ্ট আন্দোলনৰ ভৱিষ্যত কি হ'ব বুলি আপুনি ভাবে? অৰ্থাৎ আন কথাত কবলৈ গলে ভাৰতৰ কমিউনিষ্ট আন্দোলনৰ ওপৰত পূব-ইউৰোপ আৰু ৰাছিয়াৰ ঘটনাৱলীয়ে কেনে ধৰণৰ প্ৰভাব পেলাব বুলি আপুনি ভাবে?*

*২। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আপোনাৰ দলে নিজৰ ৰাজনৈতিক দৰ্শন আৰু কৰ্মপন্থাৰ কিছু সালসলনি কৰাৰ কথা ভাবিছে নেকি?*

*৩। এতিয়ালৈকে দুয়োটা কমিউনিষ্ট দল ঐক্যবদ্ধ নোহোৱালৈ চাই দুয়োটা দলৰ মাজত বিশেষ মত-পাৰ্থক্য থকা যেন অনুভৱ হয়। পৰস্পৰৰ প্ৰতি আপোনালোকৰ প্ৰধান অভিযোগবোৰ কি কি?*

অসমৰ চি পি আই নেতা শ্ৰীপ্ৰমোদ গগৈ আৰু চি পি আই (এম) নেতা শ্ৰীঅচিন্ত্য ভট্টাচাৰ্যৰ ওচৰলৈ আমি ওপৰোক্ত প্ৰেক্ষাপটৰ ভেটিতেই তিনিটা প্ৰশ্ন লৈ উপস্থিত হৈছিলোঁ। এইবাৰৰ সংখ্যাত শ্ৰীপ্ৰমোদ গগৈদেৱৰ উত্তৰ সমূহ প্ৰকাশ কৰা হ'ল–



১। ছোভিয়েত ইউনিয়ন আৰু পূব-ইউৰোপৰ দেশবিলাকত ঘটা ঘটনাৱলীয়ে সমাজবাদী বা কমিউনিষ্ট আন্দোলনত বিপৰ্যয় অনাটো সত্য। কিন্তু আমাৰ ধাৰণামতে এই বিপৰ্যয় সাময়িক। সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যায় যে ইউৰোপৰ সমাজবাদী আন্দোলনক বাদ দি এচিয়া-আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ



দেশবিলাকৰ সমাজবাদী আন্দোলনত এনে বিপৰ্যয় এতিয়ালৈকে অহা নাই। সমাজবাদ এটা দৰ্শন আৰু ই বিজ্ঞানসম্মত। বিজ্ঞান সদায় সৃজনশীল। গতিকে সমাজবাদৰ মূল নীতিসমূহ পৰিবৰ্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই বিকাশ কৰিব পৰাটোৱেই সৃজনশীল দৃষ্টিভংগী। পৃথিৱীৰ বিভিন্ন দেশৰ ইতিহাস, কৃষ্টি আৰু সভ্যতাৰ নিজস্ব বৈশিষ্ট্য আছে আৰু সেইবিলাকক আওকাণ কৰিবলৈ যত্ন কৰাটো উচিত নহয়। পূব-ইউৰোপৰ দেশবিলাকত বিপ্লৱৰ যোগেদি কমিউনিষ্ট পাৰ্টি ক্ষমতালৈ অহা নাছিল। সেই সকলোবিলাক দেশেই হিটলাৰৰ দ্বাৰা দখলীকৃত অঞ্চল আছিল। ছোভিয়েত সৈন্য বাহিনীয়ে হিটলাৰৰ সৈন্যবাহিনীৰ বিৰুদ্ধে জয়লাভ কৰাৰ পৰিণতি হিচাপেই এই দেশবিলাকত কমিউনিষ্ট পাৰ্টি ক্ষমতালৈ আহে। আমাৰ ধাৰণামতে পূব-ইউৰোপৰ সৰহভাগ দেশত সমাজবাদ প্ৰতিষ্ঠা কৰাৰ বাস্তৱ অৱস্থা তৈয়াৰ হোৱা নাছিল। কিন্তু সেই দেশৰ কমিউনিষ্ট পাৰ্টীবিলাকে যান্ত্ৰিকভাবে ছোভিয়েত সমাজবাদৰ আৰ্হি প্ৰয়োগ কৰাৰ ফলত জনসাধাৰণৰ মাজত অসন্তুষ্টিয়ে দেখা দিয়ে। ইয়াৰ উপৰি দ্বিতীয় মহাযুদ্ধৰ সময়ত এই দেশবিলাকত বিভিন্ন দলকলৈ হিটলাৰ-বিৰোধী 'পপুলাৰ ফ্ৰন্ট' গঢ়ি উঠিছিল। কিন্তু ক্ষমতালৈ অহাৰ পিছত কমিউনিষ্ট পাৰ্টীবিলাকে 'পপুলাৰ ফ্ৰন্ট' আৰু তাৰ অংশীদাৰ দলসমূহৰ ভূমিকাত কম গুৰুত্ব দিয়াৰ ফলত গণভিত্তি অনেক পৰিমাণে দুৰ্বল হৈ পৰে। তাৰ পৰিণতি হিচাপেই জনসাধাৰণৰ মাজত শাসক গোষ্ঠীৰ বিৰুদ্ধে বিক্ষোভ গঢ়ি উঠে। ছোভিয়েত ইউনিয়নত হোৱা পৰিবৰ্তন সম্পৰ্কে সেই দেশৰ কমিউনিষ্ট সকলে উপযুক্ত পৰ্যালোচনা কৰা একান্ত প্ৰয়োজন। আমাৰ ধাৰণামতে ছোভিয়েত ইউনিয়নত সমাজবাদৰ যি আৰ্হি ষ্টেলিনৰ নেতৃত্বত গঢ়ি উঠিছিল সি জনসাধাৰণৰ ৰাজনৈতিক আৰু ব্যক্তিগত অধিকাৰ সমূহক অনেক পৰিমাণে খৰ্ব কৰিছিল আৰু তেনে নীতি গ্ৰহণ কৰাৰ ফলত ছোভিয়েত ইউনিয়নত, আনকি কমিউনিষ্ট পাৰ্টিৰ ভিতৰত যিসকলে দ্বিমত প্ৰকাশ কৰিছিল, তেওঁলোকৰ ওপৰতো দমনমূলক ব্যৱস্থা প্ৰয়োগ কৰা হৈছিল। অৱশেষত পাৰ্টিৰ নেতৃত্বৰ নামত এজন বা দুজন লোকৰ হাতত সকলোবিলাক ক্ষমতা কেন্দ্ৰীভূত হৈ পৰিছিল। দ্বিতীয়তে, ১১০টা জাতি-উপজাতিৰে ছোভিয়েত ইউনিয়ন এখন বহুজাতিক দেশ। এইবাবে লেনিনৰ নেতৃত্বত ১৯২২ চনত প্ৰস্তুত কৰা সংবিধানত নতুন দেশখনক সমাজবাদী যুক্তৰাষ্ট্ৰীয় দেশহিচাপে ঘোষণা কৰিছিল। উক্ত সংবিধানত সকলো জাতি আৰু প্ৰজাতন্ত্ৰৰ সম অধিকাৰ স্বীকাৰ, কৰা হৈছিল। কিন্তু ক্ৰমান্বয়ে অ-ৰাছিয়ান প্ৰজাতন্ত্ৰ সমূহৰ অধিকাৰ সংকুচিত কৰি ৰাছিয়ান ভাষা আৰু কৃষ্টি তেওঁলোকৰ ওপৰত জাপি দিয়াৰ ফলত ছোভিয়েত ইউনিয়নত অ-ৰাছিয়ান লোকসকলৰ সন্দেহ আৰু আশংকা ঘনীভূত হৈ পৰে। এইখিনিতে অন্য এটা কথাও আমি লক্ষ্য কৰিব লাগিব। ছোভিয়েত ইউনিয়নে অকলে দ্বিতীয় মহাযুদ্ধৰ সময়ত জাৰ্মানি আৰু জাপান ফেচীবাদৰ বিৰুদ্ধে যুদ্ধ কৰিবলগা হৈছিল। দ্বিতীয় মহাযুদ্ধৰ পিছত নতুনকৈ স্বাধীনতা পোৱা দেশসমূহক আৰু বিভিন্ন দেশৰ জাতীয় মুক্তি আন্দোলনক বিপুলভাবে সহায় দিব লগা হৈছিল। মাত্ৰ ত্ৰিশ কোটি মানুহৰ এখন দেশে এনে দায়িত্ব পালন কৰিবলগীয়া হোৱাৰ ফলত ছোভিয়েত ইউনিয়নৰ সৰ্বসাধাৰণ মানুহে অনেক আধুনিক সুবিধাৰ পৰা বঞ্চিত হৈছিল। এই সকলোবিলাকৰ ফলত ছোভিয়েত ইউনিয়নৰ জনসাধাৰণৰ মাজত অসন্তুষ্টি আৰু প্ৰজাতন্ত্ৰ সমূহত স্বাধীনতাৰ মনোভাব তীব্ৰভাবে প্ৰকাশ হৈছিল। পূব-ইউৰোপৰ দেশবিলাকতো সমাজবাদ নিশ্চিহ্ন হৈছে বুলি আমি ভবা নাই। কাৰণ এই বছৰত হৈ যোৱা মুক্ত নিৰ্বাচনত পোলেন্ডত পূৰ্বৰ কমিউনিষ্ট পাৰ্টিয়ে দ্বিতীয় স্থান অধিকাৰ কৰিছে। বুলগেৰিয়াত শতকৰা ৪৫ ভাগ ভোট লাভ কৰিছে আৰু চেকোশ্ল'ভাকিয়াত একক ভাবে শতকৰা ২৫ৰ পৰা ৩০ ভাগ ভোট লাভ কৰিছে। আমাৰ দৃঢ় বিশ্বাস পূব-ইউৰোপ আৰু ছোভিয়েত ইউনিয়নত সমাজবাদী আন্দোলনে বাস্তৱ অৱস্থাৰ লগত খাপ খুৱাই ল'ব পাৰিলে পুনৰ প্ৰতিষ্ঠা লাভ কৰিব পাৰিব। অৱশ্যে বৰ্তমান যুগত সমাজবাদৰ আৰ্হি বেলেগ হ'বলৈ বাধ্য।

২। আন্তৰ্জাতিক পৰিস্থিতিত ঘটা ঘটনাসমূহৰ প্ৰভাব ভাৰতৰ কমিউনিষ্ট আন্দোলনত পৰিবলৈ বাধ্য। এই বিষয়ে আমি আগৰ পৰাই সচেতন। সেই কাৰণে আমাৰ পাৰ্টিয়ে ১৯৫৮ চনতেই অমৃতসৰ পাৰ্টি কংগ্ৰেছত ঘোষণা কৰিছিল যে ভাৰতীয় সমাজবাদত নাগৰিক আৰু সংবাদপত্ৰৰ পূৰ্ণ অধিকাৰক স্বীকৃতি প্ৰদান কৰা হ'ব আৰু বিৰোধী পক্ষৰ ভূমিকাক স্বীকাৰ কৰা হ'ব। আমাৰ দেশত সমাজবাদৰ দৰ্শন প্ৰয়োগ কৰিবলৈ যাওঁতে ভাৰতবৰ্ষৰ ঐতিহ্য, বৈশিষ্ট্য, সংস্কৃতি আৰু পৰম্পৰাক আমি আওকাণ কৰিব নোৱাৰো। সেই বাবেই, সমাজবাদৰ ৰূপান্তৰৰ বাবে ভাৰতীয় পথ বাছি উলিওৱাটো আমাৰ সকলোৰে প্ৰচেষ্টা হোৱা উচিত। এই দিশত আমাৰ পাৰ্টিয়ে অহা এপ্ৰিল মাহত হায়দৰাবাদত হ'ব লগা পাৰ্টি মহাসম্মিলনৰ বাবে প্ৰস্তুত কৰা দলিলসমূহত এই বিষয়বিলাকৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। আমাৰ বিশ্বাস, ভাৰতবৰ্ষৰ সমাজবাদত বিশ্বাসী দলসমূহৰ বিভিন্ন গোট সমূহে এই দিশটোৰ প্ৰতি মনোযোগ দিব। আমি আশাবাদী যে ভাৰতবৰ্ষত সমাজবাদী আন্দোলনে আহিব ধৰা সময়ছোৱাত অধিক সফলতা লাভ কৰিব পাৰিব। সমাজবাদী আন্দোলনৰ কথা কওঁতে আমি ব্যাপক অৰ্থত ব্যৱহাৰ কৰিছো। প্ৰতিষ্ঠিত বাওঁপন্থী দলসমূহৰ বাহিৰেও সমাজবাদত বিশ্বাস কৰা বহু দল, সংগঠন আৰু ব্যক্তি আছে। সেইসকলকো আমি একেটা মঞ্চত সমবেত কৰাৰ বাবে চেষ্টা কৰা প্ৰয়োজন।

৩। ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ মাজত মূলগত আৰু কৌশলগত পাৰ্থক্য আছিল আৰু এতিয়াও আছে। উদাহৰণ স্বৰূপে, মাৰ্ক্সবাদী দলৰ মতে সমাজবাদত ৰূপান্তৰৰ বাবে সৰ্বহাৰাৰ একনায়কত্ববাদ একান্ত প্ৰয়োজন। কিন্তু আমাৰ দলে ভাৰতবৰ্ষৰ বাস্তৱ অৱস্থাত 'সৰ্বহাৰাৰ একনায়কত্ববাদ' সম্ভৱপৰ বুলি নাভাবে। ইয়াৰ উপৰি ভাৰতীয় অৰ্থনীতি আৰু ৰাজনীতিৰ বিশ্লেষণৰ ক্ষেত্ৰতো পাৰ্থক্য আছে। আন্তৰ্জাতিক পৰিস্থিতিৰ বিশ্লেষণ সম্পৰ্কীয় পাৰ্থক্যও আছে। আমি বিবেচনা কৰো যে পৰিবৰ্তিত পৰিস্থিতিত সমাজবাদী ব্যৱস্থাৰ পুনৰ্গঠন কৰা একান্ত প্ৰয়োজন আৰু গণতন্ত্ৰক বাদ দি সমাজবাদ হ'ব নোৱাৰে। মাৰ্ক্সবাদী দলে এই ক্ষেত্ৰত পূৰ্বৰ ধ্যান-ধাৰণাতে আঁকোৰ গোজালি মাৰি আছে। অৱশ্যে দুয়োটা দলৰ মাজত কাম-কাজৰ ক্ষেত্ৰত সমন্বয় আৰু ঐক্য অব্যাহত আছে। আমি অৰ্থাৎ ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে কমিউনিষ্ট আন্দোলনৰ বিভিন্ন গোটৰ মাজত ঐক্য গঢ়ি তোলাৰ বাবে যত্ন কৰিছো আৰু আমি আশাবাদী। ■

# স্বাধীনতা আন্দোলনৰ ইতিহাস

ৰমেশ কলিতা

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ইতিহাস চৰ্চাৰ পদ্ধতি আৰু পৰিধিয়ে আজি ভালেমান বছৰৰ পৰা এক গুৰুত্বপূৰ্ণ স্হান অধিকাৰ কৰি আহিছে। স্বাধীনতা আন্দোলনৰ পাৰ্শ্ব আৰু ক্ষুদ্ৰাতিক্ষুদ্ৰ ঘটনা আৰু পৰিঘটনাৰ চৰ্চা আৰু আলোচনাও বাদ পৰা নাই, বা সেইবিলাকৰ ওপৰতো আলোক সন্ধানী আলোচনা বিশ্লেষণ চলিছে, আৰম্ভ হৈছে। চলিত বৰ্তমানৰ সমাজ সভ্যতা সংস্কৃতিতকৈ আৰু এক উন্নত সমাজ সভ্যতা সংস্কৃতিলৈ উত্তৰণৰ বাবে মানুহৰ যি আশা আকাংক্ষা আৰু কাৰ্যক্ৰমনিকা তাৰ কৃতকাৰ্যতা আৰু ব্যৰ্থতাৰ সমষ্টিয়েই ইতিহাস। প্ৰখ্যাত ঐতিহাসিক Edward Hellett Carrৰ ভাষাত, "History is a process of struggle, in which results, whether we judge them good or bad, are achieved by some groups directly or indirectly — and more often directly than indirectly - at the expense of others. The losers pay. Suffering is indigenous in history. Every great period of history has its casualities as well as its victories".

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ইতিহাস ভাৰতবৰ্ষই বৃটিছৰ হাতত স্বাধীনতা হেৰুওৱাৰ দিনাৰ পৰাই আৰম্ভ হৈছিল। আৰু এই আন্দোলনেও ব্যৰ্থতাৰে পৰিপূৰ্ণ দীঘলীয়া পথ অতিক্ৰম কৰি সাফল্যত উপনীত হৈছিল।

বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য সমূহৰ ক্ষেত্ৰতো সেই একে কথাই খাটে। অৰ্থাৎ বৃটিছে এই ৰাজ্য সমূহৰ স্বাধীনতা কাঢ়ি লোৱাৰ বাবে কৰা সামৰিক অভিযান আৰু ৰাজ্য সমূহে স্বাধীনতা অক্ষুণ্ণ ৰখাৰ সংগ্ৰাম সমসাময়িকভাবেই আৰম্ভ হৈছিল।

সম্প্ৰতি জাগীৰোড কলেজত ৩০ অক্টোবৰৰ পৰা ২ নবেম্বৰলৈ অনুষ্ঠিত হৈ যোৱা 'উত্তৰ-পূব ভাৰত বুৰঞ্জী সংস্হা'ৰ দ্বাদশ (১২শ) বাৰ্ষিক সন্মিলন উপলক্ষে প্ৰকাশিত ঐতিহাসিক গ্ৰন্থখনতো এই ধৰণৰ বিষয়বস্তুৰ ওপৰত আলোচনাৰ এক অনুকৰণীয় প্ৰচেষ্টা কৰাটো পৰিলক্ষিত হৈছে। কেইবাজনো নবীন-প্ৰবীণ ইতিহাসবিদৰ লেখাৰে সমৃদ্ধ এই গ্ৰন্থখনে অসম সহ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত সম্প্ৰতি প্ৰচলিত ইতিহাস চৰ্চাৰ সম্যক ধাৰণা সম্পৰ্কে অবহিত কৰিব পাৰিছে।

'প্ৰাক বৃটিছ অসমৰ ৰাজনৈতিক অৱস্হাঃ অৱক্ষয় আৰু অৱনতিৰ আঁত অনুসন্ধান' কৰিবলৈ যাওঁতে শ্ৰীযুত লক্ষ্মীনাথ তামুলীয়ে আহোম শাসন ব্যৱস্হাৰ পতন আৰু তেওঁলোকৰ শাসনৰ শেষছোৱাত সমাজ সভ্যতা সংস্কৃতিৰ স্হবিৰতা আৰু বিপৰ্যয়ৰ কথা বিস্তৃতভাবে দাঙি ধৰিছে। শ্ৰীতামুলীয়ে দেখুৱাইছে যে আহোম ৰাজত্বত বংশানুক্ৰমে প্ৰশাসনীয় পদবী লাভৰ পৰম্পৰা বা দস্তুৰ প্ৰচলিত থকাত ইয়ে এফালে প্ৰশাসনীয় বিষয়াবৰ্গৰ মাজত দক্ষতাহীনতা আৰু আনপিনে উচ্চাতিত্মকতা-বোধৰ জন্ম দিছিল। দুইটাই আছিল ৰাষ্ট্ৰখনৰ ৰক্ষণাবেক্ষণ আৰু পৰিবৰ্ধন সংবৰ্ধনৰ বাবে ক্ষতিকাৰক। তেওঁ কৰা দ্বিতীয়টো মন্তব্য হ'ল এই যে আহোম ৰাজত্বত বজাৰৰ চাহিদা পূৰণৰ বাবে পণ্য আৰু ৰাহি উৎপাদনৰ বাস্তৱ পৰিবেশৰ সৃষ্টি হোৱা নাছিল। 'খেল ব্যৱস্হাৰে সমাজ ব্যৱস্হা আৰু সামাজিক উৎপাদন ব্যৱস্হাটো বান্ধি ৰখাৰ কাৰণে শিল্পী, বাঢ়ৈ, খনিকৰ আৰু কাৰু শিল্পী শ্ৰেণীটো ৰজাঘৰৰ ভোগৰ সামগ্ৰী যোগনীয়াৰ হোৱাৰ বাহিৰে অধিক উৎপাদনেৰে এখন আভ্যন্তৰীণ বজাৰ সৃষ্টি কৰাৰো সুৰুঙা নাছিল।' (পৃঃ ১০)

সামন্তবাদৰো এটি অৱস্হাত বজাৰৰ সৃষ্টি আৰু পণ্য আৰু ৰাহি উৎপাদনৰ স্তৰ এটাত সমাজ আহি উপনীত হয়। আহোম ৰাজত্বত অসমত কিন্তু সেই অৱস্হা এটিৰ সৃষ্টি নহ'ল। ই অৰ্দ্ধজনজাতীয় অৰ্দ্ধসামন্তবাদী অৱস্হাতে থাকি গ'ল। ফলত, তামুলীৰ ভাষাত, 'শিল্প-বাণিজ্য বিমুখিতা আৰু কেৱল স্হানীয় সীমিত উৎপাদনেৰে পেটে-ভাতে খাই থকা স্হান (?) আৰু নিৰুৎসাহী জাতিগত মানসিকতাৰ পৰম্পৰা এটাৰ উদ্ভৱ হৈছিল।' (পৃঃ ১০-১১) অৱশ্যে তামুলীৰ এই যুক্তিৰ বিপৰীতে কব পাৰি যে আহোম সামন্তীয় শাসন ব্যৱস্হাৰ মাজতো সীমিত পৰিমাণৰ হলেও আভ্যন্তৰীণ বজাৰ, বৈদেশিক ক্ৰয়-বিক্ৰয়ৰ সা-সুবিধাও ওলাইছিল। (A History of Assam Gait, p. 144) আহোম ৰাজ্যত যে ৰাহি উৎপাদনো নহৈছিল সেইটোও ক'ব পৰা নাযায়, কিয়নো ১৬৬২ চনৰ ১৭ মাৰ্চত মোগল সেনাপতি মিৰজুমালাই ৰাজধানী গড়গাওঁ অধিকাৰ কৰি মুঠতে ১৭০টা খাদ্য (ধানৰ) ভঁৰাল পাইছিল আৰু তাৰ প্ৰতিটো ভঁৰালতে প্ৰায় এহেজাৰৰ পৰা ১০,০০০ (দহ) মোনলৈ ধান আছিল। (Gait, p. 134) সেই কাৰণেই তামুলীয়ে আলোচনা কৰা বিষয়টো সম্পৰ্কত আৰু অধিক তথ্যানুসন্ধান আৰু বিশ্লেষণৰ প্ৰয়োজন তথা অৱকাশ আছে। তথাপিও ক'ব পাৰি আলচটিত ঐতিহাসিক তথ্যপাতি আৰু উদ্ধৃতিৰে লেখকে তেওঁৰ প্ৰতিপাদ্য বিষয়টোৰ ওপৰত যথাৰ্থভাবে আলোকপাত কৰিবলৈ সক্ষম হৈছে।

প্ৰায় একেই বিষয়বস্তুৰ ওপৰত ৰচিত প্ৰখ্যাত অৰ্থনৈতিক ইতিহাসবিদ ড০ অমলেন্দু গুহৰ 'প্ৰাক্ বৃটিছ অসমৰ আৰ্থ-সামাজিক অৱস্হা'ও এটি গুৰুত্বপূৰ্ণ প্ৰবন্ধ। তেখেতে বিশেষকৈ আৰ্থ-সামাজিক সংকটে সৃষ্টি কৰা মোৱামৰীয়া বিদ্ৰোহৰ পৰিপ্ৰেক্ষিতত ভাঙি পৰা আহোম সামন্তীয় শাসন ব্যৱস্হা আৰু তদ্‌জনিত কাৰণত ইংৰাজ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ প্ৰত্যক্ষ ৰাজনৈতিক হস্তক্ষেপ (১৭৯২-৯৪) আৰু অৱশেষত ১৮২৬ চনত আহোম ৰাজ্য বৃটিছ-ভাৰত সাম্ৰাজ্যৰ অন্তৰ্ভুক্তিৰ ঐতিহাসিক প্ৰক্ৰিয়াৰ এক নিৰ্মোহ আৰু বস্তুনিষ্ঠ বিশ্লেষণ আগবঢ়াইছে। তেখেতে দেখুৱাইছে যে যি সময়ত (সপ্তদশ শতিকাৰ শেষাৰ্দ্ধৰ পৰা) মোগল সাম্ৰাজ্য পতনৰ পথত অগ্ৰসৰ হৈছিল সেই সময়ত আহোম শাসন ব্যৱস্হা 'দোপতদোপে বিকশিত' হৈ আহিছিল। তেওঁ কৈছে যে সেই সময়তে অসমীয়া সমাজত পৰিবৰ্তনৰ ঢৌ নামিছিল। 'নতুন শিল্প কলা, শইচৰ সঁচ, নতুন ধৰণৰ পোছাক পৰিচ্ছদ এই সময়তেই প্ৰবৰ্তিত হয়। মুদ্ৰাৰ ব্যৱহাৰ আৰু মুদ্ৰা অৰ্থনীতিৰ প্ৰচলনও এই সময়তেই আটাইতকৈ দ্ৰুত হয়; বেপাৰ বাণিজ্যৰ প্ৰসাৰতা আৰু জনসংখ্যা বৃদ্ধিও এই সময়তেই হয়। মুঠতে ১৬-১৭শ শতিকাৰ পৰা আৰম্ভ হোৱা সাংস্কৃতিক পুনৰুত্থান ১৮শ শতিকালৈকে অসমত প্ৰভাৱশালী হৈ থাকে। 'তথাপিও এইটো সত্য যে অসমৰ আহোম ৰীতিৰ সামন্ত ব্যৱস্হাত (Ahom variety of feudalism) তেতিয়াও জনজাতীয় উৎপাদন অটুট আছিল আৰু সেয়ে প্ৰশাসনিক সামৰিক ব্যৱস্হাত সামগ্ৰিকভাবে কোনো পৰিবৰ্তন কেতিয়াও হোৱা নাছিল।' (পৃঃ ৩০-৩১) ড০ গুহই কৈছে যে মোৱামৰীয়া বিদ্ৰোহে আহোম ৰাষ্ট্ৰৰ কংকাল ভাঙি দিয়ে আৰু ইংৰাজ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ সাহায্যত সেই ৰাষ্ট্ৰব্যৱস্হাক কিছুদিনলৈ ঢোকাদি ৰাখিলেও মানৰ আক্ৰমণে (১৮১৯-২৪) অসমত বৃটিছৰ ৰাজনৈতিক অধিকাৰৰ পথটি সম্পূৰ্ণ ৰূপে মুকলি কৰি দিয়ে।

ড০ গুহৰ এই প্ৰবন্ধটিত কেইটামান বিসংগতি থকা যেন অনুমান হৈছে। তেখেতে কৈছে যে 'মোৱামৰীয়া বিদ্ৰোহৰ ভয়ত ডা-ডাঙৰীয়া সকলে তেওঁলোকৰ পো-পৰিয়াললৈ শৰণাৰ্থী হিচাপে দৰং আৰু নগাওঁ জিলাৰ পৰা পলাই গৈ পূৰ্ব অসমত আশ্ৰয় লৈছিল।' (পৃঃ ৩৫) কথা হ'ল মোৱামৰীয়া বিদ্ৰোহৰ পৰিপ্ৰেক্ষিতত নিৰ্যাতিত আৰু উপান্ত আহোম ডা-ডাঙৰীয়া আৰু প্ৰজাসাধাৰণৰ বহুলাংশই বৰং নগাওঁ দৰং আৰু কামৰূপতহে আশ্ৰয় লৈছিল। দ্বিতীয়তে, তেখেতে লিখিছে, 'ৰাইজ মেলৰ সিদ্ধান্ত মৰ্মে গুৱাহাটীত থকা ৬০০০ পাইক সৈন্যক ৰজাক সহায় কৰিবলৈ আহ্বান জনোৱা হয়।' (পৃঃ ৩৫) মোৱামৰীয়া বিদ্ৰোহৰ সময়ত গুৱাহাটীৰ বৰফুকনৰ অধীনত কৰ্মৰত ৬০০০ দৰঙী পাইকক দৰঙৰ ৰাইজ মেলৰ নিৰ্দেশত ওভোতাই দৰঙলৈ মাতি পঠিয়ায়। ড০ গুহৰ বাক্যটোৱে দৰঙী পাইক সকলক আহোম ৰজা (গৌৰীনাথক, তেওঁ তেতিয়া গুৱাহাটীতে বাহৰ পাতি আশ্ৰয় লৈ আছিল)ক সহায় কৰিবলৈ কোৱা যেনহে হৈছে। তৃতীয়তে, মণিপুৰৰ ৰজা জয় সিংহই মোৱামৰীয়া বিদ্ৰোহ দমনত গৌৰীনাথক সহায় কৰিবলৈ নিজে ১৭৯০ চনৰ ডিচেম্বৰ মাহত ৫০০ অশ্বাৰোহী আৰু ৪০০০ পদাতিকেৰে গঠিত এটি সেনাবাহিনীলৈ অসমলৈ আহিছিল। ড০ গুহই লিখিছে, 'অৱশ্যে মণিপুৰৰ মিত্ৰ ৰজাই জয় সিংহৰ নেতৃত্বত এটা অশ্বাৰোহী বাহিনীসহ ৪০০০ পদাতিক শক্তিশালী সৈন্যবাহিনী গৌৰীনাথ সিংহৰ অনুৰোধ মতে পঠিয়ায়।' (পৃঃ ৩৬) ড০ গুহৰ এই বাক্যটোৱে বিৰূপ অৰ্থ প্ৰকাশ কৰিছে। চতুৰ্থতে, ড০ গুহই লিখিছে যে 'মান সৈন্যই ১৮১৬ চনৰ শেহ ভাগত' অসমত প্ৰবেশ কৰে। (পৃঃ ৩৭) কিন্তু, বদন চন্দ্ৰ বৰফুকনৰ আমন্ত্ৰণ মৰ্মে মান সেনা সকল অসমত প্ৰবেশ কৰে ১৮১৭ চনৰ মাৰ্চ মাহত আৰু নিজ দেশলৈ ওভতি যায় এপ্ৰিল মাহত। পঞ্চমতে, ড০ গুহই লিখিছে, '১৮২৬ চনত অসমৰ জনসংখ্যা ৫ লাখতকৈ কম হৈ পৰে।' (পৃঃ ৩৮) আৰু সেই একেখন গ্ৰন্থৰে অন্য এটি প্ৰবন্ধত ড০ অৰুণ চন্দ্ৰ ভূঞাই দেখুৱাইছে যে ১৮২৬ চনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসংখ্যা আছিল ৮ লাখ ৩০ হাজাৰ.....।' (পৃঃ ৬১) ১৮২৬ চনত অসমৰ জনসংখ্যা সম্পৰ্কত এই ধৰণৰ পৰিসংখ্যা অত্যন্ত বিভ্ৰান্তিকৰ। (এই বিসংগতি সম্পৰ্কত সম্পাদকে এটি টোকা দিয়াটো উচিত আছিল যেন বোধহয়।) এই সম্পৰ্কে ড০ গুহই উৎসৰ সন্ধান দিলেও ড০ ভূঞাই সেই সম্পৰ্কত নিৰ্দেশ উহ্য ৰখাত বিসংগতি বেছি প্ৰকট হৈ পৰাটো পৰিলক্ষিত হৈছে।

'অসমত বৃটিছ শাসন প্ৰবৰ্তন আৰু ইয়াণ্ডাবু সন্ধি' শীৰ্ষক আলচটিত ড০ যোগেন্দ্ৰনাথ ফুকনে দেখুৱাইছে যে ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ আগৰে পৰাই অৰ্থাৎ ১৮২৪ চনৰ পৰাই আহোম ৰাজ্য তথা অসমত ইংৰাজে ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন চলে। অৱশ্যে এইটো অস্বীকাৰ কৰাৰ উপায় নাই যে ইয়াণ্ডাবু সন্ধিৰ ২য় দফাৰ বলতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ আইনসংগত ৰাজনৈতিক গৰাকী ৰূপে পৰিগণিত হৈ পৰিছিল। কাৰণ ১৮১৯ চনৰ পৰা ১৮২৬ চনলৈ বৃটিছৰ হাতত পৰাভূত নোহোৱালৈ মানসকলেই অসমৰ অধিকাৰী আছিল। ১৮২৪ চনৰ পৰাই অসমত আংশিকভাবে বৃটিছৰ শাসন চলিলেও ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে স্বাক্ষৰিত দ্বিপাক্ষিক চুক্তিয়ে সেই শাসনক ন্যায্যতা প্ৰদান কৰিছিল। উদাহৰণ স্বৰূপে ১৯৩০ চনৰ লাহোৰ কংগ্ৰেছত কংগ্ৰেছে দেশৰ বাবে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাব গ্ৰহণ কৰিলেও সেই দিনাৰ পৰাই দেশৰ স্বাধীনতাৰ তাৰিখ গণনা কৰা নহয়। নতুবা ১৯৪৬ চনত ভাৰতবৰ্ষত জৱাহৰলাল নেহৰুৰ নেতৃত্বত অন্তৰ্বৰ্তীকালীন চৰকাৰ এখন গঠন কৰিলেও সেই দিনাৰ পৰা দেশৰ স্বাধীনতা প্ৰাপ্তিৰ হিচাপ কৰা নহয়; ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰাহে কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰই ১৭৭৬ চনত বৃটেইনৰ বিৰুদ্ধে স্বাধীনতা ঘোষণা কৰিলেও ১৭৮৩ চনৰ ভাচহি সন্ধিৰ পৰাহে আমেৰিকা যুক্তৰাষ্ট্ৰক স্বাধীন হৈছিল বুলি ইতিহাসে কয়। আৰু সেইদৰে ইয়াণ্ডাবু সন্ধিৰ ফলতেই অসম বৃটিছৰ হস্তগত হোৱাটোও ঐতিহাসিক সত্য।

সংকলনখনৰ অন্যতম আকৰ্ষণ 'সাম্ৰাজ্যবাদ বিৰোধী প্ৰতিৰোধ সংগ্ৰামঃ স্বাধীনতা ৰণৰ উচ্‌পিচনি' ড০ অৰুণ চন্দ্ৰ ভূঞাৰ এটি সুলিখিত প্ৰবন্ধ। ড০ ভূঞাই যে ইতিমধ্যে তেখেতৰ ইতিহাস চৰ্চা পদ্ধতিৰ গুণগত পৰিবৰ্তন সাধন কৰিছে এই প্ৰবন্ধটিয়ে তাৰেই স্বাক্ষৰ বহণ কৰিছে। কোম্পানীৰ শাসনৰ আমোলত অসমত নতুন ভূমি ৰাজহ ব্যৱস্হা প্ৰবৰ্তিত হোৱাত অসমীয়া প্ৰজা আৰু ডাঙৰীয়া সকলৰ মাজত সৃষ্টি হোৱা দুঃখ-দুৰ্গতি আৰু অত্যাচাৰ উৎপীড়নৰ কাহিনী বৰ মৰ্মন্তুদ। কোম্পানীৰ শাসনৰ আদি অৱস্হাত অসমীয়া ডাঙৰীয়া সকলে বৃটিছৰ প্ৰতি সমৰ্থন দি প্ৰশাসনৰ আৰু শোষণৰ অংশীদাৰ হৈ পৰিছিল, অথচ প্ৰশাসনিক কাম-কাজৰ বাবে তেওঁলোকৰ কোনো শিক্ষাগত অৰ্হতাও নাছিল। ড০ ভূঞাই কৈছে, 'ডাঙৰীয়া সকলে কোম্পানীৰ প্ৰতি সম্পূৰ্ণ আনুগত্য প্ৰদৰ্শন কৰিছিল আৰু কোম্পানীৰ শোষণ কাৰ্যত সৰ্বতোপ্ৰকাৰ সহায় কৰিছিল।' (পৃঃ ৬১) শিক্ষাগত অৰ্হতাৰ অভাৱহেতু 'অসমীয়া ডাঙৰীয়া শ্ৰেণীটো প্ৰশাসনীয় কামত বিফল হোৱাত কোম্পানীয়ে কলিকতাৰ পৰা বঙালী বাবু আমদানি কৰাৰ সিদ্ধান্ত লয়। এই সিদ্ধান্তই অসমৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক জীৱনত এক সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। সময়ত অসমীয়া ডাঙৰীয়া শ্ৰেণীটোৱে 'অস্তিত্ব ৰক্ষাৰ' সংগ্ৰামত লিপ্ত হ'বলগীয়া হৈছিল।' (পৃঃ ৬১-৬২)

বৃটিছ আমোলত সাধাৰণ প্ৰজা শোষণত অসমীয়া ডাঙৰীয়া শ্ৰেণীটো কেনেকৈ জড়িত হৈ পৰিছিল সেই বিষয়ে ড০ ভূঞাই লিখিছে:

'বহুতো প্ৰভুভক্ত ডাঙৰীয়াই চৰকাৰ প্ৰদত্ত ক্ষমতা পাই ব্যক্তিগত অৰ্থলিপ্সাহেতু সাধাৰণ প্ৰজাৰ ওপৰত অকথ্য অত্যাচাৰ কৰি ধন সোণ লুটি লৈছিল। কোম্পানীৰ ভুল ৰাজহনীতি আৰু অৰ্থনীতিৰ ফলত আৰু অসমীয়া ডাঙৰীয়া শ্ৰেণীৰ অসহনীয় অত্যাচাৰত নিজৰ প্ৰাণ ৰক্ষাৰ তাগিদাত বহুতো ৰায়তে পলাই গৈ হাবিত আশ্ৰয় লবলৈ বাধ্য হৈছিল। বহুত ৰায়তে মটকৰ ৰাজ্য, বংগদেশৰ জমিদাৰৰ ৰাজ্য আনকি ভূটান পাহাৰলৈও পলাই যাবলগীয়া হৈছিল। আনহাতে কৃষকৰ অভাৱত' পথাৰৰ মাটি চন পৰিছিল।' (পৃঃ ৬০-৬১)

এইবিলাকৰ পৰিণতি স্বৰূপেই অসমৰ পাহাৰ-ভৈয়ামত স্বাধীনতাৰ উকমুকনি উঠিছিল।

ড০ সূৰ্য কান্ত বৰপূজাৰীৰ প্ৰবন্ধ 'অসমত ১৮৫৭ চনৰ বিদ্ৰোহ ঃ নতুন তথ্যৰ আধাৰত এটি সমীক্ষা' ভাৰতৰ স্বাধীনতাৰ প্ৰথম সংগ্ৰামৰ সময়ত অসম মুলুকত সংঘটিত ঘটনাৱলীৰ ওপৰত কৰা এটি পৰিশীলিত গৱেষণাৰ পৰিণতি। ছাৰ এডৱাৰ্ড গেইটকে আদি কৰি বৃটিছ চৰকাৰী আৰু বৃটিছ ভক্ত ঐতিহাসিক সকলৰ মত যে ১৮৫৭-৫৮ চনৰ ভাৰতীয় মহাবিদ্ৰোহৰ সময়ত অসমত বৃটিছসকল শান্তিৰে নিৰাপদৰে আছিল। বিভিন্ন তদানীন্তন ঐতিহাসিক সমল সাক্ষ্যৰ ভিত্তিত ড০ বৰপূজাৰীয়ে দেখুওৱাইছে যে সেই সময়ত অসমত সঁচাকৈছে বৃটিছৰ বাবে এক চৰম বিপৰ্যয়ৰ সৃষ্টি হৈছিল আৰু অসমতো ভাৰতীয় মহাবিদ্ৰোহৰ অংগাংগী আৰু সমান্তৰালভাবে স্বাধীনতা সংগ্ৰামৰ সূচনা হৈছিল।

আলোচিত সংকলনখনে ড০ সুভাষ সাহাৰ দুটা প্ৰবন্ধ সামৰি লৈছে। লগতে এইটোও কৈ থোৱা ভাল যে সংকলনখনৰ সম্পাদনাও কৰিছে ড০ সাহাই। তেওঁৰ প্ৰবন্ধ দুটাৰ নাম ভূমিকা হ'ল, 'সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত পাৰ্বত্য জনজাতিৰ ভূমিকা' আৰু 'ফুল গুৰিৰ কৃষক বিদ্ৰোহ ঃ এটি সমীক্ষা।' প্ৰথম প্ৰবন্ধটোৰ নাম ভূমিকাই সামৰি লোৱাৰ দৰে বিষয় বস্তুৰ আলোচনাই প্ৰয়োজনীয় আৰু সমপৰ্যায়ৰ বিস্তৃতি লাভ কৰা নাই। তেওঁ আলোচনা সীমিত ৰাখিছে কেৱল খাচী-জয়ন্তীয়া আৰু লুচাই পাহাৰৰ অধিবাসীসকলৰ বৃটিছ বিৰোধী বিদ্ৰোহ অভ্যুত্থানতে। ফলত নাম ভূমিকাৰ আৰু বিষয় বস্তুৰ আলোচনাৰ সীমাবদ্ধতাই বিসংগতিৰ সৃষ্টি কৰিছে। অৱশ্যে স্বীকাৰ কৰিব লাগিব যে খাচী-জয়ন্তীয়া আৰু লুচাই পাহাৰৰ অধিবাসী সকলৰ বিদ্ৰোহী সত্তা আৰু স্বাধীনতা স্পৃহাৰ অমৰ গাঁথা লোক-দৃষ্টিলৈ অনাত সাহা সফল হৈছে।

ড০ সাহাৰ এই সুলিখিত প্ৰথম প্ৰবন্ধটিৰ তুলনাত দ্বিতীয় প্ৰবন্ধটি ('ফুল গুৰিৰ কৃষক বিদ্ৰোহ ঃ এটি সমীক্ষা') ঐতিহাসিক ঘটনা পৰম্পৰাৰ বিশ্লেষণ আৰু ৰচনা ৰীতিৰ ফালৰ পৰা অত্যন্ত দুৰ্বল আৰু পালমৰা বিধৰ হৈছে।

তেওঁ লিখিছে যে ফুল গুৰি আৰু তাৰ আশে পাশে থকা 'বেছিভাগ কৃষক আছিল দুখীয়া আৰু ভূমিহীন।' (পৃঃ ১২৫) দুখীয়া আছিল বাৰু বুজিলো, কিন্তু ভূমিহীন? ১৮৬১ চনত? অসমত? তথ্যপাতি অবিহনে গ্ৰহণযোগ্য নহয়।

অসমত কানিৰ খেতি সম্পৰ্কত তেওঁ লিখিছে, 'আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ পৃষ্ঠপোষকতাতেই অসমত পোন প্ৰথমে কানি খেতিৰ প্ৰচলন হয়।' (পৃঃ ১২৫) অসমত কানি খেতিৰ প্ৰচলন তাৰো বহু আগতে হয়, পোন প্ৰথমে আহোম-মোগল সংঘৰ্ষৰ সময়তেই মোগল সৈনিক সকলে অসমলৈ আহোতে কানি আৰু আফু গছৰ বীজ লৈ আহিছিল আৰু সেয়েহে কব পাৰি সপ্তদশ শতিকাৰ আগভাগত, অন্ততঃ মিৰজুমালাৰ অসম আক্ৰমণৰ আগতেই অসমত আফু খেতিৰ সূচনা আৰু ঘৰুৱা ভাবে কানি তৈয়াৰ কৰাৰ ব্যৱস্থা প্ৰচলিত হৈছিল। মণিৰাম দেৱান, গুণাভিৰাম বৰুৱা আদিয়ে কৈছে যে লক্ষ্মী সিংহৰ ৰাজত্বকালৰ (১৭৬৯-৮০) পৰা অসমত কানি খেতি কৰা হয় আৰু অসমৰ সম্ভ্ৰান্ত পৰিয়াল সমূহৰ বহুতে কানি সেৱন কৰিবলৈ লয়।

চীনৰ সৈতে বৃটিছৰ কানি ব্যৱসায় এক লাভজনক ব্যৱসায়হৈ পৰিছিল। বিশেষকৈ বিহাৰত উৎপাদিত কানিকে বৃটিছে প্ৰধানতঃ চীনলৈ ৰপ্তানি কৰিছিল। ড০ সাহাই এই প্ৰসংগত লিখিছে, 'এই ৰপ্তানি কৰা হৈছিল বিহাৰ, বংগ, উৰিষ্যা আৰু অসমৰ কৃষকৰ মুখৰ ভাত কাঢ়ি, ডিঙিত শোষণৰ যুৱলি লগাই গাৰ জোৰেৰে কানি খেতি কৰোৱাৰ মাজেদি।' (পৃঃ ১২৬) বৃটিছে 'অসমৰ কৃষকৰ মুখৰ ভাত কাঢ়ি ডিঙিত শোষণৰ যুৱলি লগাই গাৰ জোৰেৰে' কানি খেতি কৰোৱাৰ কোনো ঐতিহাসিক সাক্ষী প্ৰমাণ নাই অৱশ্যে চৰকাৰী অনুমোদিত কানি দোকানৰ জৰিয়তে অসমৰ মানুহৰ মাজত কানি বিক্ৰী কৰি যাতে অধিক ধন লুটি নিব পাৰে সেই উদ্দেশ্যেৰে ১৮৬০ চনৰ ১লা মে'ৰ পৰা অসমত বৃটিছ চৰকাৰে কানি/আফু খেতি বন্ধ কৰে বুলিহে ইতিহাসে সাক্ষী দিয়ে।

কাজেই ড০ সাহাই দাবী কৰা মতে '১৮৬১ চনৰ আগষ্ট মাহত বৃটিছ চৰকাৰে অপ্ৰত্যাশিতভাবে (? – লেখক) এটি আইন পাছ' কৰি অসমত কানি খেতি আৰু বিক্ৰীৰ নিষিদ্ধ' (পৃঃ ১২৬-২৭) কৰে বুলি লিখাতো ইতিহাসৰ বিকৃতকৰণৰ বাদে আন একো নহয়। তেওঁ এই সম্পৰ্কত আকৌ কৈছে, 'ঔপনিবেশিক অগ্ৰগতিৰ ফলশ্ৰুতিত কানি ৰপ্তানিৰ প্ৰয়োজন নোহোৱা হোৱাতহে উক্ত নিষেধাজ্ঞা জাৰী কৰা হয়।' (পৃঃ ১২৭) ড০ সাহাৰ এই বাক্যটোৰ প্ৰাসংগিকতা আৰু অৰ্থ একোৱে উলিয়াব নোৱাৰিলো।

ড০ সাহাই এই গোটেই প্ৰবন্ধটিত নগৈ গড়গাওঁৰ কথা কোৱা যেন লাগিছে। ফুলগুৰিৰ কৃষক বিদ্ৰোহত নগাওঁ জিলাৰ এছিছটেন্ট (ডেপুটি) কমিছনাৰ লেফটানেন্ট জি বি ছিংগাৰে মৃত্যু বৰণ কৰে। ফুলগুৰিত ৰাইজ মেলৰ সম্ভেদ লবলৈ জিলাৰ ডেপুটি কমিছনাৰ হাৰ্বৰ্ট স্কন্সে ছিংগাৰক ১৮৬১ চনৰ ১৮ তাৰিখে তালৈ পঠিয়ায়। আবেলি সময়ত ৰাইজ মেলত সমবেত লোকৰ সৈতে তেওঁৰ ভেটাভেটি হয়। কৃষক সকলৰ হাতত লাঠি টাঙোন দেখি তেওঁ তেওঁৰ লগতে যোৱা পুলিচ আৰু বৰকান্দাজসকলক লাঠি টাঙোন সমূহ কাঢ়ি লবলৈ নিৰ্দেশ দিয়ে আৰু নিজেও কোনো কোনো কৃষকৰ হাতৰ পৰা লাঠি টাঙোন কাঢ়িবলৈ ধৰে। এনেতে টনা আঁজোৰা চলি থাকোতে বাহু দোম নামে কৃষক এজনে ছিংগাৰৰ মূৰতে পূৰ্ণ হতীয়া কোব সোধাই তেওঁক মাটিত বগৰাই দিয়ে। কাৰ্য দেখি পুলিচ বৰকান্দাজ সকলোৱে পলাই পত্ৰং দিয়ে আৰু বিদ্ৰোহী কৃষক সকলে মৰা বা আধাজীয়া ছিংগাৰৰ দেহটো নি কলং নদীত পেলাই দিয়ে। ড০ সাহাই লিখিছে যে ছিংগাৰ ১৯ অক্টোবৰ তাৰিখে ফুলগুৰিলৈ যায়। (পৃঃ ১২৯) তেওঁ লিখিছে 'বিক্ষুব্ধ কৃষক সকলৰ কেইজনমানে লৰ মাৰি গৈ লেফটেনেন্ট ছিংগাৰক হাতীৰ পিঠিৰ পৰা নমাই আনি লাঠিৰে কোবাবলৈ ধৰে। '(পৃঃ ১২৯) হাতীৰ পিঠিৰ পৰা নমাই আনি কৃষকে ছিংগাৰক কোবাই কোবাই মাৰি পেলালে বোলাতো সঁচা নহয়। ড০ সাহাই আৰু এটি গুৰুত্বপূৰ্ণ কথা কৈছে; 'ৰহা পুলিচ থানা ঘেৰাও কৰি বিদ্ৰোহী কৃষক সকলে জ্বলাই দিয়ে। উক্ত থানাৰ ভাৰপ্ৰাপ্ত পুলিচ অফিচাৰ গোলাপ সিঙক লাঠিৰে কোবাই অৰ্দ্ধমৃত অৱস্থাত কলঙৰ পানীত উটুৱাই দিয়ে।' (পৃঃ১৩০) এই কথাখিনি সম্পূৰ্ণ অনৈতিহাসিক আৰু ড০ সাহাৰ মনে সজা কাহিনী। চৰকাৰী নথিপত্ৰত তাৰ কোনো সম্ভেদ বা উল্লেখ নাই।



এই প্ৰবন্ধত ড০ সাহাই ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ এটি পৰিপূৰ্ণ ঐতিহাসিক বিবৰণ বিশ্লেষণসহ ফলশ্ৰুতি সম্পৰ্কে পাঠকক একো দিব পৰা নাই।

'ঊনবিংশ শতিকাৰ অসমৰ কৃষক বিদ্ৰোহ' শীৰ্ষক প্ৰবন্ধটিত ড০ শ্ৰুতিদেৱ গোস্বামীয়ে পূৰ্বসূৰী পণ্ডিত বৰ্জিত বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী অসমৰ কৃষক আন্দোলনৰ এক বস্তুনিষ্ঠ আলোচনা আগবঢ়াইছে। বৃটিছৰ দ্বাৰা প্ৰবৰ্তিত নতুন ভূমিনীতি, ভূমিৰাজহ, ষ্টেম্প কৰ, মুগা-পাট পলুৰ খাদ্য সোম গছ, নৈ খাল-বিল, চৰণীয়া পথাৰ, জংগল আইন আৰু বনজ সামগ্ৰী কাঠ, বাঁহ বেত ইকৰা ইত্যাদিৰ ওপৰত বহুওৱা কৰ কাটলে অসমীয়া খেতিয়ক সকলৰ আৰু আঢ্যৱন্ত সকলৰো জীৱন-মান জীৱিকাৰ ওপৰত বিৰূপ প্ৰভাৱৰ সৃষ্টি কৰিছিল। এইবিলাকে সৃষ্টি কৰা কৃষকৰ পুঞ্জীভূত ক্ষোভে সময়ে সময়ে বিদ্ৰোহ আন্দোলনৰ পৰ্যায় পাইছিল, এই ক্ষেত্ৰত বিশেষকৈ উল্লেখযোগ্য হ'ল ফুলগুৰিৰ কৃষক বিদ্ৰোহ '(১৮৬১), পাথৰুঘাটৰ কৃষক বিদ্ৰোহ (১৮৬৮ আৰু ১৮৯৩-৯৪), ৰঙিয়া (১৮৯৩-৯৪), বৰমা (১৮৯৩-৯৪), লাটমা-সৰ্থেবাৰী (১৮৯৩-৯৪) আদি এলানি বিদ্ৰোহ।

এইসকলো কেইটা বিদ্ৰোহৰ বুৰঞ্জীকেই গোস্বামীয়ে সংক্ষেপে ইয়াত আলোচনা কৰিছে। ঊনবিংশ শতিকাৰ এইলানি বিদ্ৰোহৰ মূল কাৰণ আছিল অসমৰ ভূমি ৰাজহৰ সঘন বৃদ্ধিকৰণ। কাজেই বৃটিছৰ ভূমিনীতি আৰু ভূমি ৰাজহৰ বিস্তৃত আলোচনা ব্যতিৰেকে এইলানি বিদ্ৰোহৰ সঠিক অধ্যায়ন সম্ভৱপৰ. আৰু সম্পূৰ্ণ নহয়। এই ক্ষেত্ৰত ড০ গোস্বামীৰ প্ৰবন্ধটিৰ কিছু সীমাবদ্ধতা আছে।

আনহাতে তেখেতৰ এষাৰ মন্তব্যই ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ এক বিকৃত চৰিত্ৰ প্ৰদান কৰিছে যেন অনুভূত হৈছে। তেখেতে লিখিছে, 'সি যি কি নহওক কানি নিবাৰণৰ প্ৰতিবাদত অসমৰ ঠায়ে ঠায়ে আলোড়ন হয়। কিন্তু নগাওঁ জিলাৰ ফুলগুৰিত ই এক ব্যাপক চৰকাৰ বিৰোধী গণ বিক্ষোভৰ ৰূপ ধাৰণ কৰে।' (পৃঃ ১১১) ড০ গোস্বামীৰ এই মন্তব্যই ইয়াকে সুচাইছে যেন ফুলগুৰিৰ কৃষক বিদ্ৰোহটো বৃটিছে অসমত আফু খেতি নিবাৰণ কৰাৰ বাবেহে হৈছিল! আনহাতে ১৮৬০ চনৰ ১লা মে'ৰ পৰা বৃটিছ চৰকাৰে অসমত আফুখেতি নিবাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত 'অসমৰ ঠায়ে ঠায়ে আলোড়ন' হোৱা নাছিল। তেখেতে আৰু লিখিছে যে 'ঊনবিংশ শতিকাৰ অসমৰ বিস্তৃত কৃষক বিদ্ৰোহবোৰ প্ৰকৃততে কৃষক প্ৰজাৰ বৰ্দ্ধিত অসন্তুষ্টি আৰু **চৰকাৰী বিষয়াসকলৰ অসহানুভূতিশীল অভি-ব্যক্তি আৰু অৱহেলাৰ প্ৰত্যক্ষ পৰিণাম**হে। বাক্যটোৰ প্ৰথম অংশ সম্পৰ্কে কাৰো আপত্তি থাকিব নালাগে, কিন্তু দ্বিতীয়াংশত থকা (ওপৰৰ বোল্ড অংশ) মন্তব্য সম্পৰ্কত নিশ্চয় মতবিৰোধ আছে বা থাকিব। কিয়নো 'চৰকাৰী আমোলা বিষয়াৰ অসহানুভূতিশীল অভিব্যক্তি আৰু অৱহেলাই' সাময়িক উত্তেজনা সৃষ্টি কৰিলেও কেতিয়াও বিদ্ৰোহ সৃষ্টি নকৰে বা কৰিব নোৱাৰে। এই ক্ষেত্ৰত প্ৰখ্যাত ঐতিহাসিক Edward Hellett Carrৰ এষাৰ মন্তব্য প্ৰণিধানযোগ্য। "To say that the Russian revolution was due to the stupidity on Nicholas II or to the genius of Lenin is altogether inadequate as to be altogether misleading."

অধ্যাপক ৰাজেন শইকীয়াই 'ঊনবিংশ শতিকাৰ অসম ঃ শিল্পখণ্ডত সন্ধান, সমৃদ্ধি আৰু শোষণ' শীৰ্ষক প্ৰবন্ধটিত নতুন দৃষ্টিভংগীৰে বৃটিছ ঔপনিবেশিক আমোলত অসমৰ উদ্যোগীকৰণ প্ৰক্ৰিয়াৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰিছে। বৃটিছ আমোলত অসমত চাহ, কাঠ, কয়লা আৰু খনিজ তেলক কেন্দ্ৰ কৰিয়েই বৃটিছ পুঁজিৰ যোগেদি প্ৰথম উদ্যোগীকৰণৰ প্ৰক্ৰিয়াটি আৰম্ভ হৈছিল। আৰু তাৰে আনুষংগিকভাবে অসমত যাতায়াত আৰু পৰিবহণ ব্যৱস্থাত প্ৰয়োজনীয় পৰিবৰ্তন সাধনৰ বাবে বৃটিছ চৰকাৰে অসমত ৰেল লাইন নিৰ্মাণৰ কাম আৰম্ভ কৰে ১৮৮২ চনত। প্ৰখ্যাত অৰ্থনৈতিক ইতিহাসবিদ ড০অমলেন্দু গুহই কৈছে যে কেৱল চাহ উদ্যোগৰ উত্তৰোত্তৰ উন্নতি আৰু শ্ৰীবৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখিয়েই বৃটিছে ৰেল লাইন সমূহ চাহ বাগিচা চুই যোৱাকৈ নিৰ্মাণ কৰিছিল। সেইটো কৰোতে লগতে লক্ষ্য ৰখা হৈছিল যাতে বাহিৰৰ পৰা বনুৱা আমদানিৰ বাবেও এই ব্যৱস্থা অধিক কাৰ্যক্ষম আৰু ফলপ্ৰসূ হয়। (Planter Raj to Swaraj, pp. 36-37.)

কিন্তু ড০ গুহৰ এই দৃষ্টিভংগীক ভুল প্ৰমাণিত কৰি অধ্যাপক শইকীয়াই লিখিছে; 'প্ৰথমে চাহবাগিচা থকা অঞ্চল সমূহক, পিছলৈ মৰাপাট আৰু কাঠ উৎপাদন বা সংগ্ৰহৰ সুযোগ থকা অঞ্চল সমূহক ৰেল ব্যৱস্থাৰ দ্বাৰা সংযোগ কৰা হৈছিল। অৰ্থনৈতিক দৃষ্টিকোণৰ পৰা ইয়াত ভুল ক'ত?......' নিজৰ যুক্তিৰ সমৰ্থনত উদাহৰণসহ অধ্যাপক শইকীয়াই কৈছে, '(ইংলেন্ডৰ প্ৰথম ৰেললাইন ১৮২৫ খ্ৰীষ্টাব্দত ষ্টকটনৰ পৰা ডাৰ্লিংটনলৈ কয়লা সৰবৰাহৰ বাবে আৰু আমেৰিকাৰ প্ৰথম বাল্টিম'ৰ অহিও ৰেল লাইন জাহাজ নিৰ্মাণ আৰু তীখা উদ্যোগৰ প্ৰয়োজনত ১৮৩০ চনত সজা হৈছিল। গতিকে উপনিবেশৰ বেলিকা তেওঁলোকে সুকীয়া নীতি লোৱা বুলি কব নোৱাৰি।' (পৃঃ ১৩৭)

চাহ উদ্যোগ অসমত পুঁজিবাদৰ বিকাশৰ বাটচ'ৰা। অধ্যাপক শইকীয়াই কৈছে, 'আধুনিক অসমৰ বুনিয়াদ (infra-structure) গঢ়ি উঠিছে চাহ, খনিজ তেল আৰু কয়লা উদ্যোগক কেন্দ্ৰ কৰি। চাহ উদ্যোগ অসমীয়া শিল্পপতিৰ প্ৰথম পাঠশালা।' (পৃঃ ১৩৮) নিশ্চয় অসমীয়া জাতীয়তাবাদৰো।

মুঠতে বিভিন্ন বিষয়ৰ ৯টা প্ৰবন্ধসহ জাগীৰোড কলেজৰ অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ আহোমৰ 'পাতনি' আৰু সংকলনখনৰ সম্পাদক ড০ সুভাষ সাহাৰ 'ভূমিকা'ক লৈ ১৪৩+১০ পৃষ্ঠাৰ এই গ্ৰন্থখন আধুনিক অসমৰ সভ্যতা সংস্কৃতি অৰ্থনীতি আৰু ইতিহাসৰ প্ৰতি অনুৰাগী ছাত্ৰ, শিক্ষক, গৱেষক আৰু ৰাজনীতিবিদ সকলৰ বাবে অৱশ্য পাঠ্য এখন মূল্যবান ইতিহাস গ্ৰন্থ। সমুখৰ বেটুপাতত দিয়া ফ্ৰাঞ্চিচকো গোইয়াৰ 'The Prisoner' আৰু 'ভূমিকা'ৰ পিছতে দিয়া গেয়ৰ্গ গ্ৰোছৰ 'Bourgeois Stars of the Trouble' শীৰ্ষক ছবি দুখনে গ্ৰন্থখনৰ সৈতে প্ৰাসংগিকতা ৰক্ষা কৰাৰ লগতে ইয়াৰ আকৰ্ষণো বৃদ্ধি কৰিছে।

অৱশ্যে স্বীকাৰ কৰিব লাগিব যে বৰ্ণাশুদ্ধিৰ অভাৱনীয় প্ৰাচুৰ্যতাই গ্ৰন্থখনক সুখপাঠ্য হোৱাৰ পৰা বহুলাংশে বঞ্চিত কৰিছে। আশা কৰো দ্বিতীয় সংস্কৰণত এইবিলাক পৰিহাৰ কৰাৰ চেষ্টা কৰা হ'ব।

*অসমৰ স্বাধীনতা সংগ্ৰাম*
*প্ৰথম পৰ্ব (১৮২৬-১৯০০)*
*সম্পাদনা, সুভাষ সাহা*
*জাগীৰোড কলেজ, জাগীৰোড, অসম*
*জাগীৰোড-৭৮২৪১০*
*মূল্যঃ ৪০ টকা*


# হাজোৰ বুলবুলি চৰাইৰ যুঁজ

ড০ প্ৰবীণ চন্দ্ৰ দাস

অসমৰ মন্দিৰ-নগৰী হাজোৰ বুলবুলি চৰাইৰ যুঁজ ৰাজ্যখনৰ তথা সমগ্ৰ দেশৰে পৰম্পৰাগত খেল-ধেমালিৰ জগতত এটি আপুৰুগীয়া বস্তু। মাঘৰ প্ৰথম বিহুৰ দিনা হয়গ্ৰীৱ-মাধৱ মন্দিৰৰ প্ৰাংগনত এই যুঁজ অনুষ্ঠিত হয়। বিহুৰ এক ডেৰমাহমান আগৰ পৰাই বুলবুলি যুঁজৰ প্ৰস্তুতি পৰ্বৰ আৰম্ভ হয়। এই সময়ছোৱাত প্ৰতিযোগী সকল চৰাই সংগ্ৰহ অভিযান, চৰাইক প্ৰশিক্ষণ দান আদি কাৰ্যত ব্যস্ত থাকে।

চৰাই ধৰিবলৈ বিশেষ ফান্দ ব্যৱহাৰ কৰা হয়। এই ফান্দ তিনি প্ৰকাৰৰ – মাটি ফান্দ, আঠা ফান্দ আৰু গাছ ফান্দ বা কচৌ ফান্দ। মাটি ফান্দ আকৌ দুই ধৰণৰ – গোলফান্দ আৰু গুৰি ফান্দ। পূৰঠ বাঁহ বা বেতৰ কামি এচটা মিহি অথচ মজবুতকৈ চাঁচি বৃত্তাকাৰে বন্ধা হয়। বৃত্তটোৰ ভিতৰত ইমূৰৰ পৰা সিমূৰলৈ অথালি-পথালিকৈ আন কিছুমান মিহি কাঠি বন্ধা হয়। এই কাঠিবোৰত খোৰোচা গাঁঠিযুক্ত ঘোঁৰাৰ নেজৰ নোম অতি কৌশলেৰে জুৰি দিয়া হয়। একোখন ফান্দত এনে নোমৰ সংখ্যা ডেৰশ দুশলৈকে থাকে। হাবিতলীয়া ঠাইত ফান্দ পাত চাৰিওফালে চৰাইৰ আহাৰ ছটিয়াই দিয়া হয়। আহাৰ বিচাৰি চৰাইবোৰ ফান্দলৈ আহিলে সিহঁতৰ ঠেং অথবা ডেউকা খোঁৰোচা গাঁঠিত বান্ধ খায়। ওচৰতে খাপ পাতি থকা লোকে তেতিয়া চৰাইবোৰ কৰায়ত্ব কৰে। এনে ফান্দক গোল ফান্দ বোলে। গোলাকৃতিৰ কামিৰ সলনি বাঁহৰ মিহি গুৰিত (কাঠি) ঘোঁৰাৰ নেজৰ নোম বান্ধি গুৰি ফান্দ সজা হয়। এনে নোমযুক্ত কাঠিবোৰ মাটিত থিয়কৈ পুতি ৰখা হয়। গোল ফান্দ আৰু গুৰি ফান্দ দুয়োবিধ ফান্দ সাধাৰণতে মাটিত পতা হয় বাবে ইয়াক মাটি ফান্দ বুলি জনা যায়।

আঠা ফান্দত চৰাই ধৰিবলৈ আঠা ব্যৱহাৰ কৰা হয়। বিভিন্ন দ্ৰব্যৰ সংমিশ্ৰণেৰে এনে আঠা প্ৰস্তুত কৰা হয়। বুলবুলি চৰাইৰ সমাগম হোৱা কোনো এটুকুৰা ঠাইত আঠা প্ৰয়োগ কৰি তাৰ ওচৰত চৰাইৰ আহাৰ ছটিয়াই দিয়া হয়।



অংকন: চম্পক বৰুৱা

আহাৰ বিচাৰি যেতিয়া চৰাইবোৰ আহি ঠাই টুকুৰাত পৰে তেতিয়া সিহঁতৰ ঠেং আৰু পাখি আঠাত লাগি ৰয়। গাছফান্দত ঘোঁৰাৰ নেজৰ দীঘল নোমবোৰ গছৰ ডালত বান্ধি ৰখা হয়। যিবোৰ গছৰ গুটি বুলবুলি চৰাইৰ প্ৰিয় সেইবোৰ গছৰ ডালত খোৰোচা গাঁঠিযুক্ত ঘোঁৰাৰ নোমবোৰ আঁৰি দিয়া হয়। গুটি খাবলৈ আহি চৰাইবোৰ গছৰ ডালত পৰিলে সিহঁতৰ ঠেং আৰু পাখি গাঁঠিত বান্ধ খাই ৰয়। কচৌ গছৰ গুটি বুলবুলি চৰাইৰ অধিক প্ৰিয় কাৰণে সাধাৰণতে কচৌ গছৰ ডালতে এনে ফান্দ অধিক সংখ্যক পতা হয়। সেয়ে এইবিধ ফান্দক কচৌ ফান্দ বুলিও কয়।

চৰাইবোৰ ধৰাৰ পাছত সিহঁতক 'পেটি' দিয়া হয়। 'পেটি' কাপোৰেৰে তৈয়াৰ কৰা এবিধ ফিটা। চৰাইৰ ঠেঙৰ কাষতে ডেউকাৰ তলেদি এনে 'পেটি' বন্ধা হয়। 'পেটি' লগাবৰ সময়ত চৰাইবোৰ যাতে অবাধে ঠেং আৰু ডেউকা লৰচৰ কৰিব পাৰে তালৈ সততে লক্ষ্য ৰখা হয়। 'পেটি' দিয়া চৰাইবোৰ বাঁহৰ ডাঁৰত শাৰী শাৰীকৈ বান্ধি ৰখা হয়। ডাঁৰত ৰখা কালছোৱাত চৰাইবোৰক সাধাৰণতে খাদ্য হিচাপে ভীমকল খাবলৈ দিয়া হয়। যুঁজৰ দিন ওচৰ চাপি আহিলে চৰাইবোৰক প্ৰশিক্ষণ দিয়া হয়।

উৰুকাৰ দিনটো চৰাইৰ গৰাকী আৰু যুঁজৰ লগত জড়িত লোক সকলৰ কাৰণে এটি বিশেষ দিন। বুলবুলি চৰাইৰ যুঁজৰ জনপ্ৰিয়তা আৰু গুৰুত্বৰ কাৰণেই বোধকৰো হাজোত উৰুকাৰ দিনটোক 'চৰেৰ ভোখৰ দিন' বুলিও কোৱা হয়। সেইদিনা যুঁজৰ চৰাইক 'ভোখ' খুউওৱা হয়। চৰাইৰ 'ভোখ' মাদক দ্ৰব্য, বিভিন্ন মছলা আদি নানা উপকৰণৰ সংমিশ্ৰণত তৈয়াৰ কৰা এবিধ বিশেষ বস্তু। সকলো মানুহে 'ভোখ' প্ৰস্তুত কৰিব নোৱাৰে। পৰম্পৰাগতভাৱে হাজোৰ ওজাসকলে (বেজ) এনে 'ভোখ' তৈয়াৰ কৰি আহিছিল যদিও আজিকালি বেজালি বৃত্তি লুপ্তপ্ৰায় হোৱাত সাধাৰণ দুই-এক লোকে এনে বস্তু প্ৰস্তুত কৰে। 'ভোখ' প্ৰস্তুতকাৰী সকলে ভালেখিনি আচাৰ-ৰীতি পালন কৰিব লগীয়া হয়। 'ভোখ' প্ৰস্তুত কাৰ্যও অতি গুপুতভাৱে কৰা হয়। উৰুকাৰ সন্ধিয়া চৰাইক 'ভোখ' খুউওৱা হয়। 'ভোখ'ৰ মাত্ৰা আৰু গুণৰ ওপৰতে প্ৰধানকৈ যুঁজত চৰাইৰ হৰা-জিকা নিৰ্ভৰ কৰে বুলিব পাৰি। 'ভোখ' খুউওৱাৰ পৰা যুঁজত অংশগ্ৰহণ নকৰালৈকে সাধাৰণতে চৰাইবোৰক একো খাবলৈ দিয়া নহয়।

প্ৰথম বিহুৰ দিনা ৰাতিপুৱা হয়গ্ৰীৱ-মাধৱ মন্দিৰত বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত হয়। বুলবুলি যুঁজ মঞ্চৰ ওপৰত অনুষ্ঠিত হয়। মঞ্চখন দীঘলে-পুতলে ১৬ বৰ্গফুটমান আৰু ওখই প্ৰায় দুফুটমানকৈ সজা হয়। মঞ্চৰ দুমূৰে মাটিত চৰাই যুঁজোৱা দুজন লোক বহে। এওঁলোকক 'মাছিং' বোলা হয়। মাছিং দুজনৰ দুদাঁতিত বিচাৰক আৰু পৰিসংখ্যায়ক বহে। তেওঁলোকৰ পিছফালে চৰাইৰ গৰাকী সকল আৰু চৰাই ধৰা লোক সকল থাকে। সাধাৰণতে চৰাইবোৰ অঞ্চলভিত্তিত দুভাগত ভগোৱা হয় আৰু একো একোজন মুখিয়াল ব্যক্তিৰ অধীনত সিহঁতক যুঁজোৱা হয়। কোনো লোকে এককভাৱে নিজৰ চৰাইক যুঁজাব নোৱাৰে যদিও যুঁজত জয়ী হোৱা চৰাইৰ গৰাকীজনকে নিজাকৈ বঁটা-বাহন দিয়া নিয়ম। অৱশ্যে জয়লাভ কৰা চৰাইৰ সন্মান গোটেই অঞ্চলটোৰে সামূহিক গৌৰৱ বুলি গণ্য কৰা হয়।

চৰাই যুঁজৰ মাছিং দুজন অতি কৌশলী লোক। কবলৈ গলে মাছিং দুজনেই যন্ত্ৰী হিচাপে গোটেই যুঁজখন নিয়ন্ত্ৰণ কৰে। এওঁলোকে নিৰপেক্ষভাৱে চৰাইৰ পেটি ধৰি দুই প্ৰতিপক্ষৰ চৰাইৰ মাজত যুঁজ পৰিচালনা কৰে। প্ৰতিবাৰতে দুটাকৈ চৰাইৰ মাজত যুঁজ হয়। মাছিঙে একোটাকৈ চৰাই নিজৰ নিয়ন্ত্ৰণত ৰাখি মঞ্চত এৰি দিয়ে। চৰাইহালৰ সমুখত এটুকুৰা কল ৰাখি কৌশলেৰে দুয়োকো পৰস্পৰৰ ওচৰ চপাই নিয়া হয়। এনে কৰোতে কোনো এটা চৰাইকে কলডোখৰ স্পৰ্শ কৰিবলৈ দিয়া নহয়। দুয়োটা চৰাই মুখামুখি হলেই আচম্বিতে সিহঁতৰ আগৰ পৰা কলডোখৰ আঁতৰাই নিয়া হয়। ফলস্বৰূপে দুয়োটা চৰাই যুঁজত লিপ্ত হৈ পৰে। এনেদৰে যুঁজি যুঁজি কোনোবা এটা চৰাই ভাগৰি পৰে আৰু অৱশেষত নতি স্বীকাৰ কৰে। এনেদৰে নতি স্বীকাৰ কৰা চৰাইটোৱে পুনৰ যুঁজত অৱতীৰ্ণ হোৱাৰ অধিকাৰ হেৰুৱায়। বিজয়ী চৰাইটোৱে পইন্ট লাভ কৰে আৰু পৰৱৰ্তী চৰাইৰ লগত যুঁজাৰ যোগ্যতা লাভ কৰে। যিটো চৰায়ে সৰ্বাধিক চৰাইক যুঁজত হৰুৱাই সিয়ে সৰ্বাধিক পইন্ট লাভ কৰি যুঁজত চূড়ান্ত বিজয়ীৰ সন্মান পায়। সেইদৰে পইন্টৰ বিচাৰত যুঁজৰ দ্বিতীয়, তৃতীয় আদি স্থান নিৰূপণ কৰা হয়। যুঁজৰ অন্তত চৰাইবোৰ মুকলি কৰি দিয়া হয়।

হাজোত বুলবুলি চৰাইৰ যুঁজৰ প্ৰচলন কেতিয়াৰ পৰা হ'ল তাক খাটাংকৈ কোৱাটো টান। অতি প্ৰাচীন কালৰ পৰাই জনসমাজত বিভিন্ন পশু-পক্ষীৰ যুঁজৰ পৰম্পৰা আছিল। অসমতো তেনে পৰম্পৰা আছিল বুলি নিশ্চিতভাৱে কব পাৰি। মধ্যযুগত স্বৰ্গদেউ সকলৰ পৃষ্ঠপোষকতাত শেনযুঁজ, ম'হযুঁজ, হাতীযুঁজ, বাঘ-ভালুকৰ যুঁজ, একেটা সজাতে নানাবিধ জন্তুৰ যুঁজ প্ৰভৃতি পশু-পক্ষীৰ মাজত নানাবিধ খেলধেমালি অনুষ্ঠিত হোৱাৰ কথা বুৰঞ্জী পুথিত পোৱা যায়। কিন্তু এইবোৰৰ তালিকাত বুলবুলি চৰাইৰ যুঁজৰ উল্লেখ পোৱা নাযায়। ঊনবিংশ শতিকাৰ আৰম্ভণিত বংগদেশত বুলবুলি চৰাইৰ যুঁজৰ লেখীয়া আমোদৰ বস্তুৰ প্ৰবেশ ঘটে। আদিম সমাজৰ মুৰগী যুঁজৰ অনুকৰণত সমাজৰ ওপৰ মহলাৰ লোক সকলৰ মাজত এনে আমোদজনক ধেমালিৰ প্ৰচলন হৈছিল। ঊনবিংশ শতিকাৰ বংগদেশৰ পৰা বুলবুলি চৰাইৰ যুঁজ হাজোত প্ৰবেশ কৰিছিল বুলিবলৈ কিন্তু কোনো সাক্ষ্য পোৱা নাযায়। আনহাতে হাজোত প্ৰচলিত লোক প্ৰবাদত এগৰাকী 'অচম ৰজাই' ইয়াত বুলবুলি চৰাইৰ যুঁজৰ পাতনি মেলিছিল বুলি উল্লেখ পোৱা যায়।

প্ৰবাদ মতে 'অচম ৰজা' গৰাকীয়ে এসময়ত হয়গ্ৰীৱ-মাধৱ মন্দিৰ দৰ্শন কৰিবলৈ আহিছিল। ৰজা গৰাকী মন্দিৰ দৰ্শন কৰিবলৈ যাওঁতে মন্দিৰ প্ৰাংগনত এহাল বুলবুলি চৰাইক যুঁজত মত্ত হৈ থকা দেখা পালে। চৰাইহালৰ যুঁজ দেখি ৰজা মুগ্ধ হ'ল আৰু হয়গ্ৰীৱ-মাধৱ মন্দিৰত আনুষ্ঠানিকভাৱে বুলবুলি যুঁজৰ প্ৰবৰ্তন কৰিলে! এই গৰাকী 'অচম ৰজা' কোনোবা গৰাকী আহোম স্বৰ্গদেউ আছিল যদিও তেওঁৰ নামটো স্পষ্টভাৱে নিৰূপণ কৰাটো টান। অৱশ্যে আনুষংগিক সাক্ষ্যৰ ভেটিত তিনি গৰাকী স্বৰ্গদেউৰ নাম আলোচনাৰ প্ৰসংগলৈ আনিব পাৰি।

১৬৭২ শকত ৰজা প্ৰমত্ত সিংহই হয়গ্ৰীৱ মাধৱ মন্দিৰ প্ৰাংগনত এটি দৌলগৃহ নিৰ্মাণ কৰাইছিল। এই দৌলগৃহতে দৌলোৎসৱৰ সময়ত মন্দিৰৰ বিগ্ৰহ স্থাপন কৰা হয়। পৰম্পৰাগতভাৱে দৌলগৃহটোৰ দাঁতিতে বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত হৈ আহিছে। মধ্যযুগৰ শাসক সকলে দেবগৃহ নগৰ আদি নিৰ্মাণৰ স্থান নিৰ্বাচনৰ বেলিকা কোনো পশু-পক্ষীৰ যুঁজ লাগি থকা অৱস্থাত প্ৰত্যক্ষ

কৰা ক্ষেত্ৰ ভূমিকে শুভস্থান বুলি বিবেচনা কৰাৰ একাধিক উদাহৰণ পোৱা যায়। তেনে এটি বিচাৰেৰে প্ৰমত্ত সিংহয়ো বুলবুলি চৰাই এহালৰ যুঁজ লাগি থকা ঠাইখিনিকে দোলগৃহ নিৰ্মাণৰ স্থান হিচাপে নিৰ্দ্ধাৰিণ কৰিছিল বুলি ভাবিব পাৰি। কিন্তু দূৰ অনুমানৰ বাহিৰে এনে সিদ্ধান্ত কৰিবৰ কোনো যুক্তিসিদ্ধ প্ৰমাণ পোৱা নাযায়। তদুপৰি দোলগৃহটো এসময়ত ধ্বংসপ্ৰাপ্ত অশোকস্তম্ভ এটাৰ অৱশেষৰ ওপৰত নিৰ্মাণ কৰা হৈছে বুলিও কোনো কোনোৱে দাবী কৰে।

স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ১৬৭৮ শকত নামনি অসমৰ বিভিন্ন ঠাইত ভ্ৰমণ কৰাৰ সময়ত হাজোলৈকো আহিছিল। ৰাজ আজ্ঞামতে ৰজাৰ বাবে হাজোতো এটি বাহৰ সজা হৈছিল আৰু তাৰ দায়িত্বত আছিল কীৰ্তিচন্দ্ৰ বৰবৰুৱা। ৰজাই হাজোৰ মাধৱ মন্দিৰ দৰ্শন কৰিবলৈ যোৱাৰ সময়ত তেওঁক চাবলৈ গাওঁ-ভূই ভাঙি মানুহ আহিছিল। মন্দিৰৰ দেৱলীয়া ব্ৰাহ্মণ, ঠাকুৰ, নাচনী আৰু গায়ন-বায়ন সকলক ৰজাই যথাযোগ্য দান-দক্ষিণা আদি দিছিল। সেই উপলক্ষ্যত ৰজাৰ আগত প্ৰদৰ্শন কৰিবলৈ থলুৱা নৃত্য-গীতৰ লগতে বুলবুলি চৰাইৰ যুঁজৰ দৰে ধেমালিৰো আয়োজন কৰা হৈছিল বুলি এটি ক্ষীণ অনুমান কৰিবৰ থল নথকা নহয়। কিন্তু এই বিষয়ত কোনো নিৰ্দিষ্ট সাক্ষ্য এতিয়াও পোহৰলৈ অহা নাই।

স্বৰ্গদেউ ৰুদ্ৰ সিংহ উত্তৰ গুৱাহাটীত বাহৰ পাতি থকা সময়ত নানা ৰং-ৰহইচৰ আয়োজন কৰা হৈছিল বুলি বুৰঞ্জী পুথিত পোৱা যায়। ৰাজ্যত এবাৰ নানা অপায়-অমংগলে দেখা দিয়াত প্ৰতিবিধানৰ কামনাৰে ৰজাই এবাৰ হাজোৰ মাধৱ গোঁসাই দৰ্শন কৰিবলৈ আহিছিল। বৰনদী মুখৰ বাহৰত ফাকুযাত্ৰা উৎসৱ কৰি তেওঁ মন্দিৰলৈ অনেক দান-দক্ষিণা দিছিল। স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ হাজো আগমনৰ কাল সম্ভৱতঃ ১৬২৭ শক আছিল বুলি ঠাৱৰ কৰিব পাৰি। স্বৰ্গদেউ ৰুদ্ৰ সিংহই ভাটিৰ দেশৰ চাল-চলন, কলা-সংস্কৃতিৰ প্ৰতি বিশেষ আগ্ৰহ দেখুৱাইছিল আৰু তেওঁৰ ৰাজ্যতো তেনেবোৰ বস্তুৰ প্ৰচলনত উৎসাহ দিছিল বুলি জনা যায়। তদুপৰি এই জনা ৰজাৰ খেল-ধেমালিৰ প্ৰতি থকা বিশেষ প্ৰীতিৰ কথাও বুৰঞ্জী পুথিত পোৱা যায়। এওঁৰ দিনতে ৰাজধানীত আনুষ্ঠানিক ভাবে মগৰী চৰা, বহৰী শেন, হাতীযুঁজ আদি খেল-ধেমালিৰ প্ৰচলন হৈছিল।

বুলবুলি চৰাইৰ যুঁজ মূলতে ভাটিৰ দেশৰ ধেমালিৰ বস্তু বুলি কোৱা হয়। এই যুঁজত নবাবী আমোলৰ ক্ৰীড়াধাৰাৰ চাপ অতি স্পষ্ট। যোড়শ শতিকা মানৰ পৰা এক দীঘলীয়া সময় কামৰূপখণ্ড মুছলমান সকলৰ অধীনত আছিল। এই কালছোৱাত হাজো মুছলমান সকলৰ সামৰিক আৰু ৰাজনৈতিক কৰ্মৰ প্ৰধান কেন্দ্ৰ হৈ পৰিছিল। মকৰম খাঁ, আবু বক্কাৰ, লুৎফুল্লা চিৰাজী, মিৰ্জা নাথন প্ৰভৃতি মোগল বিষয়া সকল দীৰ্ঘদিন ধৰি হাজোৰ বাহৰত আছিল। এইসকল বিষয়াৰ পৃষ্ঠপোষকতাত ভাটিৰ দেশৰ ভালেমান বস্তুৰ হাজোলৈ আগমন ঘটিছিল। নবাবী ধেমালি বুলি খ্যাত বুলবুলি চৰাইৰ যুঁজো এনে কোনোবা মোগল বিষয়াৰ লগত হাজোলৈ আহিছিল বুলি ভাবিব পাৰি। সময়ত মুছলমান বিষয়া সকলে এই ভূমিখণ্ডৰ অধিকাৰ হেৰুৱাই গুচি যাবলগীয়া হ'ল যদিও সাধাৰণ লোকৰ মাজত হয়তো বুলবুলি চৰাইৰ যুঁজৰ লেখীয়া কিছুমান বস্তু ৰৈ গ'ল। পাছলৈ ৰুদ্ৰ সিংহৰ দৰে ক্ৰীড়া-সংস্কৃতি প্ৰেমী কোনো 'অচম ৰজা'ই হয়গ্ৰীৱ-মাধৱ মন্দিৰত আনুষ্ঠানিক ভাবে এইবিধ ধেমালিৰ প্ৰচলন কৰিলে।

হাজোৰ বুলবুলি চৰাইৰ যুঁজৰ জনপ্ৰিয়তা আৰু আকৰ্ষণ কোনো দিনেই হ্ৰাস পোৱা নাই। ল'ৰা-ডেকা-বুঢ়া তথা জাতি-ধৰ্ম নিৰ্বিশেষে সকলো লোকৰে আজিও এই যুঁজ আনন্দ উছাহৰ বস্তু। যুঁজৰ সময় ওচৰ চাপি আহিলেই সমগ্ৰ হাজো অঞ্চলৰ লোকসকল ইয়াৰ লগত আনুষংগিকভাবে জড়িত হৈ পৰে। বুলবুলি যুঁজৰ এনে আকৰ্ষণৰ কাৰণেই বৰ্তমান এই যুঁজ দুদিনীয়াকৈ অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে।

এই যুঁজত আজিকালি চলন্ত বঁটা প্ৰদানৰ ব্যৱস্থাও কৰা হৈছে যদিও আধুনিক ক্ৰীড়া জগতৰ লগত সংগতি ৰাখি পৰিকল্পিত ৰূপত এই পৰম্পৰাগত যুঁজ অনুষ্ঠিত কৰিবলৈ এতিয়াও চেষ্টা কৰা পৰিলক্ষিত হোৱা নাই। সুপৰিকল্পিতভাবে বহল পৰিসৰত অনুষ্ঠিত কৰিলে হাজোৰ বুলবুলি চৰাইৰ যুঁজ অসমৰ ক্ৰীড়া জগতত অভিনৱ বস্তু হৈ উঠিব বুলি আশা কৰিব পাৰি। এইবিধ আপুৰুগীয়া পৰম্পৰাগত ক্ৰীড়াৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত ক্ৰীড়া সংস্কৃতিৰ লগত জড়িত চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানবোৰেও ভালেখিনি কৰিবৰ থল আছে। সৃ

পূৰবী প্ৰকাশনৰ পৰা
নতুন আৰু বৰ্ণাঢ্য সাজেৰে অলপতে প্ৰকাশ পাব
জনক্ৰান্তি
প্ৰতি দেওবাৰে
সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা–
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১
(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)





# ভোজন-বিলাসঃ জীৱনৰ ভোগালী উৎসৱ

ডাঃ মুক্তিপ্ৰসাদ গগৈ

তাহানি স্কুলত অসমীয়া ইংৰাজী দুই ভাষাতেই ৰচনা লিখিব লগা হৈছিল। কম বেছি পৰিমাণে হয়তো এতিয়াও লিখিব লাগে। তলৰ শ্ৰেণীত গৰু, নদী আদিতো প্ৰায়ে পৰীক্ষাত অহা ৰচনা। এইবোৰ লিখাত বহুত সময় খৰচ হৈছিল যদিও বাক্য ৰচনা আৰু লগতে নিজৰ ভাবধাৰাক লিখিত ৰূপ দিয়াত সহায় কৰিছিল। নদী, গৰু এই ৰচনা দুখন লৈ বঙালী ভাষাত ধুনীয়া হাঁহি উঠা গল্পও আছে। পৰীক্ষাৰ্থীয়ে মুখস্থ কৰি গ'ল 'গৰু' ৰচনা। কিন্তু প্ৰশ্ন কাগজত দেখিলে আহিছে নদীৰ ৰচনা। 'কৰিলা কি তেতিয়া?' বন্ধু অমল ঘোষক সুধিলো যি মোক গল্পটো কৈছিল। 'কিছু না সোজা শ্মশানে টেনে নিয়ে এলাম।' 'মানে?'



মানেটো সহজ। নদী সম্বন্ধে অমলে বিশেষ নাজানে। তথাপি সৰুসুৰাকৈ আৰম্ভ কৰিলে নদী পৰ্বত পাহাৰত সৰুসুৰা জুৰি লগ লাগি উৎপত্তি হয়। তাৰ পাছত ভৈয়ামলৈ নামি আহে। গড়াখহনীয়া আদিৰে নৈখন লাহে লাহে ডাঙৰ হৈ গৈ অন্য ডাঙৰ নৈত নাইবা সাগৰত পৰেগৈ। এই নৈবোৰৰ দাঁতিতে শ্মশানবোৰ সাধাৰণতে অৱস্থিত নানা সুবিধাৰ বাবে। এই শ্মশানৰ দাঁতিতে দুবৰি বন বৰকৈ হয়। গৰুৱে এই দুবৰি বন খাই বৰ ভাল পায়। গৰু এবিধ চাৰিঠেঙীয়া জন্তু। এইদৰে আৰম্ভ কৰি পাছৰ ডোখৰ কেৱল গৰুৰ কথা লিখি তেওঁৰ ৰচনা শেষ হ'ল। অন্যান্য পৰীক্ষাত কেতিয়াবা টান প্ৰশ্ন আহিলে তেওঁ সদায় 'শ্মশানলৈ টানি অনা' কথাটো কয় আৰু আমি সকলোৱে হাঁহো।

মেট্ৰিকৰ ওচৰ পাওঁগৈ আৰু কিছুমান ডাঙৰ ৰচনা আমি লিখিছিলো, যেনে – ভ্ৰমণ, বাতৰি কাকত, কিতাপঘৰ ইত্যাদি ইত্যাদি।

ইয়াৰে ভ্ৰমণ ৰচনাখন মই লিখি ভাল পাইছিলো। ভ্ৰমণত নানা ঠাই দেখা নানা মানুহ লগ পোৱা তেওঁলোকৰ সমাজ সংস্কাৰ জনা আৰু বিশেষ বেলেগ বেলেগ জুতি লগোৱা খোৱাৰ কথা জনা আৰু শিকা। নতুন ঠাইলৈ গ'লে মই সদায় তেওঁলোকৰ খোৱাবোৱা সম্বন্ধে জানিবৰ চেষ্টা কৰিছিলো।

যি কোনো বিষয়লৈ কথা-বতৰা আৰম্ভ কৰিলেও শেষৰ ফালে খোৱাবোৱাৰ কথা-বতৰা মোৰ কাৰণে এটা সচৰাচৰ ঘটনা। অকল ময়েই নহয় বহুত মানুহেই এইবোৰ আলোচনাত ৰস পায় আৰু ভাগো লয়। অনবৰত যাৰে তাৰে লগত খোৱাৰ কথা পাতো বুলি অৱশ্যে মোৰ ঘৰত বদনামো আছে।

পৃথিৱীৰ নানান ঠাইত নানা ধৰণৰ খোৱাৰ সবিশেষ মনত ৰখা এটা কঠিন কাম। কিন্তু দুই এটা সৰুসুৰা কথা কেতিয়াও পাহৰিব নোৱাৰি।

আজিলৈকে যিমান খোৱা দেখিলো বা খালো তাৰে ভিতৰত চীনা খোৱা আটাইতকৈ জনপ্ৰিয় বুলি মই ভাবো। ভাৰতীয়, ইটালীয়ান, ফ্ৰেঞ্চ, স্পেনিছ, স্লাভিক খোৱা আৰু ইংৰাজৰ ৰোষ্ট আৰু আমেৰিকাৰ ষ্টেক সকলোৱেই বেলেগ বেলেগ ধৰণৰ ভাল লগা আৰু প্ৰত্যেকৰে একো একোটা সুকীয়া সোৱাদ আছে।



লেখক



বোম্বেৰ মেৰাইন ড্ৰাইভত (ৰাস্তাটোৰ নাম পাহৰিছো) নটৰাজ হোটেলৰ ওচৰতে ভাল চীনা ৰেষ্টোৰাঁ এখন আছে। তাত এবাৰ সোমাই 'ফ্ৰাইদ্ প্ৰন'কে আদি কৰি এগাল মান বস্তুৰ মই অৰ্ডাৰ দিলো। অৰ্ডাৰ লোৱা চীনা মানুহজনে মিচিকি হাঁহি কলে 'বৰ বেছি অৰ্ডাৰ দিলে খাব পাৰিব জানো?' 'বিয়েৰ এগিলাচ দি যোৱা আৰু তাৰ পাছত খোৱা বস্তু লৈ আহিবা বেগাই, বৰ ভোক লাগিছে।' খোৱা শেষৰ পাছত বিল লৈ আহোতে এইবাৰ মই তেওঁক সুধিলো 'পাতত একো নাই দেখিছানে নাই।' তেওঁ হাঁহি গুচি গ'ল।

১৯৭১ চনত এক ফৰ্ড ফাউণ্ডেচনৰ ফেল'শ্বিপ লৈ মেক্সিকলৈ গৈছিলো। তাত ডাক্তৰ ম'ৰ নামৰ এজন ফৰ্ড ফাউণ্ডেচনৰে চিনিয়ৰ ডাক্তৰে মোক খাব মাতিলে। তেখেতৰ বয়স প্ৰায় ৬২/৬৩ বছৰ মান। তেখেতে মোক কি খাবলৈ ভাল পাম সোধাত মই ক'লো 'খোৱাত মোৰ বিচাৰ নাই, আপুনি যি অৰ্ডাৰ দিয়ে মই তাকে খাম।' তেখেত কম কথাৰ মানুহ। প্ৰথমতে চিকেন্ ক্লিয়েৰ চুপ খুজিলে আৰু তাৰ পাছত চালাদ ইত্যাদি অন্যান্য বস্তু।

অলপ পিছত অতি সুন্দৰ ভাবে সজাই ডাঙৰ কাপ এটাত লৈ আহিল 'চিকেন ক্লিয়েৰ চুপ।' চুপখিনি পানীৰ দৰে পৰিষ্কাৰ। কিন্তু তাৰ মাজতে দেখো এটা ডাঙৰ মুৰ্গীৰ ঠেং। চিকেন ক্লিয়েৰ চুপ মই প্ৰথমতে কলিকতাৰ গ্ৰেণ্ড হোটেলত খোৱা। তাৰপিছত অন্যান্য ঠাইতো খাইছো, কিন্তু চুপত মুৰ্গীৰ ঠেং এইবাৰ প্ৰথম দেখিলো। অলপ কেৰাহীকৈ চাই দেখিলো তেখেতৰ কাপতো সেই দৰে এটা মুৰ্গীৰ ঠেং আছে। মোৰ এতিয়া সমস্যা হ'ল চুপখিনি জানিবা পিখালো; কিন্তু ঠেংটো কি কৰো? খাব লাগিবনে নালাগে। মই লাহেকৈ চুপ খাবলৈ আৰম্ভ কৰিলো। মনে মনে চাই থাকিলো ডাঃ মৰেনো কি কৰে। তেখেতে অলপ চুপ খাই দেখো হাতেৰে মুৰ্গীৰ ঠেংটো তুলি খাবলৈ লাহে লাহে আৰম্ভ কৰিলে। মোৰো সমস্যা লগে লগে শেষ হ'ল।

যেই কোনো খোৱা ভোকত, হেঁপাহত নাইবা খকত খাব পাৰি। মোৰ এজন বন্ধু আছে যি সদায় খকতেই খায় যেন লাগে। এটা কথা মই সদায় বিশ্বাস কৰো সৰুকালৰ খোৱাৰ সোৱাদবোৰ মানুহে নাপাহৰে, পিছৰ জীৱনত যিয়েই নাখাওক লাগে সেই প্ৰথম খোৱাবোৰলৈ মানুহৰ প্ৰায়ে মনত পৰে। সেই একেটা কাৰণতে নিজৰ মাক বা আইতাকে ৰন্ধা খাবলৈ মানুহে খুব ভাল পায়। নিউয়ৰ্কৰ লং আইলেণ্ডত শনিবাৰে সন্ধিয়া 'চিকেন বাৰবি কিউ' খাওঁতে ঘৰৰ জুহালত খৰিকাত দি পোৰা মাগুৰ মাছলৈ কোন অসমীয়া মানুহৰ মনত নপৰে?

যদিও অলপ আগতে নানা বিদেশী খোৱাৰ গুণানুকীৰ্ত্তন কৰিছো মোৰ মতে আমাৰ অসমীয়া ৰন্ধা আৰু খোৱা বস্তুও কোনো গুণে পিছ পৰা নহয়। অসমীয়া ৰন্ধা মই বহুত বিদেশীকো খুৱাইছো। তেওঁলোকেও ভাল পাইছে। তাৰ উপৰি বেছি মছলা আদি নথকাৰ বাবে অসমীয়া ৰন্ধাই সহজে পেটৰ অসুখো নকৰে। অসমীয়া ৰন্ধাত তেল ঘিউ আদিও কম ব্যৱহাৰ কৰা হয়। স্বাস্থ্যৰ কাৰণে অসমীয়া ৰন্ধা বা খোৱা বস্তুৰ লগত বেছি ভাগ ভাৰতীয় খাদ্যই ফেৰ মাৰিব নোৱাৰে।

অসমীয়া জলপানৰ কথাখিনিয়েই নাচায় কিয়? 'আখৈ আৰু দৈ পেটলৈ ভাল' – আমি তাহানি পাঠশালা স্কুলত পঢ়িছিলো – দৈখিনি যদি ভাল হয় তেন্তে আখৈ দি আৰু তাতে গুৰ দিলে ইয়াতকৈ ভাল জলপান হ'ব নোৱাৰে। ভাল দৈ এসময়ত বৰপেটা, ৰামদিয়া কুঠৰী আৰু কেইখনমান ঠাইত পোৱা গৈছিল। হাতত অলপ দৈ লৈ বেৰলৈ মাৰি পঠালে দৈখিনি বেৰত লাগি ধৰিছিল –তলত পৰি নগৈছিল। ইমান ডাঠ আৰু ভাল দৈ আজিকালি পোৱা নাযায়। হাত ধুই দৈখিনি হাতৰ পৰা গুচোৱাও টান। আখৈ –গাখীৰৰ লগতো খাব পাৰি চেনি বা গুৰ দি। ইয়াৰ সোৱাদো ভাল।

আখৈৰ দৰে চিৰাও একে ধৰণেৰেই খাব পাৰি। বৰাধানৰ চিৰা বহুতৰ অতি প্ৰিয়। চিৰাখিনি আগতে গৰম পানীত তিয়াই থলে সোনকালে কোমল হয়। এবাৰ এখন 'নেপচুনীয়া' নামৰ ইটালিয়ান জাহাজত কোচিনৰ পৰা জেনোৱা লৈ গৈছো। প্ৰায়





১৪ দিনৰ ভ্ৰমণ। প্ৰথম দিনাই ৰাতিপুৱা মোৰ টেবুলতে বহা ঢাকাৰ এজন উকিল। তেখেতে বেৰিষ্টাৰী পঢ়িবলৈ লণ্ডনলৈ ওলাইছে। জাহাজৰ ইটালিয়ান বিয়েৰাৰ জনে সুধিলে 'কৰ্নফ্লেকচ খাবনে পৰিজ্ খাব?' উত্তৰত তেখেতে কলে দুয়োটাই খাম। তাৰ পিছত প্ৰত্যেকদিনা ৰাতিপুৱা ব্ৰেকফাষ্টত সদায় তেওঁক দুয়োটাই দিলে ১৪ দিন। তেওঁ ঠিক মতেই খাই গ'ল। আমাৰ চিৰা দৈ আৰু আখৈ খাব নেকি সুধিলেও ছাগে বহুতে সেইটোৱেই ক'ব।

চিৰাৰ লগত ভাল পকা কল হ'লে বৰ জমে। কল মালভোগ নাইবা চেনিচম্পা যিয়েই নহওক। ডাঠ গাখীৰৰ সৰৰ সৈতে যেই কোনো জলপানৰ বৰ সোৱাদ উঠে। বহুতে জুলীয়া গুৰহে পছন্দ কৰে। কিন্তু গুৰ চেনি দুয়োটাৰেই সুকীয়া সোৱাদ আছে।

বজাৰৰ মুৰিৰ দৰে আমাৰ বৰা চাউলৰ পৰা বনোৱা কঁৰাই বা কঁৰাই গুৰি এক অতি উৎকৃষ্ট জলপান। মুৰিতকৈ বস্তুটো সৰু কিন্তু হোৰোম কৰাইৰ আকাৰ অলপ ডাঙৰ। গাখীৰ গুৰৰ লগত ই এক সুস্বাদু বস্তু।

বিয়া সবাহে দিব পৰা চিৰা-দৈ এক উত্তম জলপান। আজিকালিৰ বিহাৰী ঠাকুৰে বনোৱা চেঁচা চামৰাৰ নিচিনা লুচি আৰু মটৰ ফুলকবি আলুৰ তৰকাৰীতকৈ ভাল বুলি ক'ব পাৰি অৱশ্যে দৈখিনি যদি ভাল হয়।

ভালদৰে ভজা গৰম ফুলা লুচি আৰু তৰকাৰী কিন্তু খাবলৈ বৰ ভাল। বেঙেনা ভজাৰ লগতো খাবলৈ মজা। আলহী আহিলে নাইবা এনেই পিছবেলা খোৱা এক বৰ ভাল জলপান।

কোমল চাউল, বোকা চাউল, চকোৱা চাউল – এইবোৰ খাই এবাৰ জুতি নাপালে তাৰ সোৱাদ বুজি পোৱা টান। আজিকালি নগৰ চহৰৰ ল'ৰা-ছোৱালীয়ে খোৱা নেলাগে – নামেই শুনা নাই। ইয়াৰ লগত পকাকল গুৰ গাখীৰ বা দৈৰ বঢ়িয়া জলপান মই খুবেই কম খাইছো। মেক্সিকো বা স্পেইনত তাক ইনষ্টেন্ট ৰাইচ হিচাপে অতি সহজে টুৰিষ্ট সকলক দিলেহেঁতেন। জাপানৰটো কথাই নাই। কেতিয়াবা জাপানী টুৰিষ্টক আমি কোমল চাউলটো খুওৱাহে কথা। অলপ সময় উমি উমি গৰম পানীত তিয়াই এই চাউল খাব পাৰি। সিজাবই নালাগে। চেনিচম্পা মালভোগ জাহাজীৰ বাহিৰেও মনোহৰ নাইবা পকা আঠীয়া কলৰ লগতো এইবোৰ জলপান খাব পাৰি। আজিকালি এনে নানান ধৰণৰ অসমীয়া জলপান সহজে পাব নোৱাৰি বাবে দুঃখ লাগে।

কিছুমান মানুহে খাবলৈ ভাল পায়। কিছুমানে খোৱাৰ কথা পাতিবলৈ ভাল পায়। ইয়াৰ বেছিভাগে ৰান্ধিবলৈ ভাল পায়। কিছুমান মানুহৰ আকৌ এনেধৰণৰ কামৰ বাবে অকণো ৰাপ নাই। তেওঁলোকৰ ভোকো কম আৰু খায়ো কম। আটাইতকৈ খাবলৈ ভাল পোৱা মানুহে যদি কিবা বেমাৰ আজাৰৰ কাৰণে খাব নোৱাৰে ই এটা বৰ দুঃখৰ কথা। এজন আৰ্মিৰ অফিচাৰ লগ পাইছিলো। ডেকা মানুহ। খুব খাবলৈ ভাল পায়। তেওঁ মোক কৈছিল –'খোৱাই মোৰ জীৱনৰ একমাত্ৰ আনন্দ'। তেওঁ এতিয়াও খাই আছেনে নাই নাজানো।

জাৰৰ দিনকেইটাত সাধাৰণতে বেছি খোৱা বোৱা হয়। এইখিনি সময়ত মানে ভোগালী বিহুৰ ওচৰাওচৰি সময়ত বহুত খোৱা বস্তুও পোৱা যায়। শালি খেতিৰ শেষত সকলোৰো দুবেলা খাবলৈও যথেষ্ট থাকে।

সান্দহ গাখীৰ গুৰ বা চেনিৰ লগত কাৰ খাবৰ মন নাযাব? সেইদৰে পিঠা গুৰি। আগতে পিঠাগুৰি কেঁচুৱা আৰু সৰু ল'ৰা ছোৱালীক খুওৱা হৈছিল। লুঠুৰী পিঠা মোৰ নিজৰ বৰ প্ৰিয় বস্তু। আজি ভালেমান দিন খোৱা নাই।

এই বস্তুবোৰৰ ভিতৰত এতিয়ালৈকে সহজে পোৱা যায় বিহুত বনোৱা পিঠা, প্ৰায় সকলো মানুহৰ ঘৰতে। ঘিলাপিঠা, তিলৰ পিঠা, তিলৰ লাৰু, নাৰিকলৰ লাৰু আদি বিহুত সকলোৱে বনায়। তিল দিয়া পিঠাতো অতি সুন্দৰ ভাবে বনাব পাৰি। দেখিবলৈ ধুনীয়া মিহি আৰু চেপেটা। কিন্তু বেছিভাগ মানুহেই ইমান ধুনীয়াকৈ বনাব নোৱাৰে। মই নিমখদি বনোৱা ঘিলা পিঠা খাবলৈ ভাল পাওঁ। কিন্তু সৰ্বসাধাৰণৰ ই এটা প্ৰিয় বস্তু নহয়।

নতুন বৰা চাউলৰ কেঁচা বাঁহৰ চুঙাত সিজোৱা 'চুঙাচাউল'ৰ দৰে এক জলপান বিৰল। গাখীৰ গুৰ চেনি দি নাইবা ধনীয়া পাত পিয়াজ দি ভজা কণীৰ লগত ই এক অতি সুস্বাদু জলপান। এই চুঙা যেই কোনো সময়তে খাব পাৰি। যি এই চুঙা চাউল খাই পোৱা নাই তেওঁ বৰ ভাল খোৱা বস্তু এটাৰ পৰা বঞ্চিত হৈছে বুলি ডাঠি ক'ব পাৰি। চুঙা চাউলৰ দৰে চুঙা পিঠাও এক বঢ়িয়া জলপান। ঢেকেলীৰ মুখত ভাপত সিজোৱা ঢেকেলী পিঠাও বহুতে খায়। ইও বৰ বঢ়িয়া। এইবোৰ বস্তু আচলতে নিজে নেখালে তাৰ সোৱাদ বুজি পোৱা টান।

ভোগালী বিহুৰ সময়ৰ খোৱা বস্তু আৰু বৰাচাউলৰ পৰা বনোৱা নানা জলপানৰ কথা কোৱাৰ লগতে আৰু এটা বস্তুৰ কথা উল্লেখ নকৰিলে কথাখিনি অসম্পূৰ্ণ হৈ থাকিব। সেইটো হ'ল সাজপানী। ই ৰাগিয়াল বস্তু যদিও উজনি অসমৰ গাঁৱৰ জীৱনত এটা উল্লেখযোগ্য বস্তু। নেখাওঁ বুলি বা আনৰ আগত লুকাই ৰাখিবৰ চেষ্টা নকৰাই ভাল। বৰা চাউলৰ পৰাই সাজ বনোৱা হয়। অসমৰে নানা সম্প্ৰদায়ে তাক বেলেগ বেলেগ ধৰণেৰে বনায়। মূল নিয়ম একেই। ইয়াক বনাবলৈ ইষ্ট (Yeast) ব্যৱহাৰ কৰা হয়। আমাৰ মিচিং সম্প্ৰদায়ে ছাইও লগতে ব্যৱহাৰ কৰে।

প্ৰত্যেক অসমীয়া জনজাতি আৰু চাহ বাগানৰ ভাই সকলে অলপ অচৰপ সালসলনি কৰি এই বস্তুটো বনায় আৰু খায়। সোৱাদৰ অলপ ইফাল সিফাল হয়। মেঘালয়ৰ গাৰো সকলেও বনায় আৰু তাৰ নাম হ'ল 'বিচি'। অৰুণাচলৰ 'আদি' সকলে ইয়াক 'আপং' আৰু নগা সকলে 'ৰহি' বুলি কয়। বৰা চাউলৰ বাহিৰেও অন্য চাউলৰ

ডাঙৰ চেনি পুঠি পেটু কাঢ়ি বাকলি নুগুচোৱাকৈ তেলত কম জুইত মচ্মচীয়াকৈ ভাজি তপত ভাতৰ লগত খাবলৈ বৰ ভাল, সেই দৰেই ভাল ডাঙৰ শিঙৰা মাছৰ সৰিয়হৰ চৰ্চৰী। ধনীয়াপাত আৰু কেঁচা জলকীয়া দিবলৈ পাহৰিলেই গ'ল!

◆

জলফাই আৰু আলু গুটি পুৰি পিটিকা কৰিও খাব পাৰি, খাবলৈ সোৱাদ হয়।

পৰাও হয়। ১৯৭৯ চনত এখন বিশ্ব স্ত্ৰীৰোগ বিশেষজ্ঞ সকলৰ সভাত যোগদান কৰিবলৈ গৈ টকিঅ'ৰ ডাঙৰ সৰু ৰেষ্টোৰেন্টত এই চাউলৰ পৰা তৈয়াৰী সাজ দেখিছিলো। তাৰ নাম 'চাকী'। সোৱাদটো একেবাৰে একে; কিন্তু তেওঁলোকে ইয়াক শোধন কৰি বাণিজ্যিক বজাৰত বেচে। তাৰে আকৌ চেঁচা আৰু গৰম দুই ধৰণৰ। জাপানী সকলৰ ব্যৱসায়ী বুদ্ধি অতি বেছি।

ভাত পৃথিৱীৰ বহুত ঠাইতে প্ৰধান খাদ্য। দক্ষিণ এচিয়া, দক্ষিণ পূব এচিয়া, চীন জাপান সকলোতে ভাতেই আচল খাদ্য যদিও তাক বেলেগ বেলেগ ধৰণেৰে ৰন্ধা হয়। অসমীয়া মানুহৰো ভাতেই আচল খাদ্য। ৰুটিও আজিকালি অসমীয়া মানুহে খায়। আজি কিছু বছৰৰ পৰা গাঁৱৰ মানুহে ৰুটি খায় আৰু খাবলৈ ভালো পায়। আমি পুৰণি গাওঁত ডাঙৰ হোৱা মানুহৰ কাৰণে কথাটো অলপ কেনেবা কেনেবা লাগে। কেতিয়াবা কেতিয়াবা হোৱা চাউলৰ অভাৱ আৰু চাউলৰ সৰ্লনি চৰকাৰে দিয়া আতা এইবোৰৰ কাৰণেই অসমীয়া ৰাইজৰ ৰুটি প্ৰীতিৰ কাৰণ বুলি মই ভাবো। গাঁৱে ভূঞে আলিবাটৰ দাঁতিত হোৱা পাঞ্জাবী ধাবাবোৰৰো কিছু প্ৰভাব আছে।

ভাত নানান চাউলৰ হ'ব পাৰে। যাৰ চাউলৰ অভাৱ তাৰ কোনো উপায় নাই। আমাৰ জহা গোন্ধোৱা চাউল বিখ্যাত। কণ জহা কুণকুণি জহা ক'লা জহাৰ নিচিনা চাউল এসময়ত নাছিল। কিন্তু আজিকালি জহা চাউলৰ সেই মলমলাই থকা গোন্ধটো নাই। নংপোত পোৱা জহা কোমোৰাৰহে সেই গোন্ধটো বেছি। আমাৰ লাহি চাউল আজিকালিৰ আইজুং চাউলতকৈ যথেষ্ট ভাল। উত্তৰ ভাৰতৰ বাচমতিৰ বাহিৰেও আজিকালি নানা ধৰণৰ চাউল ওলাইছে।

আমাৰ উখোৱা চাউল (লাহিৰ উখোৱা) অতি ভাল আৰু সোৱাদ চাউল। বহুতে উখোৱা চাউল ভাল নাপায়। কিন্তু পশ্চিমবংগ, ওপৰ অসম, শ্ৰীলংকা, চীনদেশ, থাইলেন্ড ইত্যাদিত উখোৱা চাউল অতি প্ৰিয়। কলিকতাৰ বঙালী মানুহে উখোৱা চাউলৰ বাহিৰে অন্য চাউলৰ কথাই ভাবিব নোৱাৰে। উখোৱা চাউলটো কেতিয়াও প্ৰেচাৰ কুকাৰত ৰান্ধিব নালাগে, খুব বেছি কোমল কৰি সিজালে ইয়াৰ সোৱাদেই নষ্ট হয়।

উখোৱা চাউলৰ ভাতটো প্ৰায় ১২ ইঞ্চিৰ ওপৰৰ পৰা পেলাই দিলে চাব ই প্ৰায় জঁপিয়াই ৮/১০ ইঞ্চি দূৰত পৰেগৈ। কেতিয়াবা এইটো চাইছেনে? মই চাইছিলো। সেই কাৰণে ইয়াৰ নাম 'জঁপিওৱা চাউল' (Jumping Rice) দিছিলো। কিন্তু IR8ৰ দৰে এটা বৈজ্ঞানিক নাম দিবৰ বাবে উখোৱা চাউলৰ নাম দিছিলো JRIA।

বাৰ্মিংহামৰ এজন ইংৰাজ ডাক্তৰ বিশ্ব স্বাস্থ্য সংস্থাৰ হৈ গুৱাহাটী মেডিকেল কলেজলৈ আহিছিল। তেওঁক মই সন্ধিয়া খাবলৈ মোৰ ঘৰলৈ মাতিছিলো। অন্যান্য বস্তুৰ ভিতৰতে এই উখোৱা চাউলৰ ভাত তেওঁ দিছিলো। তেওঁ বৰ তৃপ্তিৰে ভাতখিনি খালে আৰু যাবৰ সময়ত ঘৰলৈ বুলি পাঁচ কিলো চাউলো লৈ গ'ল। তেওঁ বোলে শ্ৰীলংকাত থাকোতে সদায় এই চাউলেই খাইছিল। জহাৰ উখোৱা চাউলটো বৰ ভাল। চীন দেশত উখোৱা চাউলৰ ফ্ৰাইদ ৰাইচ বনায়। ভাতবোৰ অতি সহজে এটা এটাকৈ ৰাখিব পাৰি।

বৰা চাউলৰ ভাপত সিজোৱা ভাত যাক 'বৰা ভাত' বুলিয়েই কোৱা হয় অতি সুস্বাদু। উজনি অসমত মৰমৰ আলহী আহিলে গাঁৱত প্ৰায়ে এই ভাত ৰান্ধে। লগতে হাঁহ পাৰ বা কুকুৰাৰ মঙহ খেতি উঠাৰ পিছত দিনকেইটাত মানে জাৰৰ দিনত এই ভাত বেছিকৈ খোৱা হয়। ইয়াৰ লগত মাটি মাহৰ দাইলো বৰ চলে।

ভাতৰ কথা লিখি কৰকৰা আৰু পঁয়তা ভাতৰ কথা নিলিখি থাকিব নোৱাৰি। তপত ধোঁৱা ওলোৱা ভাত সকলোৱে ভাল পায়। কিন্তু কৰকৰা ভাতৰো বিশেষকৈ গৰম দিনত এটা বেলেগ সোৱাদ আছে। লগতে মাছ পোৰা নাইবা কণী ভজা, কেঁচা পিয়াজ আৰু কেঁচা জলকীয়া। গৰম দিনত পঁয়তা ভাতৰ নিচিনা বস্তু নাই। পঁয়তা ভাত, মাছ পোৰা, খৰিছাৰে সৈতে মাছৰ শুকান ভজা, কণী ভাজা, খাৰলি কেঁচা জলকীয়াৰ কথা ভাবিলে মুখৰ পানীয়েই পৰে। বঙালী সকলেও পঁয়তা ভাত খুব খায় – নাম কেৱল 'পানতা' ভাত। পঁয়তা ভাতৰ লগত আলু আৰু কচুগুটি পোৰা, অলপ সৰিয়হৰ তেল পিয়াজ কেঁচা জলকীয়া এটা বৰ ভাল Combination।

কেইবা ঠাইতো কেঁচা জলকীয়াৰ কথা উল্লেখ কৰি আহিছো। বহুতে জলকীয়া খাব নোৱাৰে। কিন্তু যি জলকীয়া খায় আৰু খাব পাৰে তেওঁ জলকীয়া নহলে খাব নোৱাৰে। মই কেঁচা জলকীয়াটো অসমীয়া খাদ্যৰ অপৰিহাৰ্য বস্তু বুলি ভাবো।

জলকীয়া পৃথিৱীৰ বহুত মানুহে খায়। ভাৰতবৰ্ষ, পাকিস্তান, শ্ৰীলংকাতো জলকীয়া কমবেছি পৰিমাণে সকলোৱে খায়েই। মই আচৰিত হলো অন্যান্য কিছুমান ঠাইতো মানুহে জলকীয়া খায়। মেক্সিকোত মানুহে ইমান জলকীয়া খায় নিজ চকুৰে নেদেখিলে বিশ্বাস কৰা টান। তাত মানুহে ৰাতিপুৱা ব্ৰেকফাষ্টতো জলকীয়া খায়। প্ৰায় প্ৰত্যেকটো মেক্সিকান আঞ্জা বা ৰন্ধা বস্তুতে জলকীয়া। মোৰ এজন মেক্সিকান ডাক্তৰ বন্ধুৰ লগত এদিন কলিকতাৰ পৰা দিল্লীলৈ বিমান যোগে ভ্ৰমণত ৰাতিপুৱা ব্ৰেকফাষ্ট দিছিল – কণী ভজা ইত্যাদি। মোৰ বন্ধুৱে মোক সুধিলে জলকীয়া পাব পাৰি নেকি? মই এয়াৰ হষ্টেচক মাতিলো 'কেঁচা জলকীয়া বা যেই কোনো জলকীয়া দুটা মান দিব পাৰিবনে?'

মই আচৰিত হৈ গলো এয়াৰ হষ্টেচ গৰাকীয়ে ক'ৰপৰা ক'ব নোৱাৰো জলকীয়াৰ আচাৰ উলিয়াই দিলে। আমি দুয়ো বৰ তৃপ্তিৰে ব্ৰেকফাষ্ট খালো। ময়ো বৰ জলকীয়া খাওঁ।

অন্য ঠাইৰ দৰে অসমতো নানা ধৰণৰ জলকীয়া হয়। সেউজীয়া, ক'লা, ওপৰলৈ মুখ কৰা সূৰ্যমুখী জলকীয়া। দীঘল দীঘল জলকীয়া, কিছুমান গোল আকাৰৰ। ধানজলকীয়া বা মেমজলকীয়াবোৰ সৰু আৰু বৰ জলা। ওপৰলৈ মুখ কৰা জলকীয়াবোৰ ক'লা বা সেউজীয়াবোৰো বেচ জলা। জলকীয়াটো অকণমান হলেও নহয় জলকীয়া ভাল পোৱা মানুহে কেঁচা জলকীয়াটোত কামোৰ মাৰোতে এটা 'কৰক' কৰি শব্দ উঠা জলকীয়াটোহে ভাল পায়। মোৰ বন্ধু ডাঃ সুধেন্দু দাসগুপ্তই এই শব্দ নকৰা জলকীয়া নেখায়েই। কেৰেলাটোৰ নিচিনা দেখিবলৈ ৰঙা বিহ জলকীয়া অসম্ভৱ জলা। তাৰে অকণমান খোৱাই টান। ধানজলকীয়া আৰু এই বিহজলকীয়াৰ কেৱল মিঠাতেলৰ আচাৰ বহুত দিনলৈ থাকে। কৰকৰা আৰু পঁয়তা ভাত আৰু যেইকোনো পিতিকাৰ লগত বৰ জমে।

জলকীয়া পৃথিৱীত বহুত মানুহে খাই বুলি আগতে কৈ আহিছো। ১৯৭১ চনত পেন আমেৰিকান এয়াৰৱেইজৰ সৌজন্যত নিউয়ৰ্কলৈ যাওঁতে ফ্ৰেংকফাৰ্টৰ পৰা বেলগ্ৰেডলৈ গৈছিলো – মোৰ এজন বন্ধুৰ ঘৰলৈ। পিছদিনা দুপৰীয়া ইফালে সিফালে



ফুৰি মোৰ বন্ধুৰ জীয়েক মিমাই মোক লৈ গ'ল এখন ৰেষ্টোৰাঁলৈ – দুপৰীয়া ভোজনৰ বাবে। খাবলৈ বহি ইফালে সিফালে চাই দেখো টেবুলত চালাদ আদিৰ লগত কেঁচা জলকীয়া। 'তোমালোকে জলকীয়া খোৱা নেকি?' মিমাক সুধিলো। 'আমি নাখাওঁ। কিন্তু এইখন ৰুমানিয়ান ৰেষ্টোৰেন্ট। তেওঁলোকে জলকীয়া খায়।' মইতো শুনি আচৰিত।

চীন দেশলৈ মই কেতিয়াও যোৱা নাই। কিন্তু মই জানো তাৰো কিছুমান ঠাইত মানুহে জলকীয়া খায়। চাইনিজ চিলি চচৰ কথা আমি সকলোৱে জানো। ই এক কেঁচা জলকীয়াৰ চচ্। যেইকোনো ভজা বস্তুৰ লগতে খাব পাৰি। ভিনেগাৰত কেঁচা জলকীয়া প্ৰত্যেক চীনা আহাৰৰ লগতে দিয়া হয়। ১৯৭৫ চনত থাইলেন্ডৰ বেংককৰ হোটেলত প্ৰথম খাবলৈ বহি দেখো টেবুলত আন বস্তুৰ লগতে সৰু সৰু দীঘল কেঁচা জলকীয়া। কামোৰ এটা মাৰি চাওঁ বেছ জলা। প্ৰায় আমাৰ মেম জলকীয়াৰ দৰে। ইফালে সিফালে চাই কোনেও নেদেখাকৈ জলকীয়া কেইটামান কোটৰ ভিতৰৰ পকেটত ভৰালো। এতিয়াও আমাৰ ঘৰত বেংককৰ জলকীয়াৰ সচ্ আছে। পিটিকা এটা অসমীয়া আহাৰৰ বৰ প্ৰিয় বস্তু। ভালেমান বস্তুৰ পিটিকা কৰি খোৱা হয় যেনে আলু সিজোৱা নাইবা পোৰা, কঠাল গুটি পোৰা, বেঙেনা পোৰা কচু গুটি সিজোৱা কাঁচকল তিতা ভেকুৰী ইত্যাদি। পিটিকাত পিয়াজ কেঁচা জলকীয়া আৰু অলপ সৰিয়হ তেল মিলালে সোৱাদ হয়। কচুৰ ঠোৰ পাতত দিও ভাল পিটিকা হয়। এডলীয়া কচুৰ পিটিকা অতি ভাল। বিলাহী জুইত পুৰিও বঢ়িয়া পিটিকা খাব পাৰি। আলু কণী সিজাই বনোৱা পিটিকা অতি সোৱাদ লগা। তাতে অলপ ধনীয়া মিলাই দিলেতো কথাই নাই। কচু পিটিকাত সৰিয়হ বটা দিলেও খাবলৈ ভাল হয়।

অকল দাইল আৰু পিটিকাৰেই ভালকৈ ভাত এসাজ খাব পাৰি। পোৰা মাছৰ পিটিকাত অলপ নেমুটেঙা চেপি দিলে খাবলৈ বৰ জুতি লগা হয়। মাগুৰ গৰৈ মাছ খৰিকাত দি পুৰি তাত পিয়াজ জলকীয়া আৰু অলপ নেমুটেঙা দি খোৱা মোৰ বৰ প্ৰিয়।

মোৰ এজন ইংৰাজ বন্ধুৰ পুতেক কিছু বছৰৰ আগত গুৱাহাটীলৈ ফুৰিবলৈ আহিছিল। বয়স তাৰ তেতিয়া ১৯/২০ বছৰমান। অসমীয়া খোৱা খাবৰ তাৰ বৰ ইচ্ছা। অন্যান্য বস্তুৰ লগতে মই তিতা কেৰেলা পিটিকা মাগুৰ মাছৰ পিটিকা আদি খুৱাইছিলো। সি খুব তৃপ্তিৰে খালে। আজিকালি সি লণ্ডনত এখন হস্পিতেলত ডাঙৰ ডাক্তৰ। পাঁচ বছৰমান আগতে মই লণ্ডনত সিহঁতৰ ঘৰত আলহী আছিলো। তাৰ দেউতাক মোৰ দৰে স্ত্ৰীৰোগ বিশেষজ্ঞ আৰু মোৰ বহুত পুৰণি বন্ধু। এদিন সন্ধিয়া তেওঁলোকে মোক তিতা কেৰেলা পিটিকা খুৱালে। ক'লে 'পলে তোমাৰ তাত খাই আহি সুবিধা হলেই মাছ পিটিকা তিতা কেৰেলা পিটিকা নিজে বনায় আৰু খায়।

তিতা কেৰেলা ভাত কেৰেলা আলুৰে সৈতে পিটিকা গৰমৰ দিনৰ এক সাধাৰণতে খোৱা বস্তু। বৰ স্সোৱাদ। কাহুদী খাৰলি পানীটেঙা বা বেহুৱা এইবোৰ আমাৰ নিজস্ব বস্তু। ভাল সৰিয়হৰ পৰা বনোৱা এইখিনি বস্তু আমাৰ অতি মৰমৰ, সৰিয়হ আৰু চকলীয়া আমেৰে বনোৱা শুকান কাহুদী আজিকালি বহুতেই খোৱা নাই। আজিকালি সহজলভ্য নোহোৱা বাবে ডেকা চামে ইয়াৰ সোৱাদ বিচাৰি নাপাবও পাৰে। সৰিয়হটো ভাল হলে নাকত খুব ধৰে।

খাৰ আমাৰ জাতীয় আৰু প্ৰিয় খাদ্য। ভালেমান বস্তুৰে খাৰ খাব পাৰি যেনে অমিতা, জাতিলাও, বুতমাহ, মুগমাহ, বন্ধাকবি, লাইশাক, মাটিমাহ, তিতাফুল, শোকোতা ইত্যাদি। মাছৰো খাৰ বহুতে খায়। মই ভালেমান দিনলৈকে নাজানিছিলো গাৰো সকলেও খাৰ খায়। তেওঁলোকে আমাতকৈ বহুত বেছি খাৰ খায়। তেওঁলোকে প্ৰায় সকলো বস্তুৰে খাৰ খায় আৰু প্ৰত্যেকটো সাজতে খায়। তেওঁলোকে খাৰ খায় মাছ, সকলোৰকম মাংস, শাক পাচলি ইত্যাদিৰ। লগতে অলপ চাউলৰ গুৰি দিয়ে। কিন্তু তেওঁলোকে খাৰৰ লগত অসম্ভৱ জলকীয়া খায়। তেওঁলোকৰ এক বৰ প্ৰিয় খাৰৰ তৰকাৰী হ'ল ছাগলীৰ নাই ভুৰু, ৰঙা লাউৰ আগ, চাউলৰ গুৰি, কেঁচাজলকীয়া দি ৰন্ধা। খাবলৈ সঁচাকৈয়ে ভাল।

আঠীয়াকলৰ বাকলিৰ পুৰি বনোৱা খাৰ আমাৰ সাধাৰণতে ব্যৱহাৰ হয়। কিন্তু বজাৰৰ চডিবাইকাৰ্বো বেয়া নহয়।

খাৰৰ লগতেই আৰু সমানে জনপ্ৰিয় অসমীয়া আঞ্জা হ'ল টেঙা। কিহৰনো টেঙা খাব নোৱাৰি। টেঙাৰ আঞ্জাখন নহলে বিশেষকৈ গৰম দিনত বহুতৰ খোৱাই অসম্পূৰ্ণ। টেঙাৰ আঞ্জা সদায় ঘৰত খোৱাৰ উপৰিও বিয়া সবাহ ভোজে ভাতে সকলোতে সমানে খোৱা হয়। সকলোৱে খাই অতি তৃপ্তিও পায়।

টেঙা নানা ধৰণৰ হ'ব পাৰে। সাধাৰণ নেমু টেঙা, বিলাহী, সৰু সৰু বিলাহী, থেকেৰা! কুজি থেকেৰা পকা বগৰি টেঙা মৰাৰ ফুল বা পাত টেঙাত ব্যৱহাৰ কৰিব পাৰি। টেঙাত ধনীয়াপাত দিলে খাবলৈ বৰ ভাল হয়।

খৰিছাৰ কথা এইখিনিতে উল্লেখ নকৰিলে বৰ বেয়া হ'ব। খৰিছাৰ নিচিনা সুস্বাদু বস্তু নাই! কিন্তু দুঃখৰ বিষয় ই আমাৰ বাপতি সাহোন নহয়। বহুত জাতিয়েই খৰিছা খায় আৰু দুঃখৰ বিষয় আমাতকৈ বেছিকৈ খায়। এবাৰ অৰুণাচললৈ গৈছিলো – নাহৰলগনত মোৰ কেইজমান পুৰণা ছাত্ৰ আছে যি মোক বৰ মৰম কৰে। তেওঁলোকৰ নিমন্ত্ৰণতে তালৈ যোৱা। সন্ধিয়া এজনৰ ঘৰত খোৱা ঠিক হ'ল।

মই তেওঁলোকৰ নিজৰ আদি খোৱা ৰান্ধিবলৈ কলো। অন্যান্য বস্তুৰ লগতে খৰিছা মুৰ্গী মাংসৰ আৰু মাছৰ সৈতে ৰন্ধা অতি বঢ়িয়া আঞ্জা দুখন খালো।

খৰিছা মাছৰ টেঙা আমি খাওঁ। খৰিছাৰ লগত শুকানকৈ ভজা যিকোনো মাছ বিশেষকৈ মাগুৰ-শিঙৰা মাছ বৰ ভাল। খৰিছাৰ মাছৰ জোলো বৰ বঢ়িয়া। খৰিছা জলকীয়া মিলাই ভাল আচাৰো হয়। ভলুকা বাঁহৰ গাজৰ খৰিছাই বৰ ভাল বুলি জানো। খৰিছাটো পকা – মানে পুৰণি হ'ব লাগে।

কেঁচা বাঁহ গাজো গোল গোল কৰি কাটি দাইলৰ লগত খাবলৈ ভাল। বাঁহ গাজ এনেই ভাজিও খাব পাৰি। কিন্তু বাঁহ গাজ কাতি মাহৰ হাঁহৰ লগত খাবলৈ বৰ ভাল। বাঁহ গাজ চীনা সকলে খুব ব্যৱহাৰ কৰে। খাচী গাৰো মণিপুৰ অৰুণাচলতো খুব বাঁহ গাজ খায়। কবলৈ গলে বাঁহ গাজ গোটেই দক্ষিণপূব এচিয়াতে এক অতি প্ৰিয় খাদ্য বস্তু। গাহৰিৰ মাংসৰ লগত গাজ প্ৰায় সকলোৱেই খায়।

শাক পাচলিৰ কথালৈ আহিলে বেলেগ বেলেগ বতৰত বেলেগ শাক পাচলি পোৱা যায়। এই শাক পাচলিও অসমীয়া মানুহে যথেষ্ট খায়। জাৰকালি লাই, পালেং, চুকা, লফা দোৰোণ, খুতৰা, মৰিছা আদি নানা শাক হয়। গোবৰ সাৰ দি কৰিলে এই শাকবোৰ সোৱাদ হয়। লগতে ধনীয়াপাত

বিলাহী ডাঙৰ ডাঙৰ বেঙেনাটো আছেই।

লাইশাক ভাজি খাব পাৰি। তাৰে ভিতৰত মেৰ লাই – যিটো প্ৰায় তিনি চাৰি ফুট ওখ হয় বৰ সোৱাদ। এই ডাঙৰ লাইবোৰ কটাৰীৰে নাকাটি হাতেৰে মোহাৰিলেহে তাৰ জুটিটো বেছি উঠে। লাইৰ খাৰো ভাল।লাইৰ লগত হাঁহ পাৰ মাংস বৰ সোৱাদ। গাহৰি মাংসৰ লগতো লাই বহুতে খায়। মেৰ লাই মই নামনি অসমত দেখা নাই।

পালেং শাকৰ জোল বিলাহী দি টেঙা লগতে মাছ আমাৰ অতি প্ৰিয় আঞ্জা। শুকান থেকেৰা দিও টেঙা খাব পাৰি। টেঙা মৰা দিও সোৱাদ টেঙা আঞ্জা খাব পাৰি। ৰৌৰ পৰা আৰম্ভ কৰি মাগুৰ, গৰৈ ৰামিমাছ সকলোৰে পালেঙৰ জোলত খাবলৈ ভাল।

চুকা শাকৰ টেঙাও মাছেৰে সৈতে বৰ সোৱাদ হয়। লফা শাকটো বিশেষকৈ উজনি অসমত হয়। লফাৰ মাছৰ জোল অতি সোৱাদ। লফা পালেং দুয়োটা একেলগেও ৰান্ধি খাব পাৰি। বাৰীৰ চুকত হোৱা সৰু সৰু পকা বিলাহী দি শাকৰ টেঙা জোল খাবলৈ বৰ ভাল।

খুতৰা শাক, দোৰন শাক ভাজিলে বৰ সোৱাদ হয়। খুতৰা শাকৰ মাছৰ জোলো বৰ ভাল হয় বিশেষকৈ মাগুৰ, ডাঙৰ শিঙি বা বামি মাছৰ লগত। দোৰোন শাকৰ খাৰো খাব পাৰি। জিলমিলি শাক ভজা ভাত ৰুটি সকলোৰে লগতে চলে। হাঁহ কণীৰ লগত ভাজিলেও খাবলৈ ভাল হয়। সেইদৰে সৰিয়হ শাকৰ ভজাও বৰ সোৱাদ, ৰঙালাও ফুলৰ কণীৰে সৈতে ভজা সাজৰ লগত বিহুত প্ৰায়ে খোৱা হয়। কৰকৰা আৰু পঁয়তা ভাতৰ লগতো জুতি লগাই খাব পাৰি। প্ৰায় সকলো শাকৰ লগতে কুঁচিয়াও খাবলৈ ভাল।

গৰমৰ দিনত কলপচলা নাখালে ভালেই নালাগে। আঠীয়া কলৰ পচলাৰ খাৰ এক লোভনীয় আঞ্জা। পচলা ভাজিও খাব পাৰি পিয়াজ জলকীয়া দি।

পচলাৰ খাৰত দুটামান মচুৰ দাইল দিলে আৰু সোৱাদ হয়।

কলৰ দিল সিও আঠীয়া নাইবা মনোহৰ কল প্ৰায় গোটেই বছৰেই পোৱা হয় এই কলদিলভাজি খাবলৈ বৰ ভাল. কলদিলৰ লগত নাৰিকল গুৰি আৰু সৰু মিছা মাছ দি ভজা এবাৰ খালে আৰু খাবৰ মন যায়।

কাঁচকল তেলত ভাজি খাবলৈ বৰ সোৱাদ। কাঁচকল শিঙিমাছৰ লগত ৰান্ধি পেটৰ অসুখত মানুহে খায়। ধনীয়াপাত পিয়াজ জলকীয়া ধনীয়া পাত দি কাচকলৰ বৰ ভাজিও চাহ বা ভাতৰ লগত খোৱা হয়।

ঢেকীয়া শাক বাৰিষাকালত য'তে ত'তে হয়। ঢেকীয়াৰ নিচিনা ভাজি খাবলৈ ইমান সোৱাদ শাক পোৱা টান। কলিকতাৰ বঙালী মানুহেও ঢেকীয়া শাক খাবলৈ বৰ ভাল পায়। কিন্তু তাত ঢেকীয়া বজাৰত নোলায়। গুৱাহাটীৰ পৰা বইং এয়াৰ ক্ৰাফটত মইয়ে কলিকতাৰ দুই এজন বন্ধুলৈ ঢেকীয়া পঠিয়াওঁ। ঢেকীয়াৰ টেঙাও খাব পাৰি। বহুতে খাৰো খায়।

ভেদাই লতা মচুন্দৰী আদি পেটৰ অসুখত দৰব হিচাপেই খোৱা হয়। ভেদাই লতাৰ মাগুৰ শিঙিৰ মাছৰ জোল পেট চোৰেলি বোৱাৰ মানুহেও গা ভাল পায়।

এইদৰে নিজৰ পৰা হোৱা আমাৰ কচুৰ ঠোৰৰ বিষয়ে দু-আষাৰ নকলে সকলো অসম্পূৰ্ণ হৈ থাকিব। কচু শাক মোৰ বৰ প্ৰিয়। কাৰণ সৰুৰে পৰা খাই আছো। এতিয়াও গুৱাহাটীৰ বেলতলা আৰু কাছাৰী বজাৰত কচুশাক বিচাৰি যাওঁ। গাঁৱলৈ গলে যেই কোনো উপায়ে বিচাৰি খাওঁৱেই।

কচু শাকৰ লগত বিলাহী, নেমু নাইবা থেকেৰা দি মাছৰ টেঙা – আজিলৈকে যি খোৱা নাই তেওঁ কোনো অসমীয়া বস্তুৱেই খোৱা নাই। সৰু বিলাহীটোও কচুৰ লগত বৰ চলে। কচু ঠোৰৰ ডাঙৰ মাগুৰ বা শ'লমাছৰ টেঙা (বৰালী বা আৰি হ'লেও হ'ব) অতি খাব লগীয়া বস্তু।

টেঙা নিদি জালুক দিলেও কচু শাকৰ বৰ বঢ়িয়া সোৱাদ হয়।

খোৱাৰ কথা ইমান লিখি থাকিব নোৱাৰি। কাৰণ লিখি থাকিলে মুখেৰে পানী পৰিবলৈ ধৰে।

বেঙেনা খাবলৈ বৰ ভাল। বেঙেনা অসমৰ সকলো ঠাইতে সমানে নহ'য়। বেঙেনা বৰ ডাঙৰ, গোল, দীঘলীয়া আৰু বাৰ মাহে হৈ থকা সৰু-দীঘলীয়া বেঙেনা –আটাইকেইটা ভাল আৰু বেলেগ সোৱাদ। বেঙেনা পুৰি পিটিকা কৰি খাবলৈ বৰ সোৱাদ। বিশেষকৈ বৰ বেঙেনাবোৰ। বেঙেনা ভাজি সকলোৱে খায়। বেঙেনাৰ লগত ডৰিক চৰাইৰ মাংস অতি সোৱাদ বুলি জনাজাত, কিন্তু ডৰিক চৰাই এতিয়া পায় ক'ত। হাবি থকা ঠাইত ওলাবও পাৰে। বেঙেনা পুৰি তাৰ লগত শ'ল মাছ সৰু টুকুৰা কৈ কাটি ভাজি ভাল আঞ্জা হয়। কুঁচিয়া মাছো বেঙেনাৰ লগত জালুক দি ৰান্ধিলে খাবলৈ বৰ জুতি লাগে। বেঙেনা ফুলকবি আলু উৰাহি আদি একেলগে মিলাই বনোৱা ভাজিখনো বৰ সোৱাদ।

ফুল কবি, বন্ধা কবি, ওল কবি, চালগোম, মূলা ইত্যাদি সকলোৱেই খায় প্ৰায় পৃথিৱী জুৰি। ভাজি খোৱাৰ বাহিৰেও ফুল কবিৰ মাছৰ জোল, বন্ধা কবিৰ খাৰ ইত্যাদি অসমীয়া আঞ্জা বুলিব পাৰি। মূলাৰ লগত শ'ল মাছৰ জোল উল্লেখযোগ্য। এই সকলোবোৰতে ধনীয়া পাত দিলে সোৱাদ বাঢ়ে।

ভোল জিকা আদিৰ মাছৰ জোল নাইবা খাৰো ভাল খাবলৈ। ভেন্দি ভজা এক অতি সুস্বাদু আঞ্জা। ভেন্দি সিজাইও খাব পাৰি। গাৰো সকলে মাংসত ভেন্দি দি খাৰ ৰান্ধি খায়। খাবলৈ বৰ ভাল হয়। ভোলৰ ভিতৰত জহাভোল বৰ সোৱাদ।

তিতা বস্তু সকলোৱে নাখায়। কিন্তু অসমীয়া মানুহৰ ই এটা অতি প্ৰিয় খাদ্য। তিতা কেৰেলা আলুৰে পিয়াজ জলকীয়া অলপ মিঠা তেল দি বনোৱা ভালেমানখিনি খাব পাৰি। তিতা কেৰেলাৰ ভজাও ভাল। বেত গাজ উজনি অসমত খুব খায়। কিন্তু আজিকালি কম ওলায়। বজাৰত ওলালেও মানুহে থপিয়া থপি লগায়। বেত গাজ খোৱাঙত আগতে বৰকৈ ওলাইছিল। আজিকালি নাই। নামনি অসমত মানুহে বেত গাজ নেখায়। বেত গাজ পুৰিও খাব পাৰি। সৰু সৰুকৈ কাটি ভাজি খাবলৈও'বৰ সোৱাদ। তিতা ফুল কলিৰ লগত ভাজিলে খাবলৈ বৰ ভাল হয়। শুকান তিতা ফুলৰ খাৰো বহুতে খায়। তিতাৰ ভিতৰত নিমপাত ভজাও বেছ জনপ্ৰিয়। নিমপাত বেঙেনাৰ লগত ভাজি খাবলৈও ভাল। তিতা মৰাও ভাজি নাইবা খাৰ খাব পাৰি। শোকোতা মানে শুকান তিতা মৰাৰ পাতৰ খাৰ অন্য এক বঢ়িয়া আঞ্জা। পুৰণি অসমীয়া মানুহৰ এইবোৰ আঞ্জালৈ নিশ্চয় মনত পৰে।

শেৱালি ফুলৰ কুমলীয়া পাতৰ বৰ ভাজি খাবলৈ ভাল। সেই দৰে কাঁচ কলৰ আৰু মাটি মাহৰ বৰ ভাজিও অতি জনপ্ৰিয়।

দহীকচুৰ পাতৰ ঠাৰিৰ ভজা নাইবা খাৰ ভাল তৰকাৰী। পাৰ মাংসৰ লগতো খাব পাৰি। বগৰী গুৰিৰ লগত ৰন্ধা মাছৰ আঞ্জা বৰ সোৱাদ। সেই দৰে কৰদৈৰ লগতো সৰু মাছ খোৱা হয়। মাছ নিদিয়াকৈও কৰদৈ আৰু সৰিয়হৰ তৰকাৰী নামনি অসমত খোৱা হয়। সেই দৰে ওল কচু আৰু মান কচুৰো খাৰ খায়। মাছ, পালেং, ৰঙালাউ উৰহি বেঙেনা পিয়াজ আদা নহৰু ধনীয়া পাত মাছৰ খাৰলীও এখন সোৱাদ আঞ্জা। নামনি অসমত লাই শাকৰ মাছৰ জোল ৰান্ধি খোৱা হয়। ঔটেঙা থেতেলি সিজাই চাউলৰ গুৰি দি ৰন্ধা তৰকাৰীও গৰম ভাতৰ লগত বৰ বঢ়িয়া। গুটি কচুৰ খাৰো খাব পাৰি। পুৰৈ শাক ভাজি খাবলৈ ভাল। পুৰৈৰ খাৰো বেয়া নহয়। কাঠ আলুৰ লগত মাছৰ তৰকাৰীও সোৱাদ হয়। আন এটা বস্তু হ'ল চুণী শাকৰ লগত কানি ভজা। সৰিয়হ দি চজিনাৰ তৰকাৰী গোটেই অসমতে খোৱা হয়। কেঁচা কঠালৰ তৰকাৰীও ভাল দৰে মছলা দি ৰান্ধিলে মাংসৰ দৰে সোৱাদ হয়। বঙালী সকলে ইয়াক 'গাছপাঠা' বুলি কয়। পানীত হোৱা কলমৌ শাক ভাজি খাবলৈ ভাল।

আলু সকলো সময়তে খোৱা বস্তু। ভাজি সিজাই মাছ মাংস অন্যান্য তৰকাৰীৰ লগত মিলাই আলু খোৱা হয়। আলু পুৰি পিটিকা কৰিলে তাৰ সোৱাদ বেলেগ। জলফাই আৰু আলুগুটি পুৰি পিটিকা কৰিও খাব পাৰি। খাবলৈ সোৱাদ হয়। আলু সিজাই কণীৰ লগত পিটিকা লগতে পিয়াজ জলকীয়া আৰু ভাল সৰিয়হৰ তেল দি কৰা পিটিকাৰ কথা ভাবিলে মুখৰ পানী পৰে। আমাৰ সৰু সৰু অসমীয়া আলুবোৰ বাকলিৰ সৈতে ভাজি খাবলৈ বৰ বঢ়িয়া। আলু আচলতে বাকলি নুগুচোৱাকৈ খাবলৈ ভালহে হয়। ফ্ৰান্সত দেখিছিলো সদায় আলুৰ বাকলি ৰাখি ৰন্ধা হয়।

এই আলুৰ লগতে মিৰি আলু কাঠ আলু আনি মাঘৰ বিহুত জলপানৰ লগত খোৱা হয়। কাঠ আলুৰ অন্যান্য তৰকাৰীও খোৱা হয়।

মাছ আমাৰ অতি প্ৰিয় খাদ্য। প্ৰায় সকলো ধৰণৰ মাছেই অসমত পায়। আজিকালি কিন্তু মাছ আগৰ তুলনাত কমি গ'ল। আমি বাহিৰৰ পৰা চালানী মাছ অকল ডাঙৰ চহৰতে নহয় সৰু সুৰা ঠাইতো খাবলগীয়া হয়। ধৰাৰ লগে লগে খোৱা মাছৰ সোৱাদ একেবাৰে বেলেগ। মাছ ভাজি পুৰি খৰিকত দি জোল বনাই সাধাৰণতে খোৱা হয়। আজিকালি আনৰ পৰা শিকা ফ্ৰাই, কেক, বল, ৰষ্ট আদি মাছৰ পৰা বনাইও খোৱা হয়।

পুখুৰী বিল সিচি নাইবা জান নদীত ধৰা মাছ খাবলৈ বৰ সোৱাদ। মাগুৰ কাৱৈ গৰৈ মাছ খৰিকাত দি জুইত পুৰি পিটিকা কৰি খাবলৈ বৰ ভাল। জুলুকী মাৰি বালাৰুদি ধৰা পুঠি মাছো খৰিকাত দি পুৰি খাব পাৰি। বাৰিষা থোকা বা থোৱাত ধৰা মাছ বা বানত পৰা মাছৰ সোৱাদ অতি বেছি। বহাগ জেঠ মাহৰ নপানী হওঁতে পথাৰত যেতিয়া মাছৰ উজান উঠে ৰাতি বাঁহৰ জোৰ লৈ ৰাইজে মাছ কাটে। এলেং ভাঙন এইবোৰ মাছো পোৱা যায়। এইবোৰ মাছ ভাজি খাবলৈ বৰ মজা।

**সৰিয়হ আৰু চকলীয়া আমেৰে · বনোৱা শুকান কাহুদী আজিকালি বহুতেই খোৱা নাই।**

**ডিব্ৰুগড়, উত্তৰ লক্ষীমপুৰ, ঢকুৱাখনা আদিত পোৱা ডাঙৰ ডাঙৰ কুঁড়ি মাছৰ সোৱাদেই বেলেগ, যি কোনো প্ৰকাৰে ৰান্ধি খাব পাৰি।**

জাৰৰ দিনত বিল বা নদীত ধৰা ডাঙৰ বৰালী নাইবা আৰি মাছৰ সোৱাদেই বেলেগ। এইবোৰ মাছ পালেং চুকা ফুলকবি নাইবা গৰমৰ দিনত জিকাৰ লগত খাব পাৰি। যেকোনো মাছেৰে টেঙা খাব পাৰি যেনে পালেং শাক বিলাহী দি টেঙা নাইবা চুকাৰ টেঙা। কিন্তু খৰিছা টেঙা অতি বঢ়িয়া খাবলৈ। মাগুৰৰ খৰিছা টেঙা অতি সোৱাদ।

মাছ দাইলৰ লগত বিশেষকৈ মচুৰ দাইলৰ লগত ভোজত খায়। তাত বিলাহী আৰু ধনীয়া পাত দিলে বৰ বঢ়িয়া লাগে। আজিকালি নানা বঙলুৱা ধৰণৰ মাছৰ তৰকাৰী ৰন্ধা হয়। জিৰা আদা জলকীয়া দি ৰন্ধা এই ধৰণৰ তৰকাৰী আৰু মাছৰ কালিয়া, বিয়াত আজিকালি প্ৰায়ে এইদৰে ৰান্ধে।

জাতি লাওৰ লগত যেইকোনো মাছৰ টেঙা খাব পাৰি। মাছৰ খাৰো খাবলৈ ভাল। সৰিয়হ দি মাছৰ আঞ্জা বৰ সোৱাদ। চিতল মাছৰ কলঠী সৰিয়হৰ লগত অতি সুন্দৰ। সৰিয়হৰ লগত অন্যান্য মাছ যেনে মাগুৰ ডাঙৰ কাৱৈ ৰৌ বৰালী আৰি বিশেষকৈ পাভ মাছৰ লগত বৰ ভাল। চেঁচা ডিৰে আৰু উত্তৰ লক্ষীমপুৰৰ 'লিপষ্টিক ঘঁহা' ৰঙা মুখৰ পাভৰ জোৰ কোনে পায়? পিয়াজ, নহৰু জলকীয়া দি এই পাভ হালধীয়া ৰঙৰ বৰালী, ৰঙচুৱা আৰি যি এবাৰ খাইছে তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। জোলখন খুব ডাঠ হ'ব লাগে।

শ'ল আৰু শাল দুয়োটা মাছেই ভাল। শ'ল মাছ আৰু মূলাৰ আঞ্জাৰ কথা আগতেই কৈছো। শাল মাছ পিয়াজ, নহৰু ধনীয়া পাত কেঁচা জলকীয়া দি শুকানকৈ ভাজি খাবলৈ বৰ ভাল। তাৰ লগত গৰম গৰম উখোৱা চাউলৰ ভাত আৰু ডাঠ ৰহৰ দাইল!

গাগল বা ৰিথা মাছ বৰ তেলীয়া মাছ। আৰু ইয়াৰ যেইকোনোধৰণৰ আঞ্জা ভাল। কুচীয়া আৰু বামি মাছৰ জালুকীয়া অতি সোৱাদ। অৱশ্যে জালুক দি মাগুৰ আৰি আদিও খাব পাৰি।

ডিব্ৰুগড় উত্তৰ লক্ষীমপুৰ ঢকুৱা খানা আদিত পোৱা ডাঙৰ ডাঙৰ কুঁড়ি মাছৰ সোৱাদেই বেলেগ, যিকোনো প্ৰকাৰে ৰান্ধি খাব পাৰি। ডিব্ৰুগড় জিলাত পোৱা ডাঙৰ ডাঙৰ কুঁড়ি আৰু বৰিয়লা মাছৰ সোৱাদ নোখোৱা মানুহে বুজি নাপায়। ডাঙৰ ডাঙৰ কুঁড়ি উত্তৰ লক্ষীমপুৰতো পায়। উত্তৰ লক্ষীমপুৰৰ পাভও বিখ্যাত। গোলাঘাট তেজপুৰৰ শিলঘৰীয়া মাছৰ ভজা খাইহে সোৱাদ বুজিব পাৰি।

ৰাঘ বৰালী নাম উল্লেখ নকৰিলে অন্যায় হ'ব। ডিব্ৰুগড়ৰ আৰু গৌৰীসাগৰৰ বজাৰত ওলায়। নুমলীগড়ৰ হাটতো পোৱা যায়। প্ৰায় ১৬/১৮ কিলোৰ এই মাছবোৰ অতি সোৱাদ। মাটি মাহৰ লগত ৰাঘ বৰালী খাই পাইছেনে কেতিয়াবা? অন্য ধৰণেৰেও ৰান্ধি খাব পাৰি।

মৰাণ ডিমৌ ডিব্ৰুগড় তিনিচুকীয়াত পোঙা মাছ পায় গৰমৰ দিনত। বৰ ভাল খাবলৈ। প্ৰায় কচ মাছৰ দৰে কিন্তু কচতকৈ ভাল। যোৰহাটত পোৱা ভেউমাছ প্ৰায় আৰিৰ দৰেই সোৱাদ।

সৰু সৰু মিছা মাছ সৰুতে কাষ লতিৰ তলত ৰাখি ৰঙা কৰি আমি খাইছিলো। এইবোৰ সৰু কালৰ ফূৰ্তি। ডাঙৰ মিছা মাছ আমাৰ ইয়াত নাপায়। তথাপি ইবোৰ মাছ ভাজি খাবলৈ বা ৰান্ধি খাবলৈ ভাল।

ডাঙৰ ডাঙৰ শিঙৰা মাছৰ সৰিয়হৰ

চৰ্চৰী অতি ভাল। পাভ বা আৰিও একে ধৰণেৰে খাব পাৰি।

চেনি .পুঠি ভাজি খাবলৈ ভাল। যেই কোনো মাছেই গৰমে গৰমে ভজা খাবলৈ ভাতৰ লগত ভাল। ডাঙৰ চেনিপুঠি পেটুকাড়ি বাকলি নুগুচোৱাকৈ তেলত কম জুইত মচমচীয়াকৈ ভাজি তপত ভাতৰ লগত খাবলৈ বৰ ভাল। সেই দৰেই ভাল ডাঙৰ শিঙৰা মাছৰ সৰিয়হৰ চৰ্চৰী। ধনীয়াপাত আৰু কেঁচা জলকীয়া দিবলৈ পাহৰিলেই গ'ল! ভাল চিতল ৰৌ বা আঁৰি ভেউ গাগলৰতো কথাই নাই।

মাছৰ মূৰ বিশেষকৈ ৰৌ আৰু ভুক্‌ৰা বা বাহু মাছৰ ভজা মুগ দাইল নাইবা ভাত আৰু চিৰাৰ লগত ৰন্ধা এক খাবলগীয়া বস্তু। ৰৌ মাছৰ মূৰ অৱশ্যে আটাইতকৈ সোৱাদ। কিন্তু মাছটো ডাঙৰ হ'ব লাগিব। ৰাঘ বৰালীৰ মূৰটোও এইদৰে ৰান্ধি খাবলৈ ভাল।

গৰুৱা মাছ বহুতে নাখায়। কিন্তু মই খাই চাইছো। নেজৰ ফালে লব লাগে মাছ ডোখৰ। পিয়াজ জলকীয়া নহৰু জলকীয়া দি শুকানকৈ ৰান্ধিলে কিমান ভাল হয় নেখালে বুজিব নোৱাৰি।

মোৱা মাছ দৰিকণা মাছ আৰু বৈথা মাছৰ কৰকৰীয়াকৈ ভজা বৰ ভাল খাবলৈ।

মাছৰ কথা কওঁতে শুকান মাছৰ কথা দু-আষাৰ কবই লাগিব। মই তাহানি সৰুতে মোৰ এজন মোতকৈ বহুত ডাঙৰ ককাইদেউৰ লগত ডিব্ৰুগড়ৰ পৰা আহিছিলো। আমাৰ ঘৰ পোৱাৰ তিনি মাইলমান আগতে তেওঁ মানে আমি বাছৰ পৰা নামিলো। আমি এখন গাঁৱত তেওঁৰ শহুৰৰ ঘৰত সোমালো। তেওঁ আৰু তেওঁৰ জেঠেৰীয়েকে সাজ খালে জুহালত বহি। জুহালৰ ওপৰত এখন ডলা তাত আছে পুখুৰী সিচি পোৱা গৰৈ মাগুৰ মাছৰ দম। মাছখিনি শুকাই আছে। তেওঁলোকে নিমখ **লগাই লগাই মাছ চোবাই আছে আৰু** মোকো দিছে। বৰ ভাল খাবলৈ। এইদৰে শুকোৱা মাছত অন্য শুকান মাছৰ গোন্ধটো নাই। আচলতে মাছ সদায় জুলি থকা ধোঁৱাতে শুকাই খায়। কাৰ্বি সকলে খোৱা চুঙাত ভৰোৱা মাছৰ গুৰি মই খাই পোৱা নাই। ভাল বুলি শুনিছো।

'Blow hot Blow Cold' নামৰ চিনেমা এখনত অভিনেতা অভিনেত্ৰীয়ে সাগৰৰ পাৰত শামুক কেঁচাই খোৱা দেখিছিলো। আমাৰ বাৰিষা জেওৰাত বগোৱা শামুক নহয়। এইটো চেপেতা শামুক ইংৰাজীত 'অইষ্টাৰ' বুলি কয়। বহাগ জেঠ মাহত পথাৰত অলপীয়াকৈ পানী হওঁতে সৰু সৰু এবিধ শামুক ওলায়। সেইটো সৰু সৰু ল'ৰা-ছোৱালীক খোৱা দেখিছো চুহি অলপ নিমখ দি। দক্ষিণ আমেৰিকাত ময়ো কেঁচাই কেঁচাই অইষ্টাৰ খাইছিলো নিমখ আৰু নেমুটেঙা চেপি। মেক্সিকো চিটিৰ এখন অতি ডাঙৰ ৰেষ্টোৰাঁত খাবলৈ বহি মেনুখন চাই দেখো আছে 'বেংগল ফ্ৰগচ'। দেশৰ বস্তু ভাবি তাকে অৰ্ডাৰ দিলো দেশ প্ৰেমৰ বাবেই। দেখো বেঙৰ ডাঙৰ ডাঙৰ ঠেং প্ৰায় সৰু কুকুৰা ঠেঙৰ দৰে। একে কুকুৰা মাংসৰেই সোৱাদ। উজনি অসমৰ গাঁৱত কোনো কোনোৱে বামুন ভেকোলা ধৰি খায় বাৰিষা দিনত। ময়ো খাই পাইছো। ঠেং কেইটা মুৰ্গীৰ ঠেঙৰ দৰেই। বান পানী হোৱা চহৰ যেনে গুৱাহাটীতো পোৱা যায় এই বামুন ভেকোলা। ধৰিবলৈ লাজ লাগে কাৰণ সাধাৰণ মানুহে নাখায়। মোৰ ঘৰতে থকা গাৰো ল'ৰা দুটাই এবাৰ ধৰি ভাল দৰে ৰান্ধি খালে। সিহঁতে অৱশ্যে খাৰ আৰু জলকীয়া দি খালে।

পানীত থকা বস্তুৰ ভিতৰত হিন্দু মানুহে কাছ খায়। নানা ধৰণৰ মাংস ৰন্ধাৰ দৰে কাছ মাংসও খায়।

অসমীয়া মানুহে মাছ যিমান খায় মাংস তাতকৈ বহুত বেছি খায়। হাঁহ কুকুৰা আৰু পাঠা খাহি গাহৰি আদি ঘৰচীয়া বস্তু সকলো খায়। বনৰীয়া কুকুৰা পৰ্ঘুমা, শৰালি হাঁহ, ৰাজহাঁহ, ডৰিক চৰাই, হাৰগিলা বা শামুক ভঙা, তুম চৰাই হাইঠা কপৌ বনৰীয়া পহু বনৰীয়া গাহৰি প্ৰায় সকলো মাংসই বেছিভাগ মানুহে খায়।

মুৰ্গী মাংসই সাধাৰণৰ প্ৰিয়। সেইদৰে পাঠা, খাহি আদিও প্ৰায় সেই শাৰীতেই পৰে! ৰন্ধা আজিকালি ভাৰতৰ অন্যান্য ঠাইৰ লগত বিশেষ প্ৰভেদ নাই। অলপ মছলাৰ সালসলনি এয়েই। কিন্তু অসমীয়াৰ এই মাংসবোৰৰ বিশেষ ধৰণৰ ৰন্ধা আঞ্জা আছে। কেতিয়াবা খুহুতীয়া ভাবে 'অসমীয়া ধেংধেঙীয়া জোল' কোৱা হয়। জিৰা ধনীয়া তেজপাত জালুক আৰু অলপ গৰম মছলা বহুত জোল ৰাখি এই মাংসৰ আঞ্জাৰ এক বেলেগ সোৱাদ। এই মাংসৰ লগত বহুত ভাত খাব পাৰি। ডেকা মানুহে বেছি ভাল পায়। কাৰণ তেওঁলোকে বেছি ভাত খাব পাৰে, এইদৰে সকলোৱে মাংস ৰান্ধিব নাজানে।

আহিন-কাতি মাহত পাতি হাঁহ ৰাজহাঁহ সকলো হাঁহৰে বৰ সোৱাদ হয়। কাৰণ বেছি খাবলৈ পাই হাঁহৰ খুব চৰ্বি হয়। গতিকেই সোৱাদ বেছি। হাঁহৰ ওপৰ অসমত বৰ জনপ্ৰিয় আঞ্জা হ'ল পিয়াজ, নহৰু, আদা, জলকীয়া, জিৰা, ধনীয়া দি বেছি তেলত আৰু কম জুইত সৰু সৰুকৈ কটা হাঁহৰ 'গোটা ভজা'। ইয়াৰ লগত বৰা ভাত আৰু নতুন ওখোৱা চাউলৰ যি সোৱাদ হয় লিখি বিবৰণ দিব নোৱাৰি। নিজে খাব লাগিব। নগাওঁ কামপুৰ কাজিৰঙা আদিতো গোটা ভজা খায়।

যেইকোনো হাঁহেই এইদৰে ৰান্ধিব পাৰি। শৰালি চাকৈ চকোৱা সকলো। কিন্তু ৰাজহাঁহ খাবলৈ হ'লে হাঁহটো একেবাৰে গুৰি কৰি কাটিলেহে তাৰ সোৱাদ বাঢ়ে। ৰাজ হাঁহ ৰঙালাও কোমোৰাৰ লগত খাব পাৰি।

হাঁহৰ লগত বাকলি নুগুচোৱা সৰু অসমীয়া আলু, জালি কোমোৰা পুৰণা চালকোমোৰা, জহা কোমোৰা আদি চলে আৰু খাবলৈ ভাল হয়।

হাঁহৰ মাংস মাটি মাহৰ লগতো ৰন্ধা খাইছো। সিও এটা বেলেগ সোৱাদ।

কামাখ্যা মন্দিৰৰ পাণ্ডাৰ ঘৰত পিয়াজ মছলা নিদিয়াকৈয়ে হাঁহ ৰান্ধে। খাবলৈ ভালেই হয়।

ৰাজহাঁহতকৈ পাতি হাঁহৰ মাংসৰ বেছি সোৱাদ। চীনা হাঁহ বুঢ়া নহলে খাবলৈ অন্যান্য হাঁহৰ দৰেই।

পাৰ মাংসও খাবলৈ ভাল। পাৰ সাধাৰণতে ব্ৰাহ্মণ সম্প্ৰদায়ৰ মানুহে খায়। কাৰণ তেখেতঁ সকলৰ কিছুমানে কুকুৰা ইত্যাদি নাখায়। পাৰ মাংস খাবলৈ ভাল।

সাধাৰণ ভাবে ৰন্ধাৰ বাহিৰেও খাহি-ছাগলীৰ মাংস মাটি মাহৰ লগত ৰন্ধা মই প্ৰথম হাজোত খাইছো এক ডাঙৰ ভোজত। সঁচাকৈয়ে ভাল।

পাঠা-ছাগলী মুৰ্গী সকলো মচুৰ নাইবা ৰহৰ দাইলৰ লগত তেল নিদিয়াকৈ সিজোৱা মই খাইছো। অতি সোৱাদ। পাৰও এইদৰেই ৰান্ধিব পাৰি। কিন্তু পাৰৰ জালুকীয়া বৰ ভাল। পাৰ কলদিলৰ লগত ৰন্ধাৰ কথা আগতেই কৈ আহিছো। পাৰ দহীকচুৰ ঠাৰিৰ লগতো ৰান্ধে আৰু খাবলৈ ভাল হয়।

হাইঠা পৰ্ঘুমা আদি আজিকালি দেখিবলৈকে নাই। কপৌ, পৰ্ঘুমা, হাইঠাৰ গোটা ভজাই ভাল। আনকি ঘনচিৰিকা চৰাইও ভাজি খাবলৈ ভাল।





হাঁহ বা কুকুৰাৰ আমঠু খৰিকাত দি খাইছেনে নাই? যদি নাই খোৱা এবাৰ খাই চোৱা উচিত। ইয়াৰ সোৱাদেই বেলেগ। খৰিৰ জুই লাগিব। ছাগলীৰ লিভাৰো মই পুৰি খাইছো। কিন্তু আটাইতকৈ ভাল হ'ল গাহৰিৰ মাংস।

পহু মাংস নেখালে কেনে ধৰণৰ সোৱাদ হয় ক'ব নোৱাৰি। সেই দৰেই বনৰীয়া গাহৰি। মোৰ দেউতাই প্ৰথম মহাযুদ্ধত ইংৰাজৰ হৈ ফ্ৰান্স জাৰ্মানীৰ সীমান্তত যুদ্ধ কৰিছিল। দেউতাই ঘোঁৰাৰ মাংসৰ কথা কৈছিল। ঘোঁৰাও মানুহে খায়। ১৯৭৫ চনত ষ্টকহোমৰ কেৰলনিস্কা বিশ্ববিদ্যালয়লৈ গৈছিলো বিশ্ব স্বাস্থ্য সংস্থাৰ সৌজন্যত। এদিন ষ্টকহমৰ বজাৰত দেখো ঘোঁৰাৰ মাংস বিক্ৰী হৈছে। দাম চুইদিছ 'ক্ৰনাৰ' ভঙালে কিলো ৮০ টকা। ঘোঁৰা মাংস ভাল বুলি খোৱা মানুহে কলে। তাৰ বজাৰত হৰিনাৰ মাংসও বিক্ৰী হয় আৰু ৰেষ্টোৰাঁত পায়।

পহু মাংস অলপ লৰিলে খাবলৈ ভাল হয় বুলি কয়। আজিকালি পহু মৰা নিষেধ গতিকে পোৱা টান। লুকাই চুৰকৈ কোনোবায় খায়। মাংস বৰ সোৱাদ বিশেষকৈ সুগৰি পহুৰ।

বনৰীয়া হাঁহ, অন্য হাঁহৰ দৰেই খাব পাৰি। কিন্তু বনৰীয়া কুকুৰাৰ দৰে বনৰীয়া হাঁহৰ মাংস অলপ টান হয়।

গুইৰ মাংসও মানুহে দৰব হিচাপে খায়। মাংসটো ভাজি খাবলৈ ভাল। ডাঙৰ ডাঙৰ বাদুলিও কিছু সম্প্ৰদায়ৰ মানুহে খায়। বৰ তেলীয়া মাংস বুলি কয়।

বনৰীয়া চৰাইৰ ভিতৰত আটাইতকৈ সোৱাদ মাংস হ'ল পৰ্ঘুমা দৰিক আৰু শামুক ভঙা চৰাইৰ। টোম চৰাই কনামুচৰী কাম চৰাই ইত্যাদি বেয়া নহয়। সৰুতে কৰ্চন আৰু কনুৱাৰ মাংসও খাইছিলো। সেইবোৰ আজিকালি দেখিবলৈকে নাই।

কেকোৰাও বহুতে খায়। কলিকতাত বঙালী মানুহেও ডাঙৰ ডাঙৰ কোকোৰা খায়। চীনা সকলৰটো ই এটা অতি প্ৰিয় খাদ্য। পথাৰত বাৰিষা ওলোৱা কেকোৰা বোৰ ভাজি খাবলৈও ভাল। আহোম সম্প্ৰদায়ৰ মানুহে লেটাও খায় আৰু বহাগৰ বিহুত আমৰলি পৰুৱা টোপ কণীৰ লগত ভাজি খায়। আহোম সকলৰ বাহিৰেও দুই এক সম্প্ৰদায়ৰ মানুহেও এইবোৰ বস্তু খায়।

অসমীয়া মানুহৰ সকলো খোৱা আৰু প্ৰত্যেক সম্প্ৰদায়ৰ জুতি লগা সকলো খোৱাৰ কথা লিখা সহজ নহয়। কিছু নিশ্চয় বাদ পৰি যাব।

কিন্তু অসমীয়া ৰন্ধাত মছলা আদি বিশেষ ব্যৱহাৰ কৰা নহয়। স্বাস্থ্যৰ কাৰণে ভাল। আমাৰ টেঙা খাৰ পিঠা বৰা চাউল ইত্যাদি বিশেষ খোৱা। দেশৰ বাহিৰলৈ গৈ কিছুদিন থাকিলে এইবোৰ খোৱালৈ মনত পৰে খুব।

এজন অনাঅসমীয়া গন্যমান্য ব্যক্তিক কিছুবছৰ আগতে বহাগ বিহুৰ সময়ত খাবলৈ মাতি আনি বিমোৰত পৰিছিলো। কিন্তু মাছৰ পিটিকা, চুঙা চাউল হাঁহৰ মাংস, মাছৰ টেঙা, মাছ ভজা, তিতা কেৰেলা, কচু পিটিকা, দৈ ক্ৰীম ইত্যাদিলৈ প্ৰায় ওঠৰ বিধৰ দুপৰীয়া এসাজ খোৱা যোগাৰ কৰা হৈছিল। লগতে অলপ বঢ়িয়া সাজ। মানুহজনে বৰ তৃপ্তিৰে খালে।

মাঘৰ বিহুৰ উৰুকাৰ ভোজটো অসমীয়া মানুহৰ বৰ মৰমৰ। মাছ মাংস শাক-পাচলি যিয়ে যি ভাল পায় আৰু যাৰ যি সামৰ্থ্য তাকে অকলে ঘৰত নাইবা ৰাজহুৱা ভোজ হিচাপে খায়। সকলোৱে এই সন্ধিয়াটো উপভোগ কৰে।

এবাৰ স্কটলেণ্ডৰ এবৰিডিনৰ এজন মোৰ ডাক্তৰ বন্ধু অসমলৈ আহিছিল কেই সপ্তাহমানৰ বাবে এটা 'কলেবৰেটিভ ৰিচাৰ্ছ প্ৰজেক্টৰ' কামত।

তেওঁ আমাৰ লগত থকা দিনকেইটাত তেওঁক নানা অসমীয়া খোৱা বস্তু খাবলৈ দিছিলো। তেওঁ আচলতে দক্ষিণ আফ্ৰিকাৰ মানুহ। মাতৃ ভাষা আফ্ৰিকানা। ভালেমান বছৰ এতিয়া স্কটলেণ্ডৰ এবাৰডিন বিশ্ববিদ্যালয়ত। তেওঁক দুই এখন গাওঁলৈও লৈ গৈছিলো। এদিন সন্ধিয়াৰ সাজত তেওঁক খাবলৈ দিছিলো বৰা ভাত, লগতে গোন্ধ ওলোৱা জহাচাউলৰ ভাত, সোৱাদ লবৰ বাবে অলপ চুঙা চাউল মাটি মাহৰ খাৰ, কাতি আঘোন মহীয়া হাঁহৰ গোটা ভজা মাগুৰ মাছৰ খৰিছাৰে শুকানকৈ বনোৱা আঞ্জা পাৰৰ জালুকীয়া আৰু খৰিকাত দি জুইত পোৰা গাহৰিৰ মাংস। লগতে অলপ সোণালী ৰঙৰ সাজ। বাহিৰত জুই ধৰি অলপ বিহুৰো আয়োজন কৰা হৈছিল। স্কটলেণ্ডো এখন ফ'ক নাচৰ দেশ আৰু খোৱাৰো নানা ধৰণৰ যোগাৰ হয়। তাৰ ৰেষ্টোৰাঁত আজিকালি পহু বনৰীয়া কুকুৰা 'পেটেজ' আদি নানা চৰাইৰ মাংস পায়। তেওঁ মন্তব্য কৰিছিল 'মোৰ এইখন স্বৰ্গ যেন লাগিছে।' ◼

## খাদ্য

যিবোৰ বস্তু খাব পাৰি আৰু সহজে হজম কৰিব পাৰি সেইবোৰকে খাদ্য বুলি কোৱা হয়। উদাহৰণ স্বৰূপে ভেকুলীৰ খাদ্য হ'ল পোক-পতঙ্গ ; সাপৰ খাদ্য হ'ল ভেকুলী ; গাহৰিৰ খাদ্য হ'ল সাপ ; মানুহৰ খাদ্য হ'ল গাহৰি ; আৰু পোকৰ খাদ্য হ'ল মানুহ।

*এমৃৱছ বিয়েৰ্চ*

খোৱাৰ টেবুলৰ পৰা ঠিক সেই মুহূৰ্ততে উঠিবা– যি মুহূৰ্তত তোমাৰ মনত ভাব হব যে অন্ততঃ এচকল কেক খাবৰ জোখাৰে তোমাৰ পেটত এতিয়াও ঠাই আছে।

*ছাৰ হিউ কেছন আৰু জয় গ্ৰীনফেল (Namy Says)*

ইংৰাজসকলৰ সু-খাদ্যৰ জুতি লোৱাৰ কোনো ক্ষমতাই নাই, কাৰণ ধপাত, হুইস্কি আৰু ককটেইলে তেওঁলোকৰ জিভা সমূলি নষ্ট কৰি পেলাইছে।

*–L' Eppoque নামৰ এখন ফৰাচী আলোচনী*

খাদ্য হ'ল আনন্দ লাভৰ আদিমতম উপায়।

*শীলা গ্ৰাহাম*

মোক অলপ গাহৰিৰ মাংস আৰু কণী দিয়া ; তাৰ পিছত– কাবৌ কৰিছো– মোক অলপ সময় অকলে থাকিবলৈ দিয়া ; অলপ পিছত একাপ পাতল, গৰম আৰু মিঠা চাহ আনি দিয়া ; লগতে The Times কাকতখন আনি দিয়া। বচ, ইয়াৰ পিছত আৰু মোৰ লগত এষাৰো কথা নাপাতিবা।

*– এ পি হাৰ্বাৰ্ট*

খাদ্যৰ প্ৰতি মানুহৰ যি প্ৰেম তাতকৈ আন কোনো প্ৰেমেই বেছি আন্তৰিক হব নোৱাৰে।

*জৰ্জ বাৰ্ণাৰ্ড শ্ব*

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনিয়ম আৰু অনীতিৰ ৰাজত্ব চলিছে

স্বপ্না বেজবৰুৱা

*(যোৱা সংখ্যাৰ পিছৰ পৰা)*

### পৰীক্ষা সংক্ৰান্তীয় অনিয়মঃ

পঞ্জীয়কে পৰীক্ষা সংক্ৰান্তত কোনো নিয়ম ভংগ কৰা নাই বুলি কৈছে। কিন্তু পঞ্জীয়ক গৰাকীয়েই পৰীক্ষা নিয়ন্ত্ৰক হৈ থকা সত্ত্বেও বিভাগত কিমান অনিয়ম হৈ আছে সেই সম্পৰ্কে অধিক তথ্য আমাৰ হাতত আছে। সদ্যহতে ইৰা শৰ্মাৰ কথাটোকে পুনৰ আঙুলিয়াই দিয়া হ'ল। কোনো কোনো বিভাগত Board of studies দাখিল কৰা তালিকাত থকা পৰীক্ষকৰ নাম আঁতৰাই বাহিৰৰ লোকক প্ৰশ্ন কটা, পৰীক্ষাৰ বহী চোৱা আৰু প্ৰশ্নকাকত Moderate কৰা কামত নিয়োগ কৰা কথা আমাৰ দৰে পঞ্জীয়কে নিজেও নিশ্চয় জানে। ইয়াতকৈ অধিক তথ্য প্ৰকাশৰ প্ৰয়োজনবোধ কৰা নহ'ল। এক নিৰপেক্ষ তদন্ত আয়োগৰ দ্বাৰা পৰীক্ষা বিভাগৰ কাৰ্যকলাপ চালিজাৰি চালেই জোলোঙাৰ মেকুৰী ওলাই পৰিব।

### অৰ্হতাহীন লোকক মকৰল

পঞ্জীয়কে স্পষ্টীকৰণত কৈছে যে কোনো ৰাজনীতি বিজ্ঞানৰ প্ৰবক্তাক অৰ্থ বিষয়ক উচ্চপদত নিযুক্তি দিয়া নাই। কিন্তু ৭-৩-৯১ৰ কাৰ্যবাহী পৰিষদৰ কাৰ্যক্ৰমণিকা চালেই প্ৰকৃত সত্য ওলাই পৰে। তাত ড০ এছ কে দত্তৰ নিয়োগ সম্পৰ্কে বিশদ ভাবে উল্লেখ আছে। তেওঁৰ নিয়োগৰ বাবে উপাচাৰ্যই কেনেদৰে ওকালতি কৰিছিল আৰু অৰ্হতা নথকাৰ কাৰণে বিশ্ববিদ্যালয়ৰ টকাৰে কেনেদৰে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছিল তাৰ বিশদ বিবৰণো আছে। কিন্তু সৌভাগ্যবশতঃ তেওঁ নিজৰ ভৱিষ্যত বিপদ সংকেত পাই হয়তো কামত যোগদান কৰা নাই। সেইপদ বৰ্তমানো খালি হৈয়ে আছে। এই ব্যক্তিজন এখন স্থানীয় মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ প্ৰবক্তা আছিল।

স্পষ্টীকৰণত পঞ্জীয়কে এনে পদৰ বাবে অৰ্হতা থকা লোক বিৰল বুলি উল্লেখ কৰিছে। কিন্তু অসমৰ দুখন বিশ্ববিদ্যালয়ৰ পৰা এই বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ প্ৰতিবছৰ উপযুক্ত লোক ওলায়েই আছে। তেনেস্থলত পঞ্জীয়কে এনেদৰে চালেবেৰে কোবোৱা কথাৰে উদয় হোৱা সূৰ্যৰ মুখত সোপা দিবলৈ বিচৰা কাৰ্য হাস্যকৰ।

অসমীয়া বিভাগত প্ৰাক্তন মুখ্য মন্ত্ৰীৰ ভ্ৰাতৃৰ নিযুক্তি সম্পৰ্কে জানিব পৰা গ'ল যে তেওঁক স্থায়ী পদৰ বাবে বাছনি কমিটিয়ে অৰ্হতা নথকাত নাকচ কৰিছিল সঁচা কিন্তু উপাচাৰ্যই তেওঁক এতিয়াও অস্থায়ী ভাবে নিযুক্তি দি থৈছে। সেইদৰেই উপাচাৰ্যই জীৱবিজ্ঞান বিভাগত জনৈক শ্ৰীমতী ভূঞাক বাছনি কমিটিয়ে নাকচ কৰাৰ পাছতো বছৰৰ পাছত বছৰ অস্থায়ী ভাবে নিযুক্তি দি ৰাখিছে। কিন্তু নিয়ম অনুসৰি বাছনি কমিটিয়ে নাকচ কৰা প্ৰাৰ্থীক অস্থায়ী পদতো নিযুক্তি দিব নোৱাৰে।

আনহাতে USICত ৮৭ চনৰ পৰাই এটা পদৰ বিজ্ঞাপন নিদিয়াকৈ উপাচাৰ্যৰ প্ৰিয় ব্যক্তি এজনক নিয়োগ কৰি থৈছে। ৰীডাৰৰ সমপৰ্যায়ৰ এই পদটোৰ বিজ্ঞাপন নিদিয়াৰ ৰহস্য কি?

### বিত্তীয় খেলিমেলি

(ক) *উপাচাৰ্যৰ বাসভৱন সম্পৰ্কতঃ* পঞ্জীয়ক মহোদয়ে উপাচাৰ্যৰ বাসভৱন সম্পৰ্কে কৈছিল যে ৩৫ লাখ টকা খৰচ হোৱাটো নাভূত-নাশ্ৰুত কথা আৰু মিছা কথা। কিন্তু প্ৰকৃততে কিমান খৰচ হৈছে তাৰ হিচাপ কিন্তু নিদিলে। ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ গৈ বিত্তীয় বিভাগত খবৰ লোৱাতো তেওঁলোকে প্ৰকৃত খৰচৰ হিচাপ দিব নোৱাৰিলে। পঞ্জীয়কক প্ৰশ্ন কৰাতো তেখেতে অজ্ঞতাহে প্ৰকাশ কৰিলে। আমি পঞ্জীয়কক প্ৰশ্ন কৰো যে যিটো ঘৰৰ কাম সম্পূৰ্ণ হৈ বৰ্তমান উপাচাৰ্য বাস কৰিও আছে তেনে ঘৰৰ হিচাপ কিয় সম্পূৰ্ণ হোৱা নাই? আমি জানিব পৰা মতে উপাচাৰ্যৰ বাসভৱন ভিতৰুৱা সাজ-সজ্জাৰ পৰিচালনাৰ (Internal Decoration) বাবেও দুহেজাৰ টকা খৰচ কৰা হৈছে। গতিকে পঞ্জীয়কে ৰাজহুৱা ভাবে উপাচাৰ্যৰ বাসভৱনৰ হিচাপ দিয়ক।

মন কৰিবলগীয়া কথা যে পঞ্জীয়কে কৈছে যে 'উপাচাৰ্যৰ বাসভৱনৰ বাবে সপ্তম পৰিকল্পনাতে যি ধন দিছিল সেই ধন অন্যত্ৰ খৰচ কৰিব নোৱাৰি।' কিন্তু সপ্তম পৰিকল্পনাত উপাচাৰ্যৰ বাসভৱন আৰু ৬টা শিক্ষকৰ আবাসগৃহৰ বাবে ১০ লাখ টকা আহিছিল। তেতিয়াৰ উপাচাৰ্যই উপাচাৰ্যৰ বাসভৱন নাসাজি বেছিকৈ চাৰিটা শিক্ষকৰ আবাসগৃহ সজাই দিছিল। তাকে বৰ্তমান উপাচাৰ্যৰ দিনত হস্তান্তৰ কৰা হৈছিল। গতিকে বৰ্তমান উপাচাৰ্যৰ বাসভৱনৰ বাবে টকা ক'ৰ পৰা আহিল? নিশ্চয় অন্য আঁচনিৰ পৰাই টানি অনা হৈছে। এই বিষয়ে পঞ্জীয়কক প্ৰশ্ন কৰাত তেখেতে মৌনতাহে অৱলম্বন কৰিলে। বৰ্তমানৰ উপাচাৰ্যৰ বাসভৱনটো যে UGCৰ অনুদানৰ টকাৰে সম্পূৰ্ণ হোৱা নাই সেইটো সত্য। কিন্ত এটা আঁচনিৰ টকা যদি অন্যত খৰচ কৰিব নোৱাৰি তেন্তে এইটো সম্পূৰ্ণ ক'ৰ টকাৰে কৰিলে? নিশ্চয় ৰাজ্য চৰকাৰৰ পৰা বিশ্ববিদ্যালয়ৰ উন্নয়নৰ বাবে দিয়া টকাৰ পৰা খৰচ কৰা হৈছে। তাৰ ফলত অন্য উন্নয়নমূলক কাম অসম্পূৰ্ণ হৈ আছে। গতিকে পঞ্জীয়কে ৰাইজৰ চকুত ধূলি মাৰিবলৈ কৰা এয়া এটা বৃথা প্ৰচেষ্টা।

উল্লেখযোগ্য যে উপাচাৰ্যৰ বৃহৎ বাসভৱনটোৰ সম্পৰ্কে ব্যাখ্যা দিবলৈ গৈ পঞ্জীয়কে কৈছে যে বাসভৱনটোৰ তলৰ মহলাত সভাকক্ষ, উপাচাৰ্যৰ কাৰ্যালয়, তেখেতৰ ব্যক্তিগত সচিব, বিষয়া আৰু সমিতি সমূহৰ কোঠালি আছে। কিন্তু আমি আঙুলিয়াই দিবলৈ বিচাৰো যে বৰ্তমান যিটো প্ৰশাসনীয় ভৱন নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে তাতো উপাচাৰ্যৰ কাৰ্যালয়, পৰিষদ সমিতিৰ বৈঠককক্ষ, উপাচাৰ্যৰ কৰ্মচাৰীৰ সুকীয়া কোঠালি আদিৰ ব্যৱস্থা আছে। গতিকে একেবোৰ কোঠালিকে হুৰমুৰকৈ বাসভৱনৰ লগত সাজি কিয় অৰ্থৰ অপব্যয় কৰা হ'ল? শুনিবলৈ পোৱা মতে বিশ্ববিদ্যালয়ৰ পৰা কিছুমান গুৰুত্বপূৰ্ণ ফাইল ৰহস্যজনক ভাবে নোহোৱা হৈছে।

(খ) উপাচাৰ্য গৰাকীয়ে গাড়ীৰ পেট্ৰলৰ বাবদ বছৰটোত ৫৪ হাজাৰ টকা খৰচ কৰে বুলি এক বিশ্বস্তসূত্ৰে জানিব পৰা গৈছে। কাৰ্যালয় সূত্ৰইও প্ৰকৃত পৰিমাণ প্ৰকাশ নকৰিলে যদিও এক বুজন পৰিমাণৰ ধন ব্যয় কৰাটো অস্বীকাৰ কৰা নাই। এজন উপাচাৰ্যই ভ্ৰমণৰ নামত এইদৰে অত্যাধিক ব্যয় কৰাটো বিশ্ববিদ্যালয়ৰ ধন অপচয় কৰা বুলিয়েই ক'ব লাগিব। কাৰণ এই ভ্ৰমণবোৰৰ পৰা বিশ্ববিদ্যালয়ৰ বিশেষ লাভ হৈছে বুলি ক'ব নোৱাৰি। তেওঁৰ ভ্ৰমণ কমোৱাৰ যথেষ্ট থল আছিল। বিশেষকৈ উপাচাৰ্য গৰাকীয়ে বুক ব্যৱহাৰ নকৰে।লগ কাৰণে তেওঁৰ গাড়ী বিশ্ববিদ্যালয় টকাৰে তেল পুৰি কি কাৰণত কলৈ গৈছে তাক জনাৰো কাৰো সাধ্য নাই। উপাচাৰ্য গৰাকী বছৰটোৰ অধিক সময় বিশ্ববিদ্যালয়ত নাথাকেই। এক নিৰপেক্ষ তদন্তইহে প্ৰকৃত হিচাপ দিব পাৰিব।

(গ) অলপতে ৰাজনীতি বিজ্ঞান বিভাগৰ ড০ নিকুঞ্জলতা দত্তক আমেৰিকালৈ যাবৰ বাবে উপাচাৰ্যই বিশ্ববিদ্যালয়ৰ ভঁৰালৰ পৰা ৪০ হাজাৰ টকা অনুদান আগবঢ়ায়। তেখেতে Fullbright fellowship পোৱাৰ অজুহাত দেখুৱাইছিল যদিও এইবোৰ শুদ্ধ নহয় বুলি জানিব পৰা গৈছে উল্লেখযোগ্য যে UGC য়ে বিদেশলৈ গৱেষণা বা অভিবৰ্তন আদিৰ কামত বিশ্ববিদ্যালয়ৰ খৰচত যোৱাটো বন্ধ কৰিছে। তৎসত্ত্বেও উপাচাৰ্যই এই বৃহৎ পৰিমাণৰ ধন কেনেকৈ অনুদান হিচাপে আগবঢ়ালে? এই অনুদানৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ বিত্তীয় বিভাগেও আপত্তি তুলিছিল। কিন্তু উপাচাৰ্যই সকলো আওকাণ কৰিলে। এই কাৰ্য অৰ্থৰ অপচয়ৰ লগতে স্বজন-প্ৰীতিৰো এক জ্বলন্ত উদাহৰণ।



*বিশ্ববিদ্যালয়ৰ নবনিৰ্মিত জোতি বাটচ'ৰা*

*ষষ্ঠ পৰিকল্পনাৰ অসম্পূৰ্ণ ভৱনসমূহঃ* ষষ্ঠ পৰিকল্পনাতে UGCৰ পৰা অনুদান পোৱা কেইবাটাও বিভাগীয় ভৱন ৰহস্যজনক ভাবে বছৰৰ পাছত বছৰ অসম্পূৰ্ণ হৈ আছে। তাৰ বাবে লাখ লাখ টকাৰ ব্যয় বাঢ়ি গৈ আছে। আৰু স্বাৰ্থজড়িত মহলে সেই সুযোগতে লাখ লাখ টকা লুট কৰিবলৈ সুবিধা উলিয়াই লৈছে। পঞ্জীয়কে স্পষ্টীকৰণত কোৱা মতে এমাহৰ ভিতৰতে কিছু নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ কথা আছিল। কিন্তু দেখা গ'ল যে তাৰ কোনো লক্ষণ নাই। ষষ্ঠ পৰিকল্পনাৰ নিৰ্মাণ কাৰ্য কিয় এইদৰে পৰি থাকিল তাৰো এক তদন্ত হোৱা দৰকাৰ।

(ঙ) ছাত্ৰাবাস – ছাত্ৰীনিবাস সময় মতে সাজি নুলিওৱাৰ বাবে চহৰত অতি উচ্চ হাৰত ভাৰা ঘৰ লৈ এইবিলাক মেৰামতি আৰু পৰিচালনা কৰাৰ বাবদ লাখ লাখ টকা অপব্যয় হৈ আছে।

(চ) বিশ্ববিদ্যালয়ৰ চিকিৎসা বিভাগতো বিল দিওঁতে অবিশ্বাস্য পৰিমাণৰ টকা আদায় কৰা হয়। কিন্তু ছাত্ৰ-ছাত্ৰী তথা আবাসী সকলে বিশেষ একো সুবিধা নাপায়।

### ন্যায়ালয়ৰ প্ৰসংগ

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ১৯৮৭ চনৰ পৰা ১৯৯১ চনলৈকে মুন্সিফ আদালতৰ পৰা উচ্চতম ন্যায়ালয়লৈ মুঠ ৪২টা গোচৰ পঞ্জীভুক্ত হৈছে। এই গোচৰবোৰৰ বাবে বিশ্ববিদ্যালয়ে ভঁৰালৰ পৰা লাখ লাখ টকা ব্যয় কৰিব লগা হৈছে। আৰু প্ৰায় আটাইবোৰ গোচৰতে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ হাৰিব লগা হৈছে। ইয়াৰ পৰাই প্ৰমাণিত হয় যে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই কিমান অন্যায় অনিয়ম কৰি আছে। ইয়াৰ পাছতো পঞ্জীয়কে মিছা মাতিবলৈ এৰা নাই। পঞ্জীয়কৰ স্পষ্টীকৰণৰ ভিত্তিত অনুসন্ধান কৰি তলৰ তথ্য সমূহ পোৱা গ'ল। এইবোৰৰ পৰাই সত্যৰ অপলাপ কোনে কৰিছে তাৰ প্ৰমাণ পোৱা যাব।

(ক) পাঁচজন শিক্ষকৰ বিষয়টোত পঞ্জীয়কে কেনেদৰে ভুল তথ্য দাঙি ধৰিছে সেই কথা এই আলোচনীৰ পাততে শিক্ষক সকলে দিয়া প্ৰত্যুত্তৰতে স্পষ্ট হৈ পৰিছে; গতিকে আৰু অধিক কোৱা নিষ্প্ৰয়োজন।

(খ) ফাৰ্মাচিউটিকেল চায়েনচ্ বিভাগৰ শিক্ষক দুজনৰ অৰ্হতা নথকাৰ বাবেহে ন্যায়ালয়ে নাকচ কৰিছিল। পঞ্জীয়কে কোৱাৰ দৰে বিজ্ঞাপন, শিক্ষক সেৱানিধি বা AICTEৰ 'নতুন অৰ্হতাৰ বিসংগতিৰ কাৰণে নহয়।' সকলো নীতি নিয়ম উলংঘা কৰি স্বজনপ্ৰীতিৰ আধাৰত দিয়া নিযুক্তি নাকচ কৰি উচ্চ ন্যায়ালয়ে এইদৰে ৰায়

দিছিল

"As already held above none of the respondent No. 6 (অৰ্থাৎ অনিল শইকীয়া) and 7 (শ্ৰীমানৰ ডেকা) possessed to minimum indification prescribed by article 5(4) (6) of the ordinance for the posts they have been selected and appointed. That being so. We are constrained to hold that two appointment of respondent No. 6 for the post of Reader-pharmaceutical chemistry and respondent No. 7 in Pharmaceutical Micro-biology cannot be sustained and are therefore pet wide and quested."

এই ৰায় বাহাল ৰাখি উচ্চতম ন্যায়ালয়ে এনেদৰে কৈছিলঃ "In such circumstances we think it appropriate to dismiss the SLP, but we leave it open to the university to call fresh selection by an appropriate advertisement and it would be open to the respondents if they are to qualified in terms of the advertisement, to apply for selection."

গতিকে ইয়াৰ পৰা এইটোহে বুজা গ'ল যে প্ৰাৰ্থী দুজনে আবেদন কৰিব পাৰিব যদিহে বিজ্ঞাপনত বিচৰা মতে তেওঁলোকৰ অৰ্হতা থাকে। উক্ত শিক্ষক দুজনৰ এজনক আগৰ জন উপাচাৰ্যৰ দিনতে নিযুক্তি দিয়া হৈছে বুলি পঞ্জীয়কে কৈছে যদিও ভু-লৈ জানিব পৰা গ'ল যে – তেওঁক আগৰজন উপাচাৰ্যই নিয়ম আৰু বিজ্ঞাপন অনুযায়ী প্ৰবক্তা হিচাপেহে নিযুক্তি দিছিল। বৰ্তমানৰ উপাচাৰ্যই নীতি নিয়ম উলংঘা কৰি ৰীডাৰ হিচাপে নিযুক্তি দিয়া বিষয়টোহে আদালতত প্ৰত্যাহ্বান জনোৱা হৈছিল। আৰু অন্যজন গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰাণীবিদ্যা বিভাগতহে নিযুক্তি পাইছে। ফাৰ্মাচিটিউকেল মাইক্ৰ বাইলজী পাঠদানৰ বাবে নহয়। গতিকে পঞ্জীয়কে অনা প্ৰসংগটো ভিত্তিহীন।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে নিযুক্তিৰ ক্ষেত্ৰত কৰা অনিয়মৰ বাবে তৰা গোচৰ সমূহে যোৱা পাঁচটা বছৰত অভিলেখ স্থাপন কৰিছে। ফাৰ্মাচিটিউকেল চাইন্স বিভাগৰ উক্ত গোচৰটোৱে আগশাৰীৰ গোচৰ হিচাপে AIRত মুদ্ৰিত হৈছে। 'বিশ্বজিৎ সিন্‌হা বনাম ডিব্ৰুগড় বিশ্ববিদ্যালয়' শীৰ্ষক গোচৰটোও এটা বিখ্যাত গোচৰ হৈ পৰা কথা সৰ্বজনবিদিত। এইদৰে বিশ্ববিদ্যালয়ৰ গোচৰে অভিলেখ সৃষ্টি কৰাটো দুৰ্ভাগ্যজনক। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বৰ্তমান প্ৰাপ্যৰ বাবে প্ৰতিক্ষেত্ৰতে আদালতৰ কাষ চাপিব লগা হয়। তাকে নহলে উপাচাৰ্যৰ কোনো অঙহী বঙহী হব লাগিব অথবা তেওঁৰ গুণানুকীৰ্তন কৰা ব্যক্তি হ'ব লাগিব।

## স্বজনপ্ৰীতি

ওপৰত উল্লেখ কৰি অহা প্ৰতিটো অনিয়মতে স্বজনপ্ৰীতি জড়িত হৈ আছে। নিযুক্তি, প্ৰমোচন, বিত্তীয় অনুদান আদি সকলো অনিয়ম উপাচাৰ্য গৰাকীৰ সম্পৰ্কীয় ব্যক্তি বা প্ৰিয় ব্যক্তিৰ ক্ষেত্ৰতে কৰা হৈছে! কিন্তু সন্মানজনক কাৰণতে কোন কাৰ কি সম্পৰ্কীয় তাক মুকলিকৈ কোৱাৰ পৰা বিৰত থকা হ'ল। নবেম্বৰ মাহৰ শেষৰ সপ্তাহত অনুষ্ঠিত কাৰ্যবাহী পৰিষদত যেতিয়া উপাচাৰ্যক নিযুক্তি সম্পৰ্কীয় নানা অনিয়মৰ প্ৰশ্ন তোলা হৈছিল তেতিয়া তেওঁ বিপাঙত পৰি কাকুতি-মিনতি কৰা বুলি জানিব পৰা গৈছে।

## অন্য কিছু আকৰ্ষণীয় দিশ

(ক) *বিষয় – মনোৰঞ্জন শৰ্মাঃ* 'ৰূপকে চাবানে, গুণকে চাবা যেন সৰগৰ তৰা একোকেই দেখোন নিন্দিব নোৱাৰি নাকটোহে অলপ খৰা।' এই ফকৰা যোজনা ফাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপপঞ্জীয়ক গৰাকীৰ গাতে খাটে। পঞ্জীয়কৰ স্পষ্টীকৰণত বৰ দীঘলীয়াকৈ উপপঞ্জীয়ক মনোৰঞ্জন শৰ্মাৰ গুণ বখনা হৈছে। তেখেতৰ গুণমুগ্ধ সকলে তেখেতক জনসম্পৰ্ক ৰখাৰ ভাৰো দিছে বুলি উল্লেখ কৰা হৈছে। কিন্তু তেখেতৰ নিয়োগ পত্ৰত তেখেতে কোনো প্ৰচাৰ মাধ্যমৰ লগত জড়িত থাকিব নোৱাৰিব বুলিহে কাৰ্যবাহী পৰিষদে উল্লেখ কৰিছিল। আনহাতে পঞ্জীয়কক এই প্ৰতিবেদকে প্ৰশ্ন কৰাত তেখেতে উপাচাৰ্যই দিছে বুলিহে কলে। একেজন ব্যক্তিয়ে একে বিষয়তে দুটা মন্তব্য কৰাতো ৰহস্যজনক। বোধকৰো জনসম্পৰ্ক ৰক্ষাৰ দায়িত্বত থকা শৰ্মাই পঞ্জীয়কৰ স্পষ্টীকৰণটি ইমান নিম্ন মানদন্ডৰে সজাই জনমানসত পঞ্জীয়কৰ লগতে বিশ্ববিদ্যালয়খনক হেয় কৰাৰ প্ৰয়াস কৰিছিল। লগতে নিজৰ বিষয়েও দু-আষাৰ বেছিকৈ লিখি সন্তুষ্টি লভিছিল।

এইজন বহুগুণী ব্যক্তি বৰ্তমান পাঠ্যপুথি প্ৰকাশৰ সচিবৰ দায়িত্বতো আছে। ইয়াৰ উপৰি প্ৰশাসনীয় উপপঞ্জীয়ক হিচাপেও কাম চলাই আছে। মুঠৰ ওপৰত উপাচাৰ্যৰ সোঁহাত স্বৰূপে তেওঁয়েই অধিক দায়িত্ব পালন কৰি সোপা ঢিলাকৈ বিশ্ববিদ্যালয়ৰ উন্নয়ন সাধন কৰি আছে।

(খ) সেইদৰে বৰ্তমানৰ পৰীক্ষা নিয়ন্ত্ৰকেই পঞ্জীয়কৰো দায়িত্বত আছে। একেজন ব্যক্তিকে এইদৰে ইমানবোৰ গুৰু দায়িত্ব কাৰ স্বাৰ্থত দি থোৱা হৈছে সেয়া এক গুৰুত্বপূৰ্ণ বিষয়।

(গ) শৈক্ষিক দিনপঞ্জীখন যদি সৰ্বসন্মতিক্ৰমে তৈয়াৰ কৰা হৈছে তেন্তে আমাৰ কব লগা একো নাই। কিন্তু এইবাৰ পৰীক্ষাৰ সময়ছোৱাত ইংৰাজী বিভাগ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ শ্ৰেণী সমূহ বন্ধ থাকিল কিয়? এই বিষয়ে আস্থাৰ দাবী কৰা ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থৰ দোহাই দিয়া স্নাতকোত্তৰ ছাত্ৰ সংস্থা নীৰৱে থাকিল কিয়? ইয়াত ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থ ক'ত ৰক্ষা পৰিল?

(ঘ) *ভোলা শৰ্মা আয়োগৰ প্ৰতিবেদনঃ* বিশ্ববিদ্যালয়ত এজন শিক্ষকৰ বিৰুদ্ধে পৰীক্ষা সম্পৰ্কীয় খেলিমেলি কৰাৰ অভিযোগ আনি ভোলা শৰ্মা আয়োগ নামেৰে এখন তদন্ত আয়োগ লাখ টকা খৰচ কৰি গঠন কৰা হৈছিল। কিন্তু আজি পৰ্যন্ত এই আয়োগৰ প্ৰতিবেদন গাপ দি ৰখা হ'ল! যদি প্ৰকৃত সত্য প্ৰকাশ কৰাই নহয় তেন্তে বিশ্ববিদ্যালয়ৰ টকা ভাঙি আয়োগ গঠন কৰাৰ প্ৰয়োজন কি আছিল?

আমি জানিব পৰা মতে আয়োগে শিক্ষক জনৰ সপক্ষে প্ৰতিবেদনত ৰায় দিছিল। সেয়ে নিজৰ দুৰ্বলতা ঢাকি ৰাখিবলৈ উপাচাৰ্যই প্ৰতিবেদন গাপ দি ৰাখিলে।

এইদৰে বিশ্ববিদ্যালয়খন বহুদিশৰ পৰা অন্যায় অনিয়মেৰে আবৰি পেলাইছে। এইবোৰৰ আঁহ চোঁচোতে প্ৰশাসনে ছাত্ৰ-ছাত্ৰীৰ উন্নয়নৰ বাবে চিন্তা কৰিবলৈ আহৰিয়েই বা পাই ক'ত? গতিকে অতি শীঘ্ৰে এইবোৰৰ নিৰাময়ৰ প্ৰয়োজন।

## বিশ্ববিদ্যালয়খন বচোৱাৰ উপায়

ডিব্ৰুগড় বিশ্ববিদ্যালয়খন দুৰ্বল হৈ পৰাৰ একমাত্ৰ কাৰণ দুৰ্বল প্ৰশাসন। সেই কথা স্নাতকোত্তৰ ছাত্ৰ সংস্থাৰ পৰা ছাত্ৰ-ছাত্ৰী, শিক্ষক সকলোৱে স্বীকাৰ কৰে। গতিকে প্ৰশাসন সবল কৰিবলৈ হলে এজন শক্তিশালী, নিকা, উচ্চ ব্যক্তিত্ব সম্পন্ন আৰু পন্ডিত গুৰিয়ালৰ প্ৰয়োজন। যিজন ব্যক্তিয়ে বিনা দ্বিধাই বিষয়া, কৰ্মচাৰী, শিক্ষক, ছাত্ৰ-ছাত্ৰী সকলোৰে মনত সন্মানৰ উচ্চ আসন দখল কৰিব পাৰে। আৰু ব্যক্তিজন এনে হ'ব লাগে যিজনে উপাচাৰ্য পদটো এটা চাকৰি বুলি গণ্য নকৰি এখন ঘৰৰ মুখিয়াল হিচাপে সকলোকে সমান চকুৰে চাই সামূহিক উন্নয়নৰ কথা চিন্তা কৰিব পাৰে।

দ্বিতীয়তে, কাৰ্যবাহী পৰিষদৰ সংশোধনৰ প্ৰয়োজন আছে। কাৰণ বৰ্তমানৰ পৰিষদত এনে কিছুমান ব্যক্তি সদস্য হৈ আছে যাৰ প্ৰকৃততে এতিয়া সন্ন্যাস ধৰ্ম পালনৰহে বয়স। গতিকে তেনে লোকে বিশ্ববিদ্যালয়ৰ বাবে বিশেষ একো অৰিহণা যোগাব নোৱাৰে! আকৌ এনে এক শ্ৰেণীৰ লোক আছে যি বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী পৰিষদৰ সদস্যপদক নিজৰ অলংকাৰ বুলি ভাবে! গতিকে তাক নিৰাপদে ৰক্ষাৰ চেষ্টা কৰে আৰু সভাত সাক্ষী গোপালৰ ভূমিকা পালন কৰে। অন্য এক শ্ৰেণীৰ সদস্যই আকৌ যাৰে তাৰে লগত ব্যক্তিগত গাড়ীত আহি ভ্ৰমণ বানছটো লয় আৰু খানাটো খাই যায়গৈ। গতিকে এনেবোৰ ক্ষুদ্ৰ স্বাৰ্থৰ ব্যক্তিক পৰিষদৰ সদস্য হিচাপে ৰাখি বিশ্ববিদ্যালয়ৰ লাভতকৈ লোকচান বেছি হয়। কাৰণ বিশ্ববিদ্যালয়ৰ সমস্যাসমূহ গুৰুত্ব সহকাৰে কাৰ্যবাহী পৰিষদত পৰ্যালোচনা নহলে একছত্ৰী সাম্ৰাজ্যত পৰিণত হয়। বিশ্ববিদ্যালয় স্বনিয়ন্ত্ৰিত অনুষ্ঠান বুলি প্ৰশাসনে সুবিধা আদায় কৰাৰ প্ৰয়াস কৰে! বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যিমানবোৰ দুৰ্নীতি, অনিয়ম, অন্যায় চলি আছে তাৰ বাবে কাৰ্যবাহী পৰিষদখনো জগৰীয়া। তদুপৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উন্নয়নৰ বাবে কাৰ্যবাহী পৰিষদে UGCৰ ওচৰত বলিষ্ট পদক্ষেপ লোৱা হলে আজিও বিশ্ববিদ্যালয়খন এইদৰে পিছপৰি নৰলহেঁতেন। বিশ্ববিদ্যালয়ত নতুন বিষয়ৰ পাঠক্ৰম খোলা আৰু কেইটামান বিষয়ৰ উচ্চ শিক্ষাৰ ব্যৱস্থা কৰাৰ কথা পঞ্জীয়কে স্পষ্টীকৰণৰ যোগেদি এই আলোচনীৰ পাততে জনসাধাৰণক অৱগত কৰিছে। গতিকে এইবোৰ সময় মতে হৈ উঠেনে নুঠে সেই বিষয়ে ৰাইজে প্ৰখৰ দৃষ্টি ৰখা বাঞ্ছনীয়। এই ক্ষেত্ৰত কাৰ্যবাহী পৰিষদৰ ভূমিকাও মন কৰিবলগীয়া হ'ব। নহলে এইসকলে জনসাধাৰণক পুনৰ ভুৱা দিয়াৰ সম্ভাৱনাই অধিক।

তৃতীয়তে, ১৯৮৭ চনৰ পৰাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ওপৰত প্ৰকাশ হৈ অহা অভিযোগৰ ভিত্তিত এখন তদন্ত আয়োগ গঠন কৰি সকলোদিশ নিৰপেক্ষভাবে চালি জাৰি চাই প্ৰকৃত কেৰোণ ক'ত তাক উদ্ঘাটন কৰিব লাগে। সেয়ে নহলে শিক্ষক, ছাত্ৰ-ছাত্ৰী, বিষয়া, কৰ্মচাৰী, অসমৰ জনসাধাৰণ সকলোৰে মন ক্ষোভেৰে ভৰি আছে। এই ক্ষোভ ওচৰৰ পৰাহে অনুভৱ কৰিব পাৰি। কাৰণ আমি মতামত বিচাৰি যাওঁতে বিশ্ববিদ্যালয়ৰ বহুজন ব্যক্তিয়ে বহুতো অভিযোগ ব্যক্ত কৰে। কিন্তু কৰ্তৃপক্ষৰ ৰোষত পৰাৰ ভয়ত লিখিত ভাবে কবলৈ সংকোচ কৰে। এই সংকোচবোধ আকৌ নিসংকোচে ব্যক্ত কৰে। গতিকে এখন তদন্ত আয়োগেহে এই সমস্যা সমাধান কৰিব পাৰিব। ১৯৮৯ চনৰ ২৮ ডিচেম্বৰ তাৰিখেই অসমৰ আগশাৰীৰ ৫৩ জন বুদ্ধিজীৱী, শিল্পী, সাহিত্যিকে আচাৰ্যৰ ওচৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ তদন্তৰ দাবী জনাই ৰাজহুৱা স্মাৰকপত্ৰ প্ৰদান কৰিছিল। কিন্তু অসম চৰকাৰ তথা আচাৰ্য নিৰ্বিকাৰ হৈয়েই থাকিল। আনহাতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত লুট-পাত অন্যায় অনিয়ম চলিয়েই থাকিল।

অসম চৰকাৰ তথা আচাৰ্যদেৱে বিশ্ববিদ্যালয়ত এখন তদন্ত আয়োগ গঠন কৰি ৰাজহুৱা মতক সন্মান জনাওক। অন্যথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিবেশ কোনো দিন মুক্ত নহ'ব। যিদৰে হৃদযন্ত্ৰৰ দুৰ্বলতাই জীৱনৰ অনিশ্চয়তা কঢ়িয়াই আনে সেইদৰে উচ্চ-শিক্ষাৰ কেন্দ্ৰৰ দুৰ্বলতাই অসমৰ শিক্ষা জগতলৈ অনিশ্চয়তা কঢ়িয়াই আনিব।



*ষষ্ঠ পৰিকল্পনাৰ অসম্পূৰ্ণ এটা ছাত্ৰাবাস*

*ফটো : স্বপ্না বেজবৰুৱা*

# শিক্ষকৰ পদোন্নতিত অনিয়মৰ এক নমুনা

ডিব্রুগড় বিশ্ববিদ্যালয়ত শিক্ষক নিযুক্তি আৰু পদোন্নতিত চূড়ান্ত অনিয়ম দেখা দিয়াৰ ফলত বহু শিক্ষকে ন্যায্য প্ৰাপ্যৰ বাবে ন্যায়ালয়ত আশ্ৰয় লব লগা হৈছে। শেহতীয়া ভাবে উচ্চ ন্যায়ালয়ত আশ্ৰয় লোৱা ডঃ আবু নাছাৰ চাঈদ আহমদক আমি সুধিছিলোঃ 'আপুনি শেহতীয়াকৈ কিয় গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ তৰিব লগা হ'ল?'

উত্তৰত ডঃ আহমদে কয়ঃ–

'যোৱা ১৯৯০ চনৰ ১৪ নৱেম্বৰত বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে এক জাননীযোগে আন বছৰৰ দৰেই এই বছৰৰ ৩১ ডিচেম্বৰত যোগ্যতা অৰ্জন কৰা বিশ্ববিদ্যালয়ৰ শিক্ষকৰ ব্যক্তিগত পদোন্নতিৰ আবেদন বিচাৰে। সেই জাননী মতে যদিও আবেদন পত্ৰ জমা দিয়াৰ শেষ তাৰিখ ৩১ ডিচেম্বৰ, ১৯৯০ আছিল তথাপি ১৯৯১ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৯ তাৰিখৰ জাননী যোগে আবেদন পত্ৰ জমা দিয়াৰ শেষ তাৰিখ ৩১ মাৰ্চলৈ বঢ়োৱাত ময়ো পদোন্নতিৰ আবেদন কৰিলো। আগৰ ১৪-১১-৯০ৰ জাননীত উল্লেখ কৰা অৰ্হতা আৰু ব্যক্তিগত পদোন্নতিৰ লিখিত ৮ নং নিয়মৰ মতে ৰীডাৰৰ পৰা অধ্যাপকৰ পদোন্নতিৰ বাবে আবেদন কৰিবলৈ সেই বছৰটোৰ শেষৰ দিনটোত অৰ্থাৎ ৩১-১২-৯০ তাৰিখত প্ৰাৰ্থীৰ ৰীডাৰ হিচাপে কমেও ছবছৰ শিক্ষকতা কৰাৰ আৰু Objective Criteriaৰ মতে কমেও ২৫ পইন্ট থাকিব লাগিব। ৩১-১২-৯০ তাৰিখত ৰীডাৰ হিচাপে সাত বছৰ সাত মাহ শিক্ষকতা কৰা আৰু Objective Criteriaৰ মতে কমেও ৪৯ পইন্ট থকাৰ কাৰণে মই নিজকে অধ্যাপকৰ পদোন্নতিৰ প্ৰাৰ্থিত্বৰ কাৰণে যোগ্যতা অৰ্জন কৰিছো বুলি ভাবি পদোন্নতিৰ আবেদন কৰিলো।

এই বছৰৰ ছেপ্টেম্বৰ মাহৰ ২৩ তাৰিখে মই জানিব পাৰিলো যে বিশ্ববিদ্যালয়ৰ কৰ্মকৰ্তা সকলে ২৫ ছেপ্টেম্বৰত ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপকৰ পদোন্নতিৰ বাবে পতা সাক্ষাত গ্ৰহণলৈ মোক মতা নাই; আন দুজন প্ৰাৰ্থীক মাতিছে। তেওঁলোক হ'ল ডঃ মৃগেন্দ্ৰ নাৰায়ণ দাস; এখেত মোতকৈ জ্যেষ্ঠ আৰু মোতকৈ অধিক অৰ্হতা সম্পন্ন প্ৰাৰ্থী আৰু তেখেতৰ পদোন্নতি হোৱাটো মই বিচাৰো। কিন্তু আন গৰাকী প্ৰাৰ্থী ডঃ শ্ৰীমতী নিকুঞ্জলতা বৰা দত্ত। এখেত মোতকৈ ৰীডাৰ হিচাপে কনিষ্ঠ। তাৰ উপৰি ৩১-১২-৯০ তাৰিখত ৰীডাৰ হিচাপে শিক্ষকতা কৰা তেওঁৰ ছবছৰ হোৱা নাছিল; লগতে Objective criteriaৰ মতে তেওঁৰ ২৫ পইন্ট নাছিল। স্বাভাৱিকতে, মই বঞ্চিত হৈছো বুলি আৰু এগৰাকী কনিষ্ঠ আৰু মোতকৈ কম অৰ্হতা থকা প্ৰাৰ্থীৰ দ্বাৰা Supersede কৰাৰ সম্ভাৱনা দেখি ইয়াৰ প্ৰতিকাৰ বিচাৰি আচাৰ্য মহোদয়ৰ ওচৰত প্ৰাৰ্থনা জনালো। ইতিমধ্যে, ২৫-১০-৯১ তাৰিখৰ সাক্ষাত গ্ৰহণ অনুষ্ঠিত নহ'ল; সেই দৰে ১৫-১১-৯১ত দ্বিতীয় বাৰৰ কাৰণে সাক্ষাৎ গ্ৰহণ কৰাৰ তাৰিখতো সাক্ষাত গ্ৰহণ নহ'ল। তাৰপিছত তৃতীয় বাৰৰ বাবে ২৭-১১-৯১ত সাক্ষাৎ গ্ৰহণৰ দিন ধাৰ্য কৰা বুলি জানিব পাৰি মই আকৌ আচাৰ্য মহোদয়ৰ হস্তক্ষেপ বিচাৰিলো। আচাৰ্য মহোদয়ৰ ওচৰত মোৰ আবেদন থাকোতে আৰু তাৰ ওপৰত চূড়ান্ত সিদ্ধান্ত লোৱাৰ আগতেই বিশ্ববিদ্যালয়ৰ কৰ্মকৰ্তা সকলে খৰখেদাকৈ সাক্ষাৎ গ্ৰহণ কৰি মোক এক ভয়ানক অন্যায় কৰাৰ প্ৰচুৰ সম্ভাৱনা দেখিলো। ইপিনে আচাৰ্যৰ সচিবৰ পৰা জানিব পাৰিলো যে আচাৰ্য মহোদয় ২৩-১১-৯১ তাৰিখৰ আগতে দিল্লীৰ পৰা উভতি অহাৰ সম্ভাৱনা নাই আৰু তেখেতে হস্তক্ষেপ কৰাৰ আগতেই মোক Supersede কৰি কনিষ্ঠ এগৰাকী সহকৰ্মীক পদোন্নতি দিয়াৰ আগজাননী পাই মই উচ্চ ন্যায়ালয়ৰ কাষ চপাৰ বাহিৰে অন্য গত্যন্তৰ নেদেখিলো।

প্ৰশ্নঃ আচাৰ্য তথা উচ্চ ন্যায়ালয়ত হস্তক্ষেপ বিচৰাৰ স্থল আপুনি কোনখিনিত দেখা পাইছিল?

উত্তৰঃ মই খাটাংকৈ জানিব পৰা মতে মোৰ পদোন্নতিৰ আবেদন যিজন 'বিশেষজ্ঞ'ৰ ওচৰলৈ পঠোৱা হৈছিল তেওঁ কাৰ্যবাহী পৰিষদে এই কামৰ বাবে মনোনীত নকৰা ব্যক্তি। শিক্ষক পদোন্নতিৰ ৯ নং ধাৰামতে পদোন্নতিৰ আবেদন মূল্যাংকন কৰিবলৈ দিয়া বিশেষজ্ঞ জন কাৰ্যবাহী পৰিষদৰ দ্বাৰা মনোনীত ব্যক্তি হ'ব লাগিব। এই নিয়মৰ উলংঘা কৰা হৈছিল। দ্বিতীয়তে, মোৰ Bio-data আৰু Objective Criteria উক্ত 'বিশেষজ্ঞ'ৰ ওচৰলৈ পঠোৱা নাছিল বুলি মই জানিব পাৰিছিলো। এনেধৰণেৰে মোৰ প্ৰাৰ্থিত্ব নাকচ কৰাৰ দিহা কৰা হৈছিল বুলি মই ভৱাৰ থল আছিল। তৃতীয়তে, মোক এগৰাকী কনিষ্ঠ সহকৰ্মীৰ দ্বাৰা Supersede কৰাৰ ব্যাপক সম্ভাৱনা দেখিছিলো। এইবোৰ কথাৰ প্ৰত্যাহ্বান কৰাটো উচিত হ'ব বুলি ভাবিলো। তাৰ উপৰি, মই আগতীয়াকৈ জানিব পাৰিছিলো যে সাক্ষাৎ গ্ৰহণৰ বাবে যি কেইজন ব্যক্তিক বাহিৰৰ পৰা বিশেষজ্ঞ বুলি আমন্ত্ৰণ কৰা হৈছিল তেওঁলোকৰ দুজনক Academic Council-এ মনোনীত আৰু কাৰ্যবাহী পৰিষদে অনুমোদন কৰা তালিকাৰ পৰা মতা নাছিল। এই পদক্ষেপ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ আইনৰ 29(i)(b) ধাৰাৰ পৰিপন্থী আছিল। এই কেইটা গুৰুতৰ অনিয়মৰ কথা আগত ৰাখি ২৫-১১-৯১ তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ওচৰত ন্যায় বিচাৰি মই ৰীট আবেদন কৰিলো। উচ্চ ন্যায়ালয়ৰ মাননীয় মুখ্য বিচাৰপতি আৰু তেখেতৰ সহযোগী বিচাৰপতিয়ে এই গোচৰৰ সন্দৰ্ভত এনেদৰে নিৰ্দেশ দিয়েঃ

'......Respondents 1 to 3 (অৰ্থাৎ ডিব্রুগড় বিশ্ববিদ্যালয়, উপাচাৰ্য আৰু পঞ্জীয়ক) are directed to ensure that the petitioner is also called for interview for the post notified/advertised, but the result of the interview will not be published and will kept in a sealed cover by the concerned authority and the result will be declared only after specific order from this Court.'

প্ৰশ্নঃ সাক্ষাৎকাৰৰ বাবে আপোনাক মাতিলে নেকি?

উত্তৰঃ ২৭-১১-৯১ তাৰিখে সেই দিনা অনুষ্ঠিত হোৱা সাক্ষাৎকাৰৰ বাবে মোক এখন অস্বাভাৱিক চিঠি যোগে পঞ্জীয়কে মাতিলে। তাত তেওঁ মোৰ সাক্ষাতগ্ৰহণৰ ফলাফলহে চিল কৰি ৰাখিব বুলি জনালে। এয়া উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ প্ৰতি অবমাননা কৰা হৈছে বুলি ভাবো। তাৰ উপৰি সেই দিনাৰ সাক্ষাৎ গ্ৰহণ বৈধ নাছিল। কাৰণ বিশ্ববিদ্যালয়ৰ আইনৰ ২৯(১) ধাৰা মতে সাক্ষাৎ গ্ৰহণ কৰা বাছনি সমিতিত তিনিজন স্থায়ী সদস্যৰ এজনো সেই দিনাৰ সাক্ষাত গ্ৰহণৰ সময়ত উপস্থিত নাছিল। দ্বিতীয়তে, সেই দিনা উপস্থিত থকা বাহিৰৰ 'বিশেষজ্ঞ' দুয়োজনেই Academic Councilৰ দ্বাৰা মনোনীত আৰু কাৰ্যবাহী পৰিষদৰ দ্বাৰা অনুমোদিত তালিকাৰ বাহিৰৰ লোক। গতিকে, সেইদিনাৰ সাক্ষাৎ গ্ৰহণ সম্পূৰ্ণ অবৈধ আছিল আৰু তাৰ ফলাফল যিয়েই নহওক সেয়াও অবৈধ আছিল।







## তোমালৈ

ধ্ৰুৱজ্যোতি দাস

আছো, জীয়াই আছো।
এতিয়া কেৱল পণবন্দী হ'ব পাৰো। নতুবা
বিশ্বনাথ আৰু তেজপুৰৰ মাজত পত্ৰখন থাকোতেই মোৰ
মৃত্যু হ'ব পাৰে।

আচলতে এতিয়া কোনো জীৱনৰ নিৰাপত্তা নাই।
ৰাতি বগাই বগাই বেৰে-চালে ছাঁ-চিত্ৰৰ। প্ৰেমৰ কথা
কওঁ কেনেকৈ?

পানী কেঁচুৱাৰ মুখত উবুৰি খাই পৰিছে বিষৰ বুলেট।
আছে জানো মূল্য কিবা এতিয়া, প্ৰেমপত্ৰৰ?
যি দেশত শিশুৰ থেতেলা গা আমাৰ চকুৱে সহ্য কৰিছে,
যি দেশৰ পদ-পথত মাতৃয়ে সন্তান প্ৰসৱ কৰিছে; অথচ
আমি কাষেৰে

পাৰ হৈ যাব পাৰিছো–
গতিকে প্ৰেমৰ কি মূল্য এতিয়া?
বাটৰ চৰাইৰ তেজ চাব পাৰিছো যেতিয়া
প্ৰতিটো মৃত্যুৰ সংবাদ আমি চাব পাৰিছো যেতিয়া,
সেউজীয়া গছত সেউজীয়া মানুহক শেলি পেলোৱাৰ ঘটনা
আমি শুনিব পাৰিছো যেতিয়া,

কি মূল্য আছে প্ৰেমৰ?
কিদৰে লিখো প্ৰেমপত্ৰ?
এই সময়ত জানা আঁতৰৰ পৰাও ফুল ভাল নালাগে।
ধোঁৱাই ধোঁৱাই ৰাতি শেষ হৈছে, আচলতে দিনো!
নীৰৱ হৈ পৰিছে মানুহৰ পৰিচিত বতৰ। এতিয়া কোনো
প্ৰিয়জনেই নাই

বুকুৰ কথাবোৰ কোৱাৰ।
আছো, জীয়াই আছো কেৱল
হয়তো পণবন্দী নতুবা বুকুত শাসকৰ জোতাৰ আঘাতৰ
বাবে।

এতিয়া তুমি কুশলে আছানে? কুশলে?

কি ক'ম প্ৰেমৰ কথা! তুমি গান্ধীৰ সমাধি চুই আহিছা।
শুনা – গান্ধীৰ সমাধিৰ ক'লাশিল লাখটকীয়া;
'ৰামৰাজ্য'ত শিশুও মৰে অনাহাৰত।
সেউজীয়া গছৰ সেউজীয়া চৰাইক মাতি মাতি কোনেও
আবেলি নিবিলায়।

তোমালৈকে লিখিলো কেৱল।
মোৰ এতিয়া একোৱেই নাই। অতিকে কাঙাল।
প্ৰাৰ্থনা শুনিবা জানো মৃত মজিয়াত
অবেলাত কাৰ দুখ কাৰ সুখ!!

মৰম ল'বা........
–ধ্ৰুৱ,
'নেৱালি-মণি'। □



## পলাতক শব্দৰ সন্ধানত পদাতিক প্ৰেমিক

ৰীতা চৌধুৰী

পলাতক শব্দৰ সন্ধানত
মোৰ যাত্ৰা
মই এক পদাতিক প্ৰেমিক অভিযাত্ৰী

বিষ খাই মৰো ৰাতি, প্ৰত্যেক ৰাতি
জীয়াই উঠো মৃত্যুৰ পৰা
জীৱন তেতিয়া এক অঘৰী আত্মা

নসৰা অশ্ৰুৰ হৃদয়ত থাকে যি জ্যোতিষ্ক
উদ্ভাসিত হৈ উঠে নিঃশব্দত
সেই শব্দ পলাতক
আৰু মই এক পদাতিক নিঃসংগ অভিযাত্ৰী

অন্ধ বুলিয়েই কোৱা
দেখা নাপাওঁ বাবে স্বৰ্ণমহলৰ গৰিমা
মই অন্ধ প্ৰেমিক মোৰ ঘৰ অন্ধকাৰ
পথ অন্ধকাৰ
সুদূৰৰ নক্ষত্ৰ নামি আহি পদুলিত
মোকলৈ যায় হাতধৰি
হৃদয়ৰো দৃষ্টি থাকে দাবী থাকে
বৈৰাগী প্ৰেমিকৰ দৰে বিচাৰো
বিশুদ্ধ শব্দৰ আশ্ৰম
মোক যে উপশম লাগে
কাকোৱেই বুজাব নোৱৰা উপশম।

নিচাত মাতাল হলে ৰাতি
ঘূৰি আহে বন্ধু অজ্ঞাতবাসৰ পৰা
হাত পাতি লয় ক্লান্তি
চুমা খায় নিৰ্বাক ওঁঠত
আজৰাই দিয়ে বুকুৰ শিল

বিষ খাই মৰো ৰাতি, প্ৰত্যেক ৰাতি
জীয়াই উঠিবৰ কাৰণে

মোৰ কাৰণে শব্দ
নিঃসন্তান নাৰীৰ কোলাত কেঁচুৱা লোৱা
প্ৰথম লগ্নৰ প্ৰশান্ত আনন্দ। □



OKDISCD

# পাত্ৰ পুখুৰীৰ আইতা আৰু আমাৰ বাৰেৰহণীয়া লোক কলা

হেমন্ত বৰ্মন

চৰকাৰী প্ৰচাৰ যন্ত্ৰয়ো অজ্ঞাতে কেতিয়াবা দুই এটা সঁচা খবৰ জনসাধাৰণক জনায়। আজি কিছুদিন আগতে গুৱাহাটী দূৰদৰ্শনৰ জৰিয়তেও এনে এক তথ্য পৰিবেশিত হৈছিল – যি সচেতন দৰ্শকক জোঁকাৰি দিবলৈ যথেষ্ট। ইয়াক অৱশ্যে দূৰদৰ্শনৰ সত্যনিষ্ঠা বা অনুসন্ধানী দৃষ্টিভঙ্গী বুলি কব নোৱাৰি।

লোককলা বিষয়ক এক শিল্প শিবিৰৰ সংবাদ পৰিবেশনাই আছিল দূৰদৰ্শনৰ মূল উদ্দেশ্য। ওদালগুৰিৰ আৰ্টিষ্ট ভিলেজৰ ৰবিৰাম ব্ৰহ্ম আৰু গুৱাহাটীৰ আৰ্ট স্কুলৰ তৰুণ শিক্ষক দিলীপ তামুলীয়ে ৰঙিয়াৰ পৰা কিছু নিলগৰ পাত্ৰ পুখুৰী গাঁৱত লোকশিল্পৰ বৈচিত্ৰ্যময় জগতৰ সন্ধানৰ বাবে আয়োজন কৰিছিল এক শিল্প শিবিৰৰ। -স্থানীয় যুৱক যুৱতীৰ স্বতঃস্ফূৰ্ত যোগদান আছিল এই শিবিৰৰ অন্যতম আকৰ্ষণ। দূৰদৰ্শনত ইয়াৰ ৰিপৰ্ট পৰিবেশিত হৈছিল ঘটনাস্থলীৰ ভিছুৱেলছ আৰু কৰ্মকৰ্তা সকলৰ সাক্ষাৎকাৰৰ ভিত্তিত। গুৰুত্বপূৰ্ণ এই শিল্প শিবিৰত যোগ দিয়া এগৰাকী আইতাৰ কন্ঠত উচ্চাৰিত হৈছিল আমাৰ লোক সংস্কৃতিৰ বাৰেৰহণীয়া জগতৰ ট্ৰেজিক সংলাপ। তেওঁৰ কন্ঠৰ এষাৰ কথাই উন্মোচিত কৰিছিল আমাৰ জাতীয় জীৱনৰ ভুৱা সংবেদনশীলতাক। তিনি কুৰিৰ ডেওনা গৰকা আইতা মাটিৰ পুতলা সজাৰ স্বভাৱজাত বিদ্যাৰ গৰাকিনী। মাটিৰ লগত খেলি আইতাই লোক জীৱনৰ সৃষ্টিশীলতাক আজিও জীয়াই ৰাখিছে। পাত্ৰ পুখুৰী অঞ্চলটোৰ লোক শিল্প পৰম্পৰাৰ এই তথ্যৰ বিষয়ে সামূহিক দৃষ্টি আকৰ্ষণ এইবাৰেই হয়তো প্ৰথম। শিবিৰত আইতাই নিজ বিদ্যাৰে অংশগ্ৰহণকাৰী সকলক শিকাইছিল – মাটিৰ চপৰা কিদৰে শিল্প সামগ্ৰীলৈ ৰূপান্তৰিত হয়। মনৰ আনন্দতে পলকতে আইতাৰ হাতত সৃষ্টি হোৱা পুতলাৰ সৰল আবেদন সিদিনাৰ দূৰদৰ্শনৰ বহু দৰ্শকেই নিশ্চয় অনুভৱ কৰিছে। দূৰদৰ্শনৰ সংবাদদাতাই আইতাক তেওঁৰ শিল্প প্ৰতিভাৰ বিষয়ে সোধাত সৰুৰে পৰাই পুতলা তৈয়াৰ কৰি অহাৰ কাহিনী তেওঁ কৈছিল। আৰু আশ্বাস দিছিল প্ৰয়োজন হলে আৰু আগ্ৰহ থাকিলে নতুন প্ৰজন্মকো তেওঁ এই কলা শিকাব, নিজে জনাখিনি উজাৰি দিব। এনেতেই উত্থাপিত হৈছিল দূৰদৰ্শনৰ সংবাদদাতাৰ আহুকলীয়া প্ৰশ্ন –এতিয়া আপুনি কি কৰে? উত্তৰো আছিল আমাৰ জাতীয় জীৱনৰ চৰ্বিত চৰ্বিত গৌৰৱক প্ৰত্যাহ্বান জনাই দেহৰ পৰা আত্মালৈকে দৈন্য উদঙাই দিয়া – 'মই খুজি-মাগি খাওঁ আই আৰু মোৰ আপীটোৰ তাত থাকো।' বৰ নিৰ্লিপ্ত আৰু শীতল এই উত্তৰ।

(২)

অসমত প্ৰকৃতি এক হাতে অতি উদাৰ আৰু আনহাতে অতি নিষ্ঠুৰ। অসমৰ লোক জীৱনৰ 'আকালো নাই ভঁড়ালো নাই' অৰ্থনীতি আৰু জীৱনবোধে প্ৰকৃতিৰেই পৰোক্ষ অৱদান। কাঠ, বাঁহ, মাটিৰ কাম, আৰু তাতশালেই লোক শিল্পৰ মূল সমল। কাঠ খোদাইৰ ঐতিহ্যবাহী পৰম্পৰা থাকিলেও আমাৰ জলবায়ুৰ বাবে ই স্থায়ী হোৱা নাই। একেদৰে আন বহু লোক শিল্পৰ সমলো জলবায়ুৰ লগতে আমাৰ অৱহেলা আৰু অনাদৰৰ বাবেও বিলুপ্ত হৈছে। সংৰক্ষণৰ কোনো ব্যৱস্থাও আজিকোপতি হৈ উঠা নাই। ইয়াৰ বাবে প্ৰকৃতিয়েই নহয় মানুহো দায়ী। জৰীপৰ জৰিয়তে লোক কলাৰ ক্ষেত্ৰ চিহ্নিত কৰি সংৰক্ষণৰ আঁচনি লোৱাৰ সদিচ্ছা চৰকাৰে আজিকোপতি দেখুওৱা নাই। দুই এগৰাকী ব্যক্তিৰ নিজস্ব উদ্যোগেই এই দিশত আজিও শেষ কথা। ৰাজহুৱা জীৱনৰ এই দেউলীয়াপনাক আমি স্বীকাৰ কৰো বা নকৰো অৱক্ষয়ৰ সৰ্বগ্ৰাসী আবিলতাই – তিলে তিলে ধ্বংসৰ পথ প্ৰশস্ত কৰিব। যি জাতিৰ লোক কলা সম্ভাৰ সংৰক্ষণৰ ব্যৱস্থা নাই, স্বকীয় ভাবে লোক কলা সংগ্ৰহালয় নাই সেই জাতিৰ সংবেদনশীলতাৰ এটা দিশ অন্ধকাৰময় নহয় নে? যোৱা দহ বছৰত বহু ৰিপৰ্ট, চিঞৰ-বাখৰ, স্মাৰকপত্ৰ, বিশিষ্ট ব্যক্তিৰ সকীয়নিয়েও লোক কলাৰ স্বকীয় সংগ্ৰহালয় এটি স্থাপনৰ বাবে ৰজা ঘৰৰ গাৰ নোম এডালকে লৰাব নোৱাৰিলে বা কোনো বিত্তবান অসমীয়া উদ্যোগী সন্তানো আগবাঢ়ি নাহিল এনে এক মহৎ কামৰ বাবে।

এনে এক পৰিস্থিতিত পাত্ৰপুখুৰীৰ আইতাৰ সংলাপ শুনাৰ বা লোকশিল্পীৰ হৃদস্পন্দন অনুভৱ কৰাৰ সংবেদী মানসিকতা জাতিটোৰ আছে নে নাই সেয়াহে এক গুৰুত্বপূৰ্ণ প্ৰশ্ন। পাত্ৰপুখুৰীতে নহয় অসমৰ বহু গাঁৱত বহু লোক শিল্পীৰ কোনোৱে হাতত ভিক্ষা পাত্ৰ লৈছে, কোনোৱে হয়তো এসাজ খায় এসাজ নেখায়, জীৱন নিৰ্বাহ কৰিছে। কোন শিল্পী ক'ত কিদৰে জীয়াই আছে, নিতৌ ক'ত শিল্প সম্পদ লয় পাবলৈ আৰম্ভ কৰিছে, এগৰাকী শিল্পীৰ মৃত্যুৰ লগে লগে নিৰ্দিষ্ট এক শিল্পধাৰাও লুপ্ত হৈছে, তাৰ খবৰ আমি ৰাখিছো জানো?

অসমৰ ধুবুৰী, মাজুলী, হাজোৰ ৰামপুৰ আদি ঠাইৰ পুতলা সজাৰ পৰম্পৰা আছে। ধুবুৰীৰ আছাৰি কান্দিৰ মাটিৰ মূৰ্তি শিল্পই যৎসামান্য হলেও পৃষ্ঠপোষকতা পাইছে। কিন্তু আন ঠাইত তেনে প্ৰয়াস দৃষ্টিগোচৰ হোৱা নাই। শিল্প শিবিৰৰ অন্যতম আয়োজক দিলীপ তামুলীৰ পৰ্যবেক্ষণ মতে পাত্ৰ পুখুৰীৰ মূৰ্তি শি[illegible] এক স্বতন্ত্ৰীয়া ৰূপ আছে। কিন্তু ইয়াক ৰক্ষা কৰিব কোনে? পাত্ৰপুখুৰীৰ খোজনীয়া আইতাৰ হাতৰ ভিক্ষাপাত্ৰ কোনে আঁতৰাব?








# ডিকটেন

দীপক কুমাৰ বৰকাকতী



ল'মাই ফাৰ্ণিচাৰ ৱৰ্কশ্বপেৰে আন্দোলন গঢ়ি তোলাৰ কথাটো ৰেমাৰ আচহুৱা যেন লাগিছিল। ক'ত ফাৰ্ণিচাৰ ৱৰ্কশ্বপ আৰু ক'ত আন্দোলন। সি আইজ'ল চহৰখনত গঢ়ি উঠা বিভিন্ন ৱৰ্কশ্বপবোৰ আঁতৰে আঁতৰে চাবলৈ ধৰিলে। প্ৰকৃততে সি চাওঁ বুলি চোৱা নাছিল। চহৰখনৰ ৰাস্তাই ঘাটে ঘূৰি

ফুৰোতে ল'মাৰ লগত কথা পতাৰ পাছৰ পৰা ৱৰ্কশ্বপবোৰলৈ এনেয়ে চকু গ'ল। লাহে লাহে তাত কাম কৰা ডেকাবোৰৰ লেতেৰা দেহা আৰু কাপোৰকানিৰ মাজতো জিলিকি থকা উজ্জ্বল চকু-মুখবোৰ দেখি সি আগ্ৰহী হৈ উঠিল। সিহঁতে ভাগৰত কাপোৰ-কানি আৰু হাত পাত জোঁকাৰি চাহ দিয়া গাভৰুৰ পৰা চাহ লবলৈ লৈ মুখ চুপতি মৰা দৃশ্য তাৰ বৰ চিনাকি চিনাকি যেন লাগিল।

সি বুঢ়া য'ৰামথাঙাৰ মটৰ পাৰ্টচৰ দোকানখনো চালে। তাতে সি লম্‌কিমাকো লগ পালে। লম্‌কিমাই তাক সুধিলে – তই এতিয়া কি কৰিছ?

ৰেমাই হঠাতে ক'লে – কৰা নাই, কিন্তু কিবা এটা সোনকালেই কৰিম।

কথাষাৰ কৈ উঠি তাৰ ভাব হ'ল যেন সি ভাবি গুণিয়েই লম্‌কিমাক কথাষাৰ কৈছে।

– বৰ ভাল কথা। নিজে কিবা কৰিলে সমাজৰো কিবা কৰা হয়। – লম্‌কিমাই ক'লে।

থানয'মাৰ ফিউনাৰেলত লম্‌কিমাই কোৱা কথাবোৰ ৰেমাৰ মনত পৰিল। তেওঁ হেনো নিজৰ বাবে এভাগ কৰিহে ৰাইজৰ বাবে আন নিৰানব্বৈ ভাগ কাম কৰে।

লম্‌কিমাক লগ পাই অহাৰ পাছৰে পৰা ৰেমাই এটা নতুন সত্য উপলব্ধি কৰাৰ দৰে লাগিল। তাৰ আগৰ সপোনৰ মিজো বীৰ টাইটেচেনা, ছঙৱ'লা, ভানাপা আদিৰ স্বৰূপ আজিৰ সমাজত বেলেগ। গাঁৱৰ মেলমিটিঙত বক্তৃতাৰে আৰু এম এল এফত থাকোতে বিভিন্ন কাৰ্যৰে যাদুৰ পৰশ বোলোৱা আৰু শেষলৈ মন্ত্ৰী হোৱা লম্‌কিমাইও প্ৰথমতে নিজৰ কথাহে চিন্তা কৰে। তাৰ পাছতহে আনৰ আৰু সমাজৰ কথাই স্থান পায়। সি এতিয়া দেখা সমাজখনেও হয়তো তাৰপৰা তাকেই বিচাৰিছে। সেয়েহে কাৰোবাক লগ পালেই সি এটা প্ৰশ্নৰ বাৰে বাৰে সমুখীন হৈছে –তই এতিয়া কি কৰিছ?

সিদিনা সি গম পালে অ্‌ৱাঙা পুলিচ বিভাগৰ চাকৰিতে সোমাল। সি বেলেগ কিবা কৰিম বুলি পাঙি আছিল। মঞ্জুৰীৰ তৃতীয় আৰু শেষ কিস্তিটো লোৱাৰ পাছত সি বুজিলে এতিয়াই কিবা এটা নকৰিলে পৰিয়ালৰ দায়িত্ব সি বব নোৱাৰিব। কিছুদিনৰ পৰা তাক পুলিচ বিভাগৰ এ এছ আই-ৰ চাকৰিটো কৰিবনে নকৰে সুধি আছিল। সি অৱশেষত যোগ দিয়াটোকে ঠিক কৰিলে। যোৱাৰ আগতে সি খুমীৰ ঘৰতে ৰেমাক লগ পাই কৈ গ'ল – তয়ো কিবা এটা কৰ।

অ্‌ৱাঙা লোৱাংমোৱালৰ কেম্পটোৰ পৰা যোৱাৰ পাছত ৰেমাই বুজিলে কেম্পটোত আৰু মানুহ হয়তো তিনি চাৰিটাহে আছে। সি তালৈ গ'লেও যুৱালা আৰু অ্‌ৱাঙা অবিহনে তেনেই অকলশৰীয়া হ'ব। তাৰ উপৰি এতিয়াও থকা মানুহকেইটা যোৱাৰ পাছত কেম্পটো চৰকাৰে বন্ধ কৰি দিয়াৰ সম্ভাৱনাও আছে। সি বৰ্তমান খুমীৰ লগতে থকাটো আৱশ্যক। লগতে আৱশ্যক অলপ টকাৰ। তাৰ প্ৰথম কিস্তিৰ টকা প্ৰায় ঢুকালেই। খুমীয়ে ইমান শুশ্ৰুষা কৰাৰ পাছত টকা-পইছাৰ ক্ষেত্ৰতো তাইৰ ওপৰত ভৰষা কৰাটো বৰ বেয়া হ'ব। তাৰ কিবা এটা কৰাৰ বেছ প্ৰয়োজন আহি পৰিছে। সি যদি সঁচায়ে কিবা কৰিব লাগে, তেন্তে কি কৰাটোনো আটাইতকৈ ভাল? পু-য'ৰামথাঙাই তাক মটৰ পাৰ্টচৰ দোকান খোলাৰ কথা কৈছে। গাওঁ-চহৰ নতুন নতুন গাড়ী-মটৰেৰে ভৰি পৰিছে। তাৰ লাগতিয়াল অংশবোৰৰ দোকান দিলে বুঢ়াৰ মতে বেয়া নহয়। লাভো বেছ ভাল। ৰেমাৰ কিন্তু প্ৰস্তাৱটো ভাল নালাগিল। কোম্পানীয়ে বনাই থোৱা পাৰ্টচবোৰ বিক্ৰী কৰাত কোনো মজা নাই। সি যদি নিজে কিবা বনাব পাৰিলেহেঁতেন! সি সৰু থাকোতে বাপেকে ৰঙাকৈ তপতাই লোৱা লোবোৰত হাতুৰীৰে পিটি বিভিন্ন বস্তু বনোৱা দেখি তাৰ বেছ ভাল লাগিছিল। সিয়ো নিজে সুবিধা পালেই মনে মনে লো ৰঙা কৰি ইচ্ছামতে পিটি কিবাকিবি গঢ় দিছিল। বাপেকে তাৰ এই আগ্ৰহ দেখি কমাৰশালত তাকহে সহায় কৰিবলৈ লগাইছিল। এতিয়া যদি সি নিজেও তেনে কিবা কৰিব পাৰিলেহেঁতেন। পিছে কমাৰশাল আইজ'লত তেনেই খাপচাৰা ব্যৱসায়। তাৰ উপৰি ইয়াৰ প্ৰয়োজনো তেনেই নগণ্য। তাৰ ল'মাৰ প্ৰস্তাৱৰ কথা মনত পৰিল। চকী-মেজ, বিছনা আদি বনোৱাটোত নিশ্চয় নিজৰ আনন্দ এটা থাকিব। তাৰ উপৰি দুটামান প্যাকৈত কৰ্মীৰ লগত কাম আৰম্ভ কৰিলে তিনি চাৰিটামানক শিক্ষা দি নিজা ৱৰ্কশ্বপ খুলিবলৈ যোগ্য কৰি তুলিব পাৰিব। কথাবোৰ ভাবি থাকোতে ৰেমাৰ ল'মাই কোৱা কথাবোৰ ভাল লাগি আহিবলৈ ধৰিলে। ল'মাই ব্যৱহাৰ কৰা আন্দোলন শব্দটোৱো অৱশেষত সি মনে মনে এটা অৰ্থত গ্ৰহণ কৰি ললে।

চাকৰি কৰাৰ পাছৰে পৰা কিমিয়ে কূট-কৌশল কিছুমান আয়ত্ত কৰিছিল। সেইবোৰ সময়ে সময়ে প্ৰয়োগ কৰি যেতিয়া সফলকাম হয় তেতিয়া তাই এক অবুজ আনন্দ পায়। কোনো বিষয়ত যদি কূট-কৌশল প্ৰয়োগৰ সুযোগ আছে তেন্তে তেনে নকৰালৈকে তাইৰ মনটো খোকোজা লাগি থাকে।

পু-ভটে ৰেমাই গ্ৰান্টৰ শেষৰ দুটা কিস্তি নিনিয়াৰ কথালৈ চিন্তা কৰিছিল। তেওঁ ৰিহাবিলিটেচন গ্ৰান্টৰ ফাইলটো সেই বাবেই ক্ল'জ কৰিব পৰা নাই। তেওঁ এদিন কিমিক মাতি আনিলে। তেওঁ জানে সিহঁতৰ সম্প্ৰদায়টোৰ মানুহৰ সংখ্যা অলপীয়া, সেই বাবে সিহঁতৰ ইটোৰ প্ৰতি সিটোৰ থকা টান তেওঁৰ নিজৰ সম্প্ৰদায়ৰ দৰে শিথিল হৈ পৰা নাই। কিমিয়ে নিশ্চয় তাৰহৈ কিবা কৰিবলৈ বেয়া নাপাব। তেওঁ কিমিক কলে –চা, জীৱনৰ এটা সময়ত সাময়িক উচ্ছ্বাসত ৰেমাৰ দৰে সকলোৰে কিছুমান ভুল হয়। সেইবুলি সেই ভুলবোৰ লৈ মানুহ জীয়াই থাকিব নালাগে।

কিমিয়ে পু-ভটৰ মুখলৈ স্থিৰ হৈ চাই ৰ'ল। সিহঁতৰ আন মানুহবোৰৰ দৰে তেঁৱো ৰেমাৰ কথা জানে নেকি? তাৰ উত্তৰৰ বাবে কিমি বেছি পৰ ৰব লগা নহ'ল। তেওঁ কলে – চা, সি মোক বাহুত দিয়া আঘাতটোতকৈ মনত দিয়া আঘাতটোহে বেছি আছিল। কিন্তু আন মানুহবোৰে – তহঁতৰ গাঁৱৰ আৰু অঞ্চলটোৰ সকলোবোৰে মোক এই আঘাত সহ্য কৰাত সহায় কৰিলে। মই তহঁতৰ মাজতে থাকিলো। নহ'লে কেতিয়াবাই মিজোৰাম এৰি আন ঠাইলৈ যাব পাৰিলোহেঁতেন।

কিমিয়ে বুজি পালে পু-ভটে কথাষাৰ অন্তৰৰ পৰাই কৈছে। তাই সেই মুহূৰ্তৰ পৰা ৰেমাক কিবা উপায়েৰে পু-ভটৰ সৈতে ভালদৰে লগ লগাই সহজ কৰি তুলিব পাৰি নেকি ভাবিবলৈ ধৰিলে। তাৰ বাবে চাকৰিৰ অভিজ্ঞতাৰ পৰা আয়ত্ত কৰা কূট-কৌশলবোৰৰ কথাকে তাইৰ মনলৈ আহিল।

কথাটো থিৰাং কৰাৰ আগতেই পু-ভটে এদিন কিমিক ক'লে – মইতো ৰিটায়াৰ হবলৈ চাৰি মাহহে আছে। মোৰ পৰিবাৰ আহিছে গুৱাহাটীৰ পৰা। আংপুইৰ ফালৰ



পৰা আহো বুলি ভাবিছো। কালিলৈকে আমি যাম।

কিমিয়ে কথাষাৰ শুনি ভাল পালে। লগতে পু-ভটৰ পৰিবাৰ গাঁও অঞ্চললৈ যাব বুলি শুনি শংকিত হ'ল। পু-ভটৰ ঘৈণীয়েক গাঁৱৰ নৈষ্ঠিক ব্ৰাহ্মণৰ জীয়ৰী বুলি কিমিয়ে জানে। তাৰ উপৰি মিজোৰামত বেছিদিন থাকিব নোৱাৰি গুৱাহাটীৰ ঘৰতে প্ৰায়ে থকাৰ কথাও কিমিয়ে নজনা নহয়।

ধীৰেন ভট্টাচাৰ্যৰ চাকৰি জীৱনত মিজোৰামৰ প্ৰতি আগ্ৰহ জন্মোৱা বিভিন্ন মানুহৰ ভিতৰত আংপুইৰ পু-মোৱাকা আছিল প্ৰথম। আনজন আছিল ফাৰক'নৰ পু-থোৱামা। এজনে তেওঁক মানৱীয় ভ্ৰাতৃত্ববোধৰ লগত পৰিচয় কৰাই দিছিল আৰু আনজনে তেওঁক শিকাইছিল প্ৰাণখোলা হাঁহি মাৰিবলৈ। গতিকে চাকৰিৰ পৰা অৱসৰ লোৱাৰ আগতে পু-ভটে সেই পুৰণা গাওঁদুখনত পাক একোটা মাৰি অহাৰ কথা মনৰ পৰা আঁতৰাব নোৱাৰিলে। শেষ বাৰৰ বাবে অনুৰোধ ৰক্ষা কৰি পু-ভটৰ পৰিবাৰ মালতী ভট্টাচাৰ্যও তেওঁৰ লগত ওলাল।

আংপুইলৈ যোৱা ৰাষ্টাটোত শিলগুটি পেলাবলৈ আৰম্ভ কৰিছে। প্ৰায় বত্ৰিছ বছৰৰ আগতে গাওঁখনলৈ অহাৰ কথা পু-ভটৰ মনত পৰিল। সেইবাৰ তেওঁ চৈধ্য মাইল পথ খোজকাঢ়িহে গাওঁখন পাইছিলহি। সেইবাৰো এইবাৰৰ দৰেই পাহাৰৰ ওপৰত থকা জীয়ালুংখাম টিংটো তেওঁৰ প্ৰথম চকুত পৰিছিল। পু-ভটৰ ভাব হ'ল জীয়ালুংখাম টিংটোৱেই গাওঁখনৰ ইতিহাসৰ নীৰৱ সাক্ষী।

আংপুইত হাইস্কুল হ'ল, ডিচ্‌পেন্সৰী হ'ল; খেলাধূলা কৰিবলৈ এখন খেলপথাৰ হ'ল। এতিয়া ফৰেষ্ট অফিচ এটাও বহিছে। গাওঁখনত সোমাই পু-ভটৰ মোৱাকা মেমৰিয়েল হাইস্কুলখন চকুত পৰিল। তাৰপাছত তেওঁ কিয়েনল'ভাক লগ পাবলৈ গ'ল। মানুহটো বুঢ়া হৈছে। আঠুলৈকে কঁকালত মেৰিয়াই পিন্ধা কাপোৰখন, গাৰ কোটটো, মূৰৰ পকা চুলিখিনি, হাতৰ লাখুটি আৰু মুখৰ বাঁহৰ পাইপেৰে মানুহটোক ভট্টাচাৰ্যৰ পু-মোৱাকাৰ দৰেই লাগিল।

উভতাৰ পথত ভট্টাচাৰ্যই লুংলে-আইজ'ল প্ৰধান পথটোৰ পৰা ফালৰি কাটিলে। ছাৰশ্বিপৰ পৰা থেনজ'ল হৈ আইজ'ললৈ বুলি যাবলৈ ধৰিলে। তেওঁৰ এটাই মাত্ৰ উদ্দেশ্য, তা-শ্বিপ গাঁৱৰ কাষত থকা চিবুটা-লুংটো চাই যোৱাৰ। চিবুটা-লুংটো আকাশলংঘী এটা বিশাল শিল। চিবুটাৰ দৰে ক্ৰুৰ চীফ্ হেনো অতীজৰ লুচাই পাহাৰত আৰু নাছিল। গাঁৱৰ মানুহবোৰে চিবুটাৰ মৃত্যুৰ পাছত এই আকাশলংঘী বিশাল শিলচপৰা থিয় কৰিছিল। তেতিয়াৰে পৰা চিবুটা-লুংটোৱে মানুহক চিবুটাৰ ক্ৰুৰতাৰ কথা জগতক জনাই আহিছে।

ধীৰেন ভট্টাচাৰ্য গৈ থকা ৰাস্তাটো বৰ উন্নত নহয়। যাতায়াতো তেনেই কম। তেওঁক গাড়ীখনে বাটত অলপ অসুবিধাত পেলালে। ভাল কৰোতে অলপ সময় ল'লে। ভট্টাচাৰ্যই ঘৈণীয়েকক লৈ অলপ অসুবিধাত পৰিল। মানুহ গৰাকীয়ে গাড়ীৰ পৰা যেন মাটিত ভৰি নিদিবই। তেওঁ এতিয়ালৈকে অঞ্চলটোত সহজ হ'ব নোৱাৰিলে। তাৰ বাবে ভট্টাচাৰ্যৰ বহুবাৰ ঘৰুৱা অশান্তি হৈছে।

ঘৈণীয়েক মালতী ভট্টাচাৰ্যৰ শৈশৱ পাৰ হৈছিল গাঁও অঞ্চলত। গাওঁখন আছিল নৈষ্ঠিক ব্ৰাহ্মণ সম্প্ৰদায়ৰ। নিজা ঘৰতে পুৱা গধূলি দেউতাক আৰু খুড়াকহঁতে আহ্নিক পাঠ কৰিছিল। নিচেই পুৱাৰে পৰা নৈৱেদ্যৰ যোগাৰ চলিছিল। ঘৰখনৰ পুৰুষবোৰে দক্ষিণাত পোৱা ধক্‌ধককৈ বগা নীল দিয়া পাতল চুৰিয়া আৰু পাতল গেঞ্জি পিন্ধিছিল। গেঞ্জিৰ ওপৰেৰে লগুণডাল জিলিকি আছিল। বাপেক খুড়াকহঁতৰ কপালত চন্দনৰ ফোঁট আৰু টিকনিৰ আগত নিৰ্মালিৰ ফুল আছিলেই। ল'ৰাবোৰ সংস্কৃত টোললৈ গৈছিল পাঠ পঢ়িবলৈ। বাপেকে কাষৰ অঞ্চলত আৰু খুড়াক দুজনে কোঁচবিহাৰত যজমানী কৰি সংসাৰ চলাইছিল। ইয়াৰ মাজতে কেতিয়াবা কেতিয়াবা বাৰমাইলমান দূৰত থকা তেওঁলোকৰ কেইপুৰামান মাটিৰ পৰা ঘৰলৈ ধান-চাউল আহিছিল। সেইবোৰ আনিছিল খেতি কৰা কৈৱৰ্ত মানুহ এটাই। মানুহটো তেওঁলোকৰ ঘৰত আছিল অচ্যুত। বেছিভাগেই চোতালত আৰু কাচিৎহে বাৰান্দাত বহিবলৈ ডুখৰি পিৰা এডোখৰ পাইছিল। ভাত খাবলৈ সি নিজে কলাপাত এডোখৰ কাটি আনি চোতালৰ এচুকত বহিছিল। মানুহটোৱে ভাত খাই ঠাই মচি উঠি যোৱাৰ পাছতো ঠাইডোখৰ আছিল অস্পৃশ্য। গোবৰ পানী ছটিয়াই বিশুদ্ধ কৰি পুনৰ মচি কাচিহে ঠাইডোখৰ ঘৰুৱা ব্যৱহাৰৰ যোগ্য কৰিছিল। সেই খেতি কৰা মানুহটোৱেই এদিন বাৰীৰ এচুকত থকা সৰু জুপুৰিটোত থাকোতে নিশাটোৰ ভিতৰতে কিবা হৈ ঢুকাল। ধীৰেন ভট্টাচাৰ্যৰ পৰিবাৰ তেতিয়া জীয়ৰী। তেওঁলোকে পিছফালৰ চোতাল আৰু বাৰান্দাৰ পৰা বেওঁ মেলি মাজে মাজে বাৰীচুকৰ ঘৰটোলৈ গোটেই দিনটো চাইছিল। তেওঁলোকৰ নিজা ঘৰৰ মানুহতো সোমোৱা নাছিলেই, গাঁৱৰ আন মানুহবোৰো ঘৰটোত সোমোৱা নাছিল। মৰাশটো মহ-মাখিৰ মাজতে আলাই-আথানি হৈ দিনৰ দিনটো তাতে পৰি থাকিল। সিহঁতৰ কৈৱৰ্ত মানুহবোৰ সন্ধিয়া আহি পোৱাতহে নিশালৈ মৰাশটো নৈৰ পাৰলৈ নি খৰি দিয়া হ'ল। পাছত বাৰীচুকৰ ঘৰটো পুৰি পেলোৱা হ'ল।

এনে পৰিবেশৰ পৰা আহি মিজোৰামত মালতী ভট্টাচাৰ্যই ধীৰেন ভট্টাচাৰ্যৰ লগত কেইবাবাৰো ঘৰুৱা অশান্তিৰ সৃষ্টি কৰিলে। এতিয়া গাড়ীখন বেয়া হোৱাতো তেওঁ নামি নাহিল। ধীৰেন ভট্টাচাৰ্যৰ মনটো বেয়া লাগিল। গাড়ীখন ভাল হৈ চলিবলৈ লোৱাৰ পৰা তেওঁৰ গাটোও বেয়া লাগি আহিবলৈ ধৰিলে। তেওঁ বুজি পালে তেওঁৰ কিছুদিন দমি থকা ৰক্তচাপ পুনৰ বেছি হৈছে। ৰক্তচাপটো কমাই ৰাখিবলৈ ব্যৱহাৰ কৰা স্থানীয় বন-দৰব পুইনাম তেওঁ বেছ কিছুদিন খোৱা নাই। তেওঁ এম্বেছেদৰ কাৰখনৰ পিছৰ ছিটৰ চুক এটাত নিমাত হৈ বহি ৰ'ল।

কিছু সময়ৰ পাছত তেওঁৰ বুকুখন হেঁচা মাৰি ধৰিলে। গাটো কঁপিবলৈ ধৰিলে। মুখখনত ঘাম বিৰিঙিল। মালতী ভট্টাচাৰ্য হাহাকাৰ কৰি উঠিল। ড্ৰাইভাৰটোৱে গাড়ীখন ৰখালে। ভট্টাচাৰ্যৰ গাৰ কঁপনি অলপ কম হোৱাত লগত যোৱা মিজো ডেকাটোৰ লগত পৰামৰ্শ কৰি ড্ৰাইভাৰটোৱে লাহে লাহে গাড়ীখন ওচৰৰ সৰু গাওঁখনলৈ নিলে।

সন্ধিয়া লাগি আহিল। ভট্টাচাৰ্যই অলপ ভাল পালে। কিন্তু দিনৰ বেলা হোৱাৰ দৰে বুকুৰ খামোচনি, গাৰ কঁপনি আৰু গাৰ ঘামৰ বাবে মাজনিশা ভট্টাচাৰ্যৰ বুকুৰ স্পন্দন স্তব্ধ হৈ পৰিল।

মালতী ভট্টাচাৰ্যই মৃতদেহটো সাবটি ধৰি কান্দিবলৈ ধৰিলে। তেওঁ আউলী-বাউলী হৈ পৰিল। গাঁৱৰ মানুহ-দুজনীমান তেওঁৰ লগে লগে থাকিল। কিছু সময়ৰ পাছতে তেওঁ সংজ্ঞা হেৰুৱালে।

পুৱতি নিশা জ্ঞান পাই মালতী ভট্টাচাৰ্যই দেখিলে ধীৰেন ভট্টাচাৰ্যৰ মৃতদেহটো আহল-

বহল কোঠা এটাৰ ভিতৰত ধূপ জ্বলাই বিছনা এখনৰ ওপৰত নিকা কাপোৰ পাৰি শুৱাই থৈছে। মৃতদেহটোত পৰিষ্কাৰ বগা কাপোৰ এখন পাৰি ডিঙিলৈকে ঢাকি থৈছে। তাৰ ওপৰত বিভিন্ন ৰঙৰ ফুল। ধীৰেন ভট্টাচাৰ্যৰ মুখখন পৰিষ্কাৰকৈ ধুৱাই থোৱা, চুলিবোৰ তেলসানি নিকাকৈ আঁচোৰা। শেঁতা মুখখনৰ পৰাও এটা জ্যোতি বিৰিঙি পৰা!

মৃতদেহটোৰ সন্মুখত গোটেই গাঁৱৰ মানুহবোৰ ঘৰটোৰ বাহিৰে ভিতৰে ৱাই; এম, এ-য়ে পাৰি দিয়া বেঞ্চবোৰত বহি ধুমধুমকৈ ঢোলটো বজাই প্ৰশস্তি গীত গাই আছিল। সিহঁত প্ৰায়বোৰৰে চকু মুদখোৱা। ঢোলটোৰ ধুম ধুম শব্দত গা দোলাই দোলাই গীত গাই সিহঁত ভগৱানৰ লগত একান্ত হবলৈ যেন চেষ্টা চলাইছিল।

মালতী ভট্টাচাৰ্যই পুনৰ মৃতদেহটোলৈ চালে। মৃতদেহটোৰ মুখৰ উজ্জ্বলতা দেখি তেওঁৰ কাষতে থকা গাওঁখনৰ আদহীয়া তিৰোতা এজনীক সাবটি ধৰিলে। তেওঁৰ তপত চকুলো ওলাই আহিল। সাবটি ধৰিয়েই তেওঁ উচুপিবলৈ ধৰিলে। গাঁৱৰ মানুহজনীয়েও তেওঁক সাবটি ধৰি মিজো ভাষাত কিবা কৈ সান্ত্বনা দিবলৈ ধৰিলে। মালতী ভট্টাচাৰ্যৰ অৱস্থা দেখি মানুহজনীৰ চকুও চলচলীয়া হ'ল।

পুৱা ন-বজাত গাওঁখনৰ কাষত আৰ্মিৰ হেলিকপ্তাৰ এখন নামিলহি। তাতে ভট্টাচাৰ্যৰ মৃতদেহটো আইজ'ললৈ নিয়া হ'ল।

য'ৰামথাঙা, কিমি, লম্‌কিমাহঁত আইজ'লৰ হেলিপেডলৈকে আগুৱাই গ'ল। মৃতদেহটো গুৱাহাটীলৈ নিয়াৰ আগতে ভট্টাচাৰ্যৰ কোৱাৰ্টাৰত তিনি ঘন্টামানৰ বাবে ৰখা হ'ল। চৰকাৰৰ শাসন যন্ত্ৰৰ মুখিয়াল লোকেৰে ঘৰটো ভৰি পৰিল। তাৰ মাজে মাজে ভিৰ ঠেলি ৰেমা আগুৱাই গ'ল। পু-ভট সিহঁতৰ গাঁৱৰ ফালে যোৱাৰ সময়ত কিমিয়ে তাক পু-ভটে তাৰ বাবে ইণ্ডাষ্ট্ৰীৰ প্লান আৰু ল'নৰ ব্যৱস্থা কৰাৰ কথা কৈছিল। সি পু-ভটৰ এইবোৰ কথাকে ভাবি থাকোতে কোনোবাই তাক তেওঁৰ মৃত্যুৰ খবৰ দিলেহি। সি পোনেই কোৱাৰ্টাৰটোলৈ আহিল আৰু ভিৰ ঠেলি মৃতদেহটোৰ তেনেই কাষতে থিয় হ'ল। শান্ত ভাবে শুই থকা এই মানুহটোলৈকে সি জীৱনৰ প্ৰথম গুলি নিক্ষেপ কৰিছিল। সি চকু মুদি মৌন হৈ প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। মৃতকৰ আত্মাৰ মুক্তি আৰু লগতে তাক তেওঁৰ প্ৰতি কৰা অন্যায়ৰ বাবে ক্ষমা কৰিবলৈ ভগৱানক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

ৰেমাক পু-ভটৰ আগত সহজ কৰিবলৈ কিমিয়ে পাঙি থকা কূট-কৌশলৰ আৰু প্ৰয়োজন নহ'ল। ৰেমাই প্ৰাৰ্থনা কৰি কৰিয়েই নিজকে ক্ষমা কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। মৃতদেহটো কঢ়িয়াই নিবলৈ স্থানীয় মানুহবোৰে বনাই দিয়া কফিনটো কঢ়িয়াই নিয়াত ৰেমায়ো ধৰি মেলি সহায় কৰি দিলে।

সেইদিনা সন্ধিয়া ৰেমাই খুমীক ক'লে – ময়ো তোৰ লগত গিৰ্জালৈ যাম।

খুমীয়ে তালৈ অবাক হৈ চাই ৰ'ল।

আইজ'লৰ বসন্তকাল মে' মাহৰ পৰা আৰম্ভ হয়হে। নিশাৰ বাতাবৰণ তেতিয়া মনোমোহা হৈ পৰে। নিশাৰ পৰিষ্কাৰ আকাশত তৰাবোৰ চিক্‌মিকাই থাকে। অ'ত ত'ত পাহাৰৰ দাঁতিত ফুলিবলৈ আৰম্ভ কৰা বনৰীয়া ফুলবোৰৰ সুবাস বতাহত বিয়পি পৰে।

গিৰ্জাৰ পৰা উলটি আহোতে ৰেমাৰ গাটো পাতল-পাতল যেন লাগিল। সি বহু সময়ৰ মূৰে মূৰে দুই এষাৰ কথা ক'লে। খুমীয়ে হ'লে বিশেষ সঁহাৰি নিদিলে। সিয়ো এটা সময়ত নিমাত হৈ পৰিল। মলয়াত অহা ফুলৰ সুবাসত যেন অতীজৰ গাঁৱৰ গোন্ধ এটা ভাহি আহিল। ৰেমাই কব নোৱাৰাকৈ সুহুৰিয়াবলৈ ধৰিলে।

(ক্ৰমশঃ)


## সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্থায়ী আৰু দ্ৰুত নিৰাময়ৰ ১00% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।
সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।
সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেকস ক্লিনিক**
এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১00৯
ৰেলগেট নং - ৬

**ডাঃ এ, নেছাৰ**
এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)






# সুমিত্ৰা – বেদনাৰ কথা

জ্ঞানানন্দ শৰ্মা পাঠক

অসমৰ জনজীৱনৰ বহু-কলংকিত আশীৰ দশকতেই সুমিত্ৰা গোস্বামীয়ে ন কইনাৰ ভয় আৰু শংকাকুল মন এটা লৈ কবিতা লিখিবলৈ আৰম্ভ কৰি –মাত্ৰ দহ বছৰৰ ভিতৰতে দুটি কবিতা সংকলন আৰু অসমৰ প্ৰায়বোৰ দৈনিক-সাপ্তাহিক- তিনিদিনীয়া- পষেকীয়া- মাহেকীয়া কাগজৰ বুকুত বহুত কবিতা লিখি বহুতো কবিতা-প্ৰেমিকক তেওঁৰ অনুভূতি ৰাশিৰ প্ৰকাশৰ সজীব আৰু মৌলিক ভঙ্গিমাৰে আকৰ্ষণ কৰিবলৈ সমৰ্থ হোৱা দেখিবলৈ পাইছো। এওঁৰ কবিতা কিছুমান মই পঢ়ি ভাল পাইছিলো কবিৰ প্ৰকাশ ৰীতি, নতুন আংগিকৰ উপস্থাপনা, ধুনীয়া ধুনীয়া কল্পচিত্ৰ, উপমা, প্ৰতীক, উৎপ্ৰেক্ষাৰ নতুন নতুন সাজ-পাৰ দেখি।

সুমিত্ৰা গোস্বামীৰ কিছুমান কবিতাৰ আৰম্ভণিবোৰ চুটি গল্পৰ আৰম্ভণি কিছুমানৰ দৰেই আচম্বিত অপ্ৰত্যাশিত আৰু প্ৰথম স্তৱকতেই কবিৰ প্ৰকাশ-ভঙ্গিমাত সহৃদয়তা আৰু আন্তৰিকতাৰ স্পন্দন। 'চিঠি' নামৰ কবিতাটো সুমিত্ৰাই আৰম্ভ কৰিছে এনেকৈঃ

–'খুব সম্ভৱ
এনেকৈ কোনেও কাকো
নিলিখে চিঠি।'

এই আকৰ্ষণীয় আৰম্ভণিৰে সুমিত্ৰাই 'চিঠি'খনৰ শব্দাৱলীৰ কথা কৈছে এনেকৈ সুন্দৰ সাৱলীল সহজ সৰল ভাষাতঃ

–'পাহাৰৰ দৰে অচল, সাগৰৰ দৰে অটল,
শইচৰ দৰে উৰ্বৰ, মাটিৰ দৰে গধুৰ তাৰ
শব্দ।'

এটা জীৱন্ত অনন্য চিত্ৰকল্পৰে প্ৰকাশ কৰিছে শব্দৰ সন্মোহনী শক্তিৰ কথা।

–'কোনে কেতিয়া ক'ত
ৰ'দৰ জখলাৰে বগাই
পাৰি আনে
শব্দই ৰঙা কৰা ফল
কলমত নিগৰি পৰে হৃদয়ৰ
সমস্ত হিৰন্ময় আকুলতা।'

এনেধৰণৰ আচম্বিত, অপ্ৰত্যাশিত আৰম্ভণি বহুত বেছিকৈ পাওঁ এতিয়াৰ কেইবাজনো প্ৰথিতযশা ইংৰাজ কবিৰ কবিতাত অপৰ্যাপ্তৰূপেঃ ফিলিপ লাৰকিনছ (নেকষ্ট প্লিজ – Next Please), টড (Toad), দেইজ (Days), জেমছ ডিকীৰ (James Deckey) 'দি হে'ভন অব এনিমেলচ (The Heaven of Animals), লুই চিম্পচনৰ (Louis Simpson) আই ড্ৰিমড দেট ইন্ এ চিটি দাৰ্ক এজ পেৰিছ (I Dreamed That in a City Dark as Paris) আৰু আমাৰ দেৱকান্তৰ 'সাগৰ দেখিছা', নৱকান্তৰ 'বাৰিষাৰ ৰাতি তোমাৰ কবিক মনত পৰেনে অৰুন্ধতী?' নাইবা বীৰেশ্বৰ বৰুৱাৰ 'নিৰ্জন নাবিক'ৰ 'মিত-ভাষণ' 'দেৱদূত' আদিৰ দৰে।

সুমিত্ৰাৰ বেছিভাগ কবিতাই তেওঁৰ ব্যক্তিগত জীৱনৰ আশা-আকাংক্ষা হা-হুতাশ, নিৰাশা, নিঃসংগতা, সংশয়, শংকা আদি বিভিন্ন অনুভূতিৰ প্ৰকাশ। এই



সুমিত্ৰা গোস্বামী

প্ৰকাশৰ মাধ্যম নতুন নতুন উপমা, প্ৰতীক আৰু অনন্য চিত্ৰকলাঃ

–'নীলা চাদৰৰ আঁচল ফালি
আকাশখন শুকুলা হৈ পৰিছিল।'
(ছবিত কবিতা)

এই কবিতাটো সঁচাকৈয়ে যেন শোভা ব্ৰহ্ম, প্ৰসেনজিৎ দুৱৰা বা নীলপৱন বৰুৱাৰ একো একোখন একক চিত্ৰ প্ৰদৰ্শনী য'ত শব্দৰ ৰং আৰু তুলিকাৰে সুমিত্ৰাই চৈধ্যখন সুন্দৰ ছবি আঁকিছে।

–'ইন্ধন বিলুপ্ত এটি অঘৰী পুৱা', 'নৈখনৰ পিঠিত একলহ দুখ/মানুহবোৰ শিপায় অৰণ্য, নগৰ, পাহাৰ/পাহাৰ প্ৰান্তৰ ভেদি', 'কেঁচুমতাৰ শৈল্পিক আবেদনত/উৰ্বৰ ভূমিৰ আলাপ', 'নদীৰ মোহনাত চৰাইবোৰ সূৰ্যমুখী হয়/ঠোঁটত ওলমে একোটা ৰ'দৰ দোলক' – এই চিত্ৰকল্পবোৰৰ আবেদনে মন আৰু মগজুক আলোড়িত নকৰাকৈ নেথাকে। অকণমানো সংকোচ নোহোৱাকৈ সুমিত্ৰাই নিজৰ অন্তৰৰ গভীৰতম কোণৰ কথাবোৰ কৈছে অতি মৰমলগাকৈ তেওঁৰ 'কবিতাৰ স্কেচ' 'বুকুৰ গভীৰত সুৱাগমণি দিন', 'সিহঁত কোনো দিন উভতি নাহে', 'চাতক', দুখ মোৰ হাঁহিৰ দিনৰ' কবিতা কেইটাত। এয়া 'কবিতাৰ স্কেচ'ত চৈয়দ আবদুল মালিকৰ 'কবিতাৰ জন্ম'ৰ সুমিত্ৰা-বেদনাঃ

'মুকলি পথাৰখনত
পতাকাখন উৰুৱাই দিলো
নামি আহিল ৰঙা-নীলা কবিতা।
......নিশাটোৱে ফু দিওঁতেই
বুকুৰ গভীৰত জ্বলি উঠিল
দোক্‌মোকালিৰ অখন্ড কবিতা।'

'কবিতা-অৰণ্য'ৰ বুকুত সুমিত্ৰাই কবিতা গজা দেখিছে মানুহক সেউজীয়া সাজ পিন্ধায়। এই মানুহ বিশ্বপ্ৰকৃতিৰ অংগ – তাত কোনো বিভাজন সুমিত্ৰাই দেখাও নাই – অনাও নাই। আকৌ সুন্দৰ সুন্দৰ ছবি আঁহিছে 'ছবিত কবিতা'ত। মূৰৰ চুলি চিঙি

সুমিত্ৰাৰ
'ইতিহাসে মেলি ধৰে প্ৰোজ্জ্বল দিনৰ বুকুত এটা ক'লা কবিতাৰ পাত। এয়া চৈয়দ আবদুল মালিকৰ 'কবিতাৰ জন্ম'ঃ

–'ৰ'দত তাৰ কিৰীটিৰ বগা তুষাৰবোৰ গলি গলি বাগৰি আহে। নিজৰি নিজৰি বাগৰি অহা তুষাৰমালাৰ শিলত থেক্চো খোৱা বগা চিটিকনি ৰ'দত জিলিঙনি পৰি তিৰবিৰাই উঠে।'

সুমিত্ৰাই নিজৰ জীৱনত হয়তো বহুতো পালে। হয়তো মনে বিচৰা বহুতো কিবাকিবি নেপালে। সেয়েহে সুমিত্ৰাৰ কবিতাৰ মাজে মাজে উচুপনি শুনো সুমিত্ৰাৰঃ

–'নেজানো
কেনেকৈ গৰাখহনীয়াত
খহি মোৰ দুখৰ ৰাতি
বুকুৰ গভীৰত
থুপি থুপি ৰৈ
সুৱাগমণি দিন।

আকুল আবেগ সনা ভাষাৰে সুমিত্ৰাই তেওঁৰ প্ৰিয়জনক আহ্বান কৰিছে মিলনৰ পূৰ্ণানন্দ প্ৰত্যাশা ক'ৰিঃ

–'দিন ৰাতি একাকাৰ কৰি
বজাই আছো বাঁহী
কেতেকী ফুলক বুলি
হে মোৰ সতীৰ্থ
এয়েই শুভ লগন
হৃদয়ৰ দুৱাৰ উন্মুক্ত কৰি
কৰো আহা আলিংগন
সূৰ্যোদয়ৰ ক্ষণ সমাগত।'

সুমিত্ৰাৰ এই উপলব্ধিত মই বংগদেশৰ বিখ্যাত কবি সুধীন্দ্ৰনাথ দত্তৰ প্ৰতিধ্বনি শুনোঃ

'সৃষ্টিৰ ৰহস্যমাত্ৰ আলিংগন পুনৰালিংগন।' এয়া যেন মোহনকৃষ্ণ মিশ্ৰই 'জিজ্ঞাসা'ত কোৱা কথাখিনি সুমিত্ৰাই তেওঁৰ ভাষাত কৈছেঃ

–'হেজাৰ জনৰ দৰে ময়ো কব পাৰো
মোৰ কোনো ক্লান্তি নাই, মায়া নাই, মোহ নাই

আছে মাথো নাড়ীৰ স্পন্দন
গভীৰ ৰাতিত বাৰু কিয় তেনেহলে
ফুল আৰু পখিলাৰ মায়াত আচ্ছন্ন হৈ
হৃদয়ে বিচাৰে মাথো নিবিড় বন্ধন?'

সুমিত্ৰাৰ ৰচনা-শৈলী, ধুনীয়া চিত্ৰকলাৰ আৰু বোধগম্য প্ৰতীকৰ প্ৰয়োগত মোহনকৃষ্ণ মিশ্ৰৰ নিপুণতাৰ সমাবেশ দেখো। সুমিত্ৰাৰ 'চিঠি' কবিতাটো আকৌ এবাৰ উলিয়াই পঢ়কচোন। তাত আপুনি মোহনকৃষ্ণ মিশ্ৰৰ 'নিষিদ্ধ জালুকবাৰী'ৰ প্ৰতিধ্বনি শুনিব।

'আপোনাক – আপোনাক
ক'ৰবাত দেখা যেন লাগে!'

'কাৰ মতে মুখামুখি'ত, সুমিত্ৰাই ক্ষোভ আৰু বেদনাৰে কৈছে–

–'ব্যস্ত সাংবাদিক
তুমি এতিয়া
মোৰ ওচৰলৈ অহাৰ সময় নাই।
নাহিলা নাই।
ময়েই তোমাৰ বাবে থৈ গলো
সাগৰ মন্থন কৰি অনা
এধাৰি শামুকৰ মালা
বুকু ফালি চালে পাবা
তিৰবিৰাই থকা
এমুঠি মাণিক মুকুতা।'

(কাৰ সতে মুখামুখি)

সাময়িক জীৱনৰ দীনতাৰ, হীনতাৰ, নীচতাৰ, অত্যাচাৰ, অবিচাৰ, হিংসা, দ্বেষ আৰু নিপীড়িত জনতাৰ বীভৎস আৰু ভয়াৰ্ত জীৱনৰ কাব্যিক প্ৰতিফলন ঘটিছে সুমিত্ৰাৰ মৰ্মস্পৰ্শী প্ৰকাশ মাধ্যমত বহুতো কবিতাত। 'ঈপ্সিত সময়', 'এমুঠি ভোকৰ কবিতা', 'অন্বেষণ', 'জুয়ে পোৰা সোণ' 'নিশাটো শুই পৰা হ'লে', 'অব্যক্ত' 'প্ৰতিবেশী', 'কবিতা', 'মানুহ মানুহৰ কাষলৈ' – এই কবিতাবোৰ আধুনিক জীৱনৰ যন্ত্ৰণাৰ কৰুণ লিপিকা।

–'কোন নিষাধৰ/লক্ষ্যভেদী শৰ/উৰি ফুৰে/আকাশে বতাহে।' বীভৎস পৃথিৱীৰ ধ্বংসস্তূপত বহি সুমিত্ৰাই আশা এৰি দিয়া নাইঃ

–'প্ৰেমৰ মানুহবোৰে/শান্তিৰ চৰাইটোক/ আদৰিবলৈ এখন তোৰণ সাজিছে/সিহঁতৰ কন্ঠত/আলোড়িত চেতনাৰ অৰ্ণবত/ দোলায়িত হেঙুল দিনৰ গীত।'

দিনেশ গোস্বামীৰ হতাশাবোৰ আহি কেতিয়াবা সুমিত্ৰাক বেৰি কুৰি ধৰেহি। তথাপি সুমিত্ৰাই ভাদৰ ডবাপিটা বৰষুণৰ পাছত, এজাক ঘূৰ্ণীৰ আৱৰ্তৰ মাজত সোমালেও আৰু বৰ আশা কৰি কয় –

'কোনোবাই দিবনে
একাজলি ফৰিং ফুটা জোনাক
এগচি তুলসী তলৰ বন্তি
এমুঠি সুগন্ধি বতাহ?'

সুমিত্ৰাৰ এই কল্পচিত্ৰৰ ইংগিতময়তাৰে আচ্ছন্ন। এইষাৰ ক'লে হয়তো ভুল কৰা হ'ব। ওপৰৰ ছবিখন ভালকৈ চাওকচোন। আপুনি দেখিব এখনি ধৰ্মপ্ৰাণ সমাজপ্ৰাণ ঠাইৰ এটি জোনাকে আৱৰা পঁজাৰ চোতালৰ এচুকত এজনী সুলক্ষণা পতি-পুত্ৰ প্ৰাণা বোৱাৰীয়ে – সুমিত্ৰাই, ঘৰৰ তুলসীতলত সভক্তিৰে চাকি এগচি জ্বলাই যেন সেৱা কৰিছে অনন্তক, চাৰিওফালে আমোলমোলাই আছে বাৰীখনৰ কাষৰ শেৱালিৰ সৌৰভ। প্ৰাৰ্থনাত আকুল বিননিঃ 'সৰ্বে ভবন্তু সুখিনঃ
সৰ্বে সন্তু নিৰাময়াঃ'

সেই একেই উৎকন্ঠা, আগ্ৰহ আৰু প্ৰত্যাশাৰ অনুপ্ৰেৰণাকে লৈ সুমিত্ৰাই তেওঁৰ সংগ্ৰামৰ অবিৰত অন্বেষণৰ পথ এৰি দিয়া নাই; মুমূৰ্ষু হোৱা নাই; ক্লান্ত হোৱা নাই; আশা আৰু প্ৰাপ্তিৰ প্ৰত্যয় ত্যাগ কৰা নাইঃ

–'কিমান দিন যে
বিচাৰি ফুৰিছো তোমাক
মোৰ জন্মান্তৰৰ পৌৰুষ
ৰ'দ, বৰষুণ বতাহ ধুমুহা অতিক্ৰমি
মই আগুৱাই আহিছো
অমল প্ৰত্যয়ৰ আলোকেৰে
আলোকিত মোৰ বিশাল বুকুত
তুলি দিয়া হাত!

আৰু তাকে পাইছে 'উপলব্ধি'তঃ

'তোমাৰ সতে ভেটাভেটি হ'লে.
মোৰ সমগ্ৰ দুখৰ বোজা
বুকুত সাবটি
মই বসন্তৰ গীত গাম
তৰা-বছা আকাশত
মেলি দিম সোণোৱালী পাল তৰা নাও
মই জানো নৈখনৰ সিপাৰত
উমলি আছে
এজাক ৰূপালী চৰাই।

সুমিত্ৰাৰ বেছি ভাগ কবিতাতেই মই এক অনামী, অন্তৰ জ্বলি জ্বলি পুৰি মৰা বেদনাৰ অনুৰণন শুনো– যেন এই এজনী বাহিৰত লোকক দেখুৱাই হাঁহি থকা আৰু মনে মনে কান্দি থকা অঞ্জলি বৰুৱা, পিছে পিছে দৌৰি ফুৰিছে এটা উৰি যোৱা প্ৰজাপতিক খেদি খেদি।

'কবিতাৰ স্কেচ', 'বুকুৰ গভীৰত সুৱাগমণি দিন', 'কবিতা', 'সিহঁত কোনো দিন উভতি নাহে', 'চাতক', 'দুখ মোৰ হাঁহিৰ দিনৰ' – এই কবিতাকেইটা পঢ়িলে মোৰ কবিগুৰু ৰবীন্দ্ৰনাথৰ মৃত্যুহীন কথাখিনিলৈ মনত পৰেঃ

'আমাৰে পাছে সহজে বোঝ
তাইতো এত লীলাৰ ছল
বাহিৰে যাৰ হাঁসিৰ ছটা
ভিতৰে তাৰ চোখেৰ জল।'

আৰু নিজৰ চকুৱে-মুখে হাঁহিৰ ফাকু সানি লৈ সুমিত্ৰাই আমাক কৈছেঃ





–'দুখ মোৰ অসংখ্য তৰা খচিত আকাশ
দুখৰ মাজতেই
সকলো সম্পৰ্কৰ অন্তৰাল
নিহিত হৈ থকা প্ৰেমৰ অৱকাশ
দুখ মোৰ হাঁহিৰ দিনৰ
এক প্ৰোজ্জ্বল ইতিহাস।'

মেথিউ আৰ্নল্ডৰ (Mathew Arnold) দৰেই সুমিত্ৰায়ো অনুভৱ কৰে আমাৰ জীৱনৰ মিঠা-মিঠা গানবোৰেই আটাইতকৈ দুখ লগা কাহিনীৰ বেদনাত মৰহি যোৱা তাহানিৰ কথা।




ফ্ৰয়ডীয় চিন্তাধাৰাৰ সংগতিত অৱদমন, অপ্ৰকাশ, দূৰদমন আৰু অতৃপ্তিৰ বোজা কঢ়িয়াই সুমিত্ৰাই কেইটামান ধুনীয়া কবিতা লিখিছে। 'কবিতাৰ স্কেচ', এক অপূৰ্ব চিত্ৰকল্পৰ মাধ্যমেৰে প্ৰকাশ কৰিছে এক অনন্য ভাষাৰ সংযোজনেৰে অৱদমনৰ তীব্ৰ তাড়ণাঃ–

–'নিশাটোৱে ফু দিওঁতেই
বুকুৰ গভীৰত জ্বলি উঠিল
দোক্মোকালিৰ অখন্ড শলিতা।'

আকৌ 'প্ৰশস্তি'ত কৈছে–

–'ধমনীত প্ৰৱাহিত
তপত শোণিতৰ ধাৰ
অদূৰত ভঙা দেৱালৰ
আঁৰত ৰৈ আছে
মোৰ উত্তৰ পুৰুষ।'

সুনীল দুখনি হাতত–

'এবুকু পানী
ৰহধলা পথাৰত
নাচে দেওধনী
কোনে বজাই যায় বাৰু
আঁউসীৰ আন্ধাৰত সোণোৱালী বাঁহী?'

ইয়াতো ৰৈ আছে সুমিত্ৰাৰ উত্তৰ পুৰুষ দেবদাৰুৰ ছাঁত। সেয়েহে আবেগ ব্যাকুল কন্ঠেৰে সুমিত্ৰাই কৈছে–

'মেলি দিয়া তোমাৰ
সুনীল দুখনি হাত
ৰৈ যায় যদি যাওক
ইয়াতেই এখন প্ৰেমৰ বোৱতী নৈ।'

সুমিত্ৰাৰ বুকুখন বৰকৈ বিষাইছে। যন্ত্ৰণাত কাতৰ কবিয়ে ছটফটাইছে। মোহনকৃষ্ণ মিশ্ৰৰ আনক বুজাব নোৱৰা মন মৰা কথাবোৰৰ প্ৰতিধ্বনিবোৰ কাঢ়ি আনি সুমিত্ৰাই তেওঁৰ অন্তৰৰ যন্ত্ৰণাৰ কথা প্ৰকাশ কৰিছে অনন্য সুন্দৰ চিত্ৰকল্পৰেঃ

–'মোৰ বুকুৰ বিষটো
বিক্ষিপ্ত মুহূৰ্তৰ
ডেউকা ভাঙি ওলাই আহে
মোৰ চিঞৰটো।'

এয়া মোহনকৃষ্ণ মিশ্ৰৰ 'তেজতেই অমৃতৰ গোন্ধ'ৰ কল্পনাৰ মলয়-প্ৰবাহ। হিৰণ্য গৰ্ভৰ অমিত-প্ৰভাই আলোকিত কৰা অকাল বসন্তৰ অপূৰ্ব বাহাৰৰ অনন্য প্ৰতিবিম্ব সুমিত্ৰাৰ বুকুৰ মাজৰঃ

–'চিৰালফটা পথাৰখনত
পোত খাই থাকে
মোৰ পলসুৱা হৃদয়টো
তেতিয়াই আকাশ ফাটি ওলাই আহে
সোণালী শইচ ফুলাৰ খবৰটো।'

(মোৰ বুকুৰ ভিতৰত)

আৰু ইয়াতেই মই দেখিবলৈ পাওঁ মোহনকৃষ্ণৰ 'কল্কি'ৰ দুৰ্দশাৰ গৰালত উম্ লোৱা সোণালী ভৱিষ্যতক। সুমিত্ৰাৰ 'অস্পৃশ্য'ত প্ৰেম, যৌন-ক্ষুধাৰ তাড়ণা, বিয়াৰ পাছপৰ্ট নোলোৱাকৈ কৰা পৰকীয়া প্ৰেমৰ পৰিণতি, অবৈধ সন্তানৰ জন্ম আৰু জন্মৰ পিছক্ষণতেই আৰম্ভ হোৱা নৱ-জাতকৰ 'ডাষ্টবিন'ত মংগল বোধনৰ প্ৰতিষ্ঠা সমাৰোহ – এই অনুভূতিবিলাকৰ নিৰ্ভীক প্ৰতিফলন দেখিবলৈ পাওঁঃ

–'ডাষ্টবিনৰ কেঁচুৱাটো/প্ৰেমৰ মানুহৰ/ দেওলগা বসন্তৰ/এটি জ্বলন্ত ভাস্কৰ/সিও মানুহৰেই মানুহ।'

অসহ্য আবেগ আৰু ব্যাকুল বিননিৰ মন পৰশা গণেশ গগৈৰ দৰে সুমিত্ৰাই যেন ক'ব খুজিছেঃ

–'যৌৱনৰ পূৰ্ণ অৰ্ঘ্য দিব খোজো তোমাকেই লবানে সাদৰে সখি, আদি পূজা মোৰ?'

(পাপৰি)

–'আঁচলৰ গাঁথি খুলি
মই তোমাক আহ্বান কৰিছো
প্ৰবাসী বন্ধু
মোক এবুকু পলস দিয়া,
তোমাক এখন সাগৰ দিম।'

প্ৰকাশৰ কি সুন্দৰ অভিব্যঞ্জনা! অথচ এই কথা কেইশাৰীতেই ফুটি উঠিছে যৌৱনে গৰকা, মনখোৱা গাভৰুৰ তেজৰ আহ্বান –তেজলৈ; দেহৰ আহ্বান দেহলৈ; মনৰ আহ্বান মনলৈ; আত্মাৰ আহ্বান আত্মালৈ আৰু পৰিশেষত পৰমাত্মালৈ। এয়া যেন আন্ধাৰে আৱৰা জীৱনৰ মঞ্চত মোহনকৃষ্ণ মিশ্ৰৰ ছয়া-ময়া ৰূপৰ জিলিকনিঃ

–'আছে মাথো নাড়ীৰ স্পন্দন
গভীৰ ৰাতিত বাৰু কিয় তেনেহলে
হৃদয়ে বিচাৰে মাথো নিবিড় বন্ধন?'

(জিজ্ঞাসা)

এয়া গণেশ গগৈয়ে ৰিঙিয়াই মাতিছে বহু দূৰ অতীতৰ পৰা–

–'নকৰিবা ভয় সখি, প্ৰেমময় জগতত
পৰাণে নুবুজে যদি পৰাণৰ মোল
অলিয়া-বলিয়া হৈ কলীয়া ভোমোৰা আহি
কাঁইটীয়া গোলাপৰ নিবিচাৰে ফুল' –

(পাপৰি)

নৰ নাৰীৰ যৌন-আকৰ্ষণৰ কথা সুমিত্ৰাই তেনেই সহজ, সৰল, সাধাৰণ মানুহেও বুজি পোৱাকৈ, আমি সদায়েই কথা-বতৰাত ব্যৱহাৰ কৰি থকা সৰু সৰু, তথাকথিত 'অকাব্যিক' শব্দৰ সংহতিৰে প্ৰকাশ কৰি দেখুৱাইছে অতি দক্ষতাৰেঃ

–'তোমাৰ বাবেই মোৰ/কলিজাৰ এফাল দেখা নাই/সেউজীয়া পথাৰত দুকূল ওপচা বান/নেজানো/কেনেকৈ গৰাখহনীয়াত/ খহে মোৰ দুখৰ ৰাতি/বুকুৰ গভীৰত থুপি থুপি ৰৈ/সুৱাগমণি দিন।'

সুমিত্ৰাৰ 'কবিতা' শীৰ্ষক কবিতাটোত অনুভূতিৰ দুৰ্দম জোৱাৰ-ভাটা। প্ৰতীকধৰ্মী এই কবিতাটোৰে সুমিত্ৰাই যেন কবিতা কি, কবিতাৰ সংজ্ঞা কি– তাকেই যেন ক্ষুদ্ৰ পৰিসৰতে কব খুজিছে। 'সিহঁত কোনো দিনে উভতি নাহে' শীৰ্ষক কবিতাটোত আধুনিক যুগৰ অমানৱীয় যান্ত্ৰিক পৰিবেশ আৰু কালৰ সোঁতত ভাহি যোৱা অতীতৰ ঠাইত বৰ্তমানৰ স্বৰূপ উৎঘাটন কৰি দেখুৱাইছে ধুনীয়া ধুনীয়া প্ৰতীকৰ মাধ্যমেৰেঃ

–'উপজিয়েই জান/বিহলঙনি নমৰে/ভৰ-দুপৰীয়াখন/তহঁত শুই নপৰিবিচোন।'

'আলকাতৰা হোৱা কলিজা', 'বালিছন্দাই সজাই যোৱা এৰাসুঁতিৰ

ঘাটবোৰ'ৰ কথাই মোৰ বুকুখন বিষোৱাই যায়। 'চাতক'ৰ 'এটি নিসিজা দুখৰ ৰাতি' অভিনব উপমাৰ নিদৰ্শন।

–'মমতা মোৰ মাতৃভাষা/শ্ৰম মোৰ মেজাংকৰী আশা' এই লাইন দুটাৰ প্ৰথমটোত সাইবাবাৰ জীৱন-দৰ্শনৰ এষাৰ কথা প্ৰতিফলিত হোৱা দেখিছো। দ্বিতীয় লাইনটো যেন অসমৰ যুৱ-মানসৰ প্ৰতি কৰা অনন্য বিশেষণেৰে বিভূষিত 'মেজাংকৰী' আশাৰ মূৰ্তিমান ব্যঞ্জনা।

গণেশ গগৈ, দেৱকান্ত বৰুৱা যতিনাৰায়ণ শৰ্মা, নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা, হৰি বৰকাকতি মুখ্যতঃ প্ৰেমৰ কবি। কিন্তু তেওঁলোকৰ বেছিভাগৰে লেখাত বিজুলীৰ চিক্‌মিকনিৰ দৰে মাজে মাজে দেশপ্ৰেমৰ জাগৃতিয়ে তেওঁলোককো ব্যাকুল কৰা দেখিছো। সুমিত্ৰায়ো তেওঁৰ সাময়িক চৈতন্যৰ অৱবাহিকাত কেইবাটাও দেশপ্ৰেমমূলক কবিতাৰ সৃষ্টি কৰিছে। তেওঁৰ 'মোৰ দেশ – মোৰ সত্তা' শীৰ্ষক কবিতাটোৰ মনোৰম চিত্ৰকল্পৰ সমাহাৰে পাঠকক মোহ লগাবই:

– হে মৃন্ময়ী/মুকলি পথাৰখনত/ৰিহাৰ আঁচল খুলি ৰৈ আছো/যোৱাবেলি এইখন পথাৰতেই/আমি দেওধনী নাচিছিলো/ বুকুত বুকু থৈ ওঁঠত ওঁঠ মিলাই/আমি কথা পাতিছিলো।' 'আমাৰ বাহুত সূৰ্যটো/উবুৰি খাই পৰিছিল।' 'পেন্দুলামত ওলমি থকা মূৰ্ত সময়' – এই প্ৰতীকৰ কাঁচৰ মাজেৰে মই নৱকান্ত বৰুৱাক দেখিছোঃ (সময়ৰ কাটা ৰাতিৰ ঘড়ীত স্থিৰ – হে অৰণ্য, হে মহানগৰ)।

সুমিত্ৰাৰ জন্মভূমিখন সুন্দৰৰ ৰংগভূমি। তিল তিল সৌন্দৰ্যৰে গঢ়া অপ্সৰা সৌন্দৰ্যৰ আকৰ তিলোত্তমা। এয়া–

'এডাল ভৌগোলিক ৰেখাৰে/তোমাক সীমিত কৰিব খোজা নাই/ময়ো কোনো ঘটনা/কোনো অধ্যায়তেই আবদ্ধ হৈ/থাকিব বিচৰা নাই/লুইতৰ প্ৰবাহিত সুঁতিৰ দৰে/মই উটি যাব খোজো/প্ৰতিখন হৃদয়ৰ মাজেৰে/এমুঠি শইচ্ হৈ/মই গজি উঠিব খোজো/এবুকু পলসৰ উমেৰে।'

এই কবিতাটো; যতিনাৰায়ণ শৰ্মাৰ 'সোণৰ অসম', 'আমাৰ অসম', 'ভৱিষ্যৎ অসম', 'অসম কাৰ?', শীৰ্ষক কবিতালানিৰ মন-পৰশা অন্তৰ্নিহিত বাণী শুনো নতুন নতুন চিত্ৰ-কল্পৰ মাধ্যমত।

সুজলা, সুফলা, শস্য-শ্যামলা, মলয়-শীতলা মনোৰমা প্ৰকৃতিৰ বৰ্ণনা কৰিছে সুমিত্ৰাই 'বাসন্তীৰ কোলাত এমুঠি ৰঙ', 'দাপোণত কাৰ মুখ?' আদি কেইটামান কবিতাৰে য'ত বীৰেণ বৰকটকীৰ অস্পষ্ট প্ৰভাৱ পৰিছে লেখিকাৰ অজ্ঞাতসাৰেই। প্ৰকৃতি বন্দনাত বীৰেণ বৰকটকী, কেশৱ মহন্ত আৰু ভৱপ্ৰসাদ ৰাজখোৱাৰ দৰেই সুমিত্ৰাই অসামান্য কৃতিত্ব দেখুৱাবলৈ সমৰ্থ হৈছে।

এইখন বসন্তৰ ছবিঃ

–'অৰণ্যৰ ফুলে পাতে/আকাশে বতাহে/আৰু মানুহৰ হৃদয়ে হৃদয়ে/তগৰৰ শুধবগা পাখিলাহি 'পাপৰি।'

এনেধৰণৰ কবিতাৰ শব্দ-চয়নে পাঠকক মুগ্ধ নকৰাকৈ নেথাকে। 'দাপোণত কাৰ মুখ'ত মইচোন সুমিত্ৰাৰেই সমবয়সী, সতীৰ্থ কবি মীৰা ঠাকুৰৰ মুখখন দেখিছো, প্ৰকাশৰ অসহ্য তাড়ণাত যেতিয়া সুমিত্ৰাই কয়ঃ

– 'প্ৰয়োজনত তেওঁ বতৰৰ গীত গায়/মোৰ সতে কথা পাতে/আকাশৰ তলত/জোনাকৰ বুকু ফালি/কিল্‌বিলাই ফুৰে/মোৰ মানসৰ স্বপ্নৰ আমেজ।'

এয়াচোন সুমিত্ৰাৰ কন্ঠত মীৰা ঠাকুৰৰ কথা মালাৰ সুৰঃ

–'শিলনিৰ তলৰ নৈ খনে/মূৰ দাঙি ক'লে/মই আকৌ আহিছো/তোমাৰ সতে কথা পাতিবলৈ।'

লেখা দাপোণ আৰু বাস্তৱতো কইনা-কইনা লগা এই নতুন কবি সুমিত্ৰাৰ প্ৰতিভাৰ বিকাশৰ সম্ভাৱনা প্ৰচুৰ। কিয়নো এওঁৰ নতুন প্ৰতীক, উপমা, উৎপ্ৰেক্ষা, চিত্ৰকল্পবোৰে পাঠকক অকণমানো আমনি নিদিয়ে। বৰঞ্চ এক বুজা-নুবুজাৰ অস্বস্তিকৰ পৰিবেশ এটালৈ টানি লৈ গৈ অলপ পিছতেই পাঠকক স্বস্তিৰ সন্ধান দিয়ে। এই কথাত মই কবি দিনেশ গোস্বামীৰ সৈতে সহমত পোষণ কৰো। আশীৰ দশকৰ অসমীয়া ভাষাৰ কবি সকলৰ যিবিলাক লক্ষণ সেই আটাইবোৰ সুমিত্ৰাৰ কবিতাত আছে। সুমিত্ৰাৰ কৃতিত্ব আৰু পাৰদৰ্শিতা ইয়াতেই যে তেওঁ দুৰ্বোধ্যতাৰ পৰা নিত্যা দত্তৰ দৰে সম্পূৰ্ণ মুক্ত। দুৰ্বোধ্যতাৰ ডাঠ কম্বল গাত নেমেৰিয়াই লৈয়ো যে সাময়িক চৈতন্যৰ সাবলীল প্ৰকাশ সম্ভৱ – সুমিত্ৰা আৰু মোহনকৃষ্ণ মিশ্ৰই সেই বাট নব্বৈৰ অনাগত দিনবোৰৰ কবি সকলক দেখুৱাই দিছে। আজি মোহনকৃষ্ণ নাই। সুমিত্ৰাইতো আছে। 'ক'লা অজগৰ ৰাতি মদপী বাপেকৰ কামিজৰ বুটাম খুলি মাকৰ বুকুৰ উৰ্বৰতা লিৰিকি চোৱা, বাহুত উবুৰি খাই পৰা সূৰ্য', এবুকু পলসৰ বিনিময়ত এখন সাগৰ দিয়াৰ প্ৰতিশ্ৰুতি। বিক্ষিপ্ত মুহূৰ্তৰ ডেউকা ভাঙি অহা সুমিত্ৰাৰ চিঞৰ, শোকৰ কালিন্দী এন্ধাৰ, পেটত কুণ্ডলী পকাই থকা এমুঠি ভোক, লিপিবদ্ধ তামৰ মুদ্ৰাৰ উন্মোচিত গাণিতিক মন্ত্ৰ, দুখৰ দীঘল চোলা, অবিন্যস্ত চুলিত ওলমা ৰাতিৰ নক্ষত্ৰৰ ফুল, ৰ'দৰ জখলাৰে বগাই শব্দৰ ৰঙা ফল পৰা –এনেধৰণৰ অজস্ৰ চিত্ৰকল্পৰে ঠাহ খাই আছে সুমিত্ৰাৰ কবিতাবোৰ। মোৰ টি ই হুম (T. E. Hulme)ৰ কল্পচিত্ৰ সম্পৰ্কে ক'ৰবাত কোৱা কথা এষাৰ মনত পৰিছে–

—Images in verse are not mere decorations, but the very essence of an intuitive language.'

এওঁৰ কবিতাবোৰৰ বিশেষ্যক বিশেষণ কৰি কৰা আংগিক আকৰ্ষণীয়। বোৱাৰী-পুৱা, কালিন্দী এন্ধাৰ, মেজাংকৰী আশা, দেওধনী মজিয়া, অঘৰী পুৱা ইত্যাদি বহুত।

শব্দ-চয়ন আৰু প্ৰয়োগৰ দক্ষতা, কল্পনাৰ প্ৰাচুৰ্য, অনুভূতিৰ জোৱাৰ, ইংগিতময়তাৰ পৰিপূৰ্ণতাৰে সম্পূৰ্ণ সুমিত্ৰাই যদি অকণ অকণ লয় আৰু তালৰ সংগতি ৰাখি, আমাক দূৰণিৰ পৰা জুনুকাৰ অস্পষ্ট – এই শুনিছো, এই নাই শুনা – এনে এটা পৰিবেশ দিলেহেঁতেন, আনৰ কথা কব নোৱাৰো, মোৰ হলে কাণ-কেইখন ৰঙতে ৰঙা পৰি থাকিলেহেঁতেন। মই মাত্ৰ আশা কৰো চি এ হেকেটে (C. A. Hackett). ৰিমবড (Rimbaud) সম্পৰ্কে কোৱা কথাখিনি সুমিত্ৰাই হৃদয়ংগম কৰিব পাৰিব আৰু তেওঁৰ জন্মৰ ক্ষণ গণি থকা কবিতাবোৰত হেকেটে কোৱা দৰেই, সমস্ত অভিজ্ঞতাৰ মাজেৰে জীৱন-জিজ্ঞাসাৰ বাট বুলি, বিশুদ্ধ নিৰ্যাসখিনি সুমিত্ৰা-কন্ঠত ধাৰণ কৰিবলৈ সমস্ত বিষখিনি তেঁৱেই খাই লৈ নতুন দিগন্তৰ দিশ বিচাৰি আগবাঢ়ি যাব লাগিব হৰেন্দ্ৰনাথ দত্তৰ দৰে স্বপ্ন, ছন্দ আৰু ছবিক পথৰ লগৰী কৰি লৈ। সুমিত্ৰাৰ কবিতাবোৰৰ দেহৰ মাজত সোমাই থাকিব অমূল্য বৰুৱাৰ বিপ্লৱীৰ জুই জুই ফিৰিঙতি।

–'প্ৰতিটো গীতৰ মূৰ্ছনাত
সিহঁত প্ৰাণ পাই উঠে
প্ৰতিটো ঋতুৰ দোক্‌মোকালিত
বন্ধ্যাগীতৰ ৰাউচিবোৰে
এটি জ্বলন্ত সূৰ্যৰ প্ৰপাতত
অবগাহন কৰে
সিহঁতৰ মুষ্টিবদ্ধ বাহুত
নাচি উঠে একোখন ৰঙা পতাকা।





# পেট্ৰোলৰ অবিহনে........

ডিম্বেশ্বৰ চলিহা

পৃথিৱীৰ ভূগৰ্ভত পেট্ৰোল, কয়লা আদি খনিজাত পদাৰ্থ সমূহ সদায় থাকিবনে? যদি নাথাকে – 'আমাৰ গাড়ী-মটৰ, কল-কাৰখানা সমূহ কি বন্ধ হৈ যাব নেকি? আৰু এইবোৰ যদি বন্ধ হৈ যায় – আমাৰ গতি মন্হৰ হৈ পৰিব, উৎপাদন হ্ৰাস পাব, উদ্যোগ বন্ধ হ'ব আৰু মানৱ সভ্যতাই স্থবিৰ হৈ পৰিব। প্ৰশ্ন হ'ল – এনে স্থবিৰতাৰ ওচৰত জানো মানুহে মূৰ দোঁৱাব? নিশ্চয় নোদোঁৱায়। মানুহে তেনে সংকটক প্ৰত্যাহ্বানেই জনাব। বিশ্বৰ বিজ্ঞানী সমাজে এনে প্ৰত্যাহ্বান ইতিমধ্যেই গ্ৰহণ কৰিছে। অভাৱেই আৱিষ্কাৰৰ মূল –কথাষাৰৰ যথাৰ্থতা সম্ভৱ এওঁলোকৰ গৱেষণাৰ যোগেদিয়েই ফুটি উঠিব।

প্ৰাকৃতিক সম্পদ সমূহক আমি দুটা ভাগত ভাগ কৰিব পাৰো। গছ লতা, পশু-পক্ষী আদিৰ সংখ্যা আমি ইচ্ছা কৰিলে উপযুক্ত পৰিবেশৰ সৃষ্টি কৰি বৃদ্ধি কৰিব পাৰো। লো, টিন, তাম, সোণ, ৰূপ আদি ধাতু সমূহো আমি ইচ্ছা কৰিলে এবাৰ ব্যৱহাৰ কৰাৰ পাছত পুনৰ বেলেগ ৰূপত গঢ়ি ল'ব পাৰো। কিন্তু পেট্ৰোল, কয়লা আদি পদাৰ্থ সমূহ এবাৰ জ্বলাই পেলোৱাৰ পাছত পুনৰ ঘূৰাই পাব নোৱাৰো। ঘূৰাই পাব নোৱৰা সম্পদ সমূহেই প্ৰকৃততে আমাক বিপদত পেলায়।

পেট্ৰোলিয়ামজাত সামগ্ৰী আৱিষ্কাৰ কৰা বৰ বেছি বছৰ হোৱা নাই। পেট্ৰোলিয়াম শব্দটো – এক লেটিন শব্দ। ইয়াৰ অৰ্থ শৈল তেল। ১৮৫০ চনত জেমচ ইয়ং নামৰ স্কটলেণ্ডৰ এগৰাকী বিজ্ঞানীয়ে ভূগৰ্ভত থকা শিলৰ মাজৰ পৰা এবিধ তেল উলিয়াই আনিছিল। সেই তেল ঘাইকৈ চাকি জ্বলোৱাত ব্যৱহাৰ কৰা হৈছিল। পাছলৈ খাৰুৱা তেল শোধন কৰি তাৰ পৰা কেৰাচিন, পেট্ৰোল, ডিজেল, মম আদি নানাধৰণৰ সামগ্ৰী তৈয়াৰ কৰিবলৈ লোৱা হ'ল। বহু কোটি বছৰৰ আগতে ভূগৰ্ভত সঞ্চিত হৈ থকা খনিজাত দ্ৰব্য সমূহ যে অনন্ত কাললৈ নাথাকে – সেই কথা ইতিমধ্যে প্ৰমাণিত হৈছে। এতিয়া সকলোৱে বুজি পোৱা হৈছে যে দিনক দিনে বাঢ়ি অহা কল-কাৰখানা আৰু যানবাহনে অতি সোনকালেই খনিজাত দ্ৰব্য সমূহ নিঃশেষ কৰি পেলাব। খনিজাত দ্ৰব্য আৱিষ্কাৰ কৰাৰ সময়ত বা আজি কিছু বছৰৰ আগলৈকে কোনেও ভবা নাছিল যে খাৰুৱা তেলে দহটা বছৰো আধুনিক সভ্যতা ধৰি ৰাখিব নোৱাৰিব, ককাকে কিনা মটৰ গাড়ীখন নাতিনীয়েকে চলাব নোৱাৰিব।

পেট্ৰোলৰ এই সংকটৰ কথা ভাবিয়েই যোৱা দহ বছৰমান বিজ্ঞানী আৰু ইঞ্জিনিয়াৰ সকলে পেট্ৰোলৰ এক বিকল্প আৱিষ্কাৰ কৰিবলৈ অহৰহ চেষ্টা চলাই আছে। পৃথিৱীৰ বিভিন্ন তেলকূপ সমূহত তেলৰ পৰিমাণ হ্ৰাস পাই অহা, তেলৰ ঊৰ্ধ্বগামী মূল্য আৰু মধ্যপ্ৰাচ্যত হোৱা তেল সংকট –এই তিনিটা কাৰণত এনে গৱেষণাৰ প্ৰয়োজন অৱশ্যম্ভাৱী হৈ পৰিছে। বিজ্ঞানী সকলে ইতিমধ্যে এই দিশত যথেষ্ট আগবাঢ়িছে আৰু প্ৰমাণ কৰি দেখুৱাইছে যে যানবাহন চলাবলৈ পেট্ৰোলৰ বিকল্প নথকা নহয়। তেওঁলোকে ইয়াকো কৈছে যে এই বিকল্প সমূহ ব্যৱহাৰ কৰিব পাৰিলে পেট্ৰোলৰ তুলনাত প্ৰদূষণো কমকৈহে হ'ব।

কাঠৰ পৰা ইথানল (Ethanol) নামৰ এবিধ দ্ৰব্য প্ৰস্তুত কৰি তাৰে মটৰগাড়ী চলোৱাৰ পদ্ধতি ইতিমধ্যে আৱিষ্কৃত হৈছে। ১৯৮০ চনত এক লিটাৰ ইথানলৰ মূল্য আছিল প্ৰায় উনৈশ টকা। কিন্তু বৰ্তমান উন্নত প্ৰযুক্তি বিদ্যাৰ সহায়ত ইথানল তৈয়াৰ কৰিবলৈ লোৱাত লিটাৰত আঠ টকা মানতে দিব পৰা হৈছে। বিজ্ঞানী সকলৰ মতে অদূৰ ভৱিষ্যতে ইথানলৰ মূল্য লিটাৰত চাৰে চাৰি টকা মান হ'বগৈ। সকলো গাড়ী মটৰ ইথানলেৰে চলাবলৈ ইমানবোৰ কাঠনো ক'ত পোৱা যাব আৰু সেই কাঠ সংগ্ৰহ কৰিবলৈ যাওঁতে হাবি-জংঘলবোৰ টকলা নহ'বনে – সিও এক ডাঙৰ প্ৰশ্ন। কিন্তু বিজ্ঞানী সকলৰ মত হ'ল যে পৃথিৱীত এতিয়াও গছ বন নথকা অনেক মাটি এনেয়ে পৰি আছে। সেইখিনি মাটিতে নিয়মীয়াকৈ গছ বন লগাই ইথানলৰ কেঁচা সামগ্ৰী প্ৰস্তুত কৰি ল'ব পাৰি। তেনে কৰিলে হাবি-জংঘল টকলা হোৱাৰ প্ৰশ্ন নুঠে।

গাড়ী চলাব পৰা আন এবিধ ইন্ধন হ'ল মেথানল (Methanol)। মেথানলৰ মূল্যও পেট্ৰোলতকৈ কম। প্ৰাকৃতিক গেছৰ পৰা মেথানল প্ৰস্তুত কৰাৰ কাৰণেই ইয়াৰ মূল্য কমকৈ ৰখাটো সম্ভৱ হৈছে। কয়লাৰ পৰাও মেথানল প্ৰস্তুত কৰিব পাৰি। পাঁচ লিটাৰ মান পেট্ৰোল ব্যৱহাৰ কৰি গাড়ী একোখনে যিমান দূৰ অতিক্ৰম কৰিব পাৰে, সেইখিনি দূৰত্ব ১৫ৰ পৰা ১৯ টকামান মূল্যৰ মেথানলেই নিব পাৰে। বিজ্ঞানী সকলৰ মতে পেট্ৰোল চালিত গাড়ীৰ তুলনাত মেথানল চালিত গাড়ীৰ পৰা শতকৰা আশী ভাগ মান কম কাৰ্বন ডাই-অক্সাইড ওলায়। ইথানল বা মেথানলেৰে চলোৱা গাড়ী একোখনৰ মূল্যও পেট্ৰোল চালিত গাড়ী একোখনৰ সমানেই পৰিব। আমেৰিকাৰ মটৰ গাড়ী তৈয়াৰ কৰা কোম্পানী সমূহে ইতিমধ্যে ইথানল আৰু মেথানলেৰে চলাব পৰা গাড়ীৰ ইঞ্জিন তৈয়াৰ কৰি উলিয়াইছে। কিছুমান কোম্পানীয়ে আকৌ এনে ইঞ্জিনো তৈয়াৰ কৰিছে য'ত ইথানল, মেথানল বা পেট্ৰোল – যি কোনো এটাকে প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিব পাৰি।

অহা দহবছৰ মানৰ ভিতৰত পৃথিৱীৰ দুই চাৰিখন নগৰত বিদ্যুত শক্তিৰে চলাব পৰা মটৰ গাড়ীও হয়তো ওলাব। আমেৰিকাৰ কেইবাটাও মটৰ গাড়ী তৈয়াৰ কৰা কাৰখানাত ইতিমধ্যে বৈদ্যুতিক মটৰ গাড়ী তৈয়াৰ কৰিবলৈ লোৱা হৈছে। বৈদ্যুতিক মটৰ গাড়ীত নিকেল আৰু লো মিশ্ৰিত এবিধ বিশেষ ধৰণৰ বিটেৰী ব্যৱহাৰ কৰা হয়। ঘন্টাত ১১৫ কিলোমিটাৰ মান বেগত গ'লেই এনে বেটাৰী সম্পূৰ্ণ চাৰ্জ

হয় আৰু এনে একোটা বেটাৰীৰ বৈদ্যুতিক শক্তিয়ে গাড়ী একোখন ১৮০ৰ পৰা ২০০ কিলোমিটাৰ পৰ্যন্ত নিব পাৰে।

আমি ইয়াত যি জুলীয়া পেট্ৰোলিয়াম গেছ (LPG) ৰন্ধন গেছ হিচাপে ব্যৱহাৰ কৰো, তেনে গেছেৰেও আন দেশত গাড়ী চলোৱাৰ ব্যৱস্থা কৰা হৈছে। জুলীয়া হাইড্ৰোজেনৰ সহায়তো মটৰ গাড়ী চলোৱাৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলিছে। কিন্তু জুলীয়া হাইড্ৰোজেন তৈয়াৰ কৰোতে যথেষ্ট খৰচ পৰে। তদুপৰি পৰীক্ষা কাৰ্যতো এতিয়ালৈকে সফল হোৱা নাই। সৌৰ শক্তিৰ সহায়ত ৰন্ধা বঢ়া কৰা আৰু পানী গৰম কৰা কাৰ্য ইতিমধ্যে আমাৰ দেশতেই সম্পাদন কৰা হৈছে। কিন্তু বৰ্তমান মটৰ গাড়ীৰ ওপৰতেই সৌৰ শক্তি আহৰণৰ যন্ত্ৰ প্ৰতিষ্ঠা কৰি মটৰ চলোৱাৰ ওপৰতো পৰীক্ষা-নিৰীক্ষা চলিছে। সৌৰ শক্তিৰ দৰে বায়ুকলৰ (Air mill) সহায়তো শক্তি আহৰণ কৰি সেই শক্তি বিভিন্ন কামত খটুৱাবলৈ চেষ্টা কৰা হৈছে।

বিজ্ঞানী সকলৰ মতে অদূৰ ভৱিষ্যতে ইথানল, মেথানল, সংকুচিত প্ৰাকৃতিক গেছ, জুলীয়া পেট্ৰোলিয়াম গেছ আৰু বিদ্যুৎ –এই আটাইখিনিকে পেট্ৰোলৰ বিকল্প হিচাপে ব্যৱহাৰ কৰিব পৰা হ'ব। অৱশ্যে প্ৰথম অৱস্থাত পেট্ৰোলৰ তুলনাত ইথানল বা মেথানলত খৰচ কিছু বেছি পৰিব। গেছ বা বিদ্যুতৰ মূল্য হয়তো পেট্ৰোলৰ সমান বা পেট্ৰোলতকৈ কমো হ'ব পাৰে। বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত এটা প্ৰশ্ন আহিব পাৰে যে বিদ্যুৎ উৎপাদনৰ কাৰণেও দেখোন ডিজেল বা পেট্ৰোলৰ প্ৰয়োজন হয়। কিন্তু জলবিদ্যুতৰ ব্যৱস্থা কৰিব পাৰিলে বা ওপৰত কৈ অহাৰ দৰে গাড়ীৰ গতিৰ পৰাই বিদ্যুৎ আহৰণ কৰিব পাৰিলে ডিজেল বা পেট্ৰোলৰ প্ৰয়োজন নোহোৱা হ'ব। ■

## ঘোষণা

অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা সূত্ৰধাৰত অৰবিন্দ শৰ্মাৰ এখন নতুন ধাৰাবাহিক উপন্যাস 'বৃন্তচ্যুতি'প্ৰকাশ পাব। সূত্ৰধাৰৰ পাঠকৰ বাবে থূলমূলকৈ কাহিনীৰ চমু আভাস দাঙি ধৰা হ'লঃ

একুৰি পোন্ধৰ বছৰ কাল দিল্লীত কটোৱাৰ পিছত চাকৰিৰ পৰা অৱসৰ লৈ জয়ন্ত বৰুৱাই মাতৃভূমি অসমলৈ উভতিছে। গোটেই ৰেল যাত্ৰাটোৰ তেওঁৰ সংগী হৈছে তাহানি উৎকল বিশ্ববিদ্যালয়ত লগ পোৱা গীতাঞ্জলি মহাপাত্ৰ।

................ দিল্লীত থকা কালছোৱাত ক'ত যে ভিন্ন পৰিস্থিতিৰ সম্মুখীন হব লগা হৈছিল জয়ন্ত বৰুৱা। মহানগৰীৰ সৰ্বসাধাৰণ মানুহৰ যানবাহন ডি টি চি বাছৰ অভিজ্ঞতা, ৰুপহী ষ্টেনোগ্ৰাফাৰ ৰুবী চাউলাৰ অস্বাভাৱিক মৃত্যু, বিয়াৰ এবছৰ নৌহওঁতেই সন্তানৰ পিতৃ হোৱা বাবে সহকৰ্মী সকলে তেওঁৰ প্ৰতি কৰা ব্যংগসূচক মন্তব্য, বোমাৰ বিস্ফোৰণত তেওঁৰ মৰমৰ বন্ধু মদন লালৰ মৃত্যু আদি অনেক অভিজ্ঞতা তেওঁ লাভ কৰিছিল।

................ ওপজা মাটিৰ পৰশৰ পৰা কিছু বছৰ বঞ্চিত হৈ জয়ন্তই ইতিহাস ঐতিহ্যমণ্ডিত কীৰ্তি চিনেৰে ভৰা সৰু চহৰখনৰ প্ৰাচীন স্মৃতি বিজৰিত স্থানবোৰ চাবলৈ পিছদিনাই ওলাই আহিল। পৰিবৰ্তনশীল জগতৰ নিয়মক উলংঘা কৰিও চহৰখনৰ কিছু বস্তু ঠিক একেদৰেই আছে, আগৰ দৰে।

................ জয়ন্তই ভাবে ওপজা মাটিৰ পৰশ বিচাৰি উলটি আহি সি ভুল কৰা নাই। অক্ষত মূল কোঁহটোৱে সুস্পষ্ট ভাবে তেওঁৰ চকুৰ আগত ধৰা দি যায়।


## বহাগতে পাতি যাওঁ বিয়া

মাঘৰ ভোগালী বিহুটি পাৰহৈ যোৱাৰ লগে লগে বহাগৰ বিহুটিলৈ আমাৰ মনত পৰে। মাঘ, ফাগুন, চ'ত আৰু বহাগ এই চাৰি মাহেই অসম দেশত থকা আটাইকেইটা খিলঞ্জীয়া জনগোষ্ঠীৰ উৎসৱ, সবাহ, ঘূৰাফুৰা ভালকৈ খাৱন-পিন্ধন, প্ৰেম-প্ৰীতি আৰু বিয়া-বাৰুত সোমোৱা সময়। শীত আৰু বসন্তই অসমৰ আকাশ বতাহ আৰু সমাজত আনন্দ উলাহ আৰু প্ৰেম-মাদকতা তথা সুৱাসেৰে আমোল-মোলাই তোলে। যেতিয়া বহুতেই বিয়াৰ বাবে আনন্দত নাচি-বাগি ফুৰে তেতিয়াই আকৌ বহুতো ডেকা বা গাভৰুৱে কিহবা অজান ভয় আশংকাৰ আন্ধাৰত বাট বিচাৰি নেপাই খপজপাই ফুৰে আৰু বিয়াত সোনকালে সোমাবলৈ অমান্তি হয়। কিয় এনে হয় সেয়া বহুত কথা! মনত ৰাখিব এনে কোনো সমস্যা বা ৰোগ নাই যাৰ বাবে বিবাহৰ কোনোবা অযোগ্য হ'ব পাৰে! হেজাৰ হেজাৰ জনৰ যৌন সমস্যা আৰু ৰোগ সমূহ দূৰ কৰি আমি হেজাৰ জনলৈ আনি দিছো নৱ প্ৰেৰণা! আমি সকলো যৌন সমস্যা তথা ৰোগৰ ১00% স্থায়ী নিৰাময়ৰ গহীন অংগীকাৰ আগবঢ়াওঁ।

ডাঃ এ, নেইছাৰ এম, ডি
উত্তৰ ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ


জেউতি ছেক্স ক্লিনিকছ
কুমাৰপাৰা, গুৱাহাটী-৭৮১00৯






# ভাৰতীয় দলৰ হৈ প্ৰথম বলটো.......

ভাৰতীয় ক্ৰিকেটৰ এক লেখত লব লগীয়া নাম কপিল দেব। শাৰীৰিকভাবে আৰু মানসিকভাবে এক লক্ষ্যত উপনীত হোৱাৰ বিৰল প্ৰতিভাৰ অধিকাৰী কপিল। ভাৰতীয় দলৰ হৈ কাচিৎহে ভাৰতীয় দৰ্শকে মনোজ প্ৰভাকৰ বা চেতন শৰ্মাক বল কৰা দেখা পায়। উল্লেখনীয় যে ভাৰতীয় দলৰ বহু প্ৰতিভাবান খেলুৱৈ ৰাজনীতিৰ চিকাৰ হৈছে। এই সকলৰ কেইবাজনে এতিয়াও আকৌ দলত অন্তৰ্ভুক্ত হোৱাৰ আশাৰে অনুশীলন চলাই আছে। অমৰনাথ, কিৰৱানী আদিয়ে এতিয়াও পীটচৰ সপোন দেখে। ১৯৮৫-৮৬ চনত আকৰ্ষণীয় বলিং কৰা চেতন শৰ্মাও বৰ্তমানে কেইবাখনো আন্তৰ্জাতিক খেল খেলাৰ পৰা বঞ্চিত হৈ আছে। বৰ্তমানে ভাৰতীয় দলত অন্তৰ্ভুক্ত নবীন খেলুৱৈ শচীন তেণ্ডুলকাৰ আৰু সঞ্জয় মঞ্জৰেকাৰে আশাপ্ৰদ খেল প্ৰদৰ্শন কৰি এতিয়াও খেলি আছে। আনহাতে ভাৰতীয় দলৰ অপেনিং বেটচ্‌মেন শ্ৰীকান্ত বহুদিন ধৰি আন্তৰ্জাতিক খেল খেলাৰ পৰা বঞ্চিত হৈ আছিল। ভাৰতীয় ক্ৰিকেট কন্ট্ৰল বোৰ্ডৰ গেলা ৰাজনীতিৰ সঘনে চিকাৰ হয় এই খেলুৱৈসকল। কোনো খেলুৱৈয়ে কোনো খেলত বিশেষ পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলে ক্ৰিকেট কন্ট্ৰোল বোৰ্ডে সেইসকল খেলুৱৈৰ ওপৰত সততে আস্থা হেৰুৱাই পেলায় আৰু খেলুৱৈ জীৱনৰ কেৰিয়াৰেই প্ৰায় শেষ কৰি দিয়ে। ভাৰতীয় দলৰ অপেনিং বেটচ্‌মেন সুনীল গাভাস্কাৰেই বোধহয় বৰ্তমান সময়ত এই ৰাজনীতিৰ চিকাৰ হ'ব লগা হোৱা নাই।




কপিল দেৱ

ভাৰতীয় দলৰ মূধাফুটা অলৰাউণ্ডাৰ কপিল অবিহনে ভাৰতীয় দলৰ আন্তঃৰাষ্ট্ৰীয় খেলত বিজয় অনিবাৰ্য নে? এই প্ৰশ্নৰ উত্তৰ এতিয়াও অনিশ্চিত হৈ আছে। কাৰণ ভাৰতীয় দলত সঘনাই খেলুৱৈ সাল সলনি কৰা হয়, অধিনায়কত্বৰ সাল-সলনি কৰাৰ প্ৰশ্ন উঠে। কিন্তু কাহানিও কপিলদেবক ড্ৰপ কৰাৰ কথা নাহে। ভাৰতীয় ক্ৰিকেটত কপিলে বিশেষকৈ বলিঙেৰে দখল কৰি থকা আধিপত্যই ইয়াৰ কাৰণ। হাৰিয়ানাৰ সৰু গাওঁ এখনত জন্ম লাভ কৰা এই খেলুৱৈজনে ১৯৮৩ চনৰ পৰাই ভাৰতীয় দলৰ হৈ দেশলৈ কঢ়িয়াই আনিছে গৌৰৱ আৰু বিজয়ৰ মুকুট। ১৯৯১ চনটো কপিলদেবৰ বাবে অতি গুৰুত্বপূৰ্ণ বছৰ আছিল। এই বছৰতেই এদিনীয়া আন্তৰ্জাতিক খেলত ২00 উইকেট লাভ কৰা প্ৰথমজন খেলুৱৈ হিচাপে তেওঁ প্ৰতিপন্ন হৈছে।

ইয়াৰ বাহিৰেও ইয়ান বোথামৰ ৰেকৰ্ড ভংগ কৰি ৩৮0ত কৈও অধিক উইকেট লাভ কৰিবলৈ সক্ষম হৈছে। ক্ৰিকেটৰ ইতিহাসত কপিলৰ ১১১খন টেষ্টখেল আৰু ১৭৫ খন এদিনায়ী খেল খেলাৰ যোগ্যতাৰ কথা জিলিকি থাকিব। অষ্ট্ৰেলিয়াত অনুষ্ঠিত দ্বিতীয়খন টেষ্টমেটচ্‌ খেলাৰ পাছত তৃতীয়খন খেলৰ অধিনায়কৰ বাবে কপিলদেবৰ নামটো পুনৰ উচ্চাৰিত হৈছিল। কিন্তু কপিলে সেই সুযোগ গ্ৰহণ নকৰিলে। তেওঁৰ মতে খেলৰ কেপটেইনশ্বিপ কোনো মিউজিক চেয়াৰৰ খেল নহয়। কেৰিবিয়ান দলৰ প্ৰাক্তন অধিনায়ক ভিভিয়ান ৰিচাৰ্ডে কপিল সম্বন্ধে এইদৰে মন্তব্য কৰিছিল, 'কপিল ইজ দি অন্‌লি মেন ইন দি ইণ্ডিয়ান টিম্'। সঁচাই। কেৰিবিয়ান দলৰ অধিনায়কৰ এইষাৰ কথা আখৰে আখৰে প্ৰমাণিত হৈছে। বৰ্তমান পৃথিৱীৰ শ্ৰেষ্ঠতম বলাৰ চাৰ ৰিচাৰ্ড হেডলীৰ ৪৩২ৰ লক্ষ্য কপিলদেবৰ বাবে বৰ বেছি দূৰ নহয়! কপিলৰ মতে অৱশ্যে তেওঁৰ লক্ষ্য প্ৰথমে ৪00 উইকেট লোৱাৰ। শাৰীৰিক সক্ষমতাও ইয়াৰ কাৰণ হ'ব নিশ্চয়। ১৯৯১ৰ দৰে ১৯৯২ চনটো কপিলদেবৰ বাবে বৰ গুৰুত্বপূৰ্ণ হ'ব। '৯২ত কেইবাখনো উল্লেখযোগ্য আন্তৰ্জাতিক খেল খেলিব লাগিব আৰু কপিলে আশা কৰে যে '৯২ত দ্ৰুতভাবে উইকেট ঘৰলৈ কঢ়িয়াই আনিব। ভাৰতীয় দলৰ মনোজ প্ৰভাকৰ আৰু শ্ৰীনাথক লৈ কপিল গৌৰৱান্বিত। তেওঁলোকে অনুশীলনৰ মাজেৰে নিজৰ ফিট্‌নেচ্‌ ৰক্ষা কৰি চলিলে ভাৰতীয় দলৰ গৌৰৱ নিশ্চয় আৰু বাঢ়িব। আমি ভাৰতবাসীয়েও আশা কৰো যে কপিলৰ অভিলাষৰ লগতে আমিও গৰ্ব কৰিব পাৰিম কপিল এদিন পৃথিৱীৰ প্ৰথমজন মহান বলাৰ হৈছে।

মালবিকা পাঠক

# প্ৰেম জনমে জনমে



'প্ৰেম জনমে জনমে'ত পৱন গোস্বামী আৰু মেঘৰশ্মি বাজখোৱা

অলপতে মুক্তিলাভ কৰা অসমীয়া ছবি 'প্ৰেম জনমে জনমে'ৰ বিষয়ে প্ৰথমতে ভাল কথা দুটামান কৈ লোৱা যাওক। ছবিখনত চেক্স-ভায়োলেন্সৰ ছাটনি নাই। নতুন অভিনেতা-অভিনেত্ৰী সকলৰ জড়তা নাই। এই নোহোৱাখিনিৰ বাবেইতো এখন ছবি ভাল ছবি হ'ব নোৱাৰে!

এইবাৰ চাওঁ ছবিখনত কিনো আছে। এহাল যুৱক-যুৱতী। যুৱতীৰ মাক-দেউতাক আৰু যুৱকৰ মাক। যুৱক-যুৱতীহালৰ মাজত প্ৰেম হয়। বিবাহত বাধা আহে। যুৱতী অসুখ হৈ মৰে। সেই মৃত্যু দেখি প্ৰেমিক যুৱকো মৃত্যু মুখত পৰে। এয়া ছবিৰ শেষ দৃশ্য। ঠিক তাৰ পিছতেই পৰ্দাত উৰি যায় এনিমেচনৰ দুটি চৰাই (সম্ভৱতঃ আত্মা দুটি)। ছবিৰ নাম 'প্ৰেম জনমে জনমে' হলেও এটি মাত্ৰ জনমৰ প্ৰেমৰ ছবিহে আমি পৰ্দাত দেখিবলৈ পালো।

'কয়ামত সে কয়ামত তক' 'মেইনে প্যাৰ কিয়া' আদি হিন্দী ছবিৰ সাফল্যৰ ঘোঁৰাৰ চেকুৰ দেখিয়েই হয়তো পৰিচালক যাদব দাসে এই ছবিখন নিৰ্মাণৰ অনুপ্ৰেৰণা লাভ কৰিছিল। কিন্তু অকল অনুপ্ৰেৰণা বা আন্তৰিক উৎসাহেই যথেষ্ট নহয়। কাৰিকৰী আৰু শৈল্পিক দিশতো কিছু হলেও জ্ঞান থকাটো পৰিচালকৰ বাবে জৰুৰী। এইবোৰৰ অনুপস্থিতি ছবিখনৰ প্ৰতিটো ফ্ৰেমতেই কৰুণভাৱে অনুভৱ কৰা যায়।

ছবিখনৰ প্ৰথম দুৰ্বলতা কাহিনীৰ। তাতোকৈ অধিক দুৰ্বল ছবিৰ চিত্ৰনাট্য। ছবিখনৰ কোনো এটা কথাও বিশ্বাসযোগ্য নহ'ল। কোন কলেজৰ একে শ্ৰেণীৰ ছোৱালীয়ে বাৰু নিজৰ সহপাঠীক 'দাদা' বুলি সম্বোধন কৰে? প্ৰেমিক যুৱকক প্ৰথম দৃষ্টিত স্নাতক মহলৰ ছাত্ৰৰ সলনি সেই ছাত্ৰৰ অভিভাৱক বুলিহে ধাৰণা হয়।

ছবিখনৰ বিষয় বস্তু প্ৰেম। কিন্তু ছবিখনৰ ক'তো প্ৰেমৰ তীব্ৰতা বা গাঢ়তা ফুটি নুঠিল। দুটিমান অন্তৰংগ দৃশ্য বা দ্বৈত-কণ্ঠৰ গীতৰ চিত্ৰয়ণেৰে প্ৰকাশ কৰা প্ৰেমৰ যি কৰুণ পৰিণতি প্ৰদৰ্শন কৰা হ'ল সেই দৃশ্যই পৰিচালক আৰু কাহিনীকাৰ চিত্ৰনাট্যকাৰৰ প্ৰতিহে কৰুণা ওপজায়।

'ব্যৱসায় সফল ছবি' কৰাৰ বাবে কিছু চিত্ৰ নিৰ্মাতাই 'কমাৰ্চিয়েল' ছবি নামৰ যিটো অশ্বডিম্বৰ কথা দৰ্শকক পতিয়ন নিয়াব বিচাৰে, সেই ধাৰাৰেই সাৰ্থক যাত্ৰী 'প্ৰেম জনমে জনমে'। আমি ব্যৱসায় সফল ছবিৰ প্ৰয়োজনীয়তাৰ সমৰ্থক। কিন্তু অকল সেইটো কাৰণতেই চেলুলয়ডত তোলা ফটো এসোপাক ছবি বুলি কোৱাৰ তীব্ৰ বিৰোধী। □ সু-বা

# জাৰ্মানীত কোলাহল

জন্মভূমি অসমত কোলাহলে এতিয়াও আনুষ্ঠানিক ভাবে মুক্তি লাভ কৰা নাই। এটা মাত্ৰ দৰ্শনীত 'কোলাহল' চাবলৈ পাইছিল মুষ্টিমেয় দৰ্শক কেইজনমানে। তাৰ পিছত ভাৰতৰ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ ইণ্ডিয়ান পেনোৰামাত আৰু আনুষংগিক অন্য প্ৰদৰ্শন। তাৰ পিছত দূৰদৰ্শন যোগে ৰাষ্ট্ৰীয় প্ৰিমিয়াৰ। দেশৰ মাটিত ইমানেই।



*'কোলাহলৰ' পৰিচালক ভবেন্দ্ৰনাথ শইকীয়া*

বিদেশৰ কেইবাটিও মহোৎসৱত অংশ গ্ৰহণ কৰাৰ পিছত 'কোলাহল' এতিয়া জাৰ্মানীত প্ৰদৰ্শিত হৈ আছে। তাত অনুষ্ঠিত হৈ থকা 'ভাৰত উৎসৱ'ৰ অংশ হিচাপে ওঠৰটি দৰ্শনীত কোলাহলে ৰূপালী পৰ্দাত আত্মপ্ৰকাশ কৰিব।

# সত্তৰত সত্যজিৎ

'সত্যজিৎ ৰয় এট চেভেনটি' – এই নামেৰে আলোকচিত্ৰ সংকলন এটি বিদেশী প্ৰকাশকৰ সৌজন্যত প্ৰকাশ পাইছে। সত্যজিতৰ দীৰ্ঘদিনৰ ছায়াসংগী আলোকচিত্ৰ শিল্পী নিমাই ঘোষ এই সংকলনটিৰ ছবিবিলাকৰ পিতৃ। সংকলনটিৰ আগকথা লেখিছে পৃথিৱীৰ আলোকচিত্ৰ শিল্পী সকলৰ গুৰু স্বৰূপ আঁৰি কাৰ্তিয়েঁৰ ব্ৰঁচই। ব্ৰঁচ সত্যজিতৰো ঘনিষ্ঠ



বন্ধু। সত্যজিতৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি চমু চমু টোকা লেখিছে বিশ্ববিখ্যাত চলচ্চিত্ৰ পৰিচালক আকিৰা কুৰোশ্বাৱা, ৰোমান পোলানস্কি, মাৰ্টিন স্কৰ্চিচ, মাইকেল এঞ্জেলো এন্টোনিওনি, সাহিত্যিক ভি এচ নাইপল, চালমান ৰুচদি আদিয়ে। এই সংকলনটিৰ মূল্য প্ৰায় আকাশলংঘী – তেৰশ পঞ্চাশ টকা।





# বন্ধু বিচ্ছেদ

ছবি জগতত কিছু অলিখিত নিয়ম থাকে। তেনে নিয়মবোৰৰ এটি হ'ল 'পাৰ্টনাৰশ্বিপ'ৰ সম্বন্ধ ৰক্ষা।' একোগৰাকী পৰিচালকৰ লগত একোগৰাকী সংগীত পৰিচালক অথবা আলোকচিত্ৰ শিল্পী অথবা লেখকৰ দীৰ্ঘদিনীয়া সম্পৰ্ক থাকে আৰু শেষত এদিন এই সম্বন্ধৰ ওৰ পৰে। সংবাদ মহল আলোড়িত হৈ উঠে এই বিচ্ছেদৰ সংবাদত। সত্যজিৎ ৰায় সৌমেন্দু ৰায়, ৰাজ কাপুৰ – শংকৰ – জয় কিৰণ, দেৱানন্দ – শচীনদেৱ বৰ্মন, মনিৰত্নম – ইলায়া ৰাজা – এনেকুৱা সম্বন্ধৰ উদাহৰণ। মৃত্যুৱে শচীন দেৱ বৰ্মনক দেৱানন্দৰ পৰা বিচ্ছিন্ন কৰিছিল, ইলায়া ৰাজা – মনিৰত্নম – এতিয়াও আছে; কিন্তু বাকী দুটা সম্পৰ্ক শেষ হৈছিল ব্যক্তিগত কাৰণত। সেই কাৰণ চিত্ৰামোদীৰ বাবে এতিয়াও ৰহস্যৰ বিষয়। শেহতীয়া ভাবে বিচ্ছেদ হোৱা তেনেকুৱা যুটী এটি হ'ল বি আৰ চোপ্ৰা আৰু সংগীত পৰিচালক ৰবি। বি আৰ চোপ্ৰাৰ বহু সফল ছবিৰ সংগীত পৰিচালক ৰবিক বি আৰ ফিল্মচৰ পৰা বিদায় জনোৱা হৈ গ'ল। চোপ্ৰা চাহাবে অলপতে তিনিখন ছবিৰ নাম ঘোষণা কৰিছে, তাৰে দুখনৰ সংগীত পৰিচালক আনন্দ-মিলিন্দ আৰু আনখনৰ শিৱ-হৰি। এই সংবাদে ৰবি প্ৰেমী সকলক আচৰিত কৰি তুলিছে।

## তপন দাসৰ এক মিনিট



যোৱা বছৰটোত:–

**পঢ়া উল্লেখযোগ্য কিতাপ**
ৰম্যভূমি, দা আউটচাইডাৰ, ইতিহাসেৰ স্বপ্নভংগ, মহাকাব্যৰ প্ৰথম পাত

**চোৱা উল্লেখযোগ্য চিনেমা**
দা চেক্ৰিফাইচ, ১৯৮৪, নানুক অব দা নৰ্থ

**দেখা উল্লেখযোগ্য অভিনয়**
'এৱেকনিং' ছবিত ৰবাৰ্ট দা নিৰো আৰু ৰবিন উইলিয়াম, 'ৰঙা মদাৰ' ছবিত বাহাৰুল ইছলাম

**শুনা উল্লেখযোগ্য সংগীত**
শাখা-প্ৰশাখা আৰু মৃগনয়নীৰ নেপথ্য সংগীত

**লেখা উল্লেখযোগ্য গদ্য**
প্ৰসংগ অভিনয় (প্ৰকাশ), গোগোপন্টি লাক্ৰাটুৱা (বিস্ময়), মেঘমল্লাৰ (বিস্ময়)

এই বছৰটোত:–

**চাবলৈ ইচ্ছা কৰা ছবি**
সাৰথি, আগন্তুক, বাস্তুহাৰা, চিটি অব জয়

**চাবলৈ ইচ্ছা কৰা অভিনয়**
কলম্বাচ ছবিত জেৰাৰ ডেপাৰডিউ আৰু মাৰ্লোন ব্ৰেণ্ডো, 'দলপতি'ত মামুটি আৰু ৰজনীকান্ত

**লেখিবলৈ ইচ্ছা কৰা গদ্য**
হৰ মজুমদাৰৰ নতুন অভিযান

**শুনিবলৈ ইচ্ছা কৰা সংগীত**
মই নিজে লেখা গান দুটামান কাৰোবাৰ সুৱদী কণ্ঠত শুনাৰ ইচ্ছা

**পঢ়িবলৈ ইচ্ছা কৰা কিতাপ**
সৌৰভ কুমাৰ চলিহাৰ কাব্যগ্ৰন্থ, অজিৎ বৰুৱাৰ সাধু কথাৰ কুঁকি, নৱকান্ত বৰুৱাই 'তেজীমলা'ক লৈ লেখা সংগীতমুখৰ নাটক।

# নৰম প্ৰহাৰ

নানা পাটেকাৰে অভিনেতা হিচাপে জনপ্ৰিয় হোৱাৰ পিছত সপোন দেখিলে একেলগে পৰিচালকো হোৱাৰ। আৰম্ভ হ'ল উচ্চাকাংক্ষী ছবি 'প্ৰহাৰ'। বহু দেশী-বিদেশী ছবিৰ টুকুৰাৰে নিৰ্মাণ কৰা এই ছবিৰ মূল চৰিত্ৰত থাকিল নানা নিজেই; ব্যৱসায়িক সাফল্য নিশ্চিত কৰাৰ বাবে লগতে ৰখা হ'ল দুই সুন্দৰী মাধুৰী আৰু ডিম্পলক। বক্স অফিচত প্ৰহাৰে কৰা আক্ৰমণ দৰ্শকে ওফোৰাই দিলে। নানাৰ সপোন ভূপতিত হ'ল; কিন্তু আৰম্ভ হ'ল প্ৰযোজক সুধাকৰ বোকাড়েৰ দুস্বপ্ন। সুধাকৰে প্ৰযোজনা কৰা 'সাজন' ছবিয়ে গোটাই অনা লাভেৰে 'প্ৰহাৰ'ৰ লোকচান মাৰিব লগীয়া অৱস্থা হৈছেগৈ এতিয়া।

# নবাগতা চিমি

হিন্দী ছবিত উৎসাহী প্ৰযোজক - পৰিচালকে নতুন নায়ক বা নায়িকাক ছবি মুক্তিৰ আগতেই দৰ্শকৰ পৰিচিত কৰি তোলে প্ৰচাৰ মাধ্যমেৰে। অসমীয়া প্ৰযোজক-পৰিচালকৰ তেনেকুৱা 'ভিচন' নাই যদিও উৎসাহী তৰুণ চিত্ৰ-সাংবাদিকেই সেই দায়িত্ব কান্ধত লোৱা দেখা যায়। যোৱা বছৰটোত তেনেদৰে একাধিক নায়িকাক ছবি মুক্তিৰ আগতেই দৰ্শকে চিনি পাইছিল। শেহতীয়া ভাবে কিশোৰী নায়িকা 'চিমি'ৰ ভাগ্যতো একে আশীৰ্বাদেই বৰ্ষিত হৈছে। উজ্জ্বল চকুৰ আৰু



*চিমি*

হাঁহিলে ডিম্পল পৰা গালৰ 'চিমি' এতিয়া তৰুণ চিত্ৰ-সাংবাদিকৰ নয়নৰ মণি হৈ উঠিলেও দৰ্শকে ৰায় দিবলৈ সক্ষম হ'ব 'প্ৰহৰী' ছবিৰ মুক্তিৰ পিছতহে। সু

ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্য

# এজন সম্পাদকৰ লগত দুটা স্মৰণীয় মুহূৰ্ত



লেখক আৰু হোমেন বৰগোহাঞি

স্কেচ: ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য

জ্যাঁ বেনোৱাৰ "Rules of the game" আৰু "The River" নামৰ দুয়োখন ছবিয়েই পুণা ফিল্ম ইনচ্‌টিটিউটত থকা ফিল্ম এপ্ৰিচিয়েছন কোৰ্চৰ ছাত্ৰ হৈ থাকোতে পাঠ্যক্ৰমৰ ছবি হিচাপে চোৱা মনত পৰে। দুয়োখন ছবিৰ সম্পৰ্কত ইনচ্‌টিটিউটৰ প্ৰফেছৰ চাৱিয়া আৰু সতীশ বাহাদুৰৰ সমালোচনাৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলে অনেক তৰ্ক বিতৰ্ক কৰাও মনত আছে। বিশেষকৈ কঁমাৰ গোডেনৰ উপন্যাসৰ ভিত্তিত বনোৱা 'The River'-ৰ ধাৰা-বিবৰণী কৰা-নকৰাৰ সম্পৰ্কলৈ। যেয়েই নহওক, মোৰ আজিৰ বিষয়টো কঁমাৰ গোডেনৰ ওপৰত নহয়। বিষয়টো হৈছে, 'The River' চাই ওলাই আহোতে মোৰ প্ৰিয়বন্ধু তৰুণ চিত্ৰকৰ চম্পক বৰবৰাই কোৱা অস্বাভাৱিক কথা আষাৰতহে। চম্পকে একাষৰীয়াকৈ মাতি নি ক'লে, মোক হেনো শ্ৰীযুত হোমেন বৰগোহাঞিয়ে বিচাৰিছে ঃ বৃহস্পতিবাৰে দিনৰ দুই বজাৰ পাছত দেখা কৰিব লাগে।

ঘৰলৈ আহিলো আৰু কথাষাৰ ভাবিলো ঃ এনেকৈ ভাবি থাকোতে শ্ৰীযুত হোমেন বৰগোহাঞিক লৈ দুই ধৰণৰ স্মৃতি মনলৈ আহিল। (১) ........... সেই সময়ত তেখেত নীলাচল কাকতৰ সম্পাদক। মানুহৰ মুখে মুখে নীলাচলৰ প্ৰশংসাৰে পঞ্চমুখ। নতুন লেখক, নাট্যকাৰ বা চিত্ৰকৰ সকলে তেওঁৰ পৰা প্ৰেৰণা লাভ কৰিছে। নবীন বৰুৱা, পোলেন বৰকটকী, অৰুণ গোস্বামী, কুমুদ গোস্বামী, ঘন হাজৰিকা, আনিছ উজ জামান আদি নতুন লেখক সকলে তেওঁৰ পৰা প্ৰেৰণা পাইছে। ময়ো সেই সময়ত দুই-এটা কিবা লিখিছিলো যদিও লাজতে একো নপঠিয়াইছিলো।

এইবোৰ দেখি-শুনি ভাবিলো যে হোমেন বৰগোহাঞিৰ পৰা বাকী লেখক শিল্পী সকলে যদি অনুপ্ৰেৰণা পাই মই নাপাম কিয় ?

তেতিয়া শৰৎ কাল। শৰৎ সংখ্যা নীলাচলৰ কাম পূৰ্ণ গতিত আগবঢ়া বুলি গম পালো। গতিকে মই স্ব-ইচ্ছাই নীলাচলৰ বিশেষ শাৰদীয় সংখ্যাটোৰ বাবে দুটা বকলা (Cover Design) আঁকিলো আৰু সমান জোখৰ দুটা এনভেলপ বনাই তাত সেই দুটা ভৰালো আৰু তেওঁক সাক্ষাৎ কৰিবলৈ ওলালো। "........... মই বৰগোহাঞিদাৰ ওচৰলৈ যাম ; তেখেতে মোৰ শিল্প কৰ্ম দেখি আকৰ্ষিত হৰ আৰু সগৌৰৱে ঘোষণা কৰিব– এইবাৰৰ নীলাচলৰ শৰৎ সংখ্যাৰ বাবে তুমি অঁকা বকলাকে আমি ব্যৱহাৰ কৰিম ; ময়ো তেতিয়া আনন্দত আত্মহাৰা হৈ উত্তেজিত হৈ কম........ ককাইদেউ, বাকী গল্পবোৰৰ ব্যাখ্যা চিত্ৰও মই আঁকিম, মাত্ৰ কেইটামান টকা মোক দিব। মোৰ টকাৰ যে বৰ প্ৰয়োজন ! তেতিয়া তেওঁ মোৰ ভিতৰৰ কোলাহল বুজি পাব আৰু মোৰ সমস্যাৰ সমভাগী হৈ মুৰত হাত ফুৰাই ক'ব– হ'ব ভাই হ'ব, মই তোমাৰ কাৰণেইতো আছো ; তাৰ পাছত হয়তো ক'ব তুমি অলপ সময় বহা বাইদেৱে চাহ বনাই আছে ; চাহ খাই যোৱা ..........." ইত্যাদি কিছুমান ধাৰণা লৈ পিছদিনা প্ৰত্যুষতে গা-পা ধুই উঠি তেওঁৰ ঘৰলৈ ওলাই আহিলো। তেখেতে তেতিয়া বাস কৰিছিল খাৰঘুলিৰ ফালে।

মই কলিং বেল টিপিলো। চাৰিওফালে এক ভয়ংকৰ নীৰৱতা অনুভৱ কৰি বুকুৰ ভিতৰত ধপ্ ধপ্ শব্দ হৈছে; এনেকুৱা লাগিল যেন দৌৰমাৰি ঘৰটোৰ পৰা ওলাইহে যাম।

ভিতৰত কোনোবাই চকীখন টনাৰ শব্দ পালো। মই চোলাৰ আস্তিন ঠিক কৰি ললো। ডিঙিটোৱো পৰিষ্কাৰ কৰি লৈ শ্ৰীযুত বৰগোহাঞিদেৱৰ সমুখীন হ'বলৈ সাজু হলো।

তাৰ পাছত এক চছমা পৰিহিত ব্যক্তি ওলাই আহিল। হাতত কলম। মই ধাৰণা কৰিছিলো তেওঁৰ হাতত কলম থাকিবই। হাতত কলমটো দেখি কি হ'ল কব নোৱাৰো, মই বৰ অনুতপ্ত হ'লো। এনেকুৱা লাগিল যেন এজন মানুহৰ এটা সুন্দৰ পুৱা এক কুৎসিত ল'ৰাৰ উপস্থিতিত নষ্ট হৈ গ'ল। লগে লগে আত্মসমালোচনা কৰিলো,– মোৰ হাততনো কি এক সাংঘাতিক সৃষ্টি আছে, যাক উপস্থাপন কৰিবলৈ এখন কাকতৰ সম্পাদকৰ ওচৰ পাইছোহি। ........ গতিকে নিমিষতে মই মোৰ সমগ্ৰ আকাংক্ষা জলাঞ্জলি দি বিনম্ৰে সুধিলো– 'দাদা, আপোনালোকৰ ইয়াত আৰু ভাড়া ঘৰ আছে নেকি ?'

"নাই ভাই, ইয়াত আৰু ভাড়া ঘৰ নাই"– তেনেকৈ কৈয়েই তেখেতে দুৱাৰখন জপাই দিলে।

হতাশা আৰু যন্ত্ৰণা লৈ মই খাৰঘুলিয়েদি চেনীকুঠি হিলচাইদলৈ উঠি অহা পাহাৰীয়া আলিৰে উঠিবলৈ ধৰিলো। চকুত পৰিবলৈ ধৰিলে শৰততো স্ফীত হৈ থকা ৰৌদ্ৰজ্বল ব্ৰহ্মপুত্ৰৰ বাৰিধাৰা ঃ..ৰূপালী সোঁতৰ চিক্‌মিকনি অনুভৱ কৰি কৰি ক্ৰমাৎ পাহাৰীয়া দুৰ্গম পথটো অতিক্ৰম কৰি যাবলৈ চেষ্টা কৰিলো।

.......... (২) এই ঘটনাৰ বহু বছৰ পাছত এদিন পাণবজাৰত মোৰ আন এজন প্ৰিয় বন্ধু হেমন্ত দাসক লগ পাই গ'লো ('তথাপিও নদী' আৰু 'চাৰ্কল অব্ চেম্বেলছৰ' পৰিচালক)। লগ পোৱাৰ পাছতে সি মোক ক'লে যে সি আজি এটা ডাঙৰ অভিজ্ঞতা লৈ আহিছে ঃ গতিকে কথাখিনি ক'বলৈ এখন দোকানত বহাৰ প্ৰস্তাৱ দিলে। চাহ আহি পোৱাৰ আগেয়েই সি তাৰ অভিজ্ঞতাৰ কথা বৰ্ণাবলৈ ধৰিলে ............ "বুজিছা, মই শুনিলো যে 'নাগৰিক'ত এটা সহকাৰী সম্পাদকৰ পদ খালী হৈ বহুদিন পৰি আছে। গতিকে, হোমেনদাক কৈ ময়েই তাত সোমাওঁ (হেমন্তই তেতিয়া কবিতা লিখে)। সেই মতে গ'লো অফিচলৈ। তাত তেওঁক লগ নাপালো। (শ্ৰীযুত হোমেন বৰগোহাঞিয়ে তেতিয়া আনন্দ লজৰ সমুখত থকা ভিন্‌টেজ বুক ষ্টলৰ স্বত্বাধিকাৰী আৰু সেই বুক ষ্টলৰ একাংশত থাকে)। গ'লো ঘৰলৈ। ইফাল সিফাল কৰোতে এজন বয়সস্থ মানুহে দেখি মোক সুধিলে, "কাক বিচাৰিছে ?" মই ক'লো। মানুহজনে তেতিয়া ক'লে– "আপুনি তাত বৈ থাকিলে তেখেতক আজি কিয়, কালিও লগ নাপায়। তেওঁক লগ পাব লাগিলে, সমুখেৰে নহয়, সেইখিনিত বৈ থাকক ; সেই বাথৰুমটোৰ কাষতে ; অলপ আগেয়ে মই কাছাৰী বজাৰত দেখি আহিছো ; আহিব, আহিবৰ সময় হৈছে ; আপুনি বাথৰুমৰ কাষৰ সেই দুৱাৰখনৰ কাষতে বৈ থাকক। আহিলে দুৱাৰখনত টুকুৰিয়াব।" তেনেকৈ বহু সময় বৈ থাকিলো। আকৌ ভদ্ৰলোকক লগ পাই সুধিলো– 'ক'ত নাহেই দেখোন'। তেওঁ ক'লে "আহি আছে, – সেইজন, কান্ধত পানীলাও লৈ আহিছে।" সচাঁকৈয়ে, তেওঁ আহি আছে। কান্ধত পানীলাও, মুখত খং। তেওঁক দেখিয়েই মোৰ লগে লগে ধাৰণা হ'ল যে– "স্বয়ং সম্পাদকৰেই যেতিয়া লাও লোৱা অৱস্থা ; সহকাৰী সম্পাদক হ'লে মোৰ বা কি হয় ?" গতিকে তেখেতক মই আৰু লগ নধৰিলো।"

এই দুয়োটা স্মৃতিয়ে কিছুবছৰ আগৰ যদিও আটাইখিনি মোৰ মনত এতিয়াও সজীৱ হৈ আছে।

যোৱা কালিৰ কথাষাৰ মই মোৰ বন্ধু শুভাকাংক্ষী সকলৰ লগত আলোচনা কৰিলো। সিহঁতে মোক ক'লে– 'তৰোৱাল সাৱধানে চলাবি ; নহ'লে ৰণত পৰিবি।" 'চলিব জানিলে শস্যক্ষেত্ৰ, নহ'লে যুদ্ধক্ষেত্ৰ।'

মই 'সূত্ৰধাৰৰ ৰণাঙ্গনত' অৱতীৰ্ণ হবলৈ মঞ্জেৰা হাউছৰ খটখটিৰে ওপৰলৈ উঠি গ'লো। ওপৰলৈ, ক্ৰমাৎ ওপৰলৈ ...............

অহা সংখ্যাৰ একপৃষ্ঠা

"বেণুমিশ্ৰ, হীৰেন ভট্টাচাৰ্যৰ বন্ধুত্ব আৰু শৰৎ বৰুৱাৰ হাঁহি"





EASTERN PRESS & PUBLICATIONS PVT. LTD

The Most Advanced

PHOTOTYPESETTING & OFFSET PRINTING HOUSE of North East

WITH

IMPORTED MACHINERY & SKILLED MANPOWER to cater to the various printing needs of the Region

Contact us for Quality Jobs at Competitive Price

Write to :

GENERAL MANAGER

EASTERN PRESS AND PUBLICATIONS PVT. LTD.

Monjera House, First Floor,

Pan Bazar, GUWAHATI — 781 001

Phone : 33122/33618

OKDISCD